● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত
গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

*সামাজিক দায়বদ্ধতাত অবিচল*

**দিগ্‌দৰ্শন**

এজন বন্ধুক ক্ষমা কৰি দিয়াতকৈ এজন শত্ৰুক ক্ষমা কৰি দিয়াটো সহজ।

উইলিয়াম ব্লেক
*ইংৰাজ কবি*



www.dainikagradoot.in

৫ মহাৰাষ্ট্ৰত আয়কৰৰ অভিযানত ৩৯০ কোটি জব্দ
১৫ ফেন্সিঙৰ কমনৱেলথত ভাৰতৰ ভৱানীৰ সোণ
৪ সুবিধাবাদৰ ৰাজনীতি আৰু গণতন্ত্ৰৰ প্ৰতি ভাবুকি

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৩০৩তম সংখ্যা ● গুৱাহাটী ● শুকুৰবাৰ ২৬ শাওণ ১৪২৯ ভাস্কৰাব্দ ১২ আগষ্ট ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Friday 12 August 2022 মূল্য ঃ ৯.০০ টকা

## নগা গাথা

### দেশ-কাল-সমাজ

ড° দীনেশ বৈশ্য



(২)

**ভাৰতীয়** নেতৃবৃন্দই এই কথা ক'ব খোজে যে নগা আৰু ভাৰতীয়সকলে একেলগে ব্ৰিটিছ সাম্ৰাজ্যবাদী শাসনৰ বিৰুদ্ধে যুঁজিছিল। এই কথা সত্য নহয়। ভাৰতীয়সকলে ব্ৰিটিছৰ বিৰুদ্ধে যুঁজিছিল ভাৰতবৰ্ষক স্বাধীন কৰিবলৈ। নগাসকলে ব্ৰিটিছৰ বিৰুদ্ধে যুঁজিছিল নগা ভূমিক স্বাধীন কৰিবলৈ। নগাসকলে ভাৰতবৰ্ষক স্বাধীন কৰিবলৈ যুঁজা নাছিল। আৰু ভাৰতীয়সকলেও নগা ভূমিক স্বাধীন কৰিবলৈ যুঁজা নাছিল। ব্ৰিটিছৰ *১০ পৃষ্ঠাত চাওক*

■ বিনামূলীয়া সামগ্ৰী প্ৰদান আৰু জনকল্যাণ আঁচনিৰ মাজত পাৰ্থক্য আছে ঃ উচ্চতম ন্যায়ালয় ■
নিৰ্বাচনত প্ৰতিশ্ৰুতিৰ ফুলজাৰি মৰা দলৰ পঞ্জীয়ন বাতিলৰ ধাৰণা অগণতান্ত্ৰিক ঃ মুখ্য ন্যায়াধীশ


# বিনামূলীয়া আঁচনি বৃদ্ধি উদ্বেগজনক



*সাংসদ কুইন ওজাৰ নেতৃত্বত বিজেপিৰ 'হৰ ঘৰ ত্ৰিৰংগা' সজাগতা যাত্ৰা, মহানগৰীত বৃহস্পতিবাৰে।*

■ দেশৰ ক্ষতিগ্ৰস্ত অৰ্থনীতি আৰু জনকল্যাণ আঁচনিৰ মাজত সমতা ৰক্ষা কৰিব লাগিব

■ নিউজ ব্যুৰ'
নতুন দিল্লী, ১১ আগষ্ট ঃ বিনামূলীয়া সামগ্ৰী-সেৱা বিতৰণ আৰু সমাজ কল্যাণ আঁচনি দুটা ভিন্ন বিষয়। আজি উচ্চতম ন্যায়ালয়ে এই মত প্ৰকাশ কৰি কয় যে দেশৰ দুৰ্বল অৰ্থনীতি আৰু কল্যাণমূলক আঁচনিসমূহৰ মাজত সমতা ৰাখিব লাগিব। অৱশ্যে নিৰ্বাচনৰ পূৰ্বে এনে বিনামূলীয়া সামগ্ৰী আৰু সেৱা প্ৰদানৰ প্ৰতিশ্ৰুতি দিয়া দলসমূহৰ স্বীকৃতি বাতিলৰ বিবেচনাৰ সম্ভাৱনাৰ বিষয়টো অস্বীকাৰ কৰে উচ্চতম ন্যায়ালয়ে। ১৭ আগষ্টৰ পূৰ্বে এই বিষয়ত অংশীদাৰ পক্ষসমূহৰ পৰা মতামত বিচাৰিছে মুখ্য ন্যায়াধীশ এন ভি ৰামান্না আৰু ন্যায়াধীশ কৃষ্ণ মুৰাৰীৰ যুটীয়া



বিচাৰপীঠে। এই বিচাৰপীঠে কয় যে নিৰ্বাচনৰ সময়ত অযুক্তিকৰভাৱে বিনামূলীয়া সামগ্ৰী প্ৰদানৰ প্ৰতিশ্ৰুতি দিয়া ৰাজনৈতিক দলসমূহৰ স্বীকৃতি বাতিলৰ ধাৰণা অগণতান্ত্ৰিক। মুখ্য ন্যায়াধীশে কয়, 'মই ৰাজনৈতিক দলৰ পঞ্জীয়ন বাতিল আদি বিষয়ত সোমাব নিবিচাৰো। এয়া এক অগণতান্ত্ৰিক ধাৰণা। আমি এখন গণতান্ত্ৰিক দেশ।' তেওঁ কয় যে নিৰ্বাচনী প্ৰক্ৰিয়াত এইদৰে অযুক্তিকৰ প্ৰতিশ্ৰুতি প্ৰদানৰ বিষয়টো এটা গুৰুতৰ বিষয় যদিও তেওঁ বিধায়িনীৰ ক্ষেত্ৰত বেদখল নকৰে। মুখ্য ন্যায়াধীশ ৰামান্নাই কয়, 'আপোনালোকে মোক অনিচ্ছুক অথবা ৰক্ষণশীল বুলি ক'ব পাৰে; কিন্তু মই বিধায়িনীৰ এক্তিয়াৰৰ খণ্ডত *১০ পৃষ্ঠাত চাওক*

■ নতুন স্ক্ৰেপেজ নীতিক লৈ তৎপৰ পৰিবহণ বিভাগ ■ এএছটিচিৰ পুৰণি বাছ-থানাৰ চৌহদত ৰখাই থোৱা দুৰ্ঘটনাগ্ৰস্ত-চুৰি-পঞ্জীয়ন নকৰা-ফিটনেছ নথকা গাড়ী কৰা হ'ব নষ্ট

## ৰাজ্যত অহা ডিচেম্বৰৰ ভিতৰত নিশ্চিহ্ন কৰা হ'ব ১৫ বছৰ পুৰণি সকলো চৰকাৰী বাহন

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১১ আগষ্ট ঃ** অহা ডিচেম্বৰৰ ভিতৰত ধ্বংস কৰি পেলোৱা হ'ব ৰাজ্য চৰকাৰৰ ভিন ভিন বিভাগৰ অধীনত থকা ১৫ বছৰ পুৰণি সকলো বাহন। অতীত হ'ব এএছটিচিৰ বিভিন্ন স্থানত থকা আস্থানসমূহত লতাৰে ঢাক খাই থকা পুৰণি বাছসমূহ পৰি থকাৰ পৰিচিত দৃশ্য। নোহোৱা হ'ব

**স্ক্ৰেপ কৰা হ'ব ১০ লাখ পুৰণি গাড়ী ঃ পাঁচ বছৰত ১৫ বছৰ পাৰ কৰিব অতিৰিক্ত আঠ লাখ গাড়ীয়ে**

ৰাজ্যৰ ভিন্ন থানাৰ চৌহদ তথা ৰাজপথৰ কাষত দ'মাই থোৱা দুৰ্ঘটনাগ্ৰস্ত বা উদ্ধাৰ হোৱা চুৰি গাড়ীৰ দ'ম। ৰাজ্য চৰকাৰে গ্ৰহণ কৰা যানবাহনৰ নতুন স্ক্ৰেপেজ নীতিৰ অধীনত অহা ডিচেম্বৰ অৰ্থাৎ পৰৱৰ্তী চাৰিটা মাহৰ ভিতৰত ১৫ বছৰৰ পুৰণি সকলো চৰকাৰী বাহন স্ক্ৰেপ কৰিবলৈ সিদ্ধান্ত লৈছে পৰিবহণ বিভাগে। *১০ পৃষ্ঠাত চাওক*

### পৱন কুমাৰ বৰঠাকুৰক ৰাজ্যৰ পৰৱৰ্তী মুখ্য সচিব



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১১ আগষ্ট ঃ** ৰাজ্যৰ পৰৱৰ্তী মুখ্য সচিবৰূপে আজি নিযুক্তি দিয়া হয় অতিৰিক্ত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰক। অহা ৩১ আগষ্টত মুখ্য সচিব জিষ্ণু বৰুৱাই অৱসৰ গ্ৰহণ কৰিব। *আঠ পৃষ্ঠাত চাওক*

■ সীমা বিবাদ নিষ্পত্তিৰ লক্ষ্যৰে স্বাক্ষৰিত 'নামচাই ঘোষণাপত্ৰ' অনুসৰি গঠিত ৰাজ্যৰ ১২খন আঞ্চলিক সমিতিৰ উচ্চ পৰ্যায়ৰ বৈঠক

## অসম-অৰুণাচলৰ ৮৬খন বিবদমান গাঁও ভ্ৰমণ কৰি প্ৰতিবেদন দিব

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১১ আগষ্ট ঃ** মেঘালয়ৰ পাছতে এইবাৰ অৰুণাচলৰ লগত থকা সীমা সমস্যা সমাধান কৰিবলৈ দুয়োখন চৰকাৰে তৎপৰতা গ্ৰহণ কৰিছে। সীমা সমস্যা সমাধানৰ উদ্দেশ্যে দুয়োখন চৰকাৰে গঠন কৰি দিয়া ১২ খনকৈ সমিতিয়ে অহা ৩১ আগষ্টৰ ভিতৰত বিবদমান অঞ্চলসমূহ পৰিভ্ৰমণ কৰি ১৫ ছেপ্টেম্বৰৰ ভিতৰত দুয়োজন মুখ্যমন্ত্ৰীক প্ৰতিবেদন দাখিল কৰিব। আজি অসম চৰকাৰৰ সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী অতুল বৰাই এই কথা সদৰী কৰে। উল্লেখ্য যে *১০ পৃষ্ঠাত চাওক*

**কুণ্ডিল কলিয়া সংৰক্ষিত বনাঞ্চলৰ আঠ হেজাৰ হেক্টৰ ভূমি অৰুণাচলৰ দখলত ঃ দখলীকৃত ভূমি অসমত অন্তৰ্ভুক্ত কৰাৰ দাবী**



■ ২০১৪ বৰ্ষৰ নিযুক্তি কেলেংকাৰিৰ নতুন নতুন দিশ পোহৰলৈ
অসৎ উদ্দেশ্যে নষ্ট কৰি পেলাইছিল ৪৯ হেজাৰ অ'এমআৰ উত্তৰ পত্ৰ

## এপিএছচিৰ প্ৰাক্তন পৰীক্ষা নিয়ন্ত্ৰক নন্দবাবু সিঙক তলব ন্যায়িক আয়োগৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১১ আগষ্ট ঃ** চলিত ন্যায়িক তদন্তৰ জৰিয়তে অসম লোকসেৱা আয়োগ (এপিএছচি)ত সংঘটিত নিযুক্তি কেলেংকাৰিৰ ন ন দিশ পোহৰলৈ আহিছে। অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ নেতৃত্বত গঠিত আয়োগৰ তদন্তত নিযুক্তি কেলেংকাৰিত এইবাৰ এপিএছচিৰ প্ৰাক্তন



মুখ্য পৰীক্ষা নিয়ন্ত্ৰক নন্দবাবু সিং জড়িত থকাৰ অভিযোগ উত্থাপিত হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত সিঙক অহা ১৫ দিনৰ ভিতৰত আয়োগৰ সন্মুখত হাজিৰ হ'বলৈ নিৰ্দেশ দি জাননী প্ৰেৰণ কৰা হৈছে। সিঙৰ বিৰুদ্ধে উত্থাপিত অভিযোগসমূহৰ ভিতৰত আটাইতকৈ স্পৰ্শকাতৰৰূপে বিবেচিত হোৱা বিষয়টো হ'ল উত্তৰ পত্ৰ নষ্ট কৰা। *১০ পৃষ্ঠাত চাওক*

কাৰ্যালয়ত উৎকোচ

### একেদিনাই আৰু দুজন ঘোচখোৰক হাতে-লোটে গ্ৰেপ্তাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**
**গুৱাহাটী/বোকাখাত/তামুলপুৰ, ১১ আগষ্ট ঃ** ৰাজ্যত সঘনে চৰকাৰী কামত উৎকোচ বিচৰা বিষয়া-কৰ্মচাৰী আৰক্ষীৰ জালত পৰি আহিছে। তাৰ পাছতো তেনে ঘটনাক কেৰেপ নকৰাকৈ উৎকোচৰ বজাৰ পাতি বহি ৰৈছে একাংশ। মুখ্যমন্ত্ৰীৰ সকীয়নিকো সেইসকলে *আঠ পৃষ্ঠাত চাওক*



লন বলত ইতিহাস ৰচি স্বৰ্ণ জয়েৰে স্বভূমিত

### প্ৰতিখন খেলেই আমাৰ বাবে ফাইনেল আছিল ঃ ক'লে স্বৰ্ণজয়ী নয়নমণিয়ে

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১১ আগষ্ট ঃ** দেশৰ লন বল ইতিহাসত কমনৱেলথ গেমছত প্ৰথমটো স্বৰ্ণপদক আঁজুৰি আনিবলৈ সক্ষম হোৱা চাৰিজনীয়া দলটোৰ অন্যতম সদস্য অসম কন্যা নয়নমণি শইকীয়া আজি স্বভূমিত উপস্থিত হয়। দিল্লীৰ পৰা বৰঝাৰ বিমানকোঠত স্বৰ্ণপদক লৈ উপস্থিত হোৱাৰ পাছতে খেলুৱৈগৰাকীক বিপুল আদৰণি জনোৱা হয়। ইয়াৰ পাছতে তেওঁ জনতা ভৱনত উপস্থিত হোৱাত মুখ্যমন্ত্ৰীয়ে নয়নমণিক সম্বৰ্ধনা জ্ঞাপন কৰে। জনতা ভৱনত সংবাদিকৰে হোৱা বাৰ্তালাপত কমনৱেলথ *১০ পৃষ্ঠাত চাওক*

যোৰহাট জিলা পৰিষদৰ সভাপতিৰ দায়িত্ব ল'লে ৰঞ্জন শইকীয়াই


## অৱশেষত বিজেপিৰ দখললৈ কংগ্ৰেছৰ দখলত থকা একমাত্ৰ জিলা পৰিষদ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ১১ জুলাই ঃ** জল্পনা-কল্পনাৰ অন্তত কংগ্ৰেছৰ দখলত থকা যোৰহাট জিলা পৰিষদখন আজি শাসকীয় বিজেপিৰ দখললৈ গ'ল। জিলা উপায়ুক্ত অশোক কুমাৰ বৰ্মনৰ আহ্বানক্ৰমে অনুষ্ঠিত এক বৈঠকত ১৯খন আসন বিশিষ্ট জিলা পৰিষদখনৰ ১২ জন সদস্যৰ সমৰ্থন বিজেপিয়ে লাভ কৰাৰ পাছতে কংগ্ৰেছে পৰাজয় স্বীকাৰ কৰিবলৈ বাধ্য হয়। কংগ্ৰেছে সংখ্যাগৰিষ্ঠতা হেৰুওৱাৰ পাছতে বিজেপিৰ সদস্যসকলৰ সৰ্বসন্মতিক্ৰমে কৰঙা জিলা পৰিষদৰ সদস্য ৰঞ্জন শইকীয়াক পৰৱৰ্তী কাৰ্যকালৰ বাবে সভাপতি নিৰ্বাচিত কৰা হয়। অৱশ্যে উপ-সভাপতি নিৰ্বাচিত হোৱা নাই। উপ-সভাপতি নিৰ্বাচিত কৰিবলৈ অহা ১৬ আগষ্টত দিন স্থিৰ কৰা হৈছে। উল্লেখ্য যে আজি *১০ পৃষ্ঠাত চাওক*

ৰক্ষাবন্ধন উপলক্ষে গৈ মৃত্যুক সাৱটিলে

### তেজপুৰত পথ দুৰ্ঘটনাত থিতাতে মৃত্যু তিনিজনৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ১১ আগষ্ট ঃ** তেজপুৰৰ মিলনপুৰত আজি দিনৰ প্ৰায় এক বজাত সংঘটিত এক শোকাবহ দুৰ্ঘটনাত তিনিজন লোক নিহত হয়। ৰক্ষাবন্ধন উপলক্ষে তেজপুৰৰ পক্ষীয়াঝাৰৰ পৰা ঢেকিয়াজুলিলৈ যোৱা এটা পৰিয়ালৰে তিনিজন আৰু এটি শিশুসহ পৰিয়ালটোৰ আন দুজন লোক *আঠ পৃষ্ঠাত চাওক*




| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৫° | ২৭° |
| ডিব্ৰুগড় | ৩৫° | ২৭° |
| দিল্লী | ৩১° | ২৭° |
| কলকাতা | ২৮° | ২৬° |
| মুম্বাই | ২৮° | ২৬° |
| চেন্নাই | ৩৭° | ২৮° |
| বাংগালুৰু | ২৬° | ১৯° |
| শ্বিলং | ২৬° | ১৯° |

*১১ আগষ্ট, ২০২২*

■ সামাজিক সংকীৰ্ণতাৰ বলি এটা পৰিয়াল

### সৎকাৰ কৰিবলৈ ৰাইজৰ অস্বীকাৰ, নৈৰ পাৰত গাঁত খান্দি পুতিলে মৃতদেহ



**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**মঙলদৈ, ১১ আগষ্ট ঃ** সমাজৰ একাংশ লোকৰ সংকীৰ্ণ মনোভাৱৰ বাবে হিন্দু ৰীতি-নীতি অনুসৰি সৎকাৰ কৰাৰ পৰিৱৰ্তে গাঁতত মৃতদেহ পুতি থ'বলগীয়া হোৱা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে দৰং জিলাত। যোৱা মঙলবাৰে পতালসিংপাৰাৰ গণক চুবাত মৃত্যু হৈছিল অতুল শৰ্মা *আঠ পৃষ্ঠাত চাওক*

■ ঘৰে ঘৰে পতাকা উত্তোলন কাৰ্যসূচীক লৈ দুৰ্ভাগ্যজনক কাণ্ড
মেচিনত তৈয়াৰী বিকৃত আকাৰৰ পতাকাক লৈ অসন্তুষ্ট সচেতন মহল

## পতাকা নিকিনিলে হিতাধিকাৰীক বিনামূলীয়া চাউল প্ৰদান নকৰাৰ হুংকাৰ

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**শিৱসাগৰ/তালাপ, ১১ আগষ্ট ঃ** স্বাধীনতাৰ ৭৫ বৰ্ষপূৰ্তি উপলক্ষে অহা ১৩ আগষ্টৰ পৰা তিনিদিনীয়াকৈ দেশৰ প্ৰতিটো পৰিয়ালক জাতীয় পতাকা উৰুৱাবলৈ কেন্দ্ৰীয় চৰকাৰে আহ্বান জনাইছে। তাৰ বাবে চৰকাৰী পৰ্যায়ত ব্যাপক প্ৰস্তুতি অব্যাহত আছে; কিন্তু দুৰ্ভাগ্যজনকভাৱে এনে প্ৰস্তুতিৰ অংশৰূপে জাতীয় পতাকা বিক্ৰীৰ নামত ৰাইজক পতাকা ক্ৰয় নকৰিলে চৰকাৰী সা-সুবিধাৰ পৰা বঞ্চিত হোৱাত সতৰ্কবাৰ্তাও ৰাজ্যৰ ঠায়ে ঠায়ে একাংশ লোকৰ পৰা প্ৰচাৰ কৰা হৈছে। আকৌ এতিয়াৰ পৰা জাতীয় পতাকা হাতে তৈয়াৰী খাদীৰ উপৰি মেচিনত তৈয়াৰী পলিমাৰ কাপোৰতো উপলব্ধ হোৱাত খাদী বস্ত্ৰ হস্ত শিল্প উদ্যোগটো ক্ষতিগ্ৰস্ত হোৱাৰ আশংকা বৃদ্ধি হৈছে। মেচিনত জাতীয় পতাকা তৈয়াৰ কৰাৰ সুবিধা কৰি দিয়াৰ ফলত দেখা গৈছে জাতীয় পতাকাৰ আকাৰ, আকৃতি, ৰং আদিৰ বিসংগতি। অশোক স্তম্ভ থকা গেৰুৱা, বগা আৰু সেউজীয়া পতাকাখনৰ ৰং বিকৃত হৈ পৰিছে। গেৰুৱাৰ ঠাইত কমলা-ৰঙা আদি ৰঙে ঠাই পাইছে। বগাৰ মাজত থকা *১০ পৃষ্ঠাত চাওক*

### ধুবুৰীত পুনৰ ব্ৰহ্মপুত্ৰৰ বুকুত নাও দুৰ্ঘটনা, কথমপি ৰক্ষা অৰ্ধ শতাধিকৰ

**ধুবুৰী, ১১ আগষ্ট ঃ** ব্ৰহ্মপুত্ৰৰ বুকুত এক ভয়ংকৰ নাও দুৰ্ঘটনা। অৰ্ধ-শতাধিক ছাত্ৰ-ছাত্ৰীৰে ভৰি থকা নাও এখন দুৰ্ঘটনাগ্ৰস্ত হয় যদিও দৈবক্ৰমে প্ৰাণৰক্ষা পৰে ইয়াৰ যাত্ৰীসকল। দুৰ্ঘটনাটো সংঘটিত হয় ধুবুৰী জিলাৰ হাওৰাপাৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত জাংলীয়া অঞ্চলত। উল্লেখ্য যে সেই অঞ্চলটোত কাঈমভাষানী চৰৰ লগতে কে'বাটাও *আঠ পৃষ্ঠাত চাওক*

## চেঙা তেল



*হেৰি, এতিয়া কাৰ্যালয়ত বহি থকা নাই নহয়, মোৰ ভাগটো ইয়াতেই দি দিয়ক!*

বিভিন্ন পক্ষক সহযোগত অবাধে সৰবৰাহ

### শিৱসাগৰত বহিঃৰাজ্যৰ গাহৰিৰ মুকলি ছিণ্ডিকেট

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ১১ আগষ্ট ঃ** কয়লা, লোহা নহয়, এইবাৰ চলিছে গাহৰি ছিণ্ডিকেট। যি সময়ত গাহৰিৰ ছোৱাইন ফিভাৰৰ বাবে পূব অসমৰ প্ৰায়বোৰ জিলাত গাহৰি পালনৰ লগতে খাদ্য আৰু সৰবৰাহ প্ৰশাসনে বন্ধ ৰাখিছে সেই সময়তে মুকলিভাৱে চলিছে বহিঃৰাজ্যৰ গাহৰিৰ অবৈধ ছিণ্ডিকেট। এই ছিণ্ডিকেট চক্ৰটো পৰিচালিত হৈ আহিছে শিৱসাগৰ জিলাৰ আমগুৰি আৰু হালোৱাটিঙৰ পৰা। বিহাৰ, উত্তৰ প্ৰদেশ, *আঠ পৃষ্ঠাত চাওক*

■ ১৫৮ চুৰি কাৰ্ড-ছোৱাইপ মেচিন-নগদ ধনসহ মহানগৰীত ধৃত হাৰিয়ানাৰ দুই অপৰাধী


## এটিএম কাৰ্ড চুৰি কৰি কোটি কোটি লুট

■ বহিঃৰাজ্যৰ পৰা আহি ৰাজ্যত তাণ্ডৱ ■ গ্ৰাহকক প্ৰবঞ্চনা কৰিয়ে স্থান সলনি কৰে প্ৰবঞ্চকৰ দলে ■ কাৰ্ড ব্যৱহাৰ অনভিজ্ঞ লোক লক্ষ্য



*১৫৮ চুৰি কাৰ্ডসহ ধৃত দুই, মহানগৰীত বৃহস্পতিবাৰে।*

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১১ আগষ্ট ঃ** অসমত পিয়াপি দি ফুৰিছে এটিএম কাৰ্ড চুৰিৰে গ্ৰাহকৰ কোটি কোটি টকা লুণ্ঠন কৰা বহিঃৰাজ্যৰ বৃহৎ চক্ৰ। এনে চক্ৰৰ জালত পৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰায় প্ৰতিদিনে বহু গ্ৰাহকে নিমিষতে হেৰুৱাইছে বেংক একাউণ্টত জমা থকা লাখ লাখ টকা। এনে চক্ৰৰ ভয়াবহ দৌৰাত্ম্যৰ এখন ছবি আজি মহানগৰীৰ বশিষ্ঠ আৰক্ষী থানাৰ অধীনৰ মিলন নগৰত পোহৰলৈ আহে। বশিষ্ঠ আৰক্ষীয়ে আজি অঞ্চলটোৰ পৰা দুজন প্ৰবঞ্চকক গ্ৰেপ্তাৰ কৰে। দুয়োৰে পৰা মুঠ ১৫৮ খন চুৰি এটিএম উদ্ধাৰ কৰা হয়। এইবোৰৰ ভিতৰত ভাৰতীয় *১০ পৃষ্ঠাত চাওক*



### হৰ ঘৰ ত্ৰিৰংগা সমদলত অংশ লৈ অসুস্থ হৈ পৰিল আঠগৰাকী ছাত্ৰী

**অগ্ৰদূত বাৰ্তা**
**ঠেলামৰা, ১১ আগষ্ট ঃ** শোণিতপুৰ জিলাৰ ঢেকিয়াজুলি শিক্ষা খণ্ড অঞ্চলৰ বছাশিমলু মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে আজি পুৱা অঞ্চলত উলিওৱা 'হৰ ঘৰ ত্ৰিৰংগা' সজাগতা সমদলত অংশগ্ৰহণৰ সময়তে আঠগৰাকী ছাত্ৰী হঠাৎ অসুস্থ হৈ পৰে। *আঠ পৃষ্ঠাত চাওক*

## আৰএছএছ ইংৰাজৰ চোৰাংচোৱা আছিল ঃ সাথে

### বনগাঁও ব্লক কংগ্ৰেছৰ উদ্যোগত স্বাধীনতাৰ গৌৰৱময় যাত্ৰা

অগ্ৰদূত বাৰ্তা

**বকো, ১১ আগষ্টঃ** ১৯৪২ৰ আঠ আগষ্টত ভাৰত ত্যাগ আন্দোলনৰ প্ৰস্তাৱ আৰএছএছে মানি লোৱা নাছিল। ইয়াৰ বিপৰীতে ভাৰত ত্যাগ আন্দোলনত সক্ৰিয় ভূমিকা লোৱাসকল দেশদ্ৰোহী, আতংকবাদী বুলি চিঠিৰে ইংৰাজক অৱগত কৰিছিল। এই বিস্ফোৰক ভাষ্য নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সম্পাদক পৃথিৱীৰাজ প্ৰভাকৰ সাথেৰ। ছয়গাঁৱৰ বনগাঁও লামপাৰা ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা কেম্পস্থ ৰাজীৱ ভৱনলৈ স্বাধীনতাৰ গৌৰৱময় যাত্ৰা অনুষ্ঠানত অংশ গ্ৰহণ কৰি সম্পাদক গৰাকীয়ে পুনৰ কয়, *ছয় পৃষ্ঠাত চাওক*

# গণতান্ত্ৰিক প্ৰমূল্যৰ প্ৰতি ভাবুকি আহিছে ঃ বৰা





*বোকাখাত আৰু তামুলপুৰত উৎকোচ লোৱা অৱস্থাত দাৰকী আৰু দুৰ্নীতি নিবাৰক শাখাই ধৰিলে চৰকাৰী কৰ্মচাৰীক।*

### মোৰ হাতত খবৰ আছে, দলীয় টিকট বিহীনভাৱে পঞ্চায়ত

বিশেষ সংবাদদাতা

**নগাঁও, ১১ আগষ্ট ঃ** 'সম্প্ৰতি দেশত গণতান্ত্ৰিক প্ৰমূল্যৰ প্ৰতি ভাবুকি আহিছে। আনকি এই ভাবুকিৰ পৰা গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ সংবাদ মাধ্যমো সাৰি যোৱা নাই।' আজি বিয়লি নগাঁও জিলা কংগ্ৰেছৰ কাৰ্যালয় ৰাজীৱ ভৱনত অনুষ্ঠিত এক সংবাদমেলত এই মন্তব্য কৰে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই। প্ৰদেশ কংগ্ৰেছৰ সভাপতি বৰাই ৰাজ্যৰ বিজেপি নেতৃত্বাধীন চৰকাৰখনে নিৰ্বাচনৰ পূৰ্বে দিয়া প্ৰতিশ্ৰুতি পালনত চূড়ান্ত ব্যৰ্থ হোৱা বুলি *ছয় পৃষ্ঠাত চাওক*



## নগাঁৱত ড্ৰাগছসহ দুজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ

বিশেষ সংবাদদাতা

**নগাঁও, ১১ আগষ্ট ঃ** নগাঁও জিলাক ড্ৰাগছ মুক্ত জিলাৰূপে গঢ়ি তুলিবলৈ নগাঁও আৰক্ষীয়ে অভিযান অব্যাহত ৰাখিছে যদিও ড্ৰাগছ সৰবৰাহকাৰীয়ে ড্ৰাগছৰ প্ৰচলন আৰু সৰবৰাহ অব্যাহত ৰাখিছে। জিলাখনত এতিয়াও ড্ৰাগছ সৰবৰাহকাৰী চক্ৰ সক্ৰিয় হৈ থকাৰ লগতে ড্ৰাগছ সেৱনকাৰীসকলো সক্ৰিয় হৈ আছে। আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে প্ৰতিদিনে অভিযান অব্যাহত ৰাখিছে। ইয়াৰ অংশৰূপে যোৱা নিশাও এক গোপন সূত্ৰৰ পম খেদি নগাঁও সদৰ আৰক্ষী থানাৰ আৰক্ষীয়ে অভিযান চলাই দুজন ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰাৰ লগতে তেওঁলোকৰ পৰা বুজন পৰিমাণৰ ড্ৰাগছ জব্দ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে নগাঁও চহৰৰ কাঠমিল চাৰিআলিত অভিযান চলাই নৱজিত বৰা নামৰ এজন ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে নৱজিতৰ পৰা ১০ টা ড্ৰাগছভৰ্তি কণ্টেইনাৰ জব্দ কৰে। নৱজিতৰ স্বীকাৰোক্তিৰ ভিত্তিত আৰক্ষীয়ে মহখুলিৰ পৰা ইফটিকাৰ আলী নামৰ আন এজন ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে ইফটিকাৰৰ পৰা এটা ড্ৰাগছভৰ্তি চাবোনৰ বাকচ আৰু ১৫ টা ড্ৰাগছভৰ্তি কণ্টেইনাৰ জব্দ কৰে। আৰক্ষী সূত্ৰই জনোৱা মতে, নৱজিত আৰু ইফটিকাৰৰ ঘৰত প্ৰায়ে ড্ৰাগছ আসক্ত লোকে ভিৰ কৰে। আৰক্ষীয়ে এই খবৰ লাভ কৰি অভিযান চলাই নৱজিত আৰু ইফটিকাৰক গ্ৰেপ্তাৰ কৰে যদিও কোনো ড্ৰাগছ আসক্ত লোকক আটক কৰিবলৈ সক্ষম নহ'ল।

## মাৰ্ঘেৰিটাত সন্ন্যাসীৰ বেশত সন্দেহজনক বাংলাদেশী নাগৰিক

অগ্ৰদূত বাৰ্তা

**মাৰ্ঘেৰিটা, ১১ আগষ্ট ঃ** তিনিচুকীয়া জিলাত ভিক্ষু তথা সন্ন্যাসীৰ বেশত এতিয়া ভৰি পৰিছে সন্দেহজনক নাগৰিক। সন্ন্যাসীৰ নামত একাংশ অবৈধ বাংলাদেশী নাগৰিকে এতিয়া আশ্ৰয় লৈছে জিলাখনৰ বিভিন্ন অঞ্চলত। তিনিচুকীয়া আৰক্ষীয়ে ৰতনশ্ৰী ভিক্ষু নামৰ এজন সন্দেহজনক লোকক গ্ৰেপ্তাৰ কৰাৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰাৰ সময়তে পুনৰ অনুৰূপ ঘটনা সংঘটিত হৈছে মাৰ্ঘেৰিটা মহকুমাৰ লিডুত। আজি লিডু আৰক্ষীয়ে লিডু মোলাং অঞ্চলৰ পৰা নুৰ শ্বেইখ নামৰ সন্ন্যাসীৰ বেশত থকা এজন সন্দেহজনক নাগৰিকক গ্ৰেপ্তাৰ কৰে। লোকজন গোৱালপাৰাৰ তিনি নম্বৰ বৰদমাৰীৰ নিবাসী বুলি আৰক্ষীৰ সূত্ৰই সদৰী কৰিছে। স্থানীয় ৰাইজৰ অভিযোগৰ ভিত্তিত আৰক্ষীয়ে নিশাই লোকজনক গ্ৰেপ্তাৰ কৰি সোধ-পোছ অব্যাহত ৰাখিছে।

# স্বাস্থ্যখণ্ডত নতুনকৈ সংযোজিত ১৫০খন ১০৮ এম্বুলেন্সৰ ৮৩ খনৰ ফ্লেগ অফ কৰিলে মুখ্যমন্ত্ৰীয়ে

■ ১৪ বছৰত এক লাখ ৮৬ হেজাৰ লোকৰ প্ৰাণ ৰক্ষা কৰিলে মৃত্যুঞ্জয় সেৱাই ■ পুৰণি এম্বুলেন্সসমূহ স্ক্ৰেপ্‌ৰ পৰিৱৰ্তে ৰাজহুৱা ক্ষেত্ৰত ব্যৱহাৰ কৰিবলৈ ইচ্ছুক এনজিঅ'-স্বেচ্ছাসেৱী সংগঠনক বিনামূলীয়াকৈ প্ৰদান কৰিব

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ১১ আগষ্ট ঃ** দেশৰ দৰিদ্ৰ তথা দুৰ্বল শ্ৰেণীৰ জটিল চিকিৎসাৰ ক্ষেত্ৰত সহায়ক হোৱাকৈ কেন্দ্ৰীয় চৰকাৰে ৰূপায়ণ কৰা প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা 'আয়ুষ্মান ভাৰত' আৰ্হিৰে 'আয়ুষ্মান অসম' শীৰ্ষক এখন বীমা আঁচনি অসমতো ৰূপায়ণৰ কৰাৰ চিন্তা-চৰ্চা কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সদৰী



কৰিছে। আজি জনতা ভৱনৰ চৌহদত ৰাজ্যৰ স্বাস্থ্যখণ্ডত নতুনকৈ সংযোজিত ১৫০খন ১০৮ এম্বুলেন্সৰ ভিতৰত ৮৩ খনৰ এম্বুলেন্সৰ ফ্লেগ অফ কৰি মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনত সাৰ্বজনীন স্বাস্থ্য বীমা সুবিধা প্ৰদানৰ অৰ্থে স্বাস্থ্য বিভাগে গ্ৰহণ কৰিবলগীয়া 'আয়ুষ্মান অসম'ৰ সন্দৰ্ভত ভাষণ প্ৰসংগত কয়, 'ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ অটল অমৃত অভিযানে ছটা জটিল ৰোগৰ চিকিৎসাৰ সেৱা আগবঢ়াইছে। সমান্তৰালভাৱে ২৭ লাখ দুখীয়া পৰিয়ালে প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ জৰিয়তে সুবিধা লাভ কৰে; কিন্তু অসমত প্ৰায় ৬০ লাখ পৰিয়ালৰ ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনিৰ ৰেছন কাৰ্ড আছে। অৰুণোদয় আঁচনিত ২৭ লাখ মহিলা আছে। এইসমূহ পৰিয়ালৰ ভিতৰত ইয়াৰে ২৭ লাখ পৰিয়ালক *ছয় পৃষ্ঠাত চাওক*

## দিপীলাত সংস্কৃত দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**ছিপাঝাৰ, ১১ আগষ্ট ঃ** আজি দিপীলাস্থিত কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন বিশ্ববিদ্যালয়ৰ অধীনস্থ ভাৰতীয় সংস্কৃতি অধ্যয়ন কেন্দ্ৰ আৰু গৱেষণা কেন্দ্ৰ দিপীলাৰ উদ্যোগত বাণীপ্ৰিয়া চতুষ্পাঠীত সংস্কৃত দিৱস উদ্‌যাপন কৰে। অনুষ্ঠানৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে বিদ্যালয়ৰ প্ৰধান অধ্যাপক যুগল কুমাৰ মহন্তই আৰু মংগলাচৰণ কৰে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে। ইয়াৰ পাছতে বৃক্ষৰোপণ কৰে বিদ্যালয় *ছয় পৃষ্ঠাত চাওক*

## মুছলপুৰত হৰ ঘৰ ত্ৰিৰংগাৰ আহ্বানেৰে ৰেলী

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ১১ আগষ্ট ঃ** 'আজাদী কা অমৃত মহোৎসৱ'ৰ লগত সংগতি ৰাখি অহা ১৩ আগষ্টৰ পৰা ১৫ আগষ্টলৈ পালন কৰিবলগীয়া হৰ ঘৰ ত্ৰিৰংগা কাৰ্যসূচীৰ সজাগতাৰ বাবে আজি বাগ্‌সা জিলাৰ মুছলপুৰত এক বিশাল স্কুটী ৰেলী উলিওৱা হয়। অসম ৰাজ্যিক গ্ৰামীণ অভিযান, বাগ্‌সাৰ জীৱিকা সখীসকলে অংশগ্ৰহণ কৰা এই স্কুটী ৰেলীৰ ফ্লেগ অফ কৰে বাস্কা উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া চখেল্লী বড়োৱে। মুছলপুৰস্থ বাস্কা উন্নয়ন খণ্ডৰ কাৰ্যালয় চৌহদৰ পৰা আৰম্ভ হোৱা স্কুটী ৰেলীটো মুছলপুৰ চহৰৰ বিভিন্ন অঞ্চল পৰিভ্ৰমী জিলা উপায়ুক্তৰ কাৰ্যালয়ত উপস্থিত হয়। আজাদী কা অমৃত মহোৎসৱৰ স'তে সংগতি ৰাখি কেন্দ্ৰীয় চৰকাৰৰ হৰ ঘৰ ত্ৰিৰংগা কাৰ্যসূচীৰ বিষয়ে ৰাইজৰ মাজত সজাগতা বৃদ্ধি কৰিবলৈ আয়োজিত আজিৰ এই স্কুটী ৰেলীত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ বাস্কা খণ্ডৰ প্ৰকল্প বিষয়া পামী ব্ৰহ্মৰ লগতে বাস্কা খণ্ডৰ অধীনস্থ চাৰিটা মণ্ডল সংগঠক ক্ৰমে কুঁহি, পাহি, আদৰ্শ আৰু ছানলাইটৰ জীৱিকা সখীসকলে অংশগ্ৰহণ কৰে। একেদৰে জিলাখনৰ অংগনৱাড়ী কৰ্মী-সহায়িকা সকলেও আজি জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ পৰা হৰ ঘৰ ত্ৰিৰংগা ৰেলী উলিয়াই সজাগতা বৃদ্ধি কৰে।

## তৃতীয়-চতুৰ্থ বৰ্গৰ পদৰ বাছনি পৰীক্ষাৰ পূৰ্বে এজন ধৃত

■ ধনৰ বিনিময়ত পৰীক্ষাৰ আগদিনা প্ৰশ্নকাকত যোগানৰ আশ্বাস দিছিল ■ বাংগালুৰুৰ ইউবিআইৰ একাউণ্টত ধন জমা একাংশ প্ৰাৰ্থীৰ ■ চিবিআইৰ জালত হাইলাকান্দিৰ আলি হুছেইন বৰভূঞাক গ্ৰেপ্তাৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ১১ আগষ্ট ঃ** অহা ২১ আৰু ২৮ আগষ্টত অনুষ্ঠিত হ'বলগীয়া অসম চৰকাৰৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ প্ৰায় ২৬ হেজাৰ পদৰ বাছনি পৰীক্ষাৰ পূৰ্বে প্ৰশ্নকাকত যোগানৰ প্ৰতিশ্ৰুতিৰে ধন সংগ্ৰহত লিপ্ত হোৱা এজন প্ৰৱঞ্চকক আজি অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগ (চিআইডি)-এ গ্ৰেপ্তাৰ কৰে। ধৃত লোকজন হ'ল হাইলাকান্দিৰ ৰামনাথপুৰ আৰক্ষী থানাৰ অধীনৰ জমিৰা চতুৰ্থ খণ্ডৰ বাসিন্দা আলি হুছেইন বৰভূঞা। চিআইডিয়ে



সদৰী কৰে যে এটা চক্ৰই প্ৰশ্নকাকতৰ বাবে এটা হোৱাটছ এপ গোট খুলিছিল। ৮০৯৯৭৫৭২৯৫ ম'বাইল নম্বৰত 'গ্ৰেড ৩/৪ এগজামিনেছন হেল্প গ্ৰুপ' নামেৰে সৃষ্টি কৰা গোটটোৰ জৰিয়তে প্ৰচাৰ চলোৱা হৈছিল যে পৰীক্ষাৰ এদিন পূৰ্বে প্ৰাৰ্থীসকলে প্ৰশ্নকাকত লাভ কৰিব। অৱশ্যে যিসকলে আগতীয়াকৈ নিৰ্দিষ্ট একাউণ্টত ধন জমা কৰিব সেইসকলেহে এই সুবিধা পাব। ইয়াৰ বাবে বাংগালুৰুস্থিত ইউনিয়ন বেংক অৱ ইণ্ডিয়াৰ এটা শাখাত থকা *ছয় পৃষ্ঠাত চাওক*



*সীমান্ত চেতনা মঞ্চৰ অখিল ভাৰতীয় সহ-সংযোজক প্ৰদীপনৰ উপস্থিতিত মঞ্চৰ এটা দলে আজি 'দৈনিক অগ্ৰদূত'ৰ কাৰ্যালয়ত ৰাখী বন্ধন পালন কৰে।*

## আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি মৰিগাঁৱত চিত্ৰাংকন প্ৰতিযোগিতা

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ১১ আগষ্ট ঃ** আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি আজি মৰিগাঁও চহৰৰ মজলীয়া বিদ্যালয়ত এখন চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ অসমৰ সহযোগত আৰু মৰিগাঁও জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ বিভাগৰ উদ্যোগত অনুষ্ঠিত হোৱা চিত্ৰাংকন প্ৰতিযোগিতাত ডেৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ বিভাগৰ প্ৰকল্প বিষয়া ৰঞ্জু শৰ্মাৰ তত্বাৱধানত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাখনত বিচাৰকৰূপে অংশগ্ৰহণ কৰে জ্যোতি প্ৰসাদ মহন্ত আৰু ৰীতা মিশ্ৰই। প্ৰতিযোগিতাৰ ফলাফল অনুসৰি 'ক' শাখাত প্ৰথম স্থান লাভ কৰে মুহিলা হোম মডেল বিদ্যালয়ৰ চাহিল আহমেদে, দ্বিতীয় স্থান ডেল্টা পাব্লিক বিদ্যালয়ৰ কৰণ জ্যোতি মহন্ত আৰু তৃতীয় স্থান লাভ কৰে ৰাধাকৃষ্ণণ চেন্ট্ৰেল একাডেমীৰ হৰ্ষিতা গোহাঁয়ে। 'খ' শাখাত প্ৰথম স্থান লাভ কৰে মুহিলা হোম মডেল বিদ্যালয়ৰ ফাৰহিনা ৰহমানে, দ্বিতীয় স্থান জালুগুটি উচ্চ মাধ্যমিক বিদ্যালয়ৰ সুমিত কুণ্ডু আৰু তৃতীয় স্থান লাভ কৰে মৰিগাঁও মজলীয়া বিদ্যালয় আৰমান মিৰ্জাই। 'গ' শাখাত প্ৰথম স্থান লাভ কৰে চেজ পানেনি বিদ্যালয়ৰ বাগ্মিতা শইকীয়াই, দ্বিতীয় স্থান পায় মৰিগাঁও জাতীয় বিদ্যালয়ৰ চামিম আহমেদে আৰু তৃতীয় স্থান লাভ কৰে জালুগুটি উচ্চ মাধ্যমিক বিদ্যালয়ৰ তাপস নাগে।

ডাঃ ধৰণীধৰ দাসৰ হত্যাই গোটেই অসমখনৰে ক্ষতি কৰিছে ঃ দিলীপ চন্দন

## আততায়ীৰ হাতত নিহত ডাঃ ধৰণীধৰ দাসক নলবাৰী-বৰমাত স্মৰণ

সঁচা সাহিত্যসেৱীৰ সমাজত কোনোদিন মৃত্যু নহয় ঃ ড° শৈলেন্দ্ৰ প্ৰসাদ শৰ্মা

অগ্ৰদূত বাৰ্তা

**নলবাৰী/বৰমা, ১১ আগষ্ট ঃ** 'ভাল মানুহক মানুহে পাহৰি নাযায়। সঁচা সাহিত্যিকে সমাজৰ হকে চিন্তা কৰি কলম ধৰে। সমাজৰ হৈ চিন্তা কৰা সাহিত্যিকক সমাজে কেতিয়াও পাহৰি নাযায়। তেনে সাহিত্যিকক সমাজে সদায় স্মৰণ কৰি থাকে।' এই মন্তব্য বিশিষ্ট শিক্ষাব্ৰতী ড° শৈলেন্দ্ৰপ্ৰসাদ শৰ্মাৰ। নলবাৰী জিলা সাহিত্য সভাৰ উদ্যোগত আৰু বৰমা শাখা সাহিত্য *ছয় পৃষ্ঠাত চাওক*



### অবৈধভাৱে হোৱা নামজাৰি কৰ্তনৰ দাবীত গোৱালপাৰাৰ উপায়ুক্তক অভিযোগ

## মাটিয়া ৰাজহ চক্ৰৰ ভূমি কেলেংকাৰি

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১১ আগষ্ট ঃ** গোৱালপাৰা জিলাৰ মাটিয়া ৰাজহ চক্ৰৰ সদ্য বিদায়ী চক্ৰ বিষয়া জিতেন্দ্ৰ টাইড এণ্ড কোম্পানীয়ে ব্যাপক কেলেংকাৰি সংঘটিত কৰা বুলি ৰাজহুৱা অভিযোগ উত্থাপিত হৈছে। শেহতীয়াভাৱে আঠ নম্বৰ লাটৰ লালাবড়ী ৰাজহ গাঁৱৰ ২৩৯ নম্বৰ দাগ আৰু ২২৭ নম্বৰ পট্টাভুক্ত জমিৰ প্ৰকৃত গৰাকীৰ অজ্ঞাতে অবৈধভাৱে এজন অচিনাকি লোকৰ নামত নামজাৰি কৰা বুলি এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। এই সন্দৰ্ভত আজি জাফুৰ আলী নামৰ এজন লোকে গোৱালপাৰা জিলা উপায়ুক্তক এখন লিখিত অভিযোগ দাখিল কৰে। উক্ত অভিযোগ পত্ৰত উল্লেখ কৰা মতে, তেওঁলোকৰ পট্টাভুক্ত আৰু সম্পূৰ্ণ দখল থকা উল্লেখিত জমিৰ খাজনা আদায় দিয়াৰ বাবে আলীয়ে যোৱা ন আগষ্টত মাটিয়া তহছিল কাৰ্যালয়ত যায়। কিন্তু আলী তথা তেওঁলোকৰ পৰিয়ালৰ স'তে কোনো ধৰণৰ সম্পৰ্ক নথকা ছমৰ আলী নামৰ এজন অচিনাকী লোকৰ নাম জমাবন্ধী কপিত ছয় নম্বৰ পট্টাদাৰৰূপে সংলগ্ন কৰি দুবিঘা দুকঠা জমি নামজাৰি কৰা প্ৰত্যক্ষ কৰে। বিক্ৰী আৰু দান নকৰা তথা পট্টাদাৰৰ সন্মতি অবিহনে ক্ষেত্ৰভিত্তিক পৰ্যবেক্ষণ নকৰাকৈয়ে বজাৰৰ আলু-পিঁয়াজ বিক্ৰী কৰাৰ দৰে জাফুৰ আলী আৰু পৰিয়ালবৰ্গৰ *ছয় পৃষ্ঠাত চাওক*

## লাহৰীঘাটত তিনিজন তীৰৰ বুকীক আটক

অগ্ৰদূত বাৰ্তা

**লাহৰীঘাট, ১১ আগষ্ট ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত আৰক্ষীয়ে ড্ৰাগছৰ সমান্তৰালভাৱে অবৈধ তীৰ খেলৰ বিৰুদ্ধেও অভিযান তীব্ৰতৰ কৰি তুলিছে। আজি দিনৰ ভাগত লাহৰীঘাটত আৰক্ষীয়ে অভিযান চলাই তিনিজনকৈ তীৰৰ বুকীক আটক কৰে। ধৃত তীৰৰ বুকীকেইজন ক্ৰমে কৃষ্ণ চন্দ্ৰ মণ্ডল (৪৮), আকবৰ আলী (৫৫) আৰু ইচাহক আলী (৪৭)। বিশেষ খবৰৰ ভিত্তিত মৰিগাঁও আৰু লাহৰীঘাট আৰক্ষীয়ে যুটীয়াভাৱে বজাৰৰ ভিতৰত অভিযান চলাই তীৰৰ বুকীকেইজনক আটক কৰিবলৈ সক্ষম হয়। ধৃত বুকীকেইজনৰ পৰা আৰক্ষীয়ে নগদ ১১,৬৫০ টকা, ম'বাইল ফোন তিনিটা আৰু তীৰত ব্যৱহৃত সামগ্ৰী জব্দ কৰে। উল্লেখ্য যে এটা অসাধু চক্ৰই দীৰ্ঘদিন ধৰি আৰক্ষীৰ চকুত ধূলি দি লাহৰীঘাট বজাৰৰ লগতে ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলত অতি গোপনে অবৈধ তীৰ খেলৰ ব্যৱসায় চলাই আছিল। এই অবৈধ তীৰ খেলৰ গ্ৰাসত পৰি অঞ্চলটোৰ একাংশ লোক সৰ্বহাৰা হোৱাৰ অভিযোগ আছিল।

## লাহৰীঘাটত ড্ৰাগছ সৰবৰাহকাৰীক আটক

অগ্ৰদূত বাৰ্তা

**লাহৰীঘাট, ১১ আগষ্ট ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত আৰক্ষীয়ে অভিযান চলাই পুনৰ এজন ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰাৰ লগতে বৃহৎ পৰিমাণৰ ড্ৰাগছ জব্দ কৰে। ধৃত ড্ৰাগছ সৰবৰাহকাৰীজনৰ নাম বাহাৰুল ইছলাম (২১)। লাহৰীঘাট আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া আমিৰ হুছেইনৰ নেতৃত্বত যোৱা আৰক্ষীৰ এটি দলে কালি বজাৰৰ মাছ মহলৰ ওচৰত অভিযান চলাই ড্ৰাগছ সৰবৰাহকাৰীজনক আটক কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে ধৃত যুৱকজনৰ পৰা ২০ টা ড্ৰাগছ ভৰ্তি কন্টেইনাৰ জব্দ কৰে। অভিযোগ মতে, ধৃত যুৱকজন দীৰ্ঘদিন ধৰি ড্ৰাগছ সৰবৰাহৰ লগত জড়িত হৈ আছিল। আৰক্ষীৰ চকুত ধূলি দি বজাৰৰ লগতে অঞ্চলটোত দীৰ্ঘদিন ধৰি নিষিদ্ধ ড্ৰাগছৰ ব্যৱসায় চলাই আহিছিল ধৃত যুৱকজনে। যুৱকজনক কৰায়ত্ত কৰিবলৈ ফান্দ পাতি আছিল আৰক্ষীয়ে। অৱশেষত ৰাইজৰ সহযোগত ড্ৰাগছ সৰবৰাহকাৰীজনক হাতে-লোটে আটক কৰিবলৈ সক্ষম হয় আৰক্ষী। লাহৰীঘাট আৰক্ষীয়ে ধৃত যুৱকজনৰ বিৰুদ্ধে এনডিপিএছ আইনৰ অধীনত ৩১২/২২ নম্বৰত এটি গোচৰ পঞ্জীয়ন কৰি আজি মৰিগাঁও জেললৈ প্ৰেৰণ কৰে।

## ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ অন্তৰ্গত বৰমোহৰাত চেক-ষ্টীল আলমিৰা বিতৰণ

অগ্ৰদূত বাৰ্তা

**কৃষ্ণাই, ১১ আগষ্ট ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাইৰ বৰমোহৰাত আজি ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ অন্তৰ্গত হাব্ৰাঘাট পৰিষদীয় সমষ্টিত এখন সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। আজি দুপৰীয়া অনুষ্ঠিত সভাখনত ২০১৯-২০ আৰু ২০২০-২১ বিত্তীয় বৰ্ষৰ ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ অন্তৰ্গত ১১ নম্বৰ হাব্ৰাঘাট সমষ্টিৰ উচ্চতৰ আৰু স্নাতক শ্ৰেণীত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী সকলৰ মাজত ৩৫০০ আৰু ৪০০০ হেজাৰ টকাৰ চেক বিতৰণ কৰা হয়। উক্ত অনুষ্ঠানতে সমষ্টিটোৰ *ছয় পৃষ্ঠাত চাওক*

## সামান্য মজুৰি বৃদ্ধিৰে কংগ্ৰেছৰ দৰে বিজেপি চৰকাৰেও প্ৰতাৰণা কৰিলে চাহ শ্ৰমিকক

**চৰকাৰৰ সিদ্ধান্তৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ অখিল ভাৰতীয় চাহ মজদুৰ সংঘৰ ঃ মজুৰি বৃদ্ধিৰ দাবীত বৃহৎ আন্দোলনৰ হুংকাৰ**

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ১১ আগষ্ট ঃ** ৰাজ্যত চাহ শ্ৰমিকসকলৰ মজুৰি বৃদ্ধিৰ নামত চৰম প্ৰতাৰণা কৰা বুলি চৰকাৰৰ বিৰুদ্ধে আজি তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে অখিল ভাৰতীয় চাহ মজদুৰ সংঘই। ২০১৮ৰ তিনি জুলাইত ৰাজ্য চৰকাৰৰ দ্বাৰা গঠিত মজুৰি উপদেষ্টা সমিতিয়ে চাহ শ্ৰমিকৰ দৈনিক মজুৰি ৩৫১.৩৩ টকালৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ দিছিল যদিও ৰাজ্য চৰকাৰে কালি শ্ৰমিকসকলৰ মজুৰি মাথোঁ ২৭ টকাকৈহে বৃদ্ধি কৰাত অসন্তুষ্ট হৈ পৰিছে চাহ মজদুৰ সংঘ। সংঘৰ ৰাজ্যিক সভাপতি তথা চি পি আই এম নেতা ৰয়েল চৰেঙে আজি ৰাজ্য চৰকাৰৰ সিদ্ধান্তক তীব্ৰ ক্ষোভ প্ৰকাশ কৰি কয় যে শ্ৰমিকসকলৰ মজুৰি মাথোঁ ২৭ টকাকৈ বৃদ্ধি কৰাৰ ফলত বৰাক উপত্যকাৰ চাহ শ্ৰমিকে পূৰ্বৰে পৰা লাভ কৰা ১৮৩ টকা আৰু বৰ্তমানৰ বৰ্ধিত ২৭ টকা সহ সৰ্বমুঠ ২১০ টকা মজুৰি লাভ কৰিব। আকৌ ব্ৰহ্মপুত্ৰ উপত্যকাত বৰ্ধিত মজুৰিসহ ২৩২ টকাকৈ দৈনিক মজুৰি লাভ কৰিব চাহ শ্ৰমিকে। চৰেঙে কয় যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত মজুৰি উপদেষ্টা সভাত মুখ্যমন্ত্ৰীয়ে চাহ শ্ৰমিকসকলক আইন মতে ন্যূনতম মজুৰি প্ৰদান কৰাৰ প্ৰতিশ্ৰুতি দিছিল। কিন্তু এতিয়া দেখা গৈছে যে পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ দৰে বৰ্তমানৰ বিজেপি *ছয় পৃষ্ঠাত চাওক*

# মাধ্যম বিতৰ্ক ঃ ১৮ আগষ্টত দিছপুৰত সাহিত্য সভা, আছু-এবছুৰে শিক্ষামন্ত্ৰীৰ বৈঠক

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ১১ আগষ্ট ঃ** শিক্ষানুষ্ঠান প্ৰাদেশিকীকৰণ বন্ধ কৰা, মাতৃভাষাৰ মাধ্যমৰ বিদ্যালয়ত তৃতীয় শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ ইংৰাজী মাধ্যমত পাঠদানকে ধৰি ৰাজ্যিক কেবিনেটৰ সিদ্ধান্তৰ বিৰোধিতা কৰা অসম সাহিত্য সভা, বড়ো সাহিত্য সভা, আছু, এবছু নেতৃত্বক অৱশেষত আলোচনাৰ মেজলৈ আমন্ত্ৰণ জনালে ৰাজ্য চৰকাৰে। সাহিত্য সভা, আছু, এবছুৰ নেতৃত্বত ৰাজ্য চৰকাৰৰ সিদ্ধান্তৰ বিৰুদ্ধে সমগ্ৰ ৰাজ্যজুৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত হোৱাৰ পাছতে অস্বস্তিত ভোগা ৰাজ্য চৰকাৰে এই বিষয়টো সন্দৰ্ভত সংশ্লিষ্ট সকলো পক্ষৰ স'তে আলোচনাত বহিবলৈ সাজু আছে বুলি ঘোষণা কৰিছিল। অৱশেষত ৰাজ্যৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ কুমাৰ পেগুৱে অসম সাহিত্য সভা, বড়ো সাহিত্য সভা, আছু, এবছু নেতৃত্বক অহা ১৮ আগষ্টত আলোচনাৰ বাবে দিছপুৰলৈ নিমন্ত্ৰণ জনাইছে। মাধ্যমিক শিক্ষা বিভাগৰ সচিব ভাৰত ভূষণ দেৱচৌধুৰীয়ে আজি অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়া, বড়ো সাহিত্য সভাৰ সভাপতি তৰেন বড়ো, এবছুৰ সভাপতি দ্বীপেন বড়ো, আছুৰ সভাপতি দীপাংক কুমাৰ নাথ, অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক যাদৱ শৰ্মা, বড়ো সাহিত্য সভাৰ সাধাৰণ সম্পাদক প্ৰশান্ত বড়ো, এবছুৰ সাধাৰণ সম্পাদক খনিন্দ্ৰ বসুমতাৰী আৰু আছুৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাক *ছয় পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত

গুৱাহাটী শুকুৰবাৰ ২৬ শাওণ ১৪২৯ ভাস্কৰাব্দ ১২ আগষ্ট ২০২২

# উদ্দেশ্য সফল নহ'ল

এইখন দেশৰ মানুহৰ অতিধৰ্মিতা আৰু জাতপাতৰ কু-সংস্কাৰত সনাতন অন্ধবিশ্বাস আজিও অপৰিবৰ্তিত হিচাপেই ৰৈ গ'ল। সমাজ, সভ্যতা, সংস্কৃতি; আনকি ভালেমান ৰাজ্যৰ ৰাজনীতিতো ধৰ্মান্ধতা আৰু জাতপাতৰ প্ৰাৱল্যই এক দীঘলীয়া কালজুৰি সচেতন নাগৰিকক ব্যথিত আৰু লজ্জিত কৰি তুলিছে। তদুপৰি সাম্প্ৰদায়িক ৰাজনীতিৰ উত্থানেও বহুতকে উৎকণ্ঠিত আৰু আতংকিত কৰিছে। সম্প্ৰতি সমগ্ৰ দেশতেই অন্ধবিশ্বাস আৰু ধৰ্মাচাৰ যেন আগতকৈয়ো বেছি পৰিমাণেহে বাঢ়ি যাবলৈ ধৰিছে। য'তে ত'তে ৰাস্তা-ঘাট, বজাৰ, সৰু সৰু পথৰ মূৰ, পদপথ আৰু গছৰ তলত দিনৰ পাছত দিন ধৰি অসংখ্য মন্দিৰ গজি উঠিব লাগিছে। সৰু-ডাঙৰ এই মন্দিৰ বিলাকত মানুহৰ শাৰী আৰু পূজা-পাৰ্বণবোৰো বাঢ়িয়েই গৈ আছে। কুল-গুৰু আৰু পাৰিবাৰিক ইষ্ট-দেৱতাৰ ওচৰত আত্মসমৰ্পণ কৰাটো প্ৰায় সকলোতেই প্ৰচলিত। জ্যোতিষীসকলৰ প্ৰসাৰতা দিনে-নিশাই বাঢ়িবই ধৰিছে। টেলিভিচনৰ কেইবাটাও চেনেল জ্যোতিষী আৰু ভক্তসকলৰ দখললৈ গুচি গৈছে। জনগণৰ মাজত ক্ৰমবৰ্দ্ধমান 'বজাৰ' আছে বুলিয়েই চেনেলবিলাক মুনাফালোভী ব্যৱসায়ীসকলে ব্যৱহাৰ কৰিছে। তাবিজ-কবচ-আঙুঠি পিন্ধি ভাগ্যোন্নতিৰ বাবে কৰা চেষ্টা বহুদূৰ ব্যাপ্ত। বাতৰি কাকতবিলাকৰ ভালেখিনি ঠাই জ্যোতিষীসকলৰ বিজ্ঞাপনে দখল কৰি লৈছে। ওজা-গণকৰ প্ৰসাৰতাও কমিছে বুলি মনত নধৰে। বাল্যবিবাহ এতিয়াও দেশৰ বহু অংশতেই প্ৰচলিত ৰীতি। 'ডাইনী' হত্যা, আনকি সতীদাহো এইখন দেশত আজিও ঘটি আছে। এনেধৰণৰ অপসংস্কৃতিৰ বিৰুদ্ধে জনমত গঠনত কোনোধৰণৰ সৰ্বভাৰতীয় চৰকাৰী উদ্যোগ কেতিয়াও লোৱা দেখিবলৈ পোৱা নাযায়, বৰঞ্চ সৰ্বব্যাপী এই অপসংস্কৃতিৰ সুযোগ লৈ সাম্প্ৰদায়িক ৰাজনীতিক শক্তিশালী কৰি তোলাতহে সচেষ্ট হোৱা পৰিলক্ষিত হৈছে।

ইউৰোপীয় নৱজাগৰণে সমগ্ৰ ইউৰোপকে উজ্জ্বল পোহৰেৰে আলোকিত কৰি তোলে। বিজ্ঞান প্ৰযুক্তিৰ ন ন উদ্ভাৱনে সমাজক প্ৰাণ-চঞ্চল কৰে। সেই প্ৰভাৱে ভাৰতত এক নৱজাগৰণ সৃষ্টি কৰিবলৈ সক্ষম হ'ব বুলি বহুত আশা কৰিছিল যদিও সি হৈ নুঠিল। অৱশ্যে ইউৰোপৰ আৰ্হিতেই সেই সময়ৰ ব্ৰিটিছ ভাৰতৰ ৰাজধানী কলকাতাত নৱজাগৰণৰ আৰ্হিত কেতবোৰ সংস্কাৰমূলক কাৰ্যৰ ক্ষেত্ৰত অগ্ৰসৰ হয় যদিও সেই নায়কসকলৰ প্ৰত্যেকেই আছিল ভূস্বামী, ধনাঢ্য ব্যক্তি। সেয়ে সাধাৰণ মানুহৰ মাজত তেওঁলোকে বিশেষ প্ৰভাৱ পেলাবলৈ সক্ষম নহ'ল। তদুপৰি এই সংস্কাৰ ৰাজধানী কলকাতাকেন্দ্ৰিক হৈয়েই থাকিল। ১৯১১ লৈকে যিহেতু কলকাতাই ব্ৰিটিছ ভাৰতৰ ৰাজধানী আছিল, সেয়ে মহানগৰীৰ কিছুসংখ্যক জমিদাৰ, পুঁজিপতি, বৃহৎ ব্যৱসায়ী আৰু উচ্চ শিক্ষিত লোকৰ স'তে ইংৰাজ চৰকাৰৰ বিশেষ যোগাযোগ আছিল। চৈধ্য শতিকাতেই ইউৰোপত আৰম্ভ হোৱা নৱজাগৰণে ঊনৈছ শতিকাতহে কলকাতাত কিছু প্ৰভাৱ পেলাবলৈ সক্ষম হয়। কিন্তু এই নৱজাগৰণৰ নেপথ্যত যিদৰে ইংৰাজ চৰকাৰৰ সমৰ্থন আছিল, তেনেদৰেই প্ৰভাৱো কিছুসংখ্যক লোকৰ মাজতেই সীমাবদ্ধ হৈ আছিল। তাৰ ফলস্বৰূপে ইউৰোপীয় সমাজৰ দৰে ভাৰতৰ নৱজাগৰণে সাৰ্বজনীন প্ৰভাৱ পেলাবলৈ সক্ষম নহ'ল। এই নৱজাগৰণ আমাৰ দেশত সফল হোৱা হ'লে আজিও যিদৰে সমাজ অন্ধবিশ্বাস, সংকীৰ্ণতা, জাতিভেদ আদিত নিমজ্জিত হৈ আছে সেয়া নহ'লহেঁতেন আৰু ভাৰতবৰ্ষই সামাজিক বিকাশৰ দৌৰত উচ্চ স্থান লাভ কৰিবলৈ সক্ষম হ'লহেঁতেন। ঊনৈছ শতিকাৰ নৱজাগৰণ সফল হোৱা হ'লে হয়তো দেশ বিভাজনো এৰাই চলিব পৰা গ'লহেঁতেন আৰু ঐক্যবদ্ধ ভাৰতে বিশ্বত আগৰণুৱাৰ ভূমিকা ল'ব পাৰিলেহেঁতেন।

## খো লা ম ঞ্চ

### অৰ্ধ-শতাব্দী অতিক্ৰম কৰা 'অগ্ৰদূত' সম্পৰ্কে আপোনাৰ ধাৰণা



**গণতন্ত্ৰৰ** চতুৰ্থ স্তম্ভ সংবাদ পত্ৰক সমাজৰ অতন্দ্ৰ প্ৰহৰী বুলি কোৱাৰ লগতে সমাজ বা দেশ পৰিচালনাৰ বিবেক বুলি ক'ব পাৰি। সংবাদ পত্ৰৰ লগত জড়িত সাংবাদিকসকলে নীতি-নিষ্ঠতাৰ দূৰদৃষ্টিসম্পন্ন মানসিকতা গঢ়ি তুলিব পৰা এটা জাতি বা এখন দেশৰ চিন্তাশীল, জ্ঞানী, বুদ্ধিমান লোক হিচাপে পৰিচয় দিয়ে। সাংবাদিকতাৰ প্ৰাথমিক স্তৰৰ পৰা অসমীয়া ভাষাত উত্তৰ-পূৰ্বাঞ্চলৰ বলিষ্ঠ কণ্ঠ 'অগ্ৰদূত' কাকতখনে সোণালী জয়ন্তী উদ্‌যাপন বৰ্ষ অতিক্ৰমী ৫২ বছৰত ভৰি দি স্বৰ্ণিল যাত্ৰাৰ বাৰ্তা বহন কৰি অসমৰ সংবাদ পত্ৰৰ ইতিহাসলৈ গৌৰৱ কঢ়িয়াই আনিছে। সমাজলৈ সকলো দিশৰ ইতিবাচক বাৰ্তা কঢ়িয়াই অনাৰ প্ৰচেষ্টা 'অগ্ৰদূত' কাকতে অব্যাহত ৰাখি আমাৰ নতুন পুৰুষৰ বাবে আদৰ্শৰ চানেকি হৈ ৰৈছে। ১৯৭১ৰ পৰা এক প্ৰত্যাহ্বানপূৰ্ণ যাত্ৰাৰে আগবাঢ়ি সোণালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰা 'অগ্ৰদূত' কাকতৰ অবিৰত যাত্ৰা সংবাদ ইতিহাসত এক কৃতিত্বৰ নমুনাই নহয়, সংবাদ মাধ্যমত এক বলিষ্ঠ পদক্ষেপেৰে অসমীয়া জাতি তথা ভাষাৰ পথদ্ৰষ্টা হৈ লুইতৰ পাৰ জিলিকাই আছে। এই ক্ষেত্ৰত অগ্ৰদূত কাকতখনৰ সম্পাদক কনকসেন ডেকাৰ লগতে সমূহ সাংবাদিক, কৰ্মকৰ্তাসকলৰ অক্লান্ত কৰ্মস্পৃহাৰ শলাগ ল'ব লাগিব। 'অগ্ৰদূত' অসমৰ সমাজ তথা জাতীয় জীৱনৰ এক সম্পদ হৈ কৰ্মমুখী আৰ্থ-সামাজিক বৃহৎ মূল্যবোধৰ প্ৰতিষ্ঠান হৈ গঢ়ি উঠিছে। সোণালী জয়ন্তী উদ্‌যাপনৰ প্ৰাক্ ক্ষণত উত্তৰ-পূব ভাৰতৰ বলিষ্ঠ কণ্ঠ 'অগ্ৰদূত' কাকত গোষ্ঠীৰ কৰ্মকৰ্তা তথা সাংবাদিকৰ স্বৰ্ণিল যাত্ৰাৰ দীঘলীয়া সময়ৰ সাধনাক শলাগ লৈছো।

**গিৰীন্দ্ৰ মেধি,** *লেখক*

আমাৰ সাংবাদিক জীৱনৰ পথ দেখুওৱা 'অগ্ৰদূত' কাকত গোষ্ঠীৰ প্ৰচলন আশাপ্ৰদভাৱে বৃদ্ধি পাইছে। বিজ্ঞান, প্ৰযুক্তিবিদ্যাৰ অভূতপূৰ্ব সাফল্য, ছপাযন্ত্ৰৰ উন্নত উদ্ভাৱন আৰু দ্ৰুত উন্নত পদ্ধতি, সংবাদ সৰবৰাহৰ উন্নত কৌশলে 'অগ্ৰদূত' কাকতৰ সকলো দিশতে চমকৰ সৃষ্টি কৰিছে। সংবাদ পাৰিবেশনত নিৰপেক্ষতা তথা সামাজিক দায়বদ্ধতাত অবিচল 'অগ্ৰদূত'-এ বাতৰি সেৱাত যোৱাটো পাঁচটা দশকে নিজস্ব শৈলীত অটল থাকি নাম, অৰ্থ আৰু গ্লেমাৰ— এই তিনিটা গুণৰ অধিকাৰী হৈ পঢুৱৈ সমাজৰ পৰা প্ৰশংসিত হৈছে। সংবাদসেৱা এক সন্মানজনক বৃত্তি। সাহসে এজন সাংবাদিকৰ নৈতিকাৰ উত্তৰণ ঘটায়। বিভিন্ন শক্তিয়ে চাৰিওফালৰ পৰা প্ৰলোভনৰ জাল পেলাই লটি-ঘটি কৰি নিজস্ব লক্ষ্য প্ৰাপ্তিত সাহসী সাংবাদিকে কেতিয়াও নতি স্বীকাৰ নকৰে; বৰঞ্চ সৎ আৰু নিষ্ঠাৰে কন্টকাকীৰ্ণ আৰু পিছল পথেৰে আগবাঢ়ি যাবলৈ সাহস গোটায়। পাঠকৰ দৃষ্টিত এনে আৱেগৰ সোঁতত 'অগ্ৰদূত' কাকত গোষ্ঠী কোনোদিনে উটি যোৱা নাই। বিগত দিনৰ অনুসন্ধানমূলক বা-বাতৰি, অসমৰ ভাষা আৰু খাদ্য আন্দোলন, ছবছৰীয়া বিদেশী খেদা আন্দোলন, আলফাৰ গণ অভ্যুত্থানৰ স্থিতি আদি বিভিন্ন সমস্যাৰ বিস্ফোৰিত ভূমিকা সন্দৰ্ভত 'অগ্ৰদূত'ৰ নিৰৱচ্ছিন্ন লিখনি তথা সম্পাদকীয় স্তম্ভই অসমীয়া জাতিৰ সুস্থ আৰু বলিষ্ঠ কণ্ঠ হৈ আছে।

*ফোন : ৭৫৭৭৮৭২১৮৭*

## ধৰ্মনিৰপেক্ষতাৰ অৰ্থ হ'ব লাগে কোনো ধৰ্মই ৰাজনীতিলৈ আহিব নালাগে

# সুবিধাবাদৰ ৰাজনীতি আৰু গণতন্ত্ৰৰ প্ৰতি ভাবুকি

ধৰ্ম, ধৰ্মনিৰপেক্ষতা, ধৰ্ম-ৰাজনীতিৰ সনা-পোতোকা ধৰণৰ বিষয়বোৰ বিভিন্ন সময়ত আলোচিত হৈ থাকে। পৃথিৱীৰ কমেও ৮০ শতাংশ লোক যিকোনো এটা ধৰ্মত জড়িত হৈ আছে বাবে ধৰ্ম সম্পৰ্কীয় কথাবোৰ বাৰুকৈয়ে আৱেগিক আৰু স্পৰ্শকাতৰ হৈ পৰে। ভাৰতৰ ক্ষেত্ৰত যিকোনো এটা প্ৰধান বা গৌণ ধৰ্ম মনা লোকৰ সংখ্যা ৯৫ শতাংশতকৈও বেছি বুলিব পাৰি। ইয়াৰ ভিতৰত সৰ্বশক্তিমান ঈশ্বৰ, আল্লা, গড ধৰণৰ সত্তাক বিশ্বাস নকৰা লোকো কিছু আছে। ভাৰতত ধৰ্মান্ধ লোকৰ সংখ্যা বেছি বাবে ধৰ্মক ৰাজনীতিৰ লগত সাঙুৰি শাসন ক্ষমতা অটুট ৰখাৰ প্ৰচেষ্টা সদায় চলি থাকে। পিছে ভাৰতৰ মানুহ ধৰ্ম সচেতন হ'লেও ধৰ্মক ৰাজনীতিৰ লগত সাঙুৰি ৰাজনৈতিক দলবোৰ সদায় সফল হৈছে বুলিও ক'ব নোৱাৰি। যেনে বিজেপিয়ে বিভিন্ন সংগঠনৰ নামত হিন্দুত্বৰ ৰাজনীতি স্বাধীনতাৰ আগৰে পৰা কৰি থাকিলেও আৰু ভাৰত হিন্দু সংখ্যাগৰিষ্ঠৰ দেশ হ'লেও বিজেপিৰ ৰাজনীতি সফল হোৱা নাছিল। ১৯৯৯ত বিজেপিৰ নেতৃত্বত সংযুক্তভাৱে এনডিএৰ নামত ক্ষমতালৈ আহিছিল যদিও অটল বিহাৰী বাজপেয়ীৰ উদাৰতা আৰু অন্য কিছুমান কাৰকেহে ক্ষমতা লাভত অৰিহণা যোগাইছিল। সেইদৰে ২০১৪ত হিন্দুত্বৰ ৰাজনীতিয়ে বিজেপিক ক্ষমতাত বহুওৱা নাছিল; মূল্যবৃদ্ধিৰ বিৰুদ্ধে সবল স্থিতি, আকাশলংঘী বিভিন্ন প্ৰতিশ্ৰুতি, মোদীৰ বাক-চাতুৰ্যৰ বাবে ৰাইজে তেওঁৰ মিছা প্ৰতিশ্ৰুতিবোৰ বিশ্বাস কৰি লোৱা ধৰণৰ কাৰকে বিজেপি নেতৃত্বৰ এনডিএক বিপুল সংখ্যাগৰিষ্ঠতা দিছিল। পেট্ৰ'ল, ডিজেল, গেছৰ দাম ৪২, ৩৫, চাৰিশ টকা ক্ৰমে হোৱাক লৈ ২০১৩-১৪ত তদানীন্তন চৰকাৰক মোদীয়ে তুলা ধুনা দিছিল; জনতাক মন্ত্ৰমুগ্ধ কৰিব পৰা মোদীৰ ভাষণ, চকু-মুখ-হাতৰ বিশেষ ভংগিমাৰে বস্তুৰ দাম বঢ়াক লৈ কৰা অংগী-ভংগীয়ে ৰাইজক সঁচাকৈয়ে মন্ত্ৰমুগ্ধ কৰিছিল। অৰ্থাৎ হিন্দু সংখ্যাগৰিষ্ঠ দেশত হিন্দুত্বৰ ধৰ্মকেন্দ্ৰিক ৰাজনীতিয়ে ৰাইজক আকৰ্ষণ কৰা নাছিল, ৰাইজ আশ্বস্ত হৈছিল বিজেপিয়ে বস্তুৰ মূল্যবৃদ্ধি নিয়ন্ত্ৰণ কৰিব বুলি দিয়া প্ৰতিশ্ৰুতিতহে। এতিয়াৰ মন্ত্ৰী আৰু তেতিয়াৰ বিজেপি নেত্ৰী স্মৃতি ইৰাণীয়ে গেছৰ চিলিণ্ডাৰক লৈ কৰা আকৰ্ষণীয় প্ৰতিবাদৰ ছবি এতিয়া বিৰোধীৰ হাতে হাতে। চিলিণ্ডাৰৰ দাম চাৰিশ টকা হওঁতে যি স্মৃতি ইৰাণীয়ে (আৰু আনসকলে) অভিনৱ প্ৰতিবাদ সাব্যস্ত কৰিছিল, সেইগৰাকীয়ে প্ৰায় ১১শ টকা চিলিণ্ডাৰৰ দাম হোৱাক লৈ প্ৰশ্ন সুধিলে উগ্ৰমূৰ্তি ধৰি প্ৰসংগ অইন ফাললৈ আঁতৰাই নিয়ে। এইখিনিতে মনত পৰে অসমৰ ডিব্ৰুগড় সমষ্টিৰ কে'বাবাৰৰ বিধায়ক প্ৰশান্ত ফুকনৰ কংগ্ৰেছ নেতৃত্বৰ দিনৰ মূল্যবৃদ্ধিক লৈ কৰা প্ৰতিবাদবোৰৰ কথা। গৰু-গাড়ীত উঠা, পিঁয়াজৰ মালা পিন্ধা ধৰণৰ প্ৰতিবাদ কৰা ফুকনে এতিয়া কয়, দাম বৃদ্ধি হেনো হোৱাই নাই।



ভাৰতীয় মানুহৰ ধৰ্মীয় আৱেগ থাকিলেও এই আৱেগ ৰাজনীতিৰ পথাৰত বৰকৈ কাৰ্যকৰী নহয়। ব্ৰিটিছে 'ডিভাইড এণ্ড ৰুল' নীতিৰে ভাৰতীয়ৰ মাজত হিন্দু-মুছলমানৰ ভেদাভেদ আনিব খুজিছিল আৰু বহু পৰিমাণে সফলো হৈছিল। দেশ স্বাধীন হ'লেও ইয়াৰ বিভাজন ঘটিছিল। মুছলমানৰ বেলেগ দেশ হ'লেও ভাৰতত কোটি কোটি মুছলমান থাকি গ'ল। ধৰ্মীয় ৰাজনীতি বিশেষ ফলপ্ৰদ নহয় বুলি কংগ্ৰেছে প্ৰায় লগে লগেই বুজি ধৰ্মনিৰপেক্ষতাক আধাৰৰূপে ল'লে পৰৱৰ্তী কালত। পিছে এই ধৰ্মনিৰপেক্ষতাকো ৰাজনৈতিক সুবিধা লাভৰ সঁজুলি হিচাপে লোৱা হৈছিল। ধৰ্মনিৰপেক্ষতাৰ অৰ্থ হ'ব লাগে কোনো ধৰ্মই ৰাজনীতিলৈ আহিব নালাগে, অৰ্থাৎ ৰাজনীতি কৰা মানুহ কোনো ধৰ্মৰ লগত জড়িত হ'ব নালাগে, চৰকাৰী পদমৰ্যাদাৰে ধৰ্ম পালিব নালাগে, কোনো ধৰ্মলৈ চৰকাৰী সাহায্য দিব নালাগে ইত্যাদি। পিছে কংগ্ৰেছে নিজা অৰ্থেৰে ধৰ্মনিৰপেক্ষতাক ব্যৱহাৰ কৰিলে; ধৰ্মনিৰপেক্ষতা মানে হ'লগৈ সকলো ধৰ্মৰ প্ৰতি সমব্যৱহাৰ, সকলো ধৰ্মক ৰাজসাহায্য দিব লাগে, মন্ত্ৰী, নেতা আদিয়ে মন্দিৰ, মছজিদ, গিৰ্জা আদিলৈ সমানে গৈ সেৱা, উপাসনা আদি কৰিব লাগে ইত্যাদি। এই ভুৱা নিৰপেক্ষতাৰ কুচ-কাৱাজবোৰ কংগ্ৰেছে আৰম্ভ কৰিলেও বিজেপিয়েও সমানে চলাই আছে। অৱশ্যে বিজেপিৰ গাত হিন্দুত্বৰ আৱৰণটো থকাৰ বাবে স্বাভাৱিকতেই এওঁলোকৰ হিন্দুধৰ্মীসকলৰ প্ৰতি দৰদটো বেছি।

আগতেই কোৱা হৈছে যে কেৱল ধৰ্মৰ দোহাই দি বা বিশেষ ধৰ্মৰ পোষকতা কৰি ভাৰতৰ দৰে বিশাল দেশৰ ক্ষমতালৈ আহিব নোৱাৰি। সেয়েহে গোড়া হিন্দুধৰ্মী হৈও বিজেপিৰ মধ্যমণি তথা প্ৰধানমন্ত্ৰী মোদীয়ে মূল্যবৃদ্ধি, দুৰ্নীতি, ভ্ৰষ্টাচাৰ আদিৰ বিৰোধিতাৰ লগতে বিদেশী বেংকত সোমাই থকা অবৈধ ধন আনি ভাৰতীয়ৰ মাজত বিলাই দিয়াৰ প্ৰতিশ্ৰুতিৰ বৰষুণ অনাৰ বাবেহে ক্ষমতালৈ আহিব পৰিছিল। তেওঁ দিয়া প্ৰতিশ্ৰুতিবোৰ ফুটুকাৰ ফেন হ'ল বাবে মানুহক আৱেগিক কৰাৰ বিভিন্ন পদ্ধতি সময়ে সময়ে লৈ আহিছে ৰাইজৰ সমৰ্থন ধৰি ৰখাৰ বাবে। বিদেশী আক্ৰমণৰ শংকা সৃষ্টি,



**দৃষ্টিপাত**
**ড° খৰ্গেশ্বৰ ভূঞা**

ৰাম মন্দিৰ নিৰ্মাণ, দেশদ্ৰোহ আৰু দেশপ্ৰেমৰ নিজা সংজ্ঞাৰ উদ্ভৱ কৰি আৱেগিক কৰা ধৰণৰ বিভিন্ন পদ্ধতিৰ ব্যৱহাৰ হৈছে। এইবোৰ প্ৰতিটো কৰ্মৰে যথাৰ্থতা আছে আৰু তেনে যথাৰ্থতা কম থাকিলেও আৱেগেৰে মানুহক পৰিচালনা কৰিব পাৰিলে সেইবোৰৰ পৰা ঈপ্সিত ফল আদায় কৰিব পাৰি।

অসমত এতিয়া ব্যাপকভাৱে জিহাদী (নে জেহাদী) ধৰাৰ অভিযান চলিছে। প্ৰতিদিনেই সোপাসোপে জিহাদী ধৰিছে আৰক্ষী বিভাগে। ইয়াৰ ভিতৰতে কিছুমান মাদ্ৰাছাৰ সকলো শিক্ষকক জিহাদীৰ সন্দেহত ধৰি নি সোধা-পোছা কৰিছে আৰক্ষীয়ে, তাৰ পাছত একো প্ৰমাণ নাপাই তেওঁলোকক যাবলৈ দিছে। এনেকৈ দোষমুক্ত কৰা মাদ্ৰাছাৰ বাতৰি অৱশ্যে টিভি চেনেলসমূহে নিদিয়ে। কংগ্ৰেছৰ দিনৰ কথা বাদেই দিলো, বিজেপিয়ে অসমত চৰকাৰ চলোৱা ছবছৰ পাৰ হ'ল। এতিয়া 'জিহাদী মুক্ত অসম' গঢ়ি তোলাৰ সংকল্প লোৱা অসমৰ বিজেপি চৰকাৰৰ সমুখতে যোৱা ছবছৰ কাল জিহাদীয়ে টিঘিলঘিলাই কেনেকৈ থাকিব পাৰিলে? সকলো মাদ্ৰাছা তথা সকলো মুছলমানকে জিহাদী বুলি সন্দেহ কৰাৰ বিপক্ষে কিছু লোকে মাত মাতোতে এজন বহুবক্তী মন্ত্ৰীয়ে কৈয়েই দিলে বোলে 'কোনো মুছলমানেই জিহাদী নহয় বুলি সেইসকলে চাৰ্টিফিকেট দিয়ক।' মন্ত্ৰীজনাক অৱশ্যে ওলোটাই কোৱা নহ'ল— 'সকলো মুছলমানেই জিহাদী বুলি আপুনিয়েই লিখি দিয়ক।' জিহাদ শব্দক লৈ ব্যাখ্যা বহুত, ই ভালো হ'ব পাৰে বেয়াও হ'ব পাৰে। আৰবী মতে জিহাদ মানে যুদ্ধ, সহিংস বা অহিংস— দুয়োটাই হ'ব পাৰে। নিজৰ বেয়া চিন্তা, কৰ্ম আদিৰ বিৰুদ্ধে নিজৰ লগতে যুঁজাও জিহাদ। সেইদৰে অন্যায়ৰ বিপক্ষে কায়িক জিহাদ বা যুদ্ধ, এয়া লিখনি বা যুক্তিৰে অহিংস যুদ্ধ হ'ব পাৰে বা অস্ত্ৰৰ সহিংস যুদ্ধও হ'ব পাৰে। কোৰান বা আৰবী মতে দিয়া জিহাদৰ সংজ্ঞা পশ্চিমীয়া অভিধানে নামানে, যেনে— কেম্ব্ৰিজৰ অভিধান মতে গোড়া ইছলামিক মৌলবাদীয়ে ধৰ্মীয় আৰু ৰাজনৈতিক উদ্দেশ্য সাধনৰ বাবে কৰা যুদ্ধই জিহাদ, ইয়াত সশস্ত্ৰ আৰু সহিংস যুদ্ধৰ কথাহে কোৱা হৈছে।

> **হেজাৰ হেজাৰ বছৰৰ আগতে লিখা হিন্দুশাস্ত্ৰ, দুহেজাৰ বছৰৰ আগৰ বাইবেল, ১৪শ বছৰৰ আগৰ কোৰান আদিত লিখা কথাবোৰৰ তাৎপৰ্য তদানীন্তন কালত যি আছিল, এতিয়া অৰ্থ একে হৈ থকা নাই।**

জিহাদ ভালেই নে বেয়াই, সেই বিষয়ে বিতৰ্কও নিৰৰ্থক বুলিব পাৰি। সেইদৰে ওপৰত লিখাখিনিৰ সপক্ষে-বিপক্ষেও বহু যুক্তি আহিব পাৰে। নিৰৰ্থক বোলাৰ কাৰণটো হৈছে যিকোনো ধৰ্মশাস্ত্ৰত লিখা কথাবোৰৰ বিভিন্ন অৰ্থ বাহিৰ কৰিব পাৰি। স্থান-কাল-পাত্ৰ লৈ সেইবোৰৰ বিচাৰ কৰাৰ ক্ষমতা সাধাৰণ ধৰ্মবিশ্বাসীৰ নাই। হেজাৰ হেজাৰ বছৰৰ আগতে লিখা হিন্দুশাস্ত্ৰ, দুহেজাৰ বছৰৰ আগৰ বাইবেল, ১৪শ বছৰৰ আগৰ কোৰান আদিত লিখা কথাবোৰৰ তাৎপৰ্য তদানীন্তন কালত যি আছিল, এতিয়া অৰ্থ একে হৈ থকা নাই। পিছে ধৰ্ম অনুগামীসকলে পুৰণি অৰ্থকে লয়। হিন্দুৰ বাবে গীতা শাস্ত্ৰ অতি পৱিত্ৰ। ব্যাসদেৱে মহাভাৰতত গীতা প্ৰৱিষ্ট কৰিছে যদিও ভগৱানৰূপে কৃষ্ণক ভজাসকলে গীতাক ভগৱানৰ মুখৰ বাণী বুলি ভাবে। ইয়াত কৃষ্ণই অৰ্জুনক নিৰ্বিবাদে শত্ৰু সংহাৰ কৰিবলৈ কৈছে। বিৰোধীক হত্যা কৰিলেও পাপ নহয়, কাৰণ সেইসকলক ভগৱানে আগতেই মাৰি থৈছে। মৰাক মাৰিলে কোনো পাপ নহয়। কথাটো বহলাই নি ক'ব পাৰি যে মানুহৰ নিজাকৈ কিবা কৰাৰ ক্ষমতা নাই, মানুহে যি কৰে সেয়া ভগৱানেই কৰায়, গতিকে মানুহ মাৰিলেও ভগৱানেহে মৰায়। গীতাত কোৱা এনে ধৰণৰ কথাবোৰ হিন্দুধৰ্মী বা অন্য গীতা অনুসৰণকাৰীয়ে মানি নিজে ভবা শত্ৰুক মাৰি ফুৰিলে আধুনিক আইনৰ পৰা বাচিব নোৱাৰিব। ধৰ্মশাস্ত্ৰৰ ভুল ব্যাখ্যাৰে আধুনিক কালত অপৰাধ কৰিলে কোনেও ৰেহাই নাপায়। জিহাদৰ ক্ষেত্ৰতো কোনোবাই ভুল ব্যাখ্যা কৰি ইছলাম ৰক্ষাৰ বাবে অপৰাধ কৰিলে নহ'ব। এনে কাৰ্যক বাধা দিবলৈ বিচৰা উদ্যোগকো শান্তিকামী ৰাইজে সমৰ্থন নিশ্চয় জনাব।

এইবোৰৰ মাজতো সন্দেহৰ অৱকাশ থাকিয়েই যায়; মূল্যবৃদ্ধি, নিবনুৱা সমস্যা, ৰাজনৈতিক নেতা-কৰ্মীৰ উদ্ভণ্ডালি তল শ্ৰেণীৰ পৰাই বিজ্ঞান-গণিতক ইংৰাজীত পঢ়ুওৱাৰ হঠকাৰী সিদ্ধান্ত, চৰকাৰী খণ্ডৰ বিদ্যালয়বোৰক শ্মশানগতি প্ৰদান কৰে, চুবুৰীয়া ৰাজ্যৰ সীমাৰ আগ্ৰাসনৰ বিৰুদ্ধে একো কৰিব নোৱৰা, বানপানী সাহায্যৰ ক্ষেত্ৰত অসমে কেন্দ্ৰৰ ওচৰত মুখথেকেচা খোৱা, মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে কেলেংকাৰি আৰু ঘোঁৰা বেচা-কিনাৰ অভিযোগ— এনে ধৰণৰ কথাবোৰত হোৱা ব্যৰ্থতাৰ পৰা মুখৰক্ষা কৰিবলৈ ৰাইজৰ আৱেগক অন্য পথে পৰিচালিত কৰাৰ কৌশল বুলিও বহুতে ভাবে। অসম বা ভাৰতৰ স্বাৰ্থৰ বিৰুদ্ধে কাম কৰাসকলক চৰকাৰে ধৰি শাস্তিৰ ব্যৱস্থা কৰাটো নিয়মিত কাম। জিহাদী ধৰাৰ কামটোও নিৰৱচ্ছিন্নভাৱে হৈ থাকিব লাগে। পিছে হঠাতে কিছুদিন ধৰি এই নিয়মিত কামৰ এনে ধৰণে প্ৰচাৰ হৈছে যেন এইখন চৰকাৰ নহ'লে অসমক বাংলাদেশী জেহাদীয়ে ধ্বংস কৰিব। গতিকে ৰাইজে বিজেপিক সকলো ব্যৰ্থতাৰ কথা পাহৰি ভোট দিব লাগে।

বিশাল ভাৰতবৰ্ষত গণতন্ত্ৰ অৰ্থাৎ ৰাইজৰ শাসন চলে, কিন্তু এই শাসনত 'ৰাজনীতি' অৰ্থাৎ ৰজাৰ নীতিহে চলে। গতিকে গণতান্ত্ৰিক ভাৰতত বাস্তৱ ৰূপটোত ছলে-বলে-কৌশলে ক্ষমতা লাভ কৰি ৰজাৰ দৰে সেয়া ভোগ কৰাটোহে প্ৰকট হৈছে। ৰাইজৰ অধিকাৰ কেৱল ভোট দিয়াটোহে; তাকো ভোটৰ ব্যৱস্থাটো এনেকুৱা যে প্ৰদত্ত ভোটৰ ৩৩ শতাংশ মান পালেই এজন লোকে ক্ষমতা পাব পাৰে, অৰ্থাৎ দুই-তৃতীয়াংশ মানুহে 'বেয়া পোৱা' বা বিৰুদ্ধে ভোট দিয়াজনে ৰাইজৰ প্ৰতিনিধি হৈ 'ৰজাৰ দৰে' শাসন চলাবলৈ লয়। গণতন্ত্ৰৰ প্ৰহসনটো এয়ে যে এটা দলৰ প্ৰতিনিধি বিধায়ক বা সাংসদ নিৰ্বাচিত হোৱাৰ পাছত সেইজনে ৰাইজৰ অনুমতি নোহোৱাকৈ অন্য দললৈ বিশেষকৈ শাসকীয় দললৈ জাঁপ মৰাটো। এনেদৰে বিধায়কৰ দল বাগৰা কাৰ্যও শাসকীয় পক্ষই উচটনি দিয়ে, নানা প্ৰলোভন দিয়ে, দৰকাৰ হ'লে সাম-দান-দণ্ড-ভেদ নীতিৰ দণ্ড প্ৰয়োগৰো ভাবুকি দিয়ে। ব্যতিক্ৰমী কিছু বাদ দি বেছিভাগ ৰাজনৈতিক নেতাৰে কিছুমান কেলেংকাৰি থাকে, বিশেষকৈ ধন-সম্পত্তিক লৈ। সকলোৱে জানে যে আজি-কালি বৃহৎ পৰিমাণৰ ধন নহ'লে ৰাজনীতিৰ পথাৰত সফল হ'ব নোৱাৰি।

গতিকে বেঁকা পথেৰে ধন ঘটাতো প্ৰায় অৱধাৰিত। বিধায়ক, সাংসদ আদিক বিৰোধী দলৰ পৰা শাসকীয় দললৈ আনিবলৈ কেলেংকাৰি ফাদিল কৰাৰ ভাবুকি দিয়া হয় সাম-দান-ভেদ নীতি বিফল হ'লে। ইডি আৰু চিবিআই নামৰ কেন্দ্ৰীয় সংস্থা দুটা কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশ মতেই চলে বুলি অভিযোগ উঠিছে।

ইডিয়ে পাঁচ হেজাৰৰো ওপৰ ব্যক্তিক ধন-সম্পত্তিৰ কেলেংকাৰিৰ অভিযোগত বিচাৰ চলাই আছে, ইয়াৰ ভিতৰত বিজেপিৰ নেতা, মন্ত্ৰী, বিধায়ক, সাংসদ আদি এজনো নাই। বিৰোধীৰ অভিযোগ মতে 'বিজেপি নেতাসকলতো ধোৱা তুলসীৰ পাত হয়েই, কেলেংকাৰি থকা বিৰোধী নেতাই বিজেপিত যোগ দিলে সেই সকলো ন্যায় আৰু পৱিত্ৰতাৰ মূৰ্তি হৈ যায়— এনে ঘটনাই বৰ্তমান ঘটিবলৈ লৈছে।' ভাবুকি দি দল বাগৰাৰ বাবে বাধ্য কৰোৱাৰ পদ্ধতি বাৰুকৈয়ে চলিছে যেন ভাব হয়। চৰকাৰ বগৰোৱাৰ নিকৃষ্ট খেলবোৰ দেখি সাধাৰণ লোকৰ গণতন্ত্ৰৰ প্ৰতিও বিতৃষ্ণা জন্মিব। 'কেইদিনমানৰ পাছতে আঠজন কংগ্ৰেছী বিধায়কে বিজেপিত যোগ দিব'— প্ৰশান্ত ফুকনৰ এই নিৰ্লজ্জ ঘোষণাই অসমবাসীকেই লজ্জিত কৰিছে।

যিকোনো প্ৰকাৰে শাসন ক্ষমতা লাভ কৰাৰ মনোবৃত্তিয়ে গণতন্ত্ৰক শীঘ্ৰেই ৰসাতললৈ নিব। ৰাইজে কথাবোৰ মন কৰা উচিত।

*ফোন : ৮১৩৫৮৩৫২১৯*

# চৰকাৰীভাৱে অসমীয়া ভাষাটোক এলাগী নকৰিব ইংৰাজী মাধ্যম জোৰপূৰ্বক জাপি নিদিব

**যিকোনো** মানুহে যিমানটা ভাষা নাজানক বা নিশিকক কিয় তেওঁ কিন্তু সপোন দেখে মাতৃভাষাতহে। তেওঁৰ চিন্তা-ভাৱনা, ধাৰণা-কল্পনা আৰু ঈশ্বৰ আৰাধনা মাতৃভাষাৰ লগত সংপৃক্ত হৈ থাকে। মানুহে আন আন ভাষা বা বিষয় শিকে মাতৃভাষাৰে বুজি বা অৰ্থ কৰিহে। সেই কাৰণে এইটো ক'ব পাৰি যে যিকোনো শিক্ষা কাৰ্য নিজৰ ভাষাৰেহে শুদ্ধ, সম্পূৰ্ণ আৰু সুসংগত হয়।

ৰাষ্ট্ৰীয় শিক্ষা নীতিত পঞ্চম শ্ৰেণীলৈকে সকলো শিক্ষা বিষয়ৰ পাঠদান কাৰ্য মাতৃভাষাত হ'ব লাগে বুলি স্পষ্ট কৰি দিয়া হৈছে। সৰ্বভাৰতীয় পৰীক্ষাবোৰ ৰাজ্য বা মাতৃভাষাৰে দিব পাৰিব বুলিও ভাৰতৰ সংবিধানত কোৱা আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও কৈছে যে চিকিৎসা বিজ্ঞান, কাৰিকৰী বিজ্ঞানৰ যিকোনো উচ্চ পৰ্যায়ৰ শিক্ষা কাৰ্য মাতৃভাষাৰে হ'ব লাগে।

তেনেস্থলত অসমত গণিত আৰু বিজ্ঞানৰ দৰে জটিল বিষয় দুটাৰ পাঠদান কাৰ্য তৃতীয় শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ ইংৰাজী মাধ্যমত হ'ব লাগে বুলি কেবিনেটে লোৱা সিদ্ধান্তটো হঠকাৰী সিদ্ধান্ত যেন লাগে। এইটো অসমীয়া ভাষা বিদ্বেষী কাৰ্য বা সিদ্ধান্ত বুলি ক'বলৈ আমি বাধ্য হৈছো।

এই কথাও ক'ব লাগিব যে নিঃসন্দেহে কেবিনেটৰ সিদ্ধান্তই ৰাইজৰো সিদ্ধান্ত। গণতন্ত্ৰই আমাক তাকেই কয়। কেবিনেট মন্ত্ৰী বা বিধায়ককেইজনক আমি জনসাধাৰণে ভোট দি আমাৰে প্ৰতিনিধিৰূপে, জনসেৱকৰূপে নিৰ্বাচন কৰি পঠিয়াইছো আইন-বিধি ৰচনা কৰি আমাক শাসন কৰাৰ উদ্দেশ্যে। তেওঁলোকে ইংৰাজী মাধ্যম প্ৰৱৰ্তনৰ ক্ষেত্ৰত কিবা এটা ভাল দিশ দেখিছে নতুবা ভৱিষ্যতে আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধা হ'ব বুলিয়ে হয়তো খৰধৰকৈ সিদ্ধান্ত লৈছে। সেইফালৰ পৰা আমাৰ ক'বলগীয়া একো নাই যদিও ঋষি-মুনি বা জ্ঞানীজনৰো কেতিয়াবা ভুল হ'ব পাৰে। কিছুমান আইন বা সিদ্ধান্তই গৰিষ্ঠসংখ্যক জনতাৰ ক্ষতি কৰিব পাৰে। এই ক্ষেত্ৰত অসম, অসমীয়া জাতি আৰু ভাষাটোলৈ অন্ধকাৰ নামি আহিব পাৰে। সেয়ে দুটা কথা ন'কৈ বহি থাকিব নোৱাৰিলো।

আমি ভাবো কেবিনেটে হুৰমূৰকৈ এই সিদ্ধান্ত গ্ৰহণৰ পূৰ্বে বিভিন্ন সাহিত্য সভা, শিক্ষক সন্থা, শিক্ষাবিদ আদিৰ পৰামৰ্শ লোৱাৰ প্ৰয়োজন আছিল। এতিয়াও কথাটো বিবেচনা বা সংশোধন কৰিব পৰা যাব যদি কেবিনেটে জনমতক শ্ৰদ্ধা কৰিব জানে।


আন এটা বৰ গুৰুত্বপূৰ্ণ কথা হ'ল শিক্ষা বিষয়ৰ মাধ্যম, শিক্ষাৰ গুণগত মান আৰু সামগ্ৰিকভাৱে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল বিচাৰ-বিশ্লেষণৰ আগতে চৰকাৰী বিদ্যালয়বোৰৰ তথৈবচ অৱস্থাৰ কথাহে চিন্তা কৰা দৰকাৰ।

গুৱাহাটী মহানগৰ, অসমৰ বিভিন্ন চহৰ আৰু গাঁও অঞ্চলৰো দুই-চাৰিখন চৰকাৰী বিদ্যালয়ৰ ছবি চাই অসমৰ সকলোবোৰ চৰকাৰী বিদ্যালয়ৰ ছবিখন বিদূৰৰ দৰে দৰ্শন কৰিব নোৱাৰি। সেই ছবিখন সম্পূৰ্ণ বেলেগ। বৰ দুখ লগা ছবি। সেই দৃশ্য লক্ষ্য কৰি লজ্জানত হোৱাৰহে কথা।

চৰকাৰী বিদ্যালয়বোৰৰ প্ৰায়ভাগৰে আন্তঃগাঁথনি ভাল নহয়। বিদ্যালয় কিছুমানত শিক্ষাৰ পৰিৱেশ প্ৰায় নাই। প্ৰয়োজন অনুপাতে শিক্ষকো নাই। সকলোতকৈ ডাঙৰ কথাটো হ'ল, চৰকাৰী বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকল তুলনামূলকভাৱে অতি গৰিব। ছাত্ৰ-ছাত্ৰীবোৰ পঢ়া-শুনাত দুৰ্বল, অনিয়মীয়া আৰু আগ্ৰহহীন। সেই ছাত্ৰ-ছাত্ৰীসকলৰ অভিভাৱকসকলৰো অৱস্থা দুখ লগা। প্ৰায়বোৰ অশিক্ষিত নতুবা অৰ্ধশিক্ষিত। তেওঁলোক মুঠেই শিক্ষা সচেতন নহয়। ধৰ্ম আৰু অন্ধবিশ্বাসত মজি থকা অভিভাৱকসকলৰ সৰহ ভাগেই অদৃশ্য ঈশ্বৰ, অদৃষ্ট আৰু ভাগ্য বিধাতাক ধিয়াই থাকি জীয়াই থকা লোক।

এনে ক্ষেত্ৰত গণিত আৰু বিজ্ঞানৰ দৰে জটিল বিষয় দুটা ইংৰাজী মাধ্যমত পঢ়িব আৰু শিকিবলগীয়া হ'লে শিক্ষাত বিসংগতিয়ে দেখা দিব পাৰে। বহুত ছাত্ৰ-ছাত্ৰীয়ে বিষয় দুটা টান পাই বা বুজিব নোৱাৰি বিদ্যালয়কে বাদ দিব পাৰে। বহুত অভিভাৱকে বিষয় দুটা শিকাৰ কাৰণে নিজৰ ল'ৰা-ছোৱালীৰ বাবে ঘৰুৱা শিক্ষক নিযুক্তি দিবলগীয়া হ'ব পাৰে। সেইটো কাম আন বহুতে হয়তো অৰ্থৰ অভাৱত কৰিব নোৱাৰিবও পাৰে। ফলস্বৰূপে ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা গ্ৰহণ কৰিব নোৱাৰি আধাতে বিদ্যালয় ত্যাগ কৰিব লগা হ'ব। নতুনকৈ উদ্ভৱ হোৱা শিক্ষা জটিলতা আৰু ঘৰুৱা শিক্ষক নিযুক্তিৰ বাবে বহন কৰিবলগীয়া ব্যয় যোগাৰ কৰিবলৈ অপাৰগ হৈ বিদ্যালয়ৰ লগতে অধ্যয়নকে বিদায় দিব পাৰে।

আৰু এটা কথা শুনিবলৈ বেয়া হ'লেও ক'বলৈ বাধ্য যে বহুত শিক্ষকে চাকৰিহে কৰে, শিক্ষকতা নকৰে যেন লাগে। সেৱামূলক মানসিকতা বহুত শিক্ষকৰ নাই। বহুত শিক্ষকে শিকোৱা বিষয় বা পাঠ্যক্ৰমৰ ওপৰত প্ৰস্তুত হৈ গৈ ছাত্ৰ-ছাত্ৰীক শিক্ষাদানৰ মানসিকতা আজিও গঢ় দি ল'ব নোৱাৰিলে। বহুত শিক্ষকৰ ঘৰত বিষয়ৰ ওপৰত ভাল কিতাপ



**আছুতীয়া চিন্তা**
**জয়কান্ত শৰ্মা (কনিষ্ঠ)**

কিয়, বাতৰি কাকত বা ভাল আলোচনী এখনো পাবলৈ নাই। নতুন শিক্ষা-জ্ঞান আয়ত্ত কৰাৰ ইচ্ছা বহুতৰ নাই। তেনেস্থলত তেনেকুৱা শিক্ষকে গণিত আৰু বিজ্ঞানৰ ইংৰাজী মাধ্যমৰ কিতাপ নিজে পঢ়ি, শিকি-বুজি, প্ৰস্তুত হৈ গৈ ছাত্ৰ-ছাত্ৰীক শিকাব বা বুজাব পাৰিব বুলি মনে নধৰে।

সকলোৱে জানে যে যোৱা কেইটামান বছৰত অসমৰ কেইখনমান বিদ্যালয়ৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ শূন্য ফলাফলে কেনেকুৱা প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। ২০-৩০জন শিক্ষাৰ্থীৰ ভিতৰত এজনকো যদি উত্তীৰ্ণ কৰাই নিব নোৱাৰে, তেন্তে সেই বিদ্যালয়ৰ সেইসকল শিক্ষকৰ বিদ্যালয়ত কাম কি থাকে? তেওঁলোকে আন বিদ্যালয়ৰ আন আন শিক্ষকৰ সমানে দৰমহা নাপায় নেকি? তেওঁলোকৰ ছাত্ৰ-ছাত্ৰীক শিকাব-বুজাব পৰা ন্যূনতম অৰ্হতাখিনি নাই নে, শিকোৱাৰ ইচ্ছা নাই, নে সেই ছাত্ৰ-ছাত্ৰীখিনিৰ শিকা বা বুজাৰ ইচ্ছা নাই?

তেনেকুৱা বিসংগতিপূৰ্ণ বিদ্যালয়ত হঠাতে ইংৰাজী মাধ্যমত (গণিত আৰু বিজ্ঞান বিষয়ত) পাঠদান কৰিবলৈ দিলে কেনেকুৱা সমস্যা হ'ব এবাৰ ভাবি চোৱা দৰকাৰ।

আনফালে তেনেকুৱা ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকসকলৰ কথাকে ভাবক! আমি বাৰু শিক্ষকসকলকে দোষ দিলো। শিক্ষাদানক সেৱা বা কৰ্তব্য হিচাপে ন'লৈ বৃত্তি বা চাকৰিহে কৰা বুলিও ক'লো; কিন্তু শূন্য শতাংশ কৃতকাৰ্যতা দেখুওৱা সেইবোৰ ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকসকলক কি বুলি ক'ব? যিসকল অভিভাৱকে নিজৰ ল'ৰা-ছোৱালীক মাত্ৰ তৃতীয় বিভাগত উত্তীৰ্ণ হোৱাৰ জোখাৰে লিখা-পঢ়া কৰাব নোৱাৰে, তেনে অভিভাৱকক শিক্ষা সচেতন বুলি ভাবেনে? তেওঁলোকৰ ল'ৰা-ছোৱালীৰ প্ৰতি কিবা দায়িত্ববোধ আছে জানো?

তেনেকুৱা শিক্ষা সচেতনহীন অভিভাৱকৰ দায়িত্ব জ্ঞানহীন ছাত্ৰ-ছাত্ৰীক গণিত আৰু বিজ্ঞান বিষয় দুটা ইংৰাজী মাধ্যমত শিকিবলৈ বাধ্য কৰালে তেওঁলোকৰ কি দশা হ'ব?

সেই একেখন ছবিয়ে অৱশ্যে স্পষ্ট বা কিছু অস্পষ্ট ৰূপত প্ৰতিখন চৰকাৰী বিদ্যালয়ত আমি দেখা পাম যদি গুৰুত্বসহকাৰে লক্ষ্য কৰা হয়। প্ৰায়বোৰ ছাত্ৰ-ছাত্ৰীৰ শিক্ষা গ্ৰহণ কৰি কিবা এটা ভাল বৃত্তি পোৱা নতুবা উচ্চ শিক্ষা লৈ নিজকে মানুহ কৰাৰ আগ্ৰহ নাই। শিক্ষিত কৰা বা মানুহ গঢ়াৰ হেঁপাহ নাই অভিভাৱকৰ। তেওঁলোকৰ বহুতৰে নাই শিক্ষা সচেতনতা।

মাধ্যমিক শিক্ষান্ত পৰীক্ষাত ভাল ফল দেখুওৱা বিদ্যালয়বোৰ হ'ল ব্যক্তিগত বিদ্যালয়। ব্যক্তিগত বিদ্যালয়ৰ মাধ্যম অসমীয়া বা ইংৰাজী যিয়েই নহওক, ইচ্ছুক আৰু আগ্ৰহী ছাত্ৰ-ছাত্ৰীয়ে তাক আয়ত্ত কৰি ল'বই। ব্যক্তিগত বিদ্যালয়ৰ আন্তঃগাঁথনি ভাল। বিদ্যালয়ৰ প্ৰশাসনিক ব্যৱস্থাও ভাল। শিক্ষকসকল নিযুক্ত হয় মেধাৰ ভিত্তিত। ব্যক্তিগত বিদ্যালয়ৰ শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীৰ লগত একাত্মবোধ গঢ়ি তুলি শিক্ষাদান আৰু গ্ৰহণ কাৰ্য উপাদেয় কৰি তোলে, যিটো চৰকাৰী বিদ্যালয়ত সাধাৰণতে দেখা নাযায়।


মালিকৰ অধীন বিদ্যালয়বোৰত আন্তঃগাঁথনি ভাল হোৱাৰ লগতে শৈক্ষিক পৰিৱেশ চকুত লগা বিধৰ। গাড়ী-মটৰৰ ব্যৱস্থা বিদ্যালয় কৰ্তৃপক্ষই কৰি দিয়ে বাবে অভিভাৱকৰ বাবে চিন্তাৰ বিষয় নাথাকে। মাহেকে-পষেকে শিক্ষক-অভিভাৱক-ছাত্ৰ-ছাত্ৰীৰ মাজত উদ্‌গনিমূলক আলোচনা হয়, য'ত বিষয়বোৰ আৰু অভাৱ-অভিযোগ খোলা-মেলাকৈ আলোচনা কৰিব পাৰি। দিহা-পৰামৰ্শৰ আদান-প্ৰদানো হয় সেই সুযোগতে।

এইবোৰ কাৰণতে সাধাৰণ অভিভাৱক কিয়, আনকি চৰকাৰী বিদ্যালয়ৰ শিক্ষকসকলেও নিজৰ নিজৰ স্কুলত নিজৰ ল'ৰা-ছোৱালীক নপঢ়াই ব্যক্তিগত বিদ্যালয়ত পঢ়ায়। তেওঁলোকে ভালদৰে জানে চৰকাৰী বিদ্যালয়ত থকা অভাৱ-অসুবিধা আৰু শিক্ষাৰ গুণগত মান কি!

অৱশ্যে এটা কথা ঠিক যে শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত মাধ্যম কেতিয়াও হেঙাৰ বা বাধা হৈ দেখা দিব নোৱাৰে যদিহে ছাত্ৰ-ছাত্ৰীৰ একান্ত ইচ্ছা, আগ্ৰহ আৰু লক্ষ্য আগত থাকে

তেনেকুৱা ইচ্ছুক, আগ্ৰহী আৰু মেধা সম্পন্ন ছাত্ৰ-ছাত্ৰী চৰকাৰী বিদ্যালয়ত দুই-চাৰিজন থাকিলেও এপাচি শাকত এটা জালুকৰ লেখীয়া। সেই কাৰণেই আমি গুৰুত্ব দিব লগা হয় সেইসকল ছাত্ৰ-ছাত্ৰীৰ ওপৰত যিসকলৰ বুদ্ধি-বৃত্তি অতি কম, জীৱন-ধাৰণৰ মান অতি নিছলা আৰু তেওঁলোকে অধ্যয়ন কৰা বিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ দুখ লগা।

সেয়ে অসম চৰকাৰলৈ আমাৰ অনুৰোধ চৰকাৰীভাৱে ইংৰাজী মাধ্যম চৰকাৰী বিদ্যালয়ত জোৰপূৰ্বক জাপি নিদিব। অসমীয়া ভাষাটোক এলাগী নকৰিব। অসমীয়া ভাষা লিখা-পঢ়া কৰা আৰু কোৱা লোক দুখ লগাকৈ কমি আহিবলৈ ধৰিছে। ইংৰাজী মাধ্যমৰ ব্যক্তিগত বিদ্যালয়ৰ প্ৰতি আকৰ্ষিত হৈছে সকলো। লিখা-পঢ়া নকৰা, ক'বলৈ বেয়া পোৱা ভাষা এটা বৰ্তি থাকিব কিদৰে? ভাষাটো যদি জীয়াই নাথাকে জাতিটো জীয়াই থাকিব কেনেকৈ? ভাষা-সাহিত্য, কলা-সংস্কৃতি গতিশীল হৈ নাথাকিলে অসমীয়া জাতি বুলি গৌৰৱ কৰি ক'বলৈ আমাৰ হাতত আন সমল ক'ত? *ফোন : ৮৮২২১৮৮৬৭৯*



## ৰাজৌৰিৰ সেনাৰ তালাচী চকীত আক্ৰমণত তিনি জোৱান ছহিদ, ধৰাশায়ী তিনি সন্ত্ৰাসবাদী

**নিউজ ব্যুৰ' শ্ৰীনগৰ, ১১ আগষ্ট ঃ** জম্মু-কাশ্মীৰত পুনৰ সেনাৰ তালাচী চকীত আক্ৰমণ সংঘটিত কৰিলে সন্ত্ৰাসবাদীয়ে। আজি পুৱাতে ৰাজৌৰিৰ নিয়ন্ত্ৰণ ৰেখাৰ সমীপত সন্ত্ৰাসবাদীয়ে চলোৱা আক্ৰমণত তিনিজন সেনা জোৱান ছহিদ হ'ল। এই ঘটনাত আন তিনিজন আহত হয়। অৱশ্যে পাছত সেনাৰ গুলিত ধৰাশায়ী হ'ল তিনি সন্ত্ৰাসবাদী। ৰাজৌৰিৰ পৰা ২৫ কিলোমিটাৰ নিলগৰ পৰগল অঞ্চলত তালাচী চকীত কৰ্মৰত থকাৰ সময়তে সেনালৈ গুলিবৰ্ষণ কৰিছিল সন্ত্ৰাসবাদীৰ এটি দলে। লগে লগে সেনায়ো গুলিৰে প্ৰত্যুত্তৰ দিছিল। সেনাৰ সূত্ৰৰ খবৰ অনুসৰি উক্ত সন্ত্ৰাসবাদীকেইজনৰ দুজন আত্মঘাতী বাহিনীৰ সদস্য আছিল।

## ব্যক্তি স্বাধীনতাত যথেষ্ট অগ্ৰণী চীন ঃ পেল'চিৰ মন্তব্যত বিতৰ্ক



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ১১ আগষ্ট ঃ** চীনৰ তীব্ৰ বিৰোধিতাক অংগুষ্ঠ প্ৰদৰ্শনৰে টাইৱান ভ্ৰমণ কৰিছিল আমেৰিকাৰ কংগ্ৰেছৰ অধ্যক্ষা নেন্সি পেল'চিয়ে। এই ভ্ৰমণৰ পৰিণতিত ক্ৰমশঃ উত্তপ্ত হৈ আছে চীন আৰু টাইৱানৰ সম্পৰ্ক। এনে পৰিস্থিতিতে চীনক ব্যক্তি স্বাধীনতাৰ নিৰিখত অগ্ৰণী দেশসমূহৰ অন্যতম বুলি অভিহিত কৰিলে পেল'চিয়ে। মাৰ্কিন কংগ্ৰেছৰ অধ্যক্ষাৰ এই মন্তব্যই বিশ্বজুৰি চাঞ্চল্যৰ সৃষ্টি কৰিছে। টাইৱান ভ্ৰমণৰ পাছত এক সাক্ষাৎকাৰত পেল'চিয়ে এইদৰে কয়, 'আমি 'এক চীন' নীতিক সমৰ্থন কৰো। মাৰ্কিন নেতৃত্বৰ টাইৱান ভ্ৰমণৰ একমাত্ৰ উদ্দেশ্য আছিল, চীন-টাইৱানৰ মাজত যাতে স্থিতাৱস্থা বাহাল থাকে। উক্ত অঞ্চলৰ শান্তি বিঘ্নিত হওক, আমি সেয়া কামনা নকৰো। আমি ক'ব বিচাৰো মুক্ত চিন্তাৰ ক্ষেত্ৰত বিশ্বৰ অন্যতম শ্ৰেষ্ঠ দেশ হ'ল চীন। চীনৰ গণতন্ত্ৰ যথেষ্ট শক্তিশালী।' পেল'চিৰ এই মন্তব্যই সামাজিক মাধ্যমত বিতৰ্কৰ সৃষ্টি কৰিছে। চীনত কমিউনিষ্ট চৰকাৰ থকাৰ পাছত শক্তিশালী গণতন্ত্ৰ ক'ত আৰু কেনেকৈ পেল'চিয়ে প্ৰত্যক্ষ কৰিলে বুলি একাংশ লোকে প্ৰশ্ন উত্থাপন কৰিছে।

## কাশ্মীৰী পণ্ডিতৰ হত্যাত অভিযুক্ত লস্কৰ ই তৈবাৰ সন্ত্ৰাসবাদীক গুলীয়াই হত্যা



**নিউজ ব্যুৰ', শ্ৰীনগৰ, ১১ আগষ্ট ঃ** যোৱা মে'ত জম্মু-কাশ্মীৰৰ বদগাম জিলাৰ ছাদুৰাত ৰাহুল ভট্ট নামৰ এজন চৰকাৰী কৰ্মচাৰীক কাৰ্যালয়ত প্ৰৱেশ কৰি সন্ত্ৰাসবাদীয়ে হত্যা কৰিছিল। এসপ্তাহ পাছত একেজন সন্ত্ৰাসবাদীৰ আক্ৰমণত উক্ত অঞ্চলতে প্ৰাণ হেৰুৱাইছিল অভিনেত্ৰী অমৰিণ ভট্টই। এই দুই হত্যাকাণ্ডত জড়িত থকা লস্কৰ ই তৈবাৰ সন্ত্ৰাসবাদী লতিফ ৰাথৰ আজি বদগামতে নিৰাপত্তা বাহিনীৰ স'তে হোৱা এক সংঘৰ্ষত মৃত্যু হ'ল। জম্মু-কাশ্মীৰ আৰক্ষীয়ে আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, বদগামত এটা তালাচী চকীত সন্ত্ৰাসবাদীয়ে গুলিবৰ্ষণ কৰাত নিৰাপত্তা বাহিনী আৰু সন্ত্ৰাসবাদীৰ মাজত সংঘৰ্ষ হৈছিল আৰু সেনাৰ গুলিত তিনিজন সন্ত্ৰাসবাদীৰ মৃত্যু হৈছিল। নিহত সন্ত্ৰাসবাদীৰ মাজত লতিফ ৰাথো আছে।

## পৰমাণু কেন্দ্ৰৰ সমীপত ৰাছিয়াৰ ৰকেট আক্ৰমণত নিহত কমেও ১৩ জন



**নিউজ ব্যুৰ', কীভ, ১১ আগষ্ট ঃ** ইউক্ৰেইনৰ জাপ'ৰিজিয়া পৰমাণু কেন্দ্ৰ ৰাছিয়াৰ সেনাই দখল কৰাৰ পাছত উক্ত পৰমাণু কেন্দ্ৰৰ আশে পাশে ৰুছ সেনাই ৰকেট আক্ৰমণ অব্যাহত ৰাখিছে। আজি ইউক্ৰেইনে পুনৰ অভিযোগ কৰা অনুসৰি ৰাছিয়াই উক্ত পৰমাণু কেন্দ্ৰৰ সমীপত আকৌ এবাৰ ৰকেট আক্ৰমণ কৰিলে। পাৰমাণৱিক কেন্দ্ৰটোৰ নিচেই কাষতে ৰকেটৰ বিস্ফোৰণৰ ফলত ১৩ জন সাধাৰণ নাগৰিকৰ মৃত্যু হ'ল। এই ঘটনাত কমেও ১১ জন লোক আহত হৈছে আৰু ইয়াৰে পাঁচজনৰ অৱস্থা সংকটজনক। ইউক্ৰেইনে আজি পুনৰ সতৰ্ক কৰি কয় যে ক্ষেপণাস্ত্ৰই পাৰমাণৱিক কেন্দ্ৰৰ ভিতৰত আঘাত হানিলে সমগ্ৰ ইউৰোপ ভয়াৱহ পৰিস্থিতিৰ সন্মুখীন হ'ব লাগিব। ইউক্ৰেইনৰ অভিযোগ অনুসৰি উক্ত অঞ্চলত ৰাছিয়াই মুঠ ৮০ টা ৰকেট আক্ৰমণ সংঘটিত কৰিলে।

## প্ৰতিদিনে বৃদ্ধি সংক্ৰমণ, দিল্লীত পুনৰ মাস্ক পৰিধান বাধ্যতামূলক



**নিউজ ব্যুৰ', নতুন দিল্লী, ১১ আগষ্ট ঃ** দেশৰ ৰাজধানী দিল্লীত ক'ভিড-১৯ৰ সংক্ৰমণ পুনৰ বৃদ্ধি পাইছে। যোৱা ২৪ ঘণ্টাত দিল্লীত নতুনকৈ ক'ভিড আক্ৰান্ত হ'ল ২১৪৬ জন লোক। তদুপৰি বিগত এদিনত ৰাজধানী চহৰখনত আঠজন ক'ভিড ৰোগীৰ মৃত্যু হ'ল। কৰ'নাৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে দিল্লীত আকৌ এবাৰ মাস্ক পৰিধান বাধ্যতামূলক কৰা হ'ল। ৰাজহুৱা স্থানত মাস্ক পৰিধান নকৰিলে প্ৰশাসনে ৫০০ টকাৰ জৰিমনা বিহিব।

### বিগত কে'বামাহ ধৰি দেশৰ একাধিক কেন্দ্ৰীয় তদন্তকাৰী সংস্থাৰ বিশেষ তৎপৰতা প্ৰদৰ্শন অব্যাহত

# মহাৰাষ্ট্ৰত আয়কৰৰ অভিযানত ৩৯০ কোটিৰ সম্পত্তি জব্দ

**নিউজ ব্যুৰ' জালনা, ১১ আগষ্ট ঃ** এইবাৰ আয়কৰ বিভাগৰ ব্যাপক তালাচী অভিযানত চাঞ্চল্যৰ সৃষ্টি হ'ল মহাৰাষ্ট্ৰত। কৰ ফাকিৰ অভিযোগত ৰাজ্যখনৰ জালনা আৰু ঔৰংগাবাদত একাধিক স্থানত তালাচী চলাই আয়কৰ বিভাগে জব্দ কৰিলে নগদ ৫৬ কোটি টকা আৰু ৩২ কিলোগ্ৰামৰ সোণ। তদুপৰি অন্যান্য সম্পত্তিৰ গুৰুত্বপূৰ্ণ নথিপত্ৰও আয়কৰে উদ্ধাৰ কৰিলে। আয়কৰ বিভাগৰ সূত্ৰই ৰাষ্ট্ৰীয়



সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি, সন্ধান লাভ কৰা মুঠ সম্পত্তিৰ পৰিমাণ ৩৯০ কোটি টকাৰো অধিক হ'ব।

যোৱা পহিলা আগষ্টৰ পৰা আঠ আগষ্টলৈকে জালনা আৰু ঔৰংগাবাদত ইস্পাত, বস্ত্ৰ আৰু নিৰ্মাণ ব্যৱসায়ীৰ বাসগৃহ তথা একাধিক ঠিকনাত তালাচী চলাই আয়কৰ বিভাগৰ নাছিক শাখাৰ বিষয়াই মুঠ ৩৯০ কোটি টকাৰ বেনামী সা-সম্পত্তিৰ তথ্য উদ্ধাৰ কৰে। একাধিক ব্যৱসায়িক প্ৰতিষ্ঠানৰ কৰ ফাকিৰ তথ্য লাভৰ পাছতে নাছিকৰ আয়কৰ বিভাগে এই অভিযান চলাইছিল। প্ৰসংগত উল্লেখ্য যে বিগত কে'বামাহ ধৰি দেশৰ একাধিক কেন্দ্ৰীয় তদন্তকাৰী সংস্থাই বিশেষ তৎপৰতা প্ৰদৰ্শন কৰি আহিছে। নেতা-মন্ত্ৰীৰ পৰা আৰম্ভ কৰি সাধাৰণ চৰকাৰী কৰ্মচাৰী, ব্যৱসায়ীৰ বাসগৃহ আৰু কাৰ্যালয়ত তালাচী অব্যাহত ৰাখিছে চি বি আইৰ লগতে আয়কৰ বিভাগ আৰু প্ৰৱৰ্তক সঞ্চালকালয়ে।

## এইবাৰ পশুৰ চোৰাং সৰবৰাহৰ অভিযোগত গ্ৰেপ্তাৰ তৃণমূল কংগ্ৰেছৰ নেতাক



**নিউজ ব্যুৰ', কলকাতা, ১১ আগষ্ট ঃ** কেন্দ্ৰীয় তদন্তকাৰী সংস্থা (চি বি আই)ই আজি পশ্চিমবংগৰ শাসকীয় দল তৃণমূল কংগ্ৰেছৰ প্ৰভাৱশালী নেতা অনুব্ৰত মণ্ডলক গ্ৰেপ্তাৰ কৰে। পশুৰ চোৰাং সৰবৰাহৰ তদন্তত চি বি আয়ে ১০ বাৰকৈ চমন জাৰি কৰাৰ পাছতো সঁহাৰি নজনোৱাৰ কাৰণত মণ্ডলক আজি কেন্দ্ৰীয় তদন্তকাৰী সংস্থাটোৱে জিম্মাত লয়। বীৰভূমৰ ইলুম বজাৰস্থিত বাসগৃহৰ পৰা বীৰভূম জিলাৰ তৃণমূল কংগ্ৰেছৰ সভাপতি মণ্ডলক চি বি আয়ে গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰৰ পাছতে তদন্তকাৰী সংস্থাটোৱে মণ্ডলক স্বাস্থ্য পৰীক্ষাৰ বাবে চিকিৎসালয়লৈ নিয়ে। চি বি আইৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি সোধা-পোছাৰ বাবে মণ্ডলক চি বি আইৰ ব'লপুৰস্থিত কাৰ্যালয়লৈ নিয়া হৈছে। চি বি আয়ে মণ্ডলৰ বিৰুদ্ধে পশুৰ চোৰাং সৰবৰাহৰ গোচৰৰ তদন্তত সহযোগিতা নকৰাৰ অভিযোগ উত্থাপন কৰিছে।

# স্বাধীনতা দিৱসত এইবাৰ স্বদেশী কামানৰে দিয়া হ'ব টোপধ্বনি

**নিউজ ব্যুৰ' নতুন দিল্লী, ১১ আগষ্ট ঃ** স্বদেশী যুদ্ধাস্ত্ৰ হিচাপে নাম হৈছে এডভান্সড টাউড আৰ্টিলাৰী গান ছিষ্টেম (এ টি এ জি এছ)। এ টি এ জি এছ হৈছে সামৰিক উৎপাদন ক্ষেত্ৰত 'মেক ইন ইণ্ডিয়া'ৰ এক অন্যতম শ্ৰেষ্ঠ উদাহৰণ। ভাৰতীয় প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা (ডি আৰ ডি অ')ই তৈয়াৰ কৰা ১৫৫ মিলিমিটাৰ দৈৰ্ঘৰ এই হাউইৎজাৰ কামানটো এইবাৰ প্ৰত্যক্ষ হ'ব 'আজাদী কা অমৃত মহোৎসৱ'ত। দিল্লী লালকিল্লাত আয়োজিত স্বাধীনতা দিৱসত ৭৫ সংখ্যক কৰ্মসূচী ভাৰতীয় সেনাৰ 'গান ছেলুট'ত ব্যৱহাৰ কৰা হ'ব দেশীয় প্ৰযুক্তিৰে তৈয়াৰ কৰা এই বৰটোপ। প্ৰতিৰক্ষা সচিব অজয় কুমাৰে সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি স্বাধীনতা দিৱসৰ কৰ্মসূচীত এয়ে প্ৰথমবাৰৰ বাবে সম্পূৰ্ণ দেশীয় প্ৰযুক্তিৰে তৈয়াৰ কৰা কোনো বৰটোপ টোপধ্বনিৰ বাবে ব্যৱহাৰ কৰা হ'ব। বিগত ৭৪ বছৰে লালকিল্লাৰ স্বাধীনতা দিৱসৰ অনুষ্ঠানত ব্যৱহাৰ কৰা হৈছিল ব্ৰিটিছ যুগৰ টোপপ্ৰথা পালনৰে '২১ বাৰৰ টোপধ্বনি'। কুমাৰে প্ৰকাশ কৰা অনুসৰি ডি আৰ ডি অ'ৰ পুনেৰ এটি বিশেষজ্ঞৰ দলে এইবাৰৰ লালকিল্লাৰ স্বাধীনতা দিৱসৰ অনুষ্ঠানত টোপধ্বনি কৰ্মসূচী পৰিচালনা কৰিব। দেশীয় প্ৰযুক্তিৰে তৈয়াৰী এই হাউইৎজাৰ কামান বিশ্বৰ অন্যতম শক্তিশালী বুলি প্ৰতিৰক্ষা মন্ত্ৰণালয়ে জানিবলৈ দিয়ে। ৪৮ কিলোমিটাৰ পৰ্যন্ত দূৰত্বত আঘাত হানিবলৈ সক্ষম স্বদেশী এই বৰটোপ।



## কান্দাহাৰ কাণ্ডৰ অন্যতম অভিযুক্ত সন্ত্ৰাসবাদীক ৰাষ্ট্ৰসংঘত ৰক্ষণাবেক্ষণ চীনৰ



**নিউজ ব্যুৰ', নিউ য়ৰ্ক, ১১ আগষ্ট ঃ** চাঞ্চল্যকৰ কান্দাহাৰ বিমান অপহৰণ কাণ্ডৰ অন্যতম অভিযুক্ত জইচ-ই-মহম্মদৰ নেতা আব্দুল ৰউফ আজহাৰৰ বিৰুদ্ধে পদক্ষেপ গ্ৰহণৰ বাবে ৰাষ্ট্ৰসংঘত সক্ৰিয় হৈছিল ভাৰত আৰু আমেৰিকা। কিন্তু এই পদক্ষেপত বাধা দিলে চীনে। কালি নিৰাপত্তা পৰিষদৰ বৈঠকত সকলো সদস্য ৰাষ্ট্ৰই সন্ত্ৰাসবাদী আজহাৰৰ বিৰুদ্ধে নিষেধাজ্ঞা আৰোপৰ পদক্ষেপলৈ জনায় যদিও চীনে এই প্ৰস্তাৱৰ বিৰুদ্ধে ভেট' প্ৰয়োগ কৰিলে। একমাত্ৰ চীনৰ বাধাৰ ফলতে নিৰাপত্তা পৰিষদে পাকিস্তানী সন্ত্ৰাসবাদী আজহাৰক 'আন্তৰ্জাতিক সন্ত্ৰাসবাদী' ঘোষণা কৰাৰ প্ৰস্তাৱ সাময়িকভাৱে স্থগিত ৰখা হ'ল। উল্লেখ্য যে পূৰ্বে জইচ ই মহম্মদৰ মুৰব্বী মাছুদ আজহাৰকো 'আন্তৰ্জাতিক সন্ত্ৰাসবাদী' ঘোষণাৰ ক্ষেত্ৰত নিৰাপত্তা পৰিষদত চীনে একাধিকবাৰ বাধা দিছিল।

## বিশ্বশান্তিৰ বাবে পোপ-মোদীৰ নেতৃত্বত সমিতি গঠনৰ পৰামৰ্শ মেক্সিক'ৰ

**নিউজ ব্যুৰ', মেক্সিক' চিটি, ১১ আগষ্ট ঃ** বিশ্ব শান্তিৰ প্ৰচাৰত তিনিজন নেতাৰ সমন্বয়ৰে এখন আয়োগ গঠনৰ বাবে ৰাষ্ট্ৰসংঘক আবেদন জনালে মেক্সিক'ৰ ৰাষ্ট্ৰপতি এন্দ্ৰেছ মেনুৱেল ল'পেজ অব্ৰাড'ৰে। আগন্তুক পাঁচ বছৰৰ বাবে এই আয়োগৰ গঠনৰ প্ৰস্তাৱ আগবঢ়ালে মেক্সিক'ৰ ৰাষ্ট্ৰপতিয়ে। অব্ৰাড'ৰে ৰাষ্ট্ৰসংঘক এই সন্দৰ্ভত এক লিখিত প্ৰস্তাৱ আগবঢ়াব বুলি আজি আন্তঃৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। মেক্সিকান ৰাষ্ট্ৰপতিৰ প্ৰস্তাৱ অনুসৰি বিশ্ব শান্তিৰ বাবে গঠন কৰিবলগীয়া প্ৰস্তাৱিত আয়োগত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, ভেটিকানৰ পোপ ফ্ৰান্সিছ আৰু ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টনিঅ' গুটেৰেচক অন্তৰ্ভুক্ত কৰা উচিত। এটা ৰেব প'ৰ্টেলত এই কথা প্ৰকাশ কৰি অব্ৰাড'ৰে কয়, 'মই লিখিতভাৱে প্ৰস্তাৱ আগবঢ়াম। বিষয়টো মই ৰাষ্ট্ৰসংঘত উত্থাপন কৰিম। যুদ্ধৰ ফলত বিশ্বত অৰ্থনৈতিক সংকটে দেখা দিছে। ফলত মুদ্ৰাস্ফীতি বাঢ়িছে আৰু খাদ্যৰ অভাৱ ঘটাৰ লগতে দাৰিদ্ৰ ভয়াৱহ হৈছে। সবাতোকৈ বেয়া দিশটো হৈছে এবছৰত এনে যুদ্ধৰ ফলত বহু লোকে প্ৰাণ হেৰুৱালে। সেয়েহে মই বিশ্বশান্তি স্থাপনত গুৰুত্ব দি ৰাষ্ট্ৰসংঘৰ জৰিয়তে এখন আয়োগ গঠনৰ প্ৰস্তাৱ আগবঢ়াইছো। এই আয়োগৰ লক্ষ্য হ'ব যুদ্ধ বন্ধ কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ। উক্ত আয়োগত পোপ ফ্ৰান্সিছ, নৰেন্দ্ৰ মোদী আৰু এণ্টনিঅ' গুটেৰেছক সদস্য হিচাপে অন্তৰ্ভুক্ত কৰা উচিত। আয়োগে যুদ্ধত লিপ্ত দেশক পাঁচ বছৰৰ বাবে যুদ্ধবিৰতিৰ চুক্তিত স্বাক্ষৰ কৰোৱাৰ পদক্ষেপ গ্ৰহণ কৰিব।' মেক্সিক'ৰ ৰাষ্ট্ৰপতিজনে এই প্ৰস্তাৱ আগবঢ়োৱাৰ লগতে চীন, ৰাছিয়া আৰু আমেৰিকাক শান্তি স্থাপনৰ বাবে আগবাঢ়ি আহিবলৈ আহ্বান জনালে।






## দেশজুৰি পুনৰ বৃদ্ধি কৰ'নাৰ দৈনিক সংক্ৰমণ, মৃত্যু ৫৩ জনৰ

**নিউজ ব্যুৰ' নতুন দিল্লী, ১১ আগষ্ট ঃ** আকৌ বৃদ্ধি পালে ক'ভিডকেন্দ্ৰিক উদ্বেগ। যোৱা ২৪ ঘণ্টাত ভাৰতত ১৬,২৯৯ জন লোক ক'ভিড-১৯ত সংক্ৰমিত হ'ল। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি, যোৱা ২৪ ঘণ্টাত দিল্লীত ২১৪৬, মহাৰাষ্ট্ৰত ১৮৪৭, কৰ্ণাটকত ১৬৮০, কেৰালাত ১৩১৭ আৰু হাৰিয়ানাত ১১৪৫ জন লোক কৰ'নাত আক্ৰান্ত হ'ল। ইফালে, এই মাৰাত্মক ভাইৰাছত সংক্ৰমিত হোৱা ৫৩ জন ৰোগীৰ বিগত এদিনত দেশত মৃত্যু হ'ল। দিল্লীত যোৱা ২৪ ঘণ্টাত প্ৰাণ হেৰুৱালে আঠজন ক'ভিড ৰোগীয়ে।

## দিল্লীত দৈনিক সংঘটিত হয় গড়ে ছটা ধৰ্ষণৰ ঘটনা, বৃদ্ধি পাইছে নাৰীকেন্দ্ৰিক অপৰাধ

**নিউজ ব্যুৰ', নতুন দিল্লী, ১১ আগষ্ট ঃ** ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত মহিলা ধৰ্ষণৰ ঘটনা বৃদ্ধি পাইছে। যোৱা বছৰৰ তুলনাত চলিত বৰ্ষৰ প্ৰথম ছমাহত দিল্লীত ধৰ্ষণৰ ঘটনা ১৭.৫ শতাংশ বৃদ্ধি পালে। ৰাষ্ট্ৰীয় ৰাজধানীত সম্প্ৰতি দৈনিক গড়ে ছটাকৈ ধৰ্ষণৰ ঘটনা সংঘটিত হৈছে। দিল্লী আৰক্ষীয়ে বিগত ছমাহৰ অপৰাধৰ তথ্য দাখিল কৰি এই উদ্বেগজনক পৰিসংখ্যা প্ৰকাশ কৰিলে। দিল্লী আৰক্ষীৰ তথ্য অনুসৰি, চলিত বৰ্ষত বৰ্তমানলৈকে ৰাজধানীত ১১০০ টা ধৰ্ষণৰ গোচৰ পঞ্জীয়ন কৰা হৈছে। পৰিসংখ্যা অনুসৰি মহিলাৰ বিৰুদ্ধে সংঘটিত হোৱা অপৰাধৰ সংখ্যা দিল্লীত ১৯ শতাংশ বৃদ্ধি



পালে। একে সময়ছোৱাত স্বামী আৰু স্বামীগৃহৰ সদস্যৰ দ্বাৰা মহিলাই নিৰ্যাতনৰ সন্মুখীন হোৱা ঘটনাও দিল্লীত বিগত ছমাহত ২৯ শতাংশ বৃদ্ধি পালে। দিল্লীত পহিলা জানুৱাৰী ২০২১ৰ পৰা ১৫ জুলাই ২০২১লৈকে সময়ছোৱাত মহিলাৰ বিৰুদ্ধে ৬৭৪৭ টা অপৰাধৰ ঘটনা সংঘটিত হৈছিল। ২০২২ বৰ্ষৰ বৰ্তমানলৈকে ৰাজধানীত মহিলাৰ বিৰুদ্ধে ৭৮৮৭ টা অপৰাধৰ ঘটনা সংঘটিত হ'ল। চলিত বৰ্ষত ১৫ জুলাইলৈকে দিল্লীত ১১০০ টা ধৰ্ষণৰ গোচৰ পঞ্জীয়ন কৰা হৈছে। যোৱা বছৰৰ এই একেটা সময়ত দিল্লীত ১০৩৩ টা ধৰ্ষণৰ গোচৰ ৰুজু কৰা হৈছিল। চলিত বৰ্ষত বৰ্তমানলৈকে মহিলাৰ শ্লীলতাহানিৰ ১৪৮০ টা গোচৰ ৰুজু কৰা হ'ল। যোৱা বছৰত এই সময়ছোৱাত ১২৪৪ টা শ্লীলতাহানিৰ গোচৰ পঞ্জীয়ন হৈছিল। ২০২১ বৰ্ষৰ প্ৰথম ছয়মাহত দিল্লীত নাৰী অপহৰণৰ ৩১৭ টা অভিযোগ আৰক্ষীয়ে লাভ কৰিছিল। চলিত বৰ্ষত বৰ্তমানলৈকে নাৰী অপহৰণৰ ঘটনা ১৭ শতাংশ বৃদ্ধিৰে ২১৯৭ টা হ'ল।

## জম্মু-কাশ্মীৰ, হিমাচল প্ৰদেশত ডাৱৰ বিস্ফোৰণত চাৰিজনৰ মৃত্যু



**নিউজ ব্যুৰ', শ্ৰীনগৰ, ১১ আগষ্ট ঃ** দেশৰ কে'বাখনো ৰাজ্যত প্ৰচণ্ড বৃষ্টিপাতৰ ফলত প্ৰাকৃতিক বিপৰ্যয়ে দেখা দিছে। জম্মু-কাশ্মীৰ আৰু হিমাচল প্ৰদেশত আজি পুনৰ ডাৱৰ বিস্ফোৰণৰ ঘটনা সংঘটিত হ'ল। ফলত এই দুই ৰাজ্যত দুজনকৈ লোকৰ মৃত্যু হ'ল। জম্মু-কাশ্মীৰৰ ৰামবনত আজি সংঘটিত হোৱা ডাৱৰ বিস্ফোৰণৰ ঘটনাত দুজন লোকে প্ৰাণ হেৰুৱালে। ইফালে, ৰাষ্ট্ৰীয় পথত ভূমিস্খলন আৰু শৈলস্খলনৰ ঘটনাত যানবাহনৰ চলাচল স্তব্ধ হয়। একেদৰে হিমাচল প্ৰদেশৰ কুল্লুত সংঘটিত ডাৱৰ বিস্ফোৰণৰ ঘটনাত দুজন লোকৰ মৃত্যু হোৱাৰ লগতে ২০ টাৰো অধিক বাসগৃহৰ ব্যাপক ক্ষতি হয়। বতৰ বিজ্ঞান বিভাগৰ তথ্য অনুসৰি মহাৰাষ্ট্ৰতো আগন্তুক চাৰি-পাঁচ দিনলৈ ধাৰাসাৰ বৃষ্টিপাত হোৱাৰ সম্ভাৱনা আছে। একেদৰে ৰাজস্থান, উত্তৰ প্ৰদেশ, পঞ্জাৱ, হাৰিয়ানা, বিহাৰতো পাতল আৰু মজলীয়া বৃষ্টিপাতৰ সম্ভাৱনা আছে।

## বাস্তৱত পৰিস্থিতি শোচনীয়, কিন্তু ক'ভিডৰ বিৰুদ্ধে উত্তৰ কোৰিয়াৰ জয় ঘোষণা কমিউনিষ্ট শাসক কীমৰ

**নিউজ ব্যুৰ', পিয়ংইয়ং, ১১ আগষ্ট ঃ** ক'ভিডৰ আগমনৰ আঢ়ৈ বছৰৰো অধিক হ'ল যদিও এই মুহূৰ্ততো বিশ্বৰ কে'বাখনো দেশত এই ভাইৰাছৰ সংক্ৰমণে ত্ৰাস অব্যাহত ৰাখিছে। এনে পৰিস্থিতিতে ক'ভিডৰ বিৰুদ্ধে 'বিৰাট জয়' ঘোষণা কৰিলে উত্তৰ কোৰিয়াৰ কমিউনিষ্ট শাসক কীম জং উনে। কীমে দাবী কৰা অনুসৰি বিগত দুসপ্তাহ ধৰি উত্তৰ কোৰিয়াত এজনো ব্যক্তি কৰ'নাত সংক্ৰমিত হোৱা নাই। যোৱা বুধবাৰে অতিমাৰীৰ বিৰুদ্ধে উত্তৰ কোৰিয়াৰ 'বৃহৎ জয়' হোৱা বুলি দাবী কৰিলে দেশখনৰ কমিউনিষ্ট শাসকজনে। উত্তৰ কোৰিয়াৰ চৰকাৰী সংবাদ মাধ্যম কে চি এন এয়ে প্ৰকাশ কৰা অনুসৰি দেশৰ স্বাস্থ্য বিভাগৰ বিষয়াৰ স'তে বৈঠকত অংশ লোৱাৰ সময়ত বুধবাৰে কীমে ঘোষণা কৰি কৈছিল, 'আমি এই ভয়াৱহ মহামাৰীৰ বিৰুদ্ধে যুঁজত জয়লাভ কৰিলো।' কীমে এইদৰে দাবী কৰিলেও আন্তৰ্জাতিক সংবাদ মাধ্যমৰ দাবী অনুসৰি, উত্তৰ কোৰিয়া এতিয়াও কৰ'নামুক্ত হোৱা নাই। প্ৰতিবেশী দেশখনত সম্প্ৰতি কৰ'নাৰ ভয়াৱহ সংক্ৰমণ অব্যাহত আছে যদিও কীমে দেশবাসী আৰু বিশ্বৰ সন্মুখত আক্ৰান্তৰ প্ৰকৃত তথ্য দাঙি ধৰিব বিচৰা নাই বুলি দক্ষিণ কোৰিয়াই অভিযোগ কৰিছে।



## পৰাজিত হ'লেও পৰস্পৰক সহযোগিতাৰ প্ৰতিশ্ৰুতি ঋষি-লীজৰ

**নিউজ ব্যুৰ', লণ্ডন, ১১ আগষ্ট ঃ** অহা পাঁচ ছেপ্টেম্বৰত নিৰ্বাচিত হ'ব ব্ৰিটেইনৰ পৰৱৰ্তী প্ৰধানমন্ত্ৰী। দেশখনৰ বৰ্তমানৰ শাসকীয় দল কনজাৰভেটিভ পাৰ্টিয়ে উক্ত দিনা দলৰ নতুন নেতাক নিৰ্বাচন কৰিব আৰু এই নিৰ্বাচনত প্ৰাৰ্থী হিচাপে থিয় দিছে ভাৰতীয় মূলৰ কনজাৰভেটিভ নেতা ঋষি ছুনক আৰু ব্ৰিটেইনৰ বৈদেশিক সচিব লীজ ট্ৰাছে। প্ৰথম পাঁচটা পৰ্যায়ৰ নিৰ্বাচনী প্ৰক্ৰিয়াত লীজতকৈ আগবাঢ়ি আছিল ঋষি। অহা পাঁচ ছেপ্টেম্বৰত কনজাৰভেটিভ পাৰ্টিৰ সদস্যই দলৰ পৰৱৰ্তী নেতাক নিৰ্বাচন কৰিব। দলৰ নেতা নিৰ্বাচিত হোৱা ব্যক্তিজনে ব্ৰিটেইনৰ নতুন প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিব। ব্ৰিটেইনৰ সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, প্ৰথম পাঁচটা পৰ্যায়ত প্ৰধানমন্ত্ৰী পদৰ দৌৰত ঋষি আগবাঢ়ি থাকিলেও দলীয় সদস্যৰ ভোটদানত তেওঁ লীজৰ হাতত পৰাজিত যথেষ্ট শংকা আছে। কিয়নো কনজাৰভেটিভ দলৰ সৰহ সংখ্যক সদস্যই বৰ্তমানলৈকে প্ৰধানমন্ত্ৰী পদৰ বাবে ঋষিৰ প্ৰতিদ্বন্দ্বী লীজক অধিক যোগ্য বিবেচনা কৰিছে। সম্প্ৰতি সম্পন্ন হোৱা বিতৰ্ক সভাত লীজ আৰু ঋষি উভয়ে




প্ৰতিশ্ৰুতি দি কয় যে তেওঁলোকৰ মাজৰ যিজনৰে জয় নহওক কিয়, মন্ত্ৰীসভাত আনজনৰ প্ৰতি সহযোগিতা আগবঢ়োৱাৰ ক্ষেত্ৰত কোনো সমস্যা নহ'ব। পাৰস্পৰিক বিৰোধিতা আঁতৰত ৰাখি নতুন নেতৃত্বক স্বীকাৰ কৰিব বুলি ঋষি আৰু লীজে দলৰ লগতে ব্ৰিটেইনবাসীক প্ৰতিশ্ৰুতি দিয়ে। উত্তৰ-পূব ইংলণ্ডৰ ডাৰ্লিংটনত কনজাৰভেটিভ দলৰ শেহতীয়া বিতৰ্ক সভাত লীজ আৰু ঋষিক সঞ্চালকে প্ৰশ্ন কৰি কৈছিল যে আনজন প্ৰধানমন্ত্ৰী নিৰ্বাচিত হ'লে সেই মন্ত্ৰীসভাৰ সদস্য হ'ব বিচাৰিব নে? ইয়াৰ উত্তৰত ঋষি আৰু লীজে স্পষ্টভাৱে কয়, 'আমাৰ দুয়োজনৰে লক্ষ্য দল আৰু দেশৰ উন্নতি। সেই লক্ষ্যত আমি একেলগে কাম কৰিবলৈ কেতিয়াও পিছ নপৰো।'

## বিশ্বত ন শতাংশ হ্ৰাস ক'ভিডত মৃত্যু, হুৰ তথ্য



**নিউজ ব্যুৰ', নতুন দিল্লী, ১১ আগষ্ট ঃ** বিশ্ব স্বাস্থ্য সংস্থা (হু)ৰ প্ৰতিবেদনৰ তথ্য অনুসৰি বিগত সপ্তাহত বিশ্বত কৰ'না ভাইৰাছত মৃত্যুৰ সংখ্যা ন শতাংশ হ্ৰাস পালে। ৰাষ্ট্ৰসংঘৰ স্বাস্থ্য সংস্থাটোৰ সাপ্তাহিক প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি যোৱা সপ্তাহত বিশ্বত ১৪ হেজাৰৰ অধিক ক'ভিড ৰোগীৰ মৃত্যু হৈছিল। তদুপৰি একে সময়ছোৱাত বিশ্বৰ বিভিন্ন দেশত প্ৰায় সাত নিযুত লোক ক'ভিড আক্ৰান্ত হৈছিল। পশ্চিম প্ৰশান্ত মহাসাগৰীয় একাধিক দেশত সংক্ৰমণ ৩০ শতাংশ বৃদ্ধি আৰু আফ্ৰিকাত ৪৬ শতাংশ হ্ৰাস পালে। আমেৰিকা আৰু মধ্য প্ৰাচ্যত আক্ৰান্তৰ সংখ্যা ২০ শতাংশ হ্ৰাস পাইছে। মধ্য প্ৰাচ্যত ক'ভিডত মৃত্যুৰ সংখ্যা ১৯ শতাংশ বৃদ্ধি পোৱাৰ বিপৰীতে আফ্ৰিকাত মৃত্যু ৭০ শতাংশ বৃদ্ধি পাইছে। ইউৰোপত ১৫ শতাংশ আৰু আমেৰিকাত ১০ শতাংশ হ্ৰাস পালে ক'ভিডত মৃতকৰ সংখ্যা।



# বিজেপি মানেই এআইইউডিএফ, এআইইউডিএফ মানে বিজেপি ঃ শিকদাৰ

অগ্ৰদূত বাৰ্তা

**বৰপেটাৰোড, ১১ আগষ্ট ঃ** স্বাধীনতাৰ ৭৫ বছৰ পূৰ্ণ উপলক্ষে ৰাজ্যজুৰি প্ৰদেশ কংগ্ৰেছে ৰূপায়ণ কৰিছে 'স্বাধীনতাৰ গৌৰৱময় যাত্ৰা'।

অসমৰ প্ৰতিখন জিলাত কংগ্ৰেছে ৰূপায়ণ কৰিছে 'স্বাধীনতাৰ গৌৰৱময় যাত্ৰা' কাৰ্যসূচী। ইয়াৰ মাজতে বৰপেটাৰ সৰভোগত বৰপেটা জিলা কংগ্ৰেছে ৰূপায়ণ কৰে। 'স্বাধীনতাৰ গৌৰৱময় যাত্ৰা'। কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি জাকিৰ হুছেইন শিকদাৰে সৰভোগত 'স্বাধীনতাৰ গৌৰৱময় যাত্ৰা'ৰ নেতৃত্ব বহন কৰি অনাগত দিনত কংগ্ৰেছৰ দিন ভাল হ'ব বুলি মন্তব্য কৰে। ইপিনে, প্ৰশান্ত ফুকনে কংগ্ৰেছৰ সাত-আঠজন বিধায়ক বিজেপিলৈ যোৱা অথবা কৰিম উদ্দিন বৰভূঞাই দাবী কৰা অনুসৰি ছয়-সাতজন বিধায়ক এআইইউডিএফত যোগদান কৰিব বুলি কৰা মন্তব্যৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে জাকিৰ হুছেইন শিকদাৰে। কংগ্ৰেছৰ শক্তি দিনে দিনে বৃদ্ধি পাইছে আৰু তাৰ বাবেই বিজেপি চিন্তিত হৈ পৰা বুলি মন্তব্য জাকিৰ হুছেইন শিকদাৰৰ। ইপিনে, কংগ্ৰেছৰ আঠ বিধায়ক বিজেপিলৈ যাব বুলি প্ৰশান্ত ফুকনে কৰা মন্তব্য সম্পৰ্কত জাকিৰৰ প্ৰতিক্ৰিয়া প্ৰশান্ত ফুকন বিজেপিৰ ভিতৰ চ'ৰাৰ মানুহ নহয়। প্ৰশান্ত ফুকনক কটাক্ষ জাকিৰ হুছেইন শিকদাৰৰ বিজেপি বিধায়ক প্ৰশান্ত ফুকনে প্ৰতিবাৰে মন্ত্ৰীসভাত স্থানলাভ কৰিব বুলি মন্ত্ৰীসভা গঠনৰ পূৰ্বে শপতগ্ৰহণ অনুষ্ঠানৰ আগে আগে নতুন কাপোৰ চিলাই কৰা বুলিও কটাক্ষ কৰে। বিজেপি বিধায়ক প্ৰশান্ত ফুকনক মানসিক ভাৰসাম্য হেৰুওৱা ব্যক্তি বুলি অভিহিত কৰি কাৰোবাক সন্তুষ্ট কৰাৰ বাবেই এনে মন্তব্য কৰা বুলি প্ৰতিক্ৰিয়া জাকিৰ হুছেইন শিকদাৰৰ। আনহাতে, কৰিম উদ্দিন বৰভূঞাৰ মন্তব্যক লৈ জাকিৰ হুছেইনৰ দাবী বিজেপি মানেই এআইইউডিএফ আৰু এআইইউডিএফ মানেই বিজেপি বুলি কটাক্ষ জাকিৰ হুছেইন শিকদাৰক। আজিৰ এই বিশাল 'স্বাধীনতাৰ গৌৰৱময় যাত্ৰা' কাৰ্যসূচীত উপস্থিত থাকে নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সম্পাদক তথা অসমৰ তত্বাৱধায়ক পৃথিৱীৰাজ প্ৰভাকৰ সাথেৰ লগতে প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি, সৰুক্ষেত্ৰী সমষ্টিৰ বিধায়ক জাকিৰ হুছেইন শিকদাৰ, বৰপেটা জিলা কংগ্ৰেছৰ সভাপতি ৰফিকুল হকৰ লগতে কে'বাগৰাকী নেতা।

# মজুৰিৰ ক্ষেত্ৰত বৰাকৰ চাহ শ্ৰমিকক বঞ্চনাৰ অভিযোগ

বিশেষ সংবাদদাতা

**শিলচৰ, ১১ আগষ্ট ঃ** কালি অসম চৰকাৰে চাহ শ্ৰমিকৰ দৈনিক নিম্নতম মজুৰি ২৭ টকা বৃদ্ধি কৰে যদিও ব্ৰহ্মপুত্ৰ উপত্যকাৰ তুলনাত বৰাকৰ শ্ৰমিকসকলৰ মজুৰি নিম্ন হোৱাক লৈ ক্ষোভ প্ৰকাশ কৰিছে বৰাক ডেমক্ৰেটিক ফ্ৰন্ট (বি ডি এফ)-এ। আজি সংগঠনটোৰ আহ্বায়ক পাৰ্থ দাসে কয় যে দুয়োটা উপত্যকাৰ শ্ৰমিকসকলে একে হাৰতে কাম কৰে। সেয়েহে তেওঁলোকৰ মজুৰিও সমান কৰাৰ দায়িত্ব চৰকাৰৰ। কিন্তু বৰাক উপত্যকাৰ সকলো সংগঠনে বাৰে বাৰে অনুৰোধ কৰি অহা সত্বেও চৰকাৰে পদক্ষেপ গ্ৰহণ নকৰাটোৱে বৈষম্যৰ স্পষ্ট কৰিছে। তেওঁ কয়, 'বৰাকৰ প্ৰতি এনে বঞ্চনা দশক দশক ধৰি চলি আছে।

# অৱসৰপ্ৰাপ্ত মণ্ডলৰ বিয়োগত শোক

অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ১১ আগষ্ট ঃ** দৰং জিলাৰ ধূলা আৰক্ষী থানাৰ অন্তৰ্গত খাটনীয়াপাৰা গাঁও নিবাসী, বিশিষ্ট সমাজসেৱী হজৰত আলী (৮৫)ৰ আজি পুৱা বাৰ্ধক্যজনিত কাৰণত মৃত্যু হোৱাত গভীৰ শোকৰ ছাঁ পৰিছে। কৰ্মসূত্ৰে তেওঁ বিভিন্ন ঠাইত সেৱা আগবঢ়োৱাৰ লগতে প্ৰায়বোৰ অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে জড়িত আছিল। তেওঁৰ বিয়োগত মঙলদৈৰ বিধায়ক বসন্ত দাস, বাজিক জমিয়তৰ অতিৰিক্ত সাধাৰণ সম্পাদক মৌলানা ফজলুল কৰিম কাছিমী, খাটনীয়াপাৰা মছজিদ কমিটি, ঔতলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক গোট আদিয়ে গভীৰ শোক প্ৰকাশ কৰিছে। বিয়লি সহস্ৰাধিক লোকৰ উপস্থিতিত তেওঁৰ জানাজা সম্পন্ন হয়। মৃত্যুৰ সময়ত তেওঁ দুগৰাকী পত্নীসহ ১০ সন্তানক এৰি থৈ যায়।

# ধুবুৰীত ভোটাৰক ভোটাৰ কাৰ্ডৰ স'তে আধাৰ নম্বৰ সংযোগ কৰিবলৈ আহ্বান

**ধুবুৰী, ১১ আগষ্ট ঃ** ভাৰতৰ নিৰ্বাচন আয়োগৰ নিৰ্দেশমৰ্মে ধুবুৰী জিলাত ভোটাৰ কাৰ্ডৰ স'তে আধাৰ নম্বৰৰ স্বেচ্ছামূলক সংযোগৰ প্ৰক্ৰিয়া অব্যাহত আছে। ভোটাৰ ৰাইজে NVSP বা VHA বা VPORTAL বা GARUDA এপছত 6B নম্বৰ প্ৰ-পত্ৰ পূৰণ কৰি ভোটাৰ কাৰ্ডৰ স'তে আধাৰ নম্বৰ সংযোগ কৰিব পাৰিব। এইক্ষেত্ৰত কোনো সহায়ৰ বাবে সংশ্লিষ্ট অঞ্চলৰ বিএলঅ' বা কাৰ্যালয় খোলা থকা সময়ত নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ত যোগাযোগ কৰিবলৈ নিৰ্বাচন বিষয়া মাছি তপ্পই ভোটাৰ ৰাইজক আহ্বান জনাইছে।

# আৰএছএছ ইংৰাজৰ চোৰাংচোৱা আছিল ঃ সাথে

*তিনি পৃষ্ঠাৰ পৰা* বিজেপিয়ে দেশপ্ৰেমৰ কথা বুজাব বিচাৰিছে কিন্তু বিজেপি আৰএছএছৰ বিচাৰ ধাৰাত চলে। আন্দোলনকাৰী সকলৰ বিৰুদ্ধাচৰণ কৰি আৰএছএছে ইংৰাজৰ হৈ চোৰাংচোৱাগিৰি কৰিছিল। নিখিল ভাৰত কংগ্ৰেছ দলে স্বাধীনতাৰ ৭৫ সংখ্যক বৰ্ষপূৰণ উপলক্ষে আঠ আগষ্টৰ পৰা ৭৫ কি:মিটাৰ গৌৰৱময় যাত্ৰা আৰম্ভ কৰে। সমান্তৰালভাৱে ছয়গাঁও সমষ্টিৰ বনগাঁও ব্লক কংগ্ৰেছৰ উদ্যোগত স্বাধীনতাৰ গৌৰৱময় যাত্ৰা আৰম্ভ কৰে। ছয়গাঁও সমষ্টিৰ বনগাঁও ব্লক কংগ্ৰেছৰ উদ্যোগত ছয়গাঁও আৰু গৰৈমাৰী ব্লকৰ সহযোগত পদযাত্ৰাত কে'বা শতাধিক কংগ্ৰেছ কৰ্মীয়ে হাতে হাতে ত্ৰিৰংগা পতাকা লৈ গৌৰৱময় যাত্ৰা আৰম্ভ কৰে। বিধায়ক ৰেকিবুদ্দিন আহমেদৰ সবল নেতৃত্বত উলিওৱা পদযাত্ৰাত ভাগ লয় প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি জাকিৰ হুছেইন শিকদাৰে ভাষণ প্ৰসংগত ক্ষুৰধাৰ সমালোচনা কৰে। একেদৰে অসম প্ৰদেশ মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰে কয়,ত্ৰিৰংগা বজাৰৰ বস্তু নহয়। বজাৰৰ পৰা কিনিব নালাগে ত্ৰিৰংগা। প্ৰত্যেকজন ভাৰতীয়ৰ হৃদয়ত স্থাপিত আছে ত্ৰিৰংগা। কংগ্ৰেছৰ নেতৃত্বত ভাৰত স্বাধীন হৈছিল। ভাৰতৰ প্ৰথম প্ৰধান মন্ত্ৰী জৱাহৰলাল নেহৰুৱে লালকিল্লাত ত্ৰিৰংগা উৰুৱাইছিল। ভাৰতক ৰক্ষা কৰিব একমাত্ৰ কংগ্ৰেছ দলে। ভাৰতৰ আপুৰুগীয়া সম্পদ সমূহ ৰক্ষা কৰিব পাৰে একমাত্ৰ কংগ্ৰেছ দলে। একেদৰে ছয়গাঁও সমষ্টিৰ বিধায়ক ৰেকিবুদ্দিন আহমেদে উল্লেখ কৰে যে ভাৰতীয় জাতীয় কংগ্ৰেছৰ নেতৃত্বত ভাৰত স্বাধীন হৈছিল। বহুজনৰ ফাঁচি হৈছিল। বহুজন ইংৰাজৰ গুলিত মৃত্যুক আঁকোৱালি লৈছিল। অসমৰ বুকুৰ পৰা কুশল কোঁৱৰসহ বহুজনে ছহিদ হ'ব লগা হৈছিল। অহা ১৫ আগষ্টত গুৱাহাটীৰ ৰাজপথত অন্যায়ৰ বিৰুদ্ধে ভাৰতীয় জাতীয় কংগ্ৰেছ ঠিয় দিব বুলিও ভাষণত উল্লেখ কৰে। প্ৰায় পাঁচ শতাধিক কংগ্ৰেছী কৰ্মীয়ে অংশগ্ৰহণ কৰা এই গৌৰৱময় যাত্ৰাৰ শেষত স্বাধীনতাৰ ৭৫ সংখ্যক বৰ্ষপূৰ্তি উপলক্ষে স্বাধীনতাৰ গৌৰৱময় যাত্ৰা এখনি সভা অনুষ্ঠিত কৰে। সভাত শাসনাধিষ্ঠিত চৰকাৰখনক ক্ষুৰধাৰ সমালোচনা কৰে কংগ্ৰেছ দলৰ উপ-সভাপতি দ্বিজেন শৰ্মা, সাধাৰণ সম্পাদক মানস বৰাই ভাষণ ৰাখে।

# আততায়ীৰ হাতত নিহত ডাঃ ধৰণীধৰ

*তিনি পৃষ্ঠাৰ পৰা* সভাৰ সহযোগত আজি নলবাৰী জিলা সাহিত্য সভাৰ কাৰ্যালয় সুভদ্ৰা চৌধুৰী ভৱনত আয়োজিত আততায়ীৰ হাতত নিহত, নলবাৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক, সাহিত্যসেৱী ডাঃ ধৰণীধৰ দাসৰ ২৪সংখ্যক স্মৃতি দিৱসত স্মৃতি ৰোমন্থন কৰি ড° শৰ্মা বাৰুকৈয়ে আৱেগিক হৈ পৰে। নলবাৰী জিলা সাহিত্য সভাৰ উপ-সভাপতি অতুল চন্দ্ৰ শৰ্মাই পৌৰোহিত্য কৰা সভাত নলবাৰী জিলা সাহিত্য সভাৰ সম্পাদক পংকজ বেজবৰুৱাই আঁত ধৰাৰ লগতে অনুষ্ঠান আয়োজনৰ উদ্দেশ্য ব্যাখ্যা কৰে। স্মৃতি সভাখনত বিশিষ্ট শিক্ষাব্ৰতী ড° শৰ্মাই নলবাৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক ডাঃ দাসৰ স'তে কটোৱা কলেজীয়া দিনৰ স্মৃতি ৰোমন্থন কৰে। সভাত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি অসম সাহিত্য সভাৰ সাংগঠনিক সম্পাদক গোবিন্দ কলিতাই প্ৰয়াত সাহিত্যিক ডাঃ দাসৰ সাহিত্য আৰু কৰ্ম জীৱনৰ স্মৃতি ৰোমন্থন কৰে। নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি ধ্ৰুৱজ্যোতি শৰ্মাই সাহিত্যসেৱী তথা নলবাৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক ডাঃ দাসৰ সাহিত্যৰ ক্ষেত্ৰখনত থকা অৱদান বিস্তৃতভাৱে কয়। তেওঁ কয় যে এজন চিকিৎসকতকৈ ডাঃ দাসক নলবাৰীৰ ৰাইজে এজন ভাল সাহিত্যিক হিচাপেহে চিনি পায়। নলবাৰী জিলা সাহিত্য সভাই ডাঃ দাসক সদায় স্মৰণ কৰি থাকিব বুলিও সভাপতি শৰ্মাই কয়। সভাত নলবাৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক দিলীপ কুমাৰ হালৈয়ে ডাঃ দাসৰ সমাজ জীৱনলৈ আগবঢ়োৱা অৱদানৰ বিষয়ে স্মৃতিচাৰণ কৰে। ১৯৯৮ৰ ১১ আগষ্টৰ ক'লা দিনটোতে আততায়ীৰ হাতত নিহত হোৱা ডাঃ দাসৰ পৰিয়ালটিৰ কথাও ভাষণত হালৈয়ে ৰোমন্থন কৰে। সভাত বিশিষ্ট সাহিত্যসেৱী তথা কবি কবিতা ডেকা তালুকদাৰ ৰচিত 'নৈ খনেও কথা কয়' নামৰ কবিতাপুথি এখন উন্মোচন কৰে বিশিষ্ট শিক্ষাব্ৰতী তথা শংকৰদেৱ একাডেমীৰ সমন্বয়ক ড° শৰ্মাই । সভাৰ আৰম্ভণিতে ডাঃ দাসৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে প্ৰাক্তন ছাত্ৰনেতা নৰেশ্বৰ কলিতাই। মাল্যাৰ্পণ কৰে সাহিত্যসেৱী দিলীপ হালৈয়ে। প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে নলবাৰী জিলা সাহিত্য সভাৰ সহকাৰী সম্পাদক শ্বাহ আলম আহমেদ, সাংগঠনিক সম্পাদক জয় চন্দ্ৰ শৰ্মা, সাহিত্যসেৱী ডাঃ প্ৰাণকান্ত ভট্টাচাৰ্য, সুশীল চন্দ্ৰ তামুলী, দিলীপ কুমাৰ ভট্টাচাৰ্য, বিপুল চক্ৰৱৰ্তী, ড° উপমা ডেকা বৰ্মন, পাৰুল দেৱী গোস্বামী, শেৱালি কাকতি, চুনুমা বৈশ্য, দীপালী দাস, অঞ্জলি দত্ত, মণিকা দেৱী, ৰুণুমী দেৱী গোস্বামী, মৃদুস্মিতা বৰুৱা মেধি, কংকণ শৰ্মা, পুতুল ৰামছিয়াৰী, ভৰত ৰাজবংশী, প্ৰদীপ কুমাৰ বৈশ্য, প্ৰিয়নাথ বৰ্মন, উৎপল লোচন শৰ্মাই। সভাত কবি কবিতা ডেকা তালুকদাৰেও কবিতা লিখাৰ অনুভৱ ব্যক্ত কৰে।

ইপিনে, বৰমাতো আজি প্ৰয়াত ডাঃ দাসৰ স্মৃতি ৰোমন্থন কৰা হয়। আজি বৰমাত অনুষ্ঠিত হোৱা 'ডাঃ ধৰণীধৰ দাস এক জীৱন, অনেক কৃতী' শীৰ্ষক আলোচনা চক্ৰত আলোচকৰূপে উপস্থিত থাকি অসমবাণী কাকতৰ সম্পাদক দিলীপ চন্দনে কয়, '১৯৯৮ৰ ১১ আগষ্টৰ দিনটো এটা বিশেষ দিন। ই সমগ্ৰ অসমৰে নহয় পৃথিৱীৰে মানৱ অধিকাৰ ভংগৰ ক'লা অধ্যায়।' তেওঁ লগতে কয় যে চিকিৎসক, সাহিত্যিক, সমাজকৰ্মী ডাঃ দাস, সগৰ্ভা পত্নী ৰূপজ্যোতি শইকীয়া, মাতৃ ফুলেশ্বৰী দাস আৰু ভগ্নী লতিকা কছাৰীক গুপ্তঘাতকে নৃশংসভাৱে হত্যা কৰা আজি ২৪টা বছৰ হ'ল। অসমত বহু নৃশংস হত্যাকাণ্ড সংঘটিত হৈছে, কিন্তু এই হত্যাকাণ্ডৰ কোনো তুলনা নাই বুলি দিলীপ চন্দনে কয়। ঘটনাৰ পৰৱৰ্তী ২৪টা বছৰত বৰমা অঞ্চলৰ ৰাইজ তথা দল-সংগঠনে এই গুপ্ত হত্যাৰ ন্যায় বিচাৰি ন্যায়ালয়লৈ গৈছে যদিও ন্যায়ালয়ে ৰাইজক একো দিব পৰা নাই বুলি মন্তব্য কৰি বিশিষ্ট সাংবাদিকজনে কয়, 'ই দুখৰ কথা হৈ পৰিছে। ন্যায় ব্যৱস্থাটোৰ প্ৰতি মানুহৰ মনত এতিয়া বহু প্ৰশ্নৰ উত্থাপন হয়। আচলতে এই ঘটনা বিলাকে জটিল কৰি তোলে মানুহৰ জীৱন।' ডাঃ দাস এজন অতুলনীয় ব্যক্তি আছিল বুলি কোৱাৰ উপৰি দিলীপ চন্দনে কয়, 'তেওঁ সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনত আৰু এজন চিকিৎসকৰূপে সদায় দুখীয়া নিপীড়িত জনতাৰ হকে কাম কৰি গৈছিল। তেওঁ সাধাৰণভাৱে জীৱন-যাপন কৰি ভাল পাইছিল।' অসমৰ চিন্তাবিদ, বুদ্ধিজীৱী বুলি ক'লে তেওঁক সকলোৱে চিনি পায় বুলি বিশিষ্ট সাংবাদিকজনে ভাষণ প্ৰসংগত ব্যক্ত কৰে। সম্পাদকজনে ২৪টা বছৰে ন্যায়ালয় ব্যৱস্থাটোৱে ৰাইজক একো দিব পৰা নাই বুলি মন্তব্য কৰাৰ লগতে অসমৰ সকলো অমানৱীয় ঘটনাক লৈ যিসকলে ন্যায়ালয়ৰ কাষ চাপিছে সকলো লোকক ন্যায় দিব লাগে বুলি প্ৰকাশ কৰে। বিশেষকৈ তেওঁ ডাঃ দাসৰ পৰিয়ালক ন্যায় দিব লাগে বুলি কয়। ডাঃ দাসৰ হত্যাই গোটেই অসমখনৰে ক্ষতি কৰিছে আৰু এই ক্ষতি কল্পনায়েই কৰিব নোৱাৰি বুলিও তেওঁ কয়। বৰমা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° সুনীল চন্দ্ৰ শৰ্মাই সঞ্চালনা কৰা সভাখনত বিএইছবি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° ফণীধৰ তালুকদাৰ, মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ প্ৰাক্তন সচিব প্ৰধান গণেশ গোস্বামী, শিক্ষক তথা সমাজকৰ্মী ৰমেশ চন্দ্ৰ দাস, জ্যেষ্ঠ চিকিৎসক কামেশ্বৰ লহকৰ, অৰুণ দাস, যোগেন হালৈ, প্ৰদীপ দত্তই প্ৰয়াত ডাঃ দাসৰ জীৱন বৃত্তান্ত দোহাৰে। ইয়াৰ পূৰ্বে স্মৃতি তৰ্পণ কৰে বিশিষ্ট কবি মেগন কছাৰীয়ে। সভাত বৰমাৰ দল-সংগঠনকে ধৰি ভালেসংখ্যক লোক উপস্থিত থাকে।

# শ্ৰেণীকোঠাত অশালীন আচৰণ ঃ ৰামানুজ কলেজৰ সাত ছাত্ৰ-ছাত্ৰীক নিলম্বন

বিশেষ সংবাদদাতা

**শিলচৰ, ১১ আগষ্ট ঃ** বৰাক উপত্যকাৰ ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠিত শিক্ষানুষ্ঠান ৰামানুজ গুপ্তা ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ কেইগৰাকীমান ছাত্ৰ-ছাত্ৰীৰ শ্ৰেণীকোঠাৰ ভিতৰতে অশালীন আচৰণৰ কাণ্ড ৰাজহুৱাক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ইয়াৰ মাজতে আজি বিষয়টো পৰীক্ষা কৰি তেনে কাৰ্যত লিপ্ত হোৱা সাতগৰাকী ছাত্ৰ-ছাত্ৰীক আজি শিক্ষানুষ্ঠান কৰ্তৃপক্ষই নিলম্বন কৰে। ছাত্ৰ-ছাত্ৰীকেইগৰাকী হ'ল বিপ্ৰজিত সোম, ধীৰাজ শ্ৰীবাস্তৱ, সুনন্দা ইয়াদাভ, পিয়ালি ভট্টাচাৰ্য, অংকিতা ৰয়, শতাব্দী পাল আৰু কাউচাৰ তাহিৰ বৰলস্কৰ। ছাত্ৰ-ছাত্ৰীকেইগৰাকীৰ আচৰণৰ ভিডিঅ' সামাজিক মাধ্যমত কালি বিয়পি পৰাৰ পাছত ঘটনাটোক লৈ ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। আজি শিক্ষানুষ্ঠানখনৰ অধ্যক্ষ পূৰ্ণদীপ চন্দই কয় যে বিষয়টো দৃষ্টিগোচৰ হোৱাৰ পাছতে তেওঁলোকে ছাত্ৰ-ছাত্ৰীকেইগৰাকীৰ অভিভাৱকক মাতি আনি ঘটনাৰ বিষয়ে অৱগত কৰে। তাৰ পাছত ছাত্ৰ-ছাত্ৰীকেইগৰাকীৰ ভৱিষ্যতৰ শিক্ষাজীৱনৰ প্ৰতি লক্ষ্য ৰাখি নিলম্বনৰ সিদ্ধান্ত লোৱা হয়। ইপিনে, এই ঘটনাক লৈ শিলচৰৰ গুৰুচৰণ কলেজৰ একাংশ ছাত্ৰ-ছাত্ৰীয়ে ৰামানুজ কলেজৰ অধ্যক্ষক এখন অভিযোগ পত্ৰ দাখিল কৰে। তাত উল্লেখ কৰা হয় যে ৰামানুজৰ একাংশ ছাত্ৰ-ছাত্ৰীয়ে গুৰুচৰণ কলেজৰ বিৰুদ্ধে সামাজিক মাধ্যমত যথেষ্ট অশালীন মন্তব্য কৰিছে। গতিকে এই ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

# লক্ষীপুৰত 'হৰ ঘৰ ত্ৰিৰংগা ' অভিযানৰ এক বিশাল সজাগতামূলক পদযাত্ৰা

অগ্ৰদূত বাৰ্তা

**লক্ষীপুৰ, ১১ আগষ্ট :** দেশৰ ৭৫ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে সমগ্ৰ দেশজুৰি চলি থকা আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি চলিছে হৰ ঘৰ ত্ৰিৰংগা অভিযানৰ কাৰ্যসূচী স্বাধীনতাৰ এই অমৃত মহোৎসৱৰ প্ৰাক্কণত হৰ ঘৰ ত্ৰিৰংগা কাৰ্যসূচী সফল ৰূপায়ণৰ উদ্দেশ্যে আজি গোৱালপাৰাৰ লক্ষীপুৰত উলিয়ালে এক বিশাল সজাগতামূলক পদযাত্ৰা । লক্ষীপুৰ পৌৰসভাৰ নেতৃত্বত আৰু স্থানীয় প্ৰশাসনৰ পূৰ্ণ সহযোগত উলিওৱা এই সজাগতামূলক পদযাত্ৰাত কাৰ্যসূচীত ৰাজহ চক্ৰ বিষয়া ৰাজীৱ গগৈ, আৰক্ষী বিষয়া ভীমকান্ত পেগু, পৌৰসভাৰ কাৰ্যবাহী বিষয়া, পৌৰপতি ৰাজেশ প্ৰসাদ গুপ্তা, ৱাৰ্ড আযুক্ত, শিশু উন্নয়ন বিভাগ আৰু আৰক্ষী জোৱানৰ লগতে তিনি সহস্ৰাধিক ৰাইজ অংশ গ্ৰহণ কৰে। অংশগ্ৰহণকাৰীয়ে হাতে-হাতে ৰাষ্ট্ৰীয় পতাকা লৈ নগৰৰ চৌদিশে পৰিভ্ৰমণ কৰে।

# দিপীলাত সংস্কৃত দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**ছিপাঝাৰ, ১১ আগষ্ট ঃ** আজি দিপীলাস্থিত কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন বিশ্ববিদ্যালয়ৰ অধীনস্থ ভাৰতীয় সংস্কৃতি অধ্যয়ন কেন্দ্ৰ আৰু গৱেষণা কেন্দ্ৰ দিপীলাৰ উদ্যোগত বাণীপ্ৰিয়া চতুষ্পাঠীৰ সংস্কৃত দিৱস উদ্‌যাপন কৰে। অনুষ্ঠানত অভিভাষণ কাৰ্যসূচী স্বাধীনতাৰ ৭৫ সংখ্যক বৰ্ষপূৰ্তি উপলক্ষে সংস্কৃত বিভাগৰ অধ্যাপক যুগল কুমাৰ মহন্তই আৰু মংগলাচৰণ কৰে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে। অনুষ্ঠানৰ পাছত বৃক্ষৰোপণ কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য ক্ৰমে শচীন হাজৰিকা, লক্ষেশ্বৰ কলিতা আৰু বিদ্যালয়ৰ হিতাকাংক্ষী পূৰ্ণ ৰাজবংশীয়ে। বিদ্যালয় পৰিচালনা সমিতিৰ উপ-সভাপতি ভূপেন শৰ্মা বৰুৱাই সভাপতিত্ব কৰা সভাখনত বিশিষ্ট অতিথিৰূপে দিপীলা আঞ্চলিক মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ জ্যেষ্ঠ প্ৰৱক্তা অখিল ৰঞ্জন ভট্টই সংস্কৃত দিৱসৰ তাৎপৰ্য সম্পৰ্কে বেদ-উপনিষদৰ তথ্যৰে আৰু ব্যৱহাৰিক সংস্কৃতৰ ওপৰত আলোকপাত কৰি মনোজ্ঞ বক্তৃতা দিয়ে। বিদ্যালয়ৰ ছাত্ৰী ৰীতামণি কলিতাই এটি সংস্কৃত গীত পৰিৱেশন কৰি অনুষ্ঠান আৰু অধিক জীপাল কৰি তোলে। ছাত্ৰ-ছাত্ৰীসকলক দেৱ ভাষা সংস্কৃতৰ গুৰুত্ব আৰু আধুনিক সংস্কৃত চৰ্চা কিদৰে কৰিব পাৰি সেই বিষয়ে বিদ্যালয়ৰ অধ্যাপিকা মনোমতী দেৱীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে। অনুষ্ঠানত নলবাৰী সংস্কৃত বিশ্ববিদ্যালয়ৰ পৰা নতুনকৈ ভাৰতীয় সংস্কৃতিৰ ওপৰত অনুমোদিত পাঠ্যক্ৰম সম্পৰ্কেও ৰাইজক অৱগত কৰে আৰু মেট্ৰিক পাছ কৰা যিকোনো বয়সৰ লোকে বিশ্ববিদ্যালয়ৰ অধীনত এই ডিগ্ৰী-ডিপ্ল'মা পাঠ্যক্ৰম পঢ়িব পাৰি আৰু বৰ্তমানে নামভৰ্তি চলি আছে বুলি প্ৰধান অধ্যাপকে জানিবলৈ দিয়ে। শেষত ৰাষ্ট্ৰীয় সংগীতেৰে অনুষ্ঠানৰ সামৰণি কৰে।

# টিহুত আৰক্ষী আৰু বিভিন্ন বিদ্যালয়ৰ উদ্যোগত জাতীয় পতাকা লৈ প্ৰভাত ফেৰী সম্পন্ন

অগ্ৰদূত বাৰ্তা

**টিহু, ১১ আগষ্ট ঃ** দেশৰ ৭৫ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে টিহু আৰক্ষী থানাৰ আৰক্ষীয়ে আজি টিহু নগৰত এক জনজাগৰণ সমদল উলিয়ায়। এই উপলক্ষে টিহু আৰক্ষীৰ বিভিন্ন বিষয়া, কনিষ্টবল, হোমগাৰ্ড আদিয়ে হাতে হাতে জাতীয় পতাকা লৈ টিহু নগৰ পৰিভ্ৰমণ কৰে। ইফালে, টিহুৰ হাৰিভাঙা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰীসকলে আজি প্ৰভাত ফেৰী কৰা পৰিলক্ষিত হয়। প্ৰভাত ফেৰীত ছাত্ৰ-ছাত্ৰীসকলে ভাৰত মাতা কী জয়, বন্দে মাতৰম ধ্বনি দি হাৰিভাঙা অঞ্চল উত্তাল কৰি তোলে। আনহাতে, বিএমআৰ নবোদয় বিদ্যাপীঠৰ ছাত্ৰ-ছাত্ৰীসকলেও আজি প্ৰভাত ফেৰী উলিয়ায়। ছাত্ৰ-ছাত্ৰীসকলে জয় হিন্দ, বন্দে মাতৰম ধ্বনি দি বৰগাঁও-মথুৰাপুৰ আদি ভ্ৰমণ কৰা সমদলটোত শিক্ষকসকলেও অংশগ্ৰহণ কৰে।

# দিপীলাত সংস্কৃত দিৱস উদ্‌যাপন

*তিনি পৃষ্ঠাৰ পৰা* পৰিচালনা সমিতিৰ সদস্য ক্ৰমে শচীন হাজৰিকা, লক্ষেশ্বৰ কলিতা আৰু বিদ্যালয়ৰ হিতাকাংক্ষী পূৰ্ণ ৰাজবংশীয়ে। বিদ্যালয় পৰিচালনা সমিতিৰ উপ-সভাপতি ভূপেন শৰ্মা বৰুৱাই সভাপতিত্ব কৰা সভাখনত বিশিষ্ট অতিথিৰূপে দিপীলা আঞ্চলিক মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ জ্যেষ্ঠ প্ৰৱক্তা অখিল ৰঞ্জন ভট্টই সংস্কৃত দিৱসৰ তাৎপৰ্য সম্পৰ্কে বেদ-উপনিষদৰ তথ্যৰে আৰু ব্যৱহাৰিক সংস্কৃতৰ ওপৰত আলোকপাত কৰি মনোজ্ঞ বক্তৃতা দিয়ে। বিদ্যালয়ৰ ছাত্ৰী ৰীতামণি কলিতাই এটি সংস্কৃত গীত পৰিৱেশন কৰি অনুষ্ঠান আৰু অধিক জীপাল কৰি তোলে। ছাত্ৰ-ছাত্ৰীসকলক দেৱ ভাষা সংস্কৃতৰ গুৰুত্ব আৰু আধুনিক সংস্কৃত চৰ্চা কিদৰে কৰিব পাৰি সেই বিষয়ে বিদ্যালয়ৰ অধ্যাপিকা মনোমতী দেৱীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে। অনুষ্ঠানত নলবাৰী সংস্কৃত বিশ্ববিদ্যালয়ৰ পৰা নতুনকৈ ভাৰতীয় সংস্কৃতিৰ ওপৰত অনুমোদিত পাঠ্যক্ৰম সম্পৰ্কেও ৰাইজক অৱগত কৰে আৰু মেট্ৰিক পাছ কৰা যিকোনো বয়সৰ লোকে বিশ্ববিদ্যালয়ৰ অধীনত এই ডিগ্ৰী-ডিপ্ল'মা পাঠ্যক্ৰম পঢ়িব পাৰি আৰু বৰ্তমানে নামভৰ্তি চলি আছে বুলি প্ৰধান অধ্যাপকে জানিবলৈ দিয়ে। শেষত ৰাষ্ট্ৰীয় সংগীতেৰে অনুষ্ঠানৰ সামৰণি কৰে।

# ৰাভা হাছং স্বায়ত্তশাসিত

*তিনি পৃষ্ঠাৰ পৰা* অন্তৰ্গত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ মাজত একোটাকৈ ষ্টীল আলমিৰা বিতৰণ কৰা হয়। আজিৰ কাৰ্যসূচীত ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ চাৰু মোহন ৰাভা, ১১ নম্বৰ হাব্ৰাঘাট সমষ্টিৰ মণিটৰিং সমিতিৰ সভাপতি ইউলেন ৰাভা, সাধাৰণ সম্পাদক প্ৰতাপ ৰাভা, বিশিষ্ট অতিথি মহৎ পামৰ লগতে বৰমোহৰা, ভিমাজুলি, জিৰা আৰু ঘোঁৰাপোতা আঞ্চলিক ৰাভা ছাত্ৰ সন্থা, ৰাভা মহিলা পৰিষদ আৰু ষষ্ঠ অনুসূচী দাবী সমিতিৰ সভাপতি-সম্পাদক আৰু ৫০জন ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। আজিৰ অনুষ্ঠানত উপস্থিত থকা ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ চাৰুমোহন ৰাভাই জানিবলৈ দিয়া অনুসৰি, ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদে পৰিষদৰ অন্তৰ্গত যিসকল ছাত্ৰ-ছাত্ৰীয়ে হাইস্কুল শিক্ষান্ত, উচ্চতৰ মাধ্যমিক চূড়ান্ত আৰু স্নাতক চূড়ান্ত পৰীক্ষাত ভাল ফলাফল প্ৰদৰ্শন কৰিবলৈ সক্ষম হ'ব, তেওঁলোকক আৰ্থিক অনুদান আগবঢ়োৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। যাতে উক্ত ছাত্ৰ-ছাত্ৰীসকলে উচ্চ শিক্ষা গ্ৰহণ কৰাত অনুপ্ৰেৰণা লাভ কৰে।

# মাটিয়া ৰাজহ চক্ৰৰ ভূমি কেলেংকাৰি

*তিনি পৃষ্ঠাৰ পৰা* নামৰ মাটি বেআইনীভাৱে দায়িত্বৰত লাট মণ্ডল, ছুপাৰভাইজাৰ কাননগো (এছ কে) আৰু চক্ৰ বিষয়াই অচিনাকি লোকৰ নামত নামজাৰি কৰি দিয়া বুলি অভিযোগ পত্ৰত প্ৰকাশ। এই ক্ষেত্ৰত তদন্তমৰ্মে বেআইনীভাৱে হোৱা নামজাৰি কৰ্তনৰ লগতে দোষী লোকৰ বিৰুদ্ধে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰাৰ বাবে দাবী জনাইছে ভুক্তভোগী জাফুৰ আলীয়ে। উল্লেখ্য যে বসুন্ধৰা আঁচনি চলি থকা সময়ত যোৱা ২৮ মাৰ্চত ২৩৯ নম্বৰ দাগৰ দুবিঘা দুকঠা জমি খঃ দঃ সূত্ৰে জাফুৰ আলীৰ লগত ছামচুল হকৰ পুত্ৰ ছমৰ আলীৰ নামত জিঅ'এ/এমএটি/২০২-২২/৩৬৬৯৩/এফএমইউটি যোগে নামজাৰি কৰাৰ তথ্য পোহৰলৈ আহিছে। ২০১১ৰ ন জুনৰ ৫৮৬/৫০৬ নম্বৰ পঞ্জীয়নভুক্ত ৪৩২০ টকা মূল্যৰ দলিলৰ ভিত্তিত ছমৰ আলীৰ নামত উল্লেখিত দুবিঘা দুকঠা জমি কৰ্তৃপক্ষই নামজাৰি কৰা বুলি জমাবন্দী কপিত উল্লেখ আছে। এতিয়া নিৰপেক্ষ তদন্ত কৰিলে প্ৰকৃত সত্য পোহৰলৈ আহিব বুলি ধাৰণা কৰা হৈছে। উল্লেখ্য যে মাটিয়া ৰাজহ চক্ৰত বিগত সময়ত নামজাৰিৰ নামত সংঘটিত হোৱা কেলেংকাৰিৰ তথ্য সহকাৰে ইতিমধ্যে কে'বাটাও বাতৰি প্ৰকাশ পাইছে। লগতে জিলা উপায়ুক্তক এই সন্দৰ্ভত ভুক্তভোগীসকলৰ লগতে ৰাজহুৱাভাৱেও ইতিমধ্যে একাধিকবাৰ লিখিত অভিযোগ দাখিল কৰা হৈছে যদিও বাস্তৱত কোনো ধৰণৰ সুফল নোপোৱা বুলিও এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে।

# মাধ্যম বিতৰ্ক ঃ ১৮ আগষ্টত দিছপুৰত

*তিনি পৃষ্ঠাৰ পৰা* অহা ১৮ আগষ্টৰ দিনা দিনৰ ১১ বজাত দিছপুৰত শিক্ষামন্ত্ৰীৰ স'তে বৈঠকত বহিবলৈ আমন্ত্ৰণ জনাইছে। জনতা ভৱনৰ এফ ব্লকত থকা বিত্ত বিভাগৰ সভাকক্ষত অনুষ্ঠিত হ'বলগীয়া এই বৈঠকখনতে শিক্ষামন্ত্ৰীয়ে জাতীয় সংগঠনকেইটাৰ নেতৃত্বক চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্তৰ সপক্ষে পতিয়ন নিয়াবলৈ চেষ্টা কৰিব। প্ৰসংগতঃ উল্লেখ্য যে জাতীয় সংগঠনকেইটাৰ নেতৃত্বই এক আগষ্টত গুৱাহাটীত এখন বৈঠকত মিলিত হৈ অসমীয়া মাধ্যম, বড়ো মাধ্যম আৰু মাতৃভাষা মাধ্যমৰ বিদ্যালয় সম্পৰ্কে চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্ত কোনোপধ্যে মানি লোৱা নহ'ব আৰু এনেবোৰ সিদ্ধান্ত পুনৰ বিবেচনা কৰিবলৈ আহ্বান জনাই এক সিদ্ধান্ত গ্ৰহণ কৰিছিল। এই সিদ্ধান্তৰ বিষয়ে অৱগত কৰাই জাতীয় সংগঠনকেইটাই সম্মিলিত ভাৱে যোৱা পাঁচ আগষ্টত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক এখন স্মাৰকপত্ৰ প্ৰদান কৰিছিল। এই স্মাৰকপত্ৰৰ প্ৰতি সঁহাৰি জনাই মুখ্যমন্ত্ৰীয়ে জাতীয় সংগঠনকেইটাৰ দাবীৰ বিষয়ে আলোচনা কৰিবলৈ শিক্ষামন্ত্ৰীক নিৰ্দেশ দিছিল। সেই সূত্ৰে শিক্ষামন্ত্ৰীয়ে মাধ্যম বিতৰ্ক সন্দৰ্ভত জাতীয় সংগঠনকেইটাৰ নেতৃত্বৰে আলোচনাত বহিবলৈ সাজু হৈছে।

# তৃতীয়-চতুৰ্থ বৰ্গৰ পদৰ বাছনি পৰীক্ষাৰ

*তিনি পৃষ্ঠাৰ পৰা* এটা একাউণ্ট নম্বৰ দিয়া হৈছিল। ইতিমধ্যে বহু পৰীক্ষাৰ্থীয়ে নিৰ্দিষ্ট একাউণ্টটোত ধনো জমা দিছে।

চিআইডিৰ তথ্য অনুসৰি হোৱাটছ এপ গোটটোৰ নম্বৰ পৰীক্ষা কৰি ইয়াৰ অন্যতম প্ৰশাসক বৰভূঞাৰ উপস্থিতি বিচাৰি উলিওৱা হয়। সেই অনুসৰি হাইলাকান্দি আৰক্ষীয়ে অনুসন্ধান চলাই বৰভূঞাক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে ধন জমা কৰা পৰীক্ষাৰ্থীসকলকো চিনাক্ত কৰা প্ৰক্ৰিয়া অব্যাহত ৰাখিছে। অনুসন্ধানত পোহৰলৈ আহিছে যে হোৱাটছ এপ গোটটোৰ পৰা ইয়াৰ উদ্দেশ্য সম্পৰ্কীয় বাৰ্তা বহু পৰীক্ষাৰ্থী আৰু অভিভাৱকলৈও প্ৰেৰণ কৰা হৈছে। তাৰে একাংশই নিজেও বক্ৰ পথৰ আশ্ৰয় লৈ নিৰ্দিষ্ট একাউণ্টটোত ধন জমা কৰে। উল্লেখ্য যে প্ৰায় ৪২ লাখ প্ৰাৰ্থীয়ে আবেদন কৰা এই পৰীক্ষা সুকলমে অনুষ্ঠিত কৰিবলৈ কালি মুখ্যমন্ত্ৰীৰ উপস্থিতিত জনতা ভৱনত এখন বিশেষ পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। সেই বৈঠকত উক্ত ব'ৰ্ডখনৰ প্ৰসংগ আৰক্ষীয়ে উত্থাপন কৰে। তাৰ পাছতে আজি সংশ্লিষ্ট লোকজনক গ্ৰেপ্তাৰ কৰা হয়। এই সন্দৰ্ভত ১২/২০২০ নম্বৰত এটি গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে। চিআইডিয়ে ৰাইজক এনে ধৰণৰ প্ৰলোভনত ভোল নাযাবলৈ আহ্বান জনাই সেই সন্দৰ্ভত কোনো খবৰ লাভ কৰিলে ০৩৬১২৫২৯১৮২ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে। উল্লেখ্য যে ২৪ আগষ্টত ২৪ খন জিলাত চতুৰ্থ বৰ্গৰ আৰু ২৮ আগষ্টত ২৫ খন জিলাত তৃতীয় বৰ্গৰ পদসমূহৰ পৰীক্ষা অনুষ্ঠিত হ'ব।

# সামান্য মজুৰি বৃদ্ধিৰে কংগ্ৰেছৰ দৰে

*তিনি পৃষ্ঠাৰ পৰা* চৰকাৰখনেও চাহ শ্ৰমিকসকলক বাৰম্বাৰ প্ৰতাৰণা কৰি আহিছে। বৰ্তমান নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ দাম আকাশলংঘী হোৱাৰ সময়তো মাথোঁ ২৭ টকা দৈনিক মজুৰি বৃদ্ধি কৰাটোৱে শ্ৰমিকসকলক কেৱল প্ৰতাৰণা কৰাই নহয়, কথা হৈছে পতান দিয়াৰ লেখীয়া হৈছে। ৰাজ্যত চাহ উদ্যোগ জীয়াই ৰখাৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰি অহা চাহ শ্ৰমিকসকলৰ সামান্য মজুৰি বৃদ্ধিৰ বিষয়টো কোনো কাৰণতে গ্ৰহণযোগ্য হ'ব নোৱাৰে বুলি ক্ষোভ প্ৰকাশ কৰি মজদুৰ সংঘৰ সভাপতিজনে কয় যে নিৰ্বাচনৰ সময়ত চাহ শ্ৰমিকৰ দৈনিক মজুৰি পৰ্যাপ্ত হাৰত বৃদ্ধি কৰাৰ প্ৰতিশ্ৰুতি দিয়া ৰাজ্য চৰকাৰে এতিয়া মাথোঁ ২৭ টকাকে মজুৰি বৃদ্ধিৰে চাহ শ্ৰমিকসকলক আকৌ প্ৰতাৰণা কৰিলে। অখিল ভাৰতীয় চাহ মজদুৰ সংঘে চাহ শ্ৰমিক বিৰোধী এই সিদ্ধান্তক তীব্ৰ বিৰোধিতা কৰি আইনগতভাৱে উচিত মজুৰি নিৰ্ধাৰণ কৰিবলৈ আজি দাবী উত্থাপন কৰিছে। তেওঁ কয় যে অখিল ভাৰতীয় চাহ মজদুৰ সংঘ চাহ শ্ৰমিকৰ মজুৰি নিৰ্ধাৰণ সমিতিৰ এক অন্যতম সদস্য সংগঠন; কিন্তু ১০ আগষ্টত অনুষ্ঠিত মজুৰি নিৰ্ধাৰণ সমিতিৰ সভালৈ অখিল ভাৰতীয় চাহ মজদুৰ সংঘক আমন্ত্ৰণ নজনালে বুলি ক্ষোভ উজাৰি তেওঁ কয় যে আসাম চাহ মজদুৰ সংঘ নামৰ সংগঠনটোক এই চৰকাৰে মাতিছিল যদিও এই সংগঠনটোৱে কেৱল চাহ বাগিচা মালিকৰ স্বাৰ্থতহে কাম কৰি আহিছে। তেওঁ স্পষ্ট কৰি দিয়ে যে চাহ শ্ৰমিকৰ মজুৰি বৃদ্ধিৰ দাবীত অখিল ভাৰতীয় চাহ মজদুৰ সংঘই অনাগত দিনত বৃহৎ আন্দোলনৰ কাৰ্যসূচী ৰূপায়ণ কৰিব।

# স্বাস্থ্যখণ্ডত নতুনকৈ সংযোজিত ১৫০খন

*তিনি পৃষ্ঠাৰ পৰা* কেন্দ্ৰীয় চৰকাৰে আয়ুষ্মান ভাৰত আঁচনিৰ অধীনত সুবিধা প্ৰদান কৰিব আৰু বাকী থকা অৰ্থাৎ আয়ুষ্মান ভাৰতৰ আওতাত নপৰা পৰিয়ালসমূহক যাতে আয়ুষ্মান অসমৰ জৰিয়তে সুবিধা প্ৰদান কৰিব পাৰি তাৰ চিন্তা-চৰ্চা কৰা হৈছে।' উল্লেখ্য যে 'আয়ুষ্মান অসম'ৰ জৰিয়তে প্ৰায় ৩২ লাখ পৰিয়াল অন্তৰ্ভুক্ত হোৱাৰ সম্ভাৱনা ব্যক্ত কৰি ইয়াৰ বাবদ বছৰি প্ৰায় ১৫ শ কোটি টকা প্ৰয়োজন হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। লগতে তেওঁ সাৰ্বজনীন স্বাস্থ্য বীমা অসমবাসীয়ে লাভ কৰিব লাগিব বুলি মন্তব্য কৰি এই আঁচনিত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনিৰ ৰেছন কাৰ্ড নথকা লোক, জ্যেষ্ঠ নাগৰিক, সাংবাদিক, অনাথ আশ্ৰম, বৃদ্ধাশ্ৰমৰ আৱাসীয়ে বিশেষ অগ্ৰাধিকাৰ লাভ কৰিব বুলি কয়।

ইফালে, ১০৮ মৃত্যুঞ্জয় সেৱাত নতুনকৈ সংযোজিত ১৫০খন এম্বুলেন্সৰ প্ৰথম পৰ্যায়ত ১৭ খন জিলালৈ ৮৩খন এম্বুলেন্স ফ্লেগ অফ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই আগন্তুক দুটা পৰ্যায়ত পুনৰ ৭৫ খনকৈ নতুন এম্বুলেন্স মৃত্যুঞ্জয় সেৱাত সংযুক্ত হ'ব বুলি কয়। তেওঁ স্বাস্থ্যমন্ত্ৰী হৈ থকা অৱস্থাতে অৰ্থাৎ ২০০৮ৰ ছয় নৱেম্বৰৰ পৰা ৰাজ্যত প্ৰৱৰ্তন হোৱা এই এম্বুলেন্স সেৱাৰ জৰিয়তে বৰ্তমানলৈকে এক লাখ ৮৬ হেজাৰ লোকৰ প্ৰাণ ৰক্ষাৰ ক্ষেত্ৰত সহায়ক হৈছে বুলি মুখ্যমন্ত্ৰীয়ে তথ্য সদৰী কৰি কয়, 'ৰাজ্যত সম্প্ৰতি ৭৭৯ খন বিএলএছ এম্বুলেন্স, ১৪ খন এএলএছ এম্বুলেন্স, সাতখন নৌকা এম্বুলেন্সসহ মুঠ আঠশ খন এম্বুলেন্স কাৰ্যক্ষম হৈ আছে। ১৪ বছৰত ১০৮ সেৱাই অৰ্থাৎ জিভিকেৰ দ্বাৰা কাৰ্যকৰী জৰুৰীকালীন সঁহাৰি কেন্দ্ৰই তিনি কোটি ৯১ লাখ ফোনকল গ্ৰহণ কৰিছে। ইয়াৰ উপৰি এই সময়ছোৱাত ১০৮ৰ জৰিয়তে ৰাজ্যৰ ১৯ লাখ গৰ্ভৱতী মহিলাই জৰুৰীকালীন সেৱা লাভ কৰিছে।' উল্লেখ্য যে এই সেৱা সুকলমে পৰিচালিত হৈ থাকিবলৈ প্ৰত্যেক এবছৰ বা দুবছৰৰ মূৰে মূৰে এশ-দুশ এম্বুলেন্স সলনি কৰাৰ প্ৰয়োজন আছিল যদিও বিগত সময়ছোৱাত এয়া হোৱা নাছিল বুলি মুখ্যমন্ত্ৰীয়ে সদৰী কৰি সম্প্ৰতি ১৫০ খন এম্বুলেন্স ৰিপ্লেছ হোৱাৰ পাছতে পৰৱৰ্তী দুবছৰত ৭৫ খনকৈ অৰ্থাৎ মুঠ তিনিশখন ১০৮ এম্বুলেন্স সলনি কৰা হ'ব বুলি কয়। লগতে তেওঁ সলনি হোৱা অৰ্থাৎ পুৰণি এম্বুলেন্সসমূহ স্ক্ৰেপ্‌ত প্ৰদান কৰাতকৈ স্থানীয়ভাৱে ৰাজহুৱা লক্ষ্যৰে ইচ্ছুক এনজিঅ' নাইবা ব্যক্তিয়ে ব্যৱহাৰ কৰিবলৈ বিচাৰিলে চৰ্ত সাপেক্ষে বিনামূলীয়াকৈ প্ৰদান কৰাৰ এক ব্যৱস্থা কৰিবলৈ স্বাস্থ্য বিভাগক নিৰ্দেশ প্ৰদান কৰে। আজিৰ এই অনুষ্ঠানত স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্ত, স্বাস্থ্য বিভাগৰ যুটীয়া সচিব অবিনাশ যোশী, ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনৰ সঞ্চালক ডাঃ এম এছ লক্ষ্মীপ্ৰিয়া আদি উপস্থিত থাকে। উল্লেখ্য যে স্বাস্থ্য বিভাগে টাটাৰ পৰা ক্ৰয় কৰা ১৫০ খন এম্বুলেন্সৰ ভিতৰত আজি মুখ্যমন্ত্ৰীয়ে ৮৩ খন ফ্লেগ অফ কৰাৰ পাছত ইয়াৰে ১৪ খন নগাঁও, ১০ খন কামৰূপ গ্ৰাম্য, দৰং-মাজুলীলৈ ছখনকৈ, বৰপেটা-ধুবুৰী-গোলাঘাট আৰু নলবাৰীত পাঁচখনকৈ, বাগ্‌সা-কামৰূপ মহানগৰত চাৰিখনকৈ, বঙাইগাঁও-চিৰাং-কোকৰাঝাৰ-শোণিতপুৰ-ওদালগুৰিত তিনিখনকৈ, গোৱালপাৰা-কাৰ্বি আংলং জিলালৈ দুখনকৈ প্ৰেৰণ কৰা হয়।

**দুৰ্গা পূজাৰ পাছতে ৰাজ্যত পুনৰ পাঁচখন চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণৰ কাম আৰম্ভ হ'ব**


আগন্তুক দুৰ্গা পূজাৰ পাছতে ৰাজ্যত পুনৰ পাঁচখনকৈ চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ কাম আৰম্ভ হ'ব। ইতিমধ্যে ইয়াৰ নিবিদা কাম সম্পূৰ্ণ হৈছে আৰু তামুলপুৰ, গোলাঘাট, বঙাইগাঁও, মৰিগাঁও, ধেমাজিৰ চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণৰ কাম আৰম্ভ হ'ব বুলি মুখ্যমন্ত্ৰীয়ে সদৰী কৰি কয়, 'ধুবুৰী চিকিৎসা মহাবিদ্যালয়ে স্বীকৃতি লাভ কৰাৰ পাছতে অসমত স্বীকৃতিপ্ৰাপ্ত চিকিৎসা মহাবিদ্যালয়ৰ সংখ্যা নখনলৈ বৃদ্ধি পালে। অহা বছৰ কোকৰাঝাৰ নাইবা নলবাৰী চিকিৎসা মহাবিদ্যালয় আৰম্ভ কৰিম। ২০২৫ত কালাপাহাৰ আৰু এমএমচিক সংযুক্ত কৰি গুৱাহাটীৰ দ্বিতীয়খন চিকিৎসা মহাবিদ্যালয়ৰ কাম আৰম্ভ হ'ব। সমান্তৰালভাৱে নগাঁও আৰু তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়খন আমি আৰম্ভ কৰিম। ২০২৬ত চৰাইদেউ আৰু বিশ্বনাথৰ চিকিৎসা মহাবিদ্যালয় আৰম্ভ কৰিম। গোৱালপাৰা আৰু কৰিমগঞ্জতো আৰু দুখন চিকিৎসা মহাবিদ্যালয় স্থাপন হ'ব। অৰ্থাৎ ২০৩০ৰ ভিতৰত বছৰি দুহেজাৰ চিকিৎসক অসমৰ পৰা সৃষ্টি কৰা আমাৰ পৰিকল্পনা আছে। সেই লক্ষ্য আগত ৰাখি ২৪ খন চিকিৎসা মহাবিদ্যালয় সম্পূৰ্ণ হ'লেই সেই লক্ষ্যত উপনীত হোৱাৰ দিশত আমি ধাৱমান হৈছো।'

# গণতান্ত্ৰিক প্ৰমূল্যৰ প্ৰতি ভাবুকি আহিছে

*তিনি পৃষ্ঠাৰ পৰা* অভিযোগ তুলি লগতে আৰু কয়, 'চৰকাৰখনে নিৰ্বাচনৰ আগেয়ে দিয়া প্ৰতিশ্ৰুতি পালন কৰা নাই। চাহ শ্ৰমিকৰ মজুৰি ৩৫৪ টকালৈ বৃদ্ধি কৰাৰ প্ৰতিশ্ৰুতি দিও ৰক্ষা নকৰিলে। নিবনুৱাসকলে বহু আশা কৰিছিল যদিও চৰকাৰে প্ৰতিশ্ৰুতি পালন নকৰাত তেওঁলোক হতাশ হৈছে। কৃষকৰ বাবে যিবোৰ পুঁজি আহিছিল সেই টকা লুণ্ঠন হ'ল। চৰকাৰখনে আঁচনিসমূহৰ বাস্তৱিক ৰূপায়ণ আৰু প্ৰতিশ্ৰুতি পালনত চূড়ান্ত ব্যৰ্থ হৈছে।' তেওঁ কয়, 'চৰকাৰৰ হাতত সময় বহুত আছে। বাকী থকা সময়ত যদি প্ৰতিশ্ৰুতিসমূহ পালন কৰে ৰাইজ উপকৃত হ'ব।' বিজেপি আৰু এআইইউডিএফৰ মাজত গোপন মিত্ৰতা থকা বুলি মন্তব্য কৰি বৰাই কয়, 'মুখ্যমন্ত্ৰীৰ কথা মতেই এআইইউডিএফে কাম কৰে। ইয়াৰ প্ৰতিফলন ইতিমধ্যে ঘটিছে। মুখ্যমন্ত্ৰীয়ে যি শ্ৰুতলিপি দিয়ে ইউডিএফে তাকেই কয়।'

আগন্তুক পঞ্চায়ত নিৰ্বাচনত ৰাজ্যখনত কংগ্ৰেছ দলে এককভাৱে অৱতীৰ্ণ হোৱাৰ কথাও সদৰী কৰি বৰাই কয় যে দলৰ ৰাজনৈতিক পৰিক্ৰমা বিভাগৰ সভাতেই এই কথা চূড়ান্ত কৰা হ'ব। সংবাদমেলত বিৰোধী দলৰ উপ-দলপতি তথা জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰকিবুল হুছেইনে নাম নোলোৱাকৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক কটাক্ষ কৰি কয়, 'এতিয়া বিজেপিয়ে কৈছে নীতিশ কুমাৰে বিশ্বাসঘাতকতা কৰা বুলি। আমাৰ সেইজনে কি কৰিছিল? তেওঁ যে তৰুণ গগৈক ঠগালে সেইটোক কি বুলি ক'ব। এইবোৰৰ বিচাৰ ৰাইজে ২০২৪ত কৰিব।' তেওঁ কয়, 'ৰাইজে যোৱা বিজেপি চৰকাৰখনক ভাল পাইছিল। অসমৰ ৰাইজে এজন জনজাতীয় লোকৰ মুখ চাইহে বিজেপিক ভোট দিছিল। সেই মুখখন চল-চাতুৰীৰে নাইকিয়া কৰি বেলেগ এজন মানুহ মুখ্যমন্ত্ৰী হ'ল। এই কথাত ৰাইজ উমি উমি জ্বলি আছে। নীতিশ কুমাৰৰ পাছত আমাৰ কুমাৰৰ দিন হৈছে বুলি অনুমান হয়।' কংগ্ৰেছ অধ্যক্ষা ছোনিয়া গান্ধী আৰু ৰাহুল গান্ধীক ইডিএ জেৰা কৰা কাৰ্যকো হুছেইনে সমালোচনা কৰি কয়, 'সাধাৰণ মানুহ এই কাৰ্যত ক্ষুণ্ণ হৈছে।' অত্যধিক কৰ আৰোপ কৰি চৰকাৰে সাধাৰণ ৰাইজক ডিঙি চেপা দিছে বুলি মন্তব্য কৰি বিধায়ক হুছেইনে কয়, 'চৰকাৰে অত্যধিক কৰ লৈ ৰাইজক টেটু চেপা দিছে।' আগন্তুক পঞ্চায়ত নিৰ্বাচনত বিজেপিয়ে দলীয় টিকটবিহীনভাৱেই প্ৰাৰ্থী থিয় কৰাব বুলি তেওঁৰ হাতত খবৰ থকা বুলি সদৰী কৰি হুছেইনে কয়, 'বিজেপিয়ে ৰাইজক নিৰ্বাচনৰ পূৰ্বে দিয়া প্ৰতিশ্ৰুতি ৰক্ষা কৰিব পৰা নাই । সেই কথা ৰাইজে মৰ্মে মৰ্মে উপলব্ধি কৰিছে। সেই আশংকাতে বিজেপিয়ে পঞ্চায়ত নিৰ্বাচন দলীয় ভিত্তিত খেলাৰ পোষকতা কৰা নাই। আমাৰ হাতত ইয়াৰ তথ্য আছে। তেনেকুৱা খবৰ এটা আমি পাইছো। দলীয় টিকট বিহীনভাৱে নিৰ্বাচন অনুষ্ঠিত কৰি পাছত কিনা-বেচা কৰিব।' সংবাদমেলত ৰূপহীহাট সমষ্টিৰ বিধায়ক নুৰুল হুদা, নগাঁও জিলা কংগ্ৰেছৰ সভাপতি সুৰেশ বৰাও উপস্থিত থাকে।

# মৌনতা, নিদ্ৰাজয় আৰু স্বপ্নজয়



**মূল ঃ আচাৰ্য বিনোৱা ভাৱে**
**অনুবাদ ঃ ভাৰ্গৱ কলিতা**

**দৰাচলতে** মোৰ মৌনতাৰ অভ্যাস বহু পুৰণি। চিন্তনৰ বাবে মোৰ মন যাতে সম্পূৰ্ণৰূপে মুক্ত হৈ থাকে, এয়াই আৰম্ভণিতে মোৰ মৌনসাধনাৰ অভিপ্ৰেত আছিল। মোৰ যিমানদূৰ মনত আছে, ১৯২৭ত মই মৌনব্ৰত গ্ৰহণ কৰিছিলো; কিন্তু মোৰ এই মৌনতা অভিপ্ৰায়যুক্ত মৌনতা আছিল। প্ৰথমতে মই দুমাহৰ কাৰণে থিৰাং কৰিছিলো যে ৰাতিৰ প্ৰাৰ্থনাৰ পাছত মই মৌনতা অৱলম্বন কৰিম। কিন্তু এই অৱধি শেষ হোৱাৰ পিছত চিৰদিনৰ বাবে উক্ত নিয়ম অটুট ৰাখিবলৈ সংকল্পবদ্ধ হ'লো। তথাপি এই নিয়ম মাথোঁ আশ্ৰমতে সীমাবদ্ধ আছিল। বাহিৰত এই নিয়ম নাছিল। বাহিৰলৈ গ'লে মৌন ব্ৰতৰ আগ্ৰহ মোৰ নাছিল। যেতিয়া মই ধুলিয়া জেলত আছিলো তেতিয়া বহু চিন্তন মন্থন কৰিলো আৰু ঠিক কৰিলো যে আশ্ৰম বা আশ্ৰমৰ বাহিৰত য'তেই নাথাকো কিয়, সন্ধিয়াৰ প্ৰাৰ্থনাৰ পাছত সদায় মৌন ব্ৰত ৰখা উচিত। যেতিয়া এই সিদ্ধান্ত গ্ৰহণ কৰিলো তেতিয়া মোৰ মনত বিবিধ কথাই হেন্দোলনি তুলিলে। সেৱা আৰু সভাৰ ভাৱনা আহিল। ৱাৰ্ধাত সদায় নিশা ন বজাত সভা আৰম্ভ হৈছিল আৰু ১২ বজা পৰ্যন্ত চলিছিল। এই সভাসমূহলৈ মই যাবলগীয়া হৈছিল। তথাপি মই মোৰ সিদ্ধান্তত অটল যে থাকিলো আৰু ঘোষণা কৰিলো সন্ধিয়া প্ৰাৰ্থনাৰ পিছত মই মৌন ব্ৰত ৰাখিম।

মোৰ মৌনব্ৰত আদৰ্শৰ নেপথ্যত কোনো স্থূল কাৰণ নাছিল। ইয়াৰ মুখ্য কাৰণ আছিল গীতাৰ অষ্টম অধ্যায়। গীতাৰ অষ্টম অধ্যায়ত জীৱনৰ অন্তিম সময়ত ভগৱান স্মৰণৰ মহত্ত্ব বৰ্ণনা কৰা হৈছে। জীৱনৰ অন্তিম সময়ত ভগৱৎ স্মৰণ তেতিয়াহে হ'ব, যেতিয়া আমি জীৱনভৰ তেৱাঁৰ নাম স্মৰণ কৰিম। কিয়নো অন্তিম স্মৰণ হৈছে সমগ্ৰ জীৱনৰ পৰিণাম স্বৰূপ। মোৰ অনুভৱ হ'ল যে অন্তিম সময়ৰ নাটক প্ৰত্যেকদিনাই হ'ব লাগে। অন্তিম সময় কেতিয়া আহিব, কেনেকৈ আহিব তাৰ উমান আমি আগতীয়াকৈ নাপাওঁ, কিন্তু সূক্ষ্ম অন্তৰ্দৃষ্টিৰে হৃদয়ংগম কৰিলে বোধ হয় যে প্ৰতিদিন আমাৰ জীৱনৰ অন্ত হয়।

বাস্তৱিকতে নিদ্ৰাক মৰণৰ পূৰ্ব-প্ৰক্ৰিয়া বুলিব পাৰি, যিটো নেকি নিত্য নৈমিত্ৰিক অনুভূতি। সেয়েহে যদি আমি দৈনিক নিদ্ৰাৰত হোৱাৰ পূৰ্বে অন্তিম সময়ৰ নাটক কৰো, তেনেহ'লে অন্তিম সময়ৰ খেলখনত নিশ্চয়কৈ আমি বিজয়ী হ'ম। 'সদায় মৰণ আহে' এই কথা মানি পবিত্ৰ স্মৰণেৰে শুব লাগে। এই কথাই মই ভাবিলো।

মৌনতাৰ প্ৰথম দিনাই মই প্ৰশান্তি অনুভৱ কৰিলো। গ্ৰন্থ পঠন মোৰ পাৰমাৰ্থিকেই হৈছিল। পঠনৰ বাদে কেৱল ধ্যান আৰু চিন্তন কৰিছিলো। ইয়াৰ পৰা কিমান শান্তি লভিব পাৰি, এই সম্পৰ্কে মোৰ পূৰ্বানুমান নাছিল। সঁচাই এক অদ্ভুত অনুভৱ। পৰিণামস্বৰূপে বিচাৰ-চিন্তনৰ বিকাশৰ এটি শস্ত্ৰ মোৰ হাতত পৰিল। যেনেদৰে খেতি পথাৰত বীজ ৰোপন কৰি তাৰ ওপৰত মাটি জাপি দিলে বীজ দেখা নাপায়, কিন্তু ভিতৰে ভিতৰে বীজ বিকশিত হয় আৰু তিনি চাৰিদিনৰ মূৰত দৃশ্যমান হয়, যেতিয়া অংকুৰোৎপত্তি হয়। ঠিক সেইদৰে প্ৰাৰ্থনা, ধ্যান, চিন্তন কৰা মনুষ্যক যেতিয়া নিদ্ৰাৰূপী মাটিৰে আচ্ছাদিত কৰা হয়, তেতিয়া কেতিয়াবা কেতিয়াবা জাগ্ৰত অৱস্থাত যিবিলাক সমস্যাৰ সমাধান লাভ কৰিব নোৱাৰি, সেইবিলাক সমস্যাৰ সমাধান নিদ্ৰাৰ জৰিয়তে লাভ কৰিব পাৰি। সমাধিত গভীৰভাৱে চিত্ত নিৱেশ কৰিলে বিচাৰ চিন্তন বিকশিত হয়, আশ্চৰ্যজনকভাৱে গভীৰ চিত্ত নিৱেশ কৰাৰ পাছতো নোপোৱা ফল নিদ্ৰাই প্ৰদান কৰে। মোৰ অনুভৱে কয় যে এইদৰে প্ৰাৰ্থনাৰ পাছত আন কোনো চিন্তা মনলৈ ননাকৈ শুলে মৌনতা, ধ্যান, আধ্যাত্মিক চিন্তন— এই সকলোবোৰ যোগ্যতা এই নিদ্ৰাতেই হয়। শংকৰাচাৰ্যই কৈছিল— 'নিদ্ৰা সমাধি স্থিতিঃ'। এইদৰে মোৰ মৌনতাৰ অনুভৱ উত্তৰোত্তৰ সুদৃঢ় হ'বলৈ ধৰিলে।

নিদ্ৰাজয় আৰু সপোনৰ ওপৰত নিয়ন্ত্ৰণ, এয়া মোৰ নিজৰ বিশেষ বিষয়। আমি দিনভৰ যিয়েই নকৰো কিয়, সেইবোৰ এনেকুৱা ধৰণেৰে কৰিব লাগে নিদ্ৰাত যাতে ইয়াৰ প্ৰভাৱ নপৰে আৰু সপোন দেখাৰ যাতে ই কাৰণ হৈ নপৰে। যিটো বিষয়ৰ সপোন আমি দেখো, হয় আমাৰ সেই বিষয়ত আসক্তি আছে নহ'লে আছে ঘৃণা, ৰাগ আৰু দ্বেষ। এই দুটাৰ কাৰণে সপোনত জাগ্ৰত অৱস্থাৰ প্ৰভাৱ পৰে।

বাল্যকালৰ কথা। মোৰ পিতৃৰ এজন বন্ধু আছিল। তেওঁ উত্তম দবা খেলিছিল। মোক সদায় দবা খেলিবলৈ মাতিছিল। মই গৈছিলো। খেলবিধৰ প্ৰতি মোৰ আগ্ৰহ আছিল। কিয়নো এই খেলত ভাগ্যৰ কোনো প্ৰশ্নই নাই আৰু দুয়োটা পক্ষৰে সমান বল থাকে। আৰু এটা কাৰণ আছে—

'শতৰঞ্জ কো সাজ কাঠ কো সবৈ সমাজ।' সকলোবোৰ কাঠৰেই হয়। তাত মিথ্যাত্ব আছে, অদ্বৈত আৰু বুদ্ধিৰ খেল, ভাগ্যৰ নহয়। মই খেলিবলৈ গৈছিলো। কিন্তু এদিনাখন ৰাতি সপোন দেখিলো, সপোনত দবা খেলিলো। পিছদিনা শোৱাপাটী এৰিয়েই সিদ্ধান্ত ল'লো এতিয়াৰ পৰা আৰু দবা নেখেলো। যিটো বস্তুৱে চিত্তৰ ওপৰত সপোনত অহাকৈ ইমান প্ৰভাৱ পেলায়, এই বস্তুৰ স'তে সম্পৰ্ক ছেদ কৰাই শ্ৰেয়।

ময়ো সপোনত ভগৱানৰ পৰা বাৰ্তা লাভ কৰো; কিন্তু মই সপোন দেখাটো ভুল বুলি ভাবো। সেয়েহে মই সপোনৰ কথা কেতিয়াও নাভাবো। জাগ্ৰত অৱস্থাতকৈ স্বপ্ন-সৃষ্টিত বেছি আউল আছে। সেয়েহে এই বিষয়ত ধ্যান দিব নালাগে।

মই ভগৱানক কও— তুমি যেতিয়া কিবা বাৰ্তা দিব খোজা, তেনেহ'লে মনে মনে কিয় দিয়া, জাগ্ৰত অৱস্থাত দিয়া।

*ফোন ঃ ৯৯৫৪৮ ১০৫২৯*

# আমাৰ শিক্ষা ব্যৱস্থাৰেই সৃষ্টি গুৰুপ্ৰসাদ



**ধ্ৰুৱজ্যোতি কলিতা**

**আমি** প্ৰতিগৰাকী শান্তিপ্ৰিয় আৰু সততাৰ ওপৰত বিশ্বাস থকা নাগৰিকে এই দুৰ্নীতি নিবাৰণৰ ক্ষেত্ৰত চৰকাৰ আৰু আৰক্ষী বিভাগ তথা ন্যায়ালয়ৰ সপক্ষে থকা উচিত। অৱশ্যে দুৰ্নীতি প্ৰতিৰোধৰ দায়িত্ব অকল চৰকাৰ, আৰক্ষী বিভাগ বা ন্যায় ব্যৱস্থাৰ ওপৰতেই জাপি দিয়া উচিত নহয়। সমাজৰ দায়িত্বশীল নাগৰিক হিচাপে আমি প্ৰতিগৰাকী সচেতন নাগৰিকে দুৰ্নীতিৰ উৎপত্তি আৰু প্ৰসাৰৰ কাৰকবোৰ সামাজিক-মনস্তাত্ত্বিক দিশৰ পৰাও বিশ্লেষণ কৰা উচিত। অন্যথা দুৰ্নীতি নতুন নতুন ৰূপত অব্যাহত থাকিব।

ওপৰৰ কথাখিনি মনলৈ আহিছে আজি কিছুদিন আগতে ভট্টদেৱ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° গুৰুপ্ৰসাদ খাটনিয়াৰে ভেটী লোৱাৰ অভিযোগত দুৰ্নীতি নিবাৰণ অভিযানকাৰী দলৰ হাতত হাতে-লোটে ধৰা পৰাৰ বাতৰিটো পঢ়ি। সহপাঠী হিচাপে খাটনিয়াৰক মই বহুদিনৰ পৰা জানো।

আমি দুয়োৰে ঘৰ পাটাছাৰকুছি বিধানসভা সমষ্টিৰ অন্তৰ্গত। গুৰুপ্ৰসাদ খাটনিয়াৰৰ জন্ম গাঁওখন যিটো অঞ্চলত অৱস্থিত, সেইখিনি অঞ্চলক (বজালী) আমি সৰুৰে পৰাই অকল শিক্ষাৰ দিশৰ পৰাই নহয়, সাংস্কৃতিকভাৱেও সমৃদ্ধিশালী বুলি জ্ঞান কৰি আহিছো। খাটনিয়াৰৰ পিতৃ-মাতৃ সাত্বিক চিন্তাধাৰাৰ আছিল। সি স্কুলীয়া শিক্ষা গ্ৰহণ কৰিছিল এখন আধ্যাত্মিক আদৰ্শৰে পৰিচালিত বিদ্যালয়ত, যিখনৰ শিক্ষা ব্যৱস্থাত প্ৰতিগৰাকী শিক্ষাৰ্থীয়ে খেতিপথাৰত শাৰীৰিক শ্ৰম দান কৰাটো এটা নিয়মীয়া কাৰ্যসূচী। কলেজীয়া শিক্ষাও গ্ৰহণ কৰিছিল এখন ঐতিহ্যমণ্ডিত আগশাৰীৰ মহাবিদ্যালয়ত।

ঐতিহাসিকভাৱে কোনো ধৰণৰ দাগী অপৰাধ প্ৰৱণতাৰ ছাপ নথকা এখন সমাজ, নৈতিক দিশৰ পৰা শক্তিশালী পিতৃ-মাতৃ, শিক্ষা-সাংস্কৃতিক দিশৰ পৰা আগবঢ়া বুলি গণ্য কৰা এটা অঞ্চলত জন্ম গ্ৰহণ কৰা, আধ্যাত্মিক চিন্তাচৰ্চাৰে পৰিচালিত এখন বিদ্যালয়ত স্কুলীয়া শিক্ষা গ্ৰহণ কৰা, বৌদ্ধিক দিশৰ পৰা সমৃদ্ধিশালী এখন মহাবিদ্যালয়ত কলেজীয়া শিক্ষা গ্ৰহণ কৰা আৰু সংৰক্ষিত আসনৰ বিপৰীতে কেৱল নিজৰ মেধাৰ বলতেই ড° গুৰুপ্ৰসাদ খাটনিয়াৰে শৈক্ষিক জীৱনত উৎকৰ্ষ লাভ কৰিছে। আমি জনাত ভট্টদেৱ বিশ্ববিদ্যালয়ৰ পঞ্জীয়কৰ পদতো হেনো নিজৰ মেধাৰ বলতেই বহিবলৈ পাইছিল। তেনে এগৰাকী ব্যক্তি কিহৰ বাবে শৈক্ষিক প্ৰতিষ্ঠানৰ উচ্চ আসনত বহি নিজ হাতে উপঢৌকন গ্ৰহণ কৰিবলগীয়া হ'ল?

আমি সমাজখনে কেৱল অপৰাধীক কৰায়ত্ব কৰা, গ্ৰেপ্তাৰ কৰা বা জেল-জৰিমনা কৰাৰ বাবেই আনন্দ প্ৰকাশ কৰা বা অপৰাধীক গৰিহণা দিয়াতেই সকলো শেষ বুলি ভবা অনুচিত। অপৰাধীৰ বিৰুদ্ধে গোচৰ দিয়াসকলকো সম্বৰ্ধনা জ্ঞাপন কৰা উচিত। তদুপৰি আমি সকলোৱে এইটো মনত ৰখা উচিত যে যদিহে দুৰ্নীতিৰ আঁৰৰ কাৰকবোৰ নিৰ্মূল কৰিব নোৱাৰো, তেনেহ'লে কেৱল আৰক্ষী বিভাগ আৰু আদালতৰ ওপৰত সকলোখিনি এৰি দিলেই দুৰ্নীতিৰ বিনাশ হোৱাৰ আশা কৰিব নোৱাৰো। অপৰাধে নতুন নতুন পথ নিতৌ উলিয়াই আগবাঢ়ি যাব। সেয়েহে আমি সামাজিকভাৱেও কথাবোৰ বিশ্লেষণ কৰি চোৱাৰ সময় হৈছে।

আমাৰ সমাজখনত প্ৰতিদিনে ধৰ্মীয় আৰু আধ্যাত্মিক কৰ্ম-কাণ্ড চৰ্চাৰ নতুন নতুন কেন্দ্ৰ গঢ়ি উঠিবলৈ ধৰিছে। তাৰ উপৰি সমাজৰ মংগলৰ লগতে বিশ্ব শান্তি কামনাৰে নানা ধৰণৰ যাগ-যজ্ঞ, উৎসৱ-পাৰ্বন পালনৰ পৰিসৰ বৃদ্ধি পাই আহিছে। এনে অৱস্থাত নিজৰ মেধা আৰু সাধনাৰে সংগ্ৰাম কৰি উচ্চ শিক্ষাৰে সমৃদ্ধিশালী হোৱা একোটি মানৱ সম্পদক যদি অপৰাধমুক্ত জীৱন যাপনৰ বাবে শক্তিশালী নৈতিকতাৰ অধিকাৰী কৰি ৰাখিব নোৱাৰো, তেনেহ'লে এইবোৰৰ প্ৰয়োজন কি? গুৰুপ্ৰসাদ বাৰু আমাৰেই শিক্ষা ব্যৱস্থাৰ সৃষ্টি নহয়নে?

আমি সমাজখনে মেধাৱী বুলি পৰীক্ষাত ভাল নম্বৰ পোৱাৰ সময়ত সম্বৰ্ধনা দিয়াতেই নিজৰ দায়িত্বৰ সামৰণি মৰা অনুচিত। আমাৰ মাজৰ কোনো মূল্যবান মানৱ সম্পদ যাতে দুৰ্নীতিৰ চাকনৈয়াত ডুবি হেৰাই নাযায়, তাৰ বাবে উঠি অহা প্ৰতিটো প্ৰজন্মৰ লগতে ধাৰাবাহিক মধুৰ সম্পৰ্ক ৰক্ষাৰ এক প্ৰক্ৰিয়া গঢ়ি উঠি তোলা উচিত। আমি আমাৰ সমাজৰ উচ্চস্তৰত অৱস্থান কৰা সদস্যসকলক প্ৰৱল নৈতিকতাৰ অধিকাৰী হৈ থকাৰ প্ৰতি উৎসাহিত কৰাৰ লগতে অপৰাধীৰ পাকচক্ৰৰ পৰা মুক্ত হৈ থকাৰ বাবেও সতৰ্কতামূলক শিক্ষা প্ৰদান কৰা উচিত।

এখন শান্তিপ্ৰিয়, অপৰাধমুক্ত, শিক্ষিত, আধ্যাত্মিকতাৰ পীঠস্থান বুলি গণ্য কৰা এটা অঞ্চলৰ, এটি দৰিদ্ৰ কৃষক পৰিয়ালৰ পৰা আজিৰ এই প্ৰতিযোগিতামূলক যুগত নিজৰ সাধনাৰে আহি উচ্চ পৰ্যায়ৰ এটি পবিত্ৰ শিক্ষানুষ্ঠানৰ সন্মাজনক আসনত বহি থকা ড° গুৰুপ্ৰসাদ খাটনিয়াৰক লৈ যি সময়ত চৌপাশৰ অঞ্চলবোৰে পোহৰৰ দিশে যাত্ৰা কৰিব লাগিছিল, সেই সময়ত আমি প্ৰত্যেকেই আজিৰ পৰিস্থিতিত নাক কোচাই পিছমুখ কৰিবলগীয়া হৈছে।

আহক, আমি প্ৰত্যেকেই সচেতন হওঁ, ভৱিষ্যতে যাতে কেতিয়াও আমি কোনো গুৰুপ্ৰসাদক অপৰাধৰ কালিমাৰ বাবে ত্যাগ কৰিবলগীয়া নহয়, তাৰবাবে চিন্তা আৰু যত্ন কৰো। আমি আৰক্ষীয়ে অপৰাধীক আটক কৰালৈ বাট চোৱাৰ সলনি, অপৰাধ নঘটা এখন সমাজ গঢ়াৰ বাবে সকলো দায়িত্বশীল নাগৰিকে যত্ন কৰা উচিত।

*ফোন-৯৮৬৪০৬৯৫৮৩*

# জীৱন এক অবিৰত যাত্ৰা

# জীৱনৰ প্ৰতিটো মুহূৰ্তৰ একোটা মহৎ উদ্দেশ্য আছে



**কামিনী মোহন শৰ্মা**

**জীৱন** এক অবিৰত যাত্ৰা, যি যাত্ৰাৰ আদি অন্ত নাই। এই যাত্ৰা সুখৰ সন্ধানত যাত্ৰা, এই যাত্ৰা জীয়াই থকাৰ যাত্ৰা এক বিৰামহীন যাত্ৰা। জন্মৰ পৰা মৃত্যুলৈ মানুহৰ জীৱনবোৰ চক্ৰৰ দৰে ঘূৰি থাকে। জীৱন যাত্ৰাত মানুহে কেতিয়াবা অনুভৱ কৰে সুখ-শান্তি আৰু কেতিয়াবা পায় অশান্তি, দুখ-যন্ত্ৰণা কষ্ট। কষ্টকো নেওচি জীৱনবোৰে গতি কৰিব খোজে সুখৰ সন্ধানত। দয়া, প্ৰেম আৰু মানৱীয় অনুভূতিৰে শান্তিৰ নিজৰা বোৱাই দিব বিচাৰে। মুক্ত আকাশৰ তলত তেওঁলোকে বিচাৰি পায় জীৱনৰ সুবাস।

জীৱন এক প্ৰবাহ, এক যাত্ৰা, এক গতি। যি যাত্ৰাত আছে উত্থান-পতন, সংকট। সোণোৱালী ভৱিষ্যতৰ আশাবোৰো কেতিয়াবা বেদনাৰে সিক্ত হৈ উঠে। কলিতে মৰহি যায়, জীৱনৰ সপোন।

মেক্সিম গৰ্কীয়ে কৈছিল, 'জীৱনৰ প্ৰতিটো মুহূৰ্তৰ একোটা মহৎ উদ্দেশ্য আছে। সেই উদ্দেশ্য সাধনাৰ কাৰণে কঠোৰ প্ৰচেষ্টাতে জীৱনৰ অৰ্থও লুকাই আছে।' মানৱ জীৱনবোৰ ব্যস্ততাপূৰ্ণ। নিজ জীৱনৰ উদ্দেশ্য সাধনৰ বাবে মানুহে কঠোৰ পৰিশ্ৰম কৰিব লগা হয়। ৰাতি পুৱাৰ পৰা গধূলিলৈ সকলো বয়সৰ আৰু সকলো স্তৰৰ লোকে বিভিন্ন কাৰ্য সমাধান কৰিবলৈ মানসিকভাৱে শক্তিশালী হ'ব লগা হয়। তাৰ বাবে মানৱ জীৱনত প্ৰয়োজন শিক্ষা, উৎসাহ অনুপ্ৰেৰণা আৰু সৎ সাহসৰ। জীৱনলৈ অহা সকলো প্ৰত্যাহ্বান নেওচি অফুৰন্ত মানসিক উৎসাহ আৰু শক্তিৰে জীৱন বাটত সকলোৱে অগ্ৰসৰ হ'ব লগা হয়। তেতিয়াহে জীৱনবোৰ আলোকেৰে ভৰি পৰিব। জা.পল ছাৰ্ত্ৰে কৈছিল— 'জন্মৰ লগে লগে কোনো মানুহেই মানুহ হৈ নাহে। গোটেই জীৱন কঠোৰ সাধনাৰ বলতহে আচল মানুহ হ'ব পাৰে।'

শিশু অৱস্থাৰ পৰাই ল'ৰা-ছোৱালীবোৰে উপযুক্ত শিক্ষা লাভ কৰি সহজ-সৰল আৰু যাতে বিনয়ী হ'ব পাৰে, নম্ৰ হ'ব পাৰে আৰু সৎ চৰিত্ৰৰ যাতে বিকাশ সাধন হয়, তাৰ ওপৰত অভিভাৱক, শিক্ষকসকলে সদায় গুৰুত্ব দিব লাগে। কৈশোৰ কালছোৱা জীৱনৰ উপযুক্ত সময়। জীৱনত ব্যক্তিত্ব আৰু আদৰ্শ গঢ় দিয়াৰ উপযুক্ত সময়। বাল্য কালতে স্বভাৱ-চৰিত্ৰৰ গঢ় দিয়া, ধৈৰ্য সহনশীলতা, কথা-বতৰা, আচাৰ-ব্যৱহাৰ, সমাজ জীৱনত মিলা-প্ৰীতিৰে থাকিব পৰা আদি গুণ ৰাখি আয়ত্ত কৰি জীৱনত আগবাঢ়িব পাৰে, তাৰ বাবে প্ৰস্তুত কৰি তুলিব লাগিব। তেতিয়াহে ভৱিষ্যতৰ জীৱন যাত্ৰাত সফল হ'ব পাৰিব। ভৱিষ্যত জীৱনলৈ অহা সংঘাতকো হেলাৰঙে পাৰ কৰিব পাৰিব। নেপোলিয়ান বোনাপাৰ্টে কৈছিল— 'জীৱনটো এখন সংগ্ৰামৰ থলী। সাহসী আৰু কৰ্মপটুজনহে এই সংগ্ৰামত জয়লাভ কৰিব পাৰে।'

মানৱ জীৱনটো এক সংগ্ৰাম। সামাজিক প্ৰাণী হিচাপে মানুহে বিভিন্ন ঘাত-প্ৰতিঘাতৰ সন্মুখীন হ'ব লগা হয়। সমাজ জীৱনত জীয়াই থকাৰ গুণৰাশি শৈশৱ কালতে আয়ত্ত কৰি ল'ব পাৰিলে কোনো মানুহে জীৱনত অকলশৰীয়া অনুভৱ কৰিব লগা নহয়। জীৱনত হঠাৎ অহা দুৰ্যোগ বা অশান্তিৰ মুহূৰ্তবোৰো নিজ ভাৱনা, চিন্তা আৰু আত্মিক ভাবেৰে দূৰ কৰিব পাৰি আৰু সমাজত আনন্দ লাভ কৰি জীয়াই থাকিব পাৰি।

জীৱনটো অতিবাহিত কৰিবলৈ, জীৱনত সুখ-শান্তিৰে চলিবলৈ কিছুমান কৌশল আয়ত্ত কৰিব লগা হয়। জীৱনত জীয়াই থাকি, জীৱন যাত্ৰাত অগ্ৰসৰ হোৱাৰ লগে লগে সমাজখন নিকা আৰু স্বচ্ছ কৰাৰ ক্ষেত্ৰত সজাগতা বৃদ্ধি কৰিব লাগিব আৰু নিজেও সজাগ আৰু সচেতন হৈ প্ৰাকৃতিক পৰিৱেশ আৰু স্বচ্ছ কৰি ৰাখিব সচেতন হৈ প্ৰাকৃতিক পৰিৱেশ নিকা আৰু স্বচ্ছ কৰি ৰাখিব লাগিব।

শিক্ষা জীৱন যাত্ৰাৰ মূল আহিলা। ই জীৱন যাত্ৰাৰ পথ সুচল কৰে। শিক্ষাই মানুহক সৃষ্টিশীল কামত অনুপ্ৰেৰণা দিয়ে। প্লেটোৱে কৈছিল—'শিশু অৱস্থাৰ পৰাই সন্তানক চকুৰ আগত থকা প্ৰাকৃতিক, সামাজিক আৰু দেশৰ প্ৰতি থকা কৰ্তব্যৰ শিক্ষা দিব লাগে। কাৰণ শিশুৰ শিক্ষাৰ কেন্দ্ৰবিন্দু হ'ল ঘৰখন।' প্ৰকৃততে ঘৰখনেই হৈছে ল'ৰা-ছোৱালীৰ প্ৰকৃত শিক্ষাৰ কঠীয়াতলী। ঘৰৰ পৰিৱেশৰ ওপৰতেই নিৰ্ভৰ কৰে ল'ৰা-ছোৱালীৰ শিক্ষাৰ ভৱিষ্যত।

ঘৰত ল'ৰা-ছোৱালীসকলে যাতে কোনো অসুবিধা নাপায় তাৰ বাবে প্ৰতিজন ব্যক্তি সচেতন হ'ব লাগিব। এটা পৰিয়ালৰ সকলো মানুহৰ মাজত হোৱা কথা-বতৰা সদায় নম্ৰ, সহজ-সৰল আৰু গঠনমূলক পৰিৱেশত হ'ব লাগে। তেতিয়াহে ল'ৰা-ছোৱালীক সুস্থ সবল মানসিকতা গঢ় দিয়াত অৰিহণা যোগাব লাগিব। তেতিয়াহে ভৱিষ্যতৰ জীৱন যাত্ৰা অব্যাহত ৰাখিব পাৰিব।

বৰ্তমান মানৱ জীৱনবোৰলৈ আহিছে গভীৰ সংকট। বিশ্বজুৰি সৃষ্টি কৰা অতিমাৰী-কৰ'নাৰ বিভীষিকাই মানৱ জীৱনবোৰলৈ নমাই আনিছে গভীৰ অনিশ্চয়তা। মানৱ জীৱন আজি ত্ৰস্তমান। স্তিমিত হৈ পৰিছে মানুহৰ জীৱন যাত্ৰা।

জীৱনৰ জটিল সময়কো হেলাৰঙে গ্ৰহণ কৰি, সঠিক সিদ্ধান্তৰে কৰ্মত অগ্ৰসৰ হৈ জীৱন যাত্ৰাৰ পথত থকা দায়িত্ব সুচাৰুৰূপে পালন কৰি যোৱাত গুৰুত্ব আৰোপ কৰা উচিত।

*ফোন ঃ ৮৭৬১০৯৮৫৮৫*

# আল্লাহ ক'ত থাকে?



**ইকবাল হুছেইন**

**বিশ্বৰ** অধিকাংশ মানুহে বিশ্বাস কৰে যে বিশ্ব সৃষ্টিৰ গুৰিতে কোনো এক অসীম ক্ষমতা সম্পন্ন শক্তি (ছুপাৰ পাৱাৰ)ৰ হাত আছে, যাক বিভিন্ন ধৰ্মাৱলম্বী লোকে ঈশ্বৰ, ভগৱান, আল্লাহ, খোদা, গড্ আদি নামেৰে অভিহিত কৰিছে। মানুহে আৰু বিশ্বাস কৰে যে এই সৃষ্টিকৰ্তাজনে আকাশতে অৱস্থান কৰি আছে। সেয়ে কথা প্ৰসংগত মানুহৰ মুখত শুনা যায়— 'এয়া সকলো ওপৰৱালাৰে ইচ্ছা বা তেওঁৰেই লীলা, ওপৰৱালাই কপালত যি লিখিছে, সেয়া অৱধাৰিত, তেওঁ যি কৰে ভালৰ বাবেই কৰে..' ইত্যাদি। ইয়াৰ উপৰি মানুহে ইয়াকো বিশ্বাস কৰে যে সৃষ্টিকৰ্তাজন সৰ্বত্ৰ বিৰাজমান। কিন্তু ইছলামী চিন্তাবিদ্‌সকলৰ মাজত এই বিষয়ত মতবিৰোধ দেখা যায়। মুছলমানসকলে বিশ্বাস কৰে যে আল্লাহ তেওঁৰ নিজ আসনত অধিষ্ঠিত হৈ আছে। আল্লাহ আকাশত থাকে, ইয়াক কোৰান হাদীছৰ আলমত সাব্যস্ত কৰিব পৰা যায়। মুছলমানসকলে নামাজৰ অন্তত নতুবা অন্যান্য সময়ত দুহাত ওপৰলৈ তুলি আল্লাহৰ ওচৰত মোনাজাত (প্ৰাৰ্থনা) কৰে। ইয়াৰ দ্বাৰা প্ৰমাণিত হয় আল্লাহ ওপৰতে থাকে। তদুপৰি হাদীছ গ্ৰন্থত উল্লেখ আছে যে আল্লাহ প্ৰতি নিশাৰ শেষৰ ফালে পৃথিৱীৰ নিম্নতম (প্ৰথম) আকাশলৈ নামি আহে আৰু বান্দাক উদ্দেশ্য কৰি কয়, 'কোন আছা, গুণাহগাৰ বান্দা, মোৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰা, মই তাৰ গুণাহ মাফ্ কৰি দিম। কোন আছা অভাৱগ্ৰস্ত, মোৰ ওচৰত প্ৰাৰ্থনা কৰা, মই তাৰ অভাৱ দূৰ কৰি দিম। কোন আছা ৰোগী, মোৰ ওচৰত ৰোগমুক্তিৰ বাবে প্ৰাৰ্থনা কৰা মই ৰোগমুক্ত কৰি দিম।' এইদৰে আল্লাহ তালাই পৃথিৱীৰ কাষৰ আকাশলৈ নামি আহি প্ৰতি নিশা বান্দাক সোঁৱৰাই দিয়ে। এই হাদীছৰ বাণীয়ে প্ৰমাণ কৰে যে আল্লাহ ওপৰৰ আকাশত থাকে।

এবাৰ আল্লাহৰ নবীয়ে এজনী দাসীত পৰীক্ষা কৰিবৰ বাবে সুধিলে,— 'কোৱাচোন আল্লাহ ক'ত থাকে?' দাসীয়ে উত্তৰ দিলে, 'আল্লাহ আকাশত থাকে।' নবীয়ে আকৌ প্ৰশ্ন কৰিলে, 'কোৱাচোন মই কোন?' দাসীয়ে উত্তৰ দিলে, 'আল্লাহৰ ৰাচুল।' তেতিয়া আল্লাহৰ ৰাচুলে চাহাৱাসকলক ক'লে, 'এই দাসীজনী ইমানদাৰ মহিলা, তাইক মুক্ত কৰি দিয়া।' নবীৰ এই কথাযাৰৰ পৰা সাব্যস্ত হয় যে—আল্লাহ আকাশত থাকে।

আল্লাহ আকাশত থাকে আৰু সাতখন আকাশৰ সিপাৰে থকা তেওঁৰ মহাসিংহাসনত (আৰচ্) অধিষ্ঠিত হৈ থাকে, তাক তলত দিয়া কোৰানৰ আয়াতবিলাকৰ পৰা সাব্যস্ত কৰিব পৰা যায়—

(১) নিশ্চয়কৈ তোমালোকৰ প্ৰভু আল্লাহ যিজনে আকাশ মণ্ডল আৰু পৃথিৱী ছদিনত সৃষ্টি কৰিছে আৰু তাৰ পাছত তেওঁ মহাসিংহাসনত অধিষ্ঠিত হৈছে আৰু ইয়াক (বিশ্বজগত) পৰিচালনা কৰি আছে (চুৰা-ইউনুচ আয়াত-নম্বৰ তিনি)।

২। তেওঁ এনে সত্তা যিজনে আকাশমণ্ডুল, পৃথিৱী আৰু উভয়ৰ মাজত যি আছে সেই সকলো বস্তু ছদিনত সৃষ্টি কৰিছে। ইয়াৰ পাছত তেওঁ আৰচ্ (সিংহাসন)ত উপৱিষ্ট হৈছে। (চুৰা ফুৰকান আয়াত নম্বৰ ৫৯)।

(৩) তেৱেঁই আল্লাহ যিজনে আকাশমণ্ডল আৰু ভূমণ্ডল আৰু উভয়ৰে মাজত থকা সকলো বস্তুকে ছদিনত সৃষ্টি কৰিছে আৰু পাছত তেওঁ সিংহাসনত (আৰচ্) উপবিষ্ট হৈছে। (চুৰা-ছাজদা আয়াত নম্বৰ চাৰি)।

এনেধৰণৰ অনেক আয়াত উল্লেখ কৰিব পৰা যায় যাৰ দ্বাৰা প্ৰতীয়মান হয় যে আল্লাই গোটেই বিশ্বজগত ছদিনত সৃষ্টি কৰিছে আৰু পাছত তেওঁ নিজৰ আসমত অধিষ্ঠিত হৈছে। এই আয়াতবিলাকৰ মূল অংশটো হৈছে—'এস্তেৱা আলান আৰশ্বি' অৰ্থাৎ তেওঁ আসনত অধিষ্ঠিত হৈছে। কিন্তু 'এস্তেৱা' শব্দৰ অৰ্থ বিভিন্নজনে পৃথক পৃথকভাৱে প্ৰকাশ কৰিছে। ইয়াৰ অৰ্থ বহা, উপবিষ্ট হোৱা, অধিগ্ৰহণ কৰা, সমাসীন হোৱা, অধিষ্ঠিত হোৱা, ক্ষমতা আয়ত্তাধীন কৰা ইত্যাদি। আকাশ মণ্ডল আৰু পৃথিৱী সৃষ্টিৰ পূৰ্বে আল্লাহৰ আৰচ্ (আসন) পানীৰ ওপৰত আছিল (চুৰা হুদ আয়াত নম্বৰ সাত)। আল্লাহৰ সৃষ্টিসমূহৰ মাজত অন্যতম সৃষ্টি হ'ল এই সন্মানিত আসন। ৰাষ্ট্ৰ এখনৰ সন্মানীয় পদৰ (আসন) বাবে ৰাষ্ট্ৰপতি বা প্ৰধানমন্ত্ৰী নিৰ্বাচিত কৰা হয়। নিৰ্বাচিত হোৱাৰ পাছত ৰাষ্ট্ৰ প্ৰধানজনে সেই আসন অলংকৃত কৰি ৰাখে। পদ অলংকৃত কৰিলেও সেই নিৰ্দিষ্ট আসনখনত ৰাষ্ট্ৰপ্ৰধানজনে তাত সদায় বহি নাথাকে। ঠিক সেইদৰে আল্লাহৰ সন্মানিত বিশাল আৰশ, কুৰচীয়ে তেওঁৰ ক্ষমতা দখলৰ দ্বাৰা পদমৰ্যাদা সমুন্নত হোৱা এক প্ৰতীক ধৰ্মী আচৰণ বুলি অভিহিত কৰিব পাৰি কাৰণ সেই আসনত আল্লাই কিদৰে অৱস্থান কৰে সেয়া আল্লাহৰ বাহিৰে কোনেও নাজানে। সেয়ে অধিকাংশ ইছলামী চিন্তাবিদে আল্লাই সিংহাসনত বহা কাৰ্যটো সমৰ্থন কৰিব বিচৰা নাই, কাৰণ আল্লাই কোৰানত কয়—(১)... তেওঁ চিৰঞ্জীৱ, চিৰ বিৰাজমান, শাশ্বত সত্তা। তেওঁক তন্দ্ৰা বা নিদ্ৰাই স্পৰ্শ কৰিব নোৱাৰে.. আকাশমণ্ডল আৰু পৃথিৱী, ইয়াক ৰক্ষণাবেক্ষণ দিয়া কাৰ্যই তেওঁক ক্লান্ত শ্ৰান্ত কৰিব নোৱাৰে।... (চুৰা বাকাৰা আয়াত নম্বৰ-২৫৫)। (২) আকাশ মণ্ডল, ভূ-মণ্ডল আৰু দুয়োৰে মাজত থকা সকলো বস্তু ছদিনত সৃষ্টি কৰিছো আৰু ক্লান্তিয়ে আমাক স্পৰ্শ কৰা নাই— (চুৰা কাফ আয়াত নম্বৰ ৩৮)। (৩) 'আল্লাহে যেতিয়া কোনো কাম কৰিবলৈ সিদ্ধান্ত লয়, তেতিয়া মাথোঁ তেওঁ কয়— 'হৈ যোৱা' আৰু সেয়া তৎক্ষণাত হৈ যায় (চুৰা আল ইমৰাণ আয়াত নম্বৰ-৪৭)।

ক্ষুদ্ৰতৰ অথবা বৃহত্তৰ কোনো সৃষ্টি কাৰ্যই আল্লাহক কেতিয়াও অৱসাদ বা ক্লান্তিয়ে আমনি কৰিব নোৱাৰে আৰু যিকোনো সৃষ্টি কাৰ্যৰ ক্ষেত্ৰত আল্লাই কেৱল 'কুণ' শব্দ ব্যৱহাৰ কৰে আৰু 'হৈ যোৱা' বুলি কোৱাৰ লগে লগে সেয়া হৈ যায়। গতিকে তেওঁৰ বিশ্ৰামৰ কোনো প্ৰয়োজনীয়তা নাই নতুবা আসনত বহাৰো প্ৰয়োজন নাই।

অধিকাংশ আলিম সমাজ একমত যে আল্লাহ সপ্তম আকাশ বা ছিদ্‌ৰাতুল মুন্তাহাৰ সি পাৰে মহাসিংহাসন (আৰচ্)ৰ ওপৰত অৱস্থান কৰি আছে কিন্তু তেওঁ কিভাৱে আছে সেয়া আল্লাহৰ বাহিৰে কোনেও নাজানে আৰু ইয়াৰ ওপৰত অধিক প্ৰশ্নৰ অৱতাৰণা কৰিলে নিজৰ ইমান ক্ষতিগ্ৰস্ত হোৱাৰ সম্ভাৱনা আছে। 'আসন' আল্লাহৰ সৃষ্টি আৰু আল্লাহ কোনো সৃষ্টিৰ মুখাপেক্ষী নহয়। গতিকে প্ৰশ্ন আহিব পাৰে, কোনো কিছু সৃষ্টিৰ পূৰ্বে আল্লাহ ক'ত অৱস্থান কৰিছিল। আল্লাহ যি অৱস্থাতে নাথাকক কিয়, সেই বিষয়ে অধিক চিন্তা-চৰ্চাৰ পৰা বিৰত থকাই মোমিন বান্দাসকলৰ উত্তম উপায়।

আনহাতে, কোৰানত আল্লাহৰ অংগ-প্ৰত্যংগ থকাৰ স্পষ্ট প্ৰমাণ পোৱা যায় যাৰ দ্বাৰা আল্লাহৰ শৰীৰ থকাটো সাব্যস্ত কৰিব পৰা যায় আৰু শৰীৰ থাকিলে নিশ্চয় আসনত বহাৰো প্ৰয়োজন হ'ব পাৰে। তলত কেইটামান আয়াত উল্লেখ কৰা হ'ল।

১। ইহুদীবিলাকে কয়— 'আল্লাহৰ হাত বান্ধি থোৱা হৈছে, সিহঁতৰ হাতবোৰহে বন্ধনত আছে আৰু সিহঁতে এনেদৰে কোৱা বাবে সিহঁত অভিশপ্ত হৈছে, আল্লাহৰ উভয় হাত উন্মুক্ত আৰু প্ৰসাৰিত, তেওঁ যি ইচ্ছা কৰে সেইদৰেই ব্যয় কৰে...। (চুৰা মায়িদা আয়াত নম্বৰ ৬৪)

(২) নিশ্চয় যিসকলে আপোনাৰ ওচৰত আনুগত্যৰ শপত লয় সিহঁতে আল্লাহৰ ওচৰতে আনুগত্যৰ শপত লয়, আল্লাহৰ হাত সিহঁতৰ হাতৰ ওপৰত...(চুৰা ফাত্‌হ আয়াত নম্বৰ ১০)।

(৩) সিহঁতে লক্ষ্য কৰা নাইনে যে আমি নিজ হাতেৰে সৃষ্টি কৰা বস্তুবিলাকৰ মাজত আছে চতুষ্পদী জন্তুসমূহ, পাছত সিহঁত সিবিলাকৰ গৰাকী হয়। (চুৰা-ইয়াচীন-আয়াত নম্বৰ-৭১)।

(৪) ক্বিয়ামতৰ দিনা গোটেই পৃথিৱীখন তেওঁৰ হাতৰ মুঠিত থাকিব আৰু আকাশ মণ্ডল তেওঁৰ সোঁহাতত ভাঁজ কৰি থোৱা অৱস্থাত থাকিব...(চুৰা জুমাৰ আয়াত নম্বৰ -৬৭)।

উপৰোক্ত আয়াতবিলাকে সাক্ষী দিয়ে যে আল্লাহৰ অংগ-প্ৰত্যংগ তথা এটা শৰীৰ আছে। এই ক্ষেত্ৰতো আলিম সমাজত মতভেদ সৃষ্টি হোৱা দেখা যায়। কিছুমানে ক'ব খোজে যে এই অংগবোৰৰ বাস্তৱ অস্তিত্ব নাই, এইবোৰ আল্লাহৰ কুদৰতি অংগ, যিবোৰ ৰূপক অৰ্থত প্ৰয়োগ কৰা হৈছে।

আনহাতে, আন এচাম আলিমে বিশ্বাস কৰে যে নিশ্চয়কৈ আল্লাহৰ প্ৰকৃততে অংগ-প্ৰত্যংগৰ লগতে এটা বাস্তৱ শৰীৰ আছে। তেওঁ সকলো দেখে বা সকলো বিষয় শুনে অৰ্থাৎ তেওঁৰ দৃষ্টি বা শ্ৰৱণ শক্তিৰ লগত অংগ জড়িত হৈ আছে; কিন্তু সেই দৃষ্টি বা শ্ৰৱণ শক্তিৰ লগত জড়িত অংগ মানুহ বা আন প্ৰাণীৰ অংগৰ লগত সাদৃশ্যপূৰ্ণ নোহোৱাটো স্বাভাৱিক। তেওঁৰ অংগ-প্ৰত্যংগ সম্পৰ্কে মানুহৰ কোনো ধাৰণা নাই, এই বিষয়ে আল্লাহে ভালকৈ জানিব, সেয়া মানুহৰ চিন্তাৰ সাধ্যাতীত।

*(অহা সংখ্যাত সমাপ্ত)*

## টেঙাখাত ৰাজহ চক্ৰৰ উদ্যোগত চিত্ৰাংকন প্ৰতিযোগিতাৰ ফলাফল ঘোষণা



অগ্ৰদূত বাৰ্তা

**টেঙাখাত, ১১ আগষ্ট ঃ** দেশৰ স্বাধীনতাৰ ৭৫ বৰ্ষপূৰ্তি উপলক্ষে টেঙাখাত ৰাজহ চক্ৰ কাৰ্যালয়ৰ উদ্যোগত কালি টেঙাখাত উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰেক্ষাগৃহত প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। 'ক' শাখা (প্ৰথম আৰু দ্বিতীয় শ্ৰেণী) আৰু 'খ' শাখা (তৃতীৰ পৰা পঞ্চম শ্ৰেণীলৈ)ৰ ভিত্তিত অনুষ্ঠিত কৰা চিত্ৰাংকন প্ৰতিযোগিতাত টেঙাখাত উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু লেংৰাই চাহ বাগিচা প্ৰাথমিক বিদ্যালয়ৰ মুঠ ৬০ জন ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। চিত্ৰাংকন প্ৰতিযোগিতাৰ ফলাফলত 'ক' শাখাত প্ৰথম স্থান লাভ কৰে টেঙাখাত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মেৰী সোণোৱালে। লেংৰাই চাহ বাগিচা প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰী চুমি তাঁতীয়ে দ্বিতীয় স্থান আৰু ছাত্ৰ অমিত কুৰ্মীয়ে তৃতীয় স্থান লাভ কৰে। 'খ' শাখাত টেঙাখাত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰী এলিষ্ঠা শইকীয়াই প্ৰথম স্থান, নয়নশ্ৰী বৰুৱাই দ্বিতীয় স্থান লাভ কৰে। টেঙাখাত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰী স্মিতা সোণোৱাল আৰু লেংৰাই চাহ বাগিচা প্ৰাথমিক বিদ্যালয়ৰ জেচ্‌মিন ওৰাওৱে যুটীয়াভাৱে তৃতীয় স্থান লাভ কৰে। টেঙাখাত ৰাজহ চক্ৰ বিষয়া নিতুল খাটনীয়া, টেঙাখাত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ একলব্য সোণোৱাল, লেংৰাই চাহ বাগিচা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক নন্দ তাঁতীকে ধৰি কে'বাজনো ৰাজহ চক্ৰ কাৰ্যালয়ৰ বিষয়া আৰু শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থাকে। চিত্ৰাংকন প্ৰতিযোগিতাখন পৰিচালনা কৰে অগ্ৰগামী চিত্ৰকলা বিদ্যালয়ৰ প্ৰশিক্ষক দীপক গগৈয়ে। ৰাজহ চক্ৰ বিষয়া নিতুল খাটনিয়াই জনোৱা মতে, অহা ১৫ আগষ্টত ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ সন্মুখত অনুষ্ঠিত কৰিবলৈ আয়োজন কৰা স্বাধীনতা দিৱস উদ্‌যাপনত বঁটাসমূহ প্ৰদান কৰা হ'ব।

## দৰঙৰ খাৰুপেটীয়া মহাবিদ্যালয়ত পথ সুৰক্ষাৰ সজাগতা সভা

বিশেষ সংবাদদাতা

**মঙলদৈ, ১১ আগষ্ট ঃ** দেশৰ ৭৫ সংখ্যক স্বাধীনতাৰ অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি দৰং জিলা পৰিবহণ বিষয়া গৌতম দাসৰ নিৰ্দেশত কালি খাৰুপেটীয়া মহাবিদ্যালয়ত এখন পথ সুৰক্ষাৰ সজাগতা সভা অনুষ্ঠিত হয়। 'পথ সুৰক্ষা-জীৱন সুৰক্ষা' শীৰ্ষক সজাগতা সভাত সভাপতিত্ব কৰে খাৰুপেটীয়া মহাবিদ্যালয়ৰ অধ্যক্ষা মৌচুমী সাহা কলিতাই। পথত সঠিকভাৱে চলা-ফুৰা কৰিব নজনা বাবে আৰু যানবাহনৰ চালকসকলৰ অসাৱধানতাৰ বাবেই সঘনাই পথ দুৰ্ঘটনা হৈ আহিছে। বিশেষকৈ স্কুল-কলেজৰ ছাত্ৰী-ছাত্ৰীসকলৰ উচ্ছৃংখলতা আৰু অমনোযোগিতাৰ বাবে দ্ৰুত গতিত বৃদ্ধি পাবলৈ ধৰিছে পথ দুৰ্ঘটনা। সজাগতা সভাত জিলা পৰিবহণ বিভাগৰ সহকাৰী প্ৰৱৰ্তক পৰিদৰ্শকদ্বয় কালিচৰণ ৰাজবংশী আৰু আৰিফুল ইছলামে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশি পথত চলাচল কৰাৰ সময়ত অন্যমনস্ক হৈ আনৰ লগত কথাত মচগুল হৈ অহা-যোৱা নকৰিবলৈ আহ্বান জনায়। তেওঁলোকে লগত বাট-পথ পাৰ হোৱাৰ সময়ত যথেষ্ট সাৱধনতা অৱলম্বন কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। লগতে মটৰ চাইকেল আৰোহীসকলকো তেওঁলোকে তীব্ৰ বেগত নগৈ সাৱধানতাৰে চলাচল কৰিবলৈ আহ্বান জনায়।

## লখিমপুৰ পৌৰসভা কাৰ্যালয়ৰ উদ্যোগত ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন বিষয়ৰ প্ৰতিযোগিতা সমাৰোহ

অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ১১ আগষ্ট ঃ** 'আজাদী কা অমৃত মহোৎসৱ'ৰ লগত সংগতি ৰাখি উত্তৰ লখিমপুৰ পৌৰসভাৰ কাৰ্যালয়ৰ উদ্যোগত অহা ১৩-১৫ আগষ্টলৈকে উত্তৰ লখিমপুৰ ছয় নম্বৰ ৱাৰ্ডৰ অন্তৰ্গত ৰঢলা পুখুৰীৰ প্ৰাংগণত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন বিষয়ৰ প্ৰতিযোগিতা সমাৰোহ আয়োজন কৰা হৈছে। সেই উদ্দেশ্যে সমাৰোহৰ কাৰ্যসূচী অনুসৰি ১৩ আগষ্টত পুৱা পতাকা উত্তোলন, বন্তি প্ৰজ্বলন কাৰ্যসূচী সম্পন্ন কৰা হ'ব। ১৪ আগষ্টত উত্তৰ লখিমপুৰ ত্যাগ ক্ষেত্ৰত চিলা মহোৎসৱ অনুষ্ঠিত কৰা হ'ব। তদুপৰি প্ৰথম শ্ৰেণীৰ পৰা অষ্টমলৈ হৰ ঘৰ ত্ৰিৰংগা বিষয়ৰ চিত্ৰাংকন প্ৰতিযোগিতা আৰু ১৫ আগষ্টত পানী সংৰক্ষণ আৰু স্থিৰতা সম্পৰ্কে আলোচনা অনুষ্ঠিত হোৱাৰ লগতে সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত কৰা হ'ব।

## নলবাৰীৰ বেলশৰত কংগ্ৰেছৰ স্বাধীনতাৰ গৌৰৱময় যাত্ৰা কাৰ্যসূচী ৰূপায়ণ



অগ্ৰদূত বাৰ্তা

**চামতা, ১১ আগষ্ট ঃ** নলবাৰী জিলা কংগ্ৰেছ কমিটীৰ উদ্যোগত ধৰ্মপুৰ সমষ্টিৰ অন্তৰ্গত পশ্চিম নলবাৰী আৰু মধুপুৰ বেলশৰত আৰম্ভ কৰা কাৰ্যসূচীত নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সম্পাদক তথা অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ তত্ত্বাৱধায়ক পৃথিৰাজ প্ৰভাকৰ সাথে, প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি জাকিৰ হুছেইন সিকদাৰ, অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক প্ৰদ্যুৎ ভূঞা, অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সম্পাদক তথা নলবাৰী জিলা কংগ্ৰেছৰ তত্ত্বাৱধায়ক কংকন দাস, নলবাৰী জিলা কংগ্ৰেছৰ সভাপতি ৰাতুল পাটোৱাৰীৰ লগতে জিলা কংগ্ৰেছ, ব্লক কংগ্ৰেছ, মহিলা কংগ্ৰেছ, যুৱ কংগ্ৰেছ, এনএছইউআইৰ প্ৰায় তিনি শতাধিক কৰ্মীয়ে অংশগ্ৰহণ কৰে। এই পদযাত্ৰাত অংশগ্ৰহণকাৰীসকলে হাতে হাতে জাতীয় পতাকা লৈ 'বন্দে মাতৰম' ধ্বনি দি বেলশৰ অঞ্চল পৰিভ্ৰমণ কৰে। কাৰ্যসূচীত অংশ লৈ নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সম্পাদক তথা অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ তত্ত্বাবধায়ক পৃথিৰাজ প্ৰভাকৰ সাথে কয়- 'আমাৰ এই কাৰ্যসূচীৰ জৰিয়তে দেশৰ স্বাধীনতাৰ হকে প্ৰাণ আহুতি দিয়া বীৰ-ছহিদসকলক আমি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো। 'ইফালে, অসম প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি জাকিৰ হুছেইন সিকদাৰে কয়, 'নলবাৰী জিলাৰ ধৰ্মপুৰৰ পৱিত্ৰ স্থান বেলশৰৰ পৰাই স্বাধীনতাৰ গৌৰৱ যাত্ৰা আৰম্ভ কৰিছো। এই পদযাত্ৰাৰ দ্বাৰাই দেশৰ স্বাধীনতাৰ কাৰণে যিসকলে জীৱন দিছিল, তেজ দিছিল, তেজ দিছিল, ত্যাগ কৰিছিল তেওঁলোকে স্মৰণ কৰিছো। তেওঁলোকৰ আত্মাৰ সদ্‌গতিৰ কামনা কৰিছো। মই মহান ছহিদসকলৰ ত্যাগক সুঁৱৰি কংগ্ৰেছ দলে আহি থকা সময়ত দেশ নিৰ্মাণ কৰিব ভাৰতৰ সংবিধান অক্ষুণ্ণ ৰখাৰ বাবে কাম কৰি যাব।'

## বিদ্যালয় পৰিমণ্ডলত বিদ্যালয়খনৰ পৰিচালনা সমিতিখনেই চৰকাৰ সদৃশ

### ■ শুৱালকুছিত বিদ্যালয় পৰিচালনা উন্নয়ন সমিতিৰ কৰ্মশালা

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ১১ আগষ্ট ঃ** 'বৰ্তমান শিক্ষানীতি অনুসৰি বিদ্যালয় এখনৰ সামগ্ৰিক উন্নয়নত বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিখনৰ ভূমিকা অপৰিসীম। এখন বিদ্যালয়ৰ বাবে বিদ্যালয় পৰিমণ্ডলত পৰিচালনা সমিতিখনেই চৰকাৰ সদৃশ।' কামৰূপৰ সমগ্ৰ শিক্ষা বিভাগৰ উদ্যোগত আঠ আৰু ন আগষ্টত শুৱালকুছিৰ বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ত অনুষ্ঠিত হাজো শিক্ষা খণ্ডৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ বিষয়ববীয়াৰ বাবে আয়োজন কৰা প্ৰশিক্ষণ কৰ্মশালাত সামৰণিৰ দিনা সমল ব্যক্তি হিচাপে ভাগ লৈ বিশিষ্ট শিক্ষাবিদ তথা দদৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় অৱসৰপ্ৰাপ্ত অধ্যক্ষ পৰেশ বৈশ্যই এইদৰে কয়। তেওঁ আৰু কয় যে বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি আৰু বিষয়ববীয়াসকলৰ কাম কেৱল বিদ্যালয় পৰিচালনা সমিতিৰ সভাত উপস্থিত থকাই নহয়। ইয়াৰ কৰ্মক্ষেত্ৰৰ পৰিসৰ অধিক ব্যাপক। বিদ্যালয়ৰ সামগ্ৰিক উন্নয়নৰ বাবে পৰিকল্পনা ৰচনা কৰা, ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক উত্তৰণৰ বাবে কৰ্মসূচী ৰূপায়ণ, বিদ্যালয়লৈ অহা অনুদানৰ যথোচিত ব্যৱহাৰ, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ নিয়মীয়া উপস্থিতি নিৰীক্ষণ, বিদ্যালয়ৰ উন্নয়নমূলক কামৰ লগত সমাজক জড়িত কৰা আদি বিভিন্ন কাম বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ বিষয়ববীয়াসকলে কৰিবলৈ প্ৰয়াস কৰা উচিত। বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিসমূহে ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকৰ লগতো সু-সম্পৰ্ক অব্যাহত ৰখা উচিত। তেওঁ আৰু কয় যে নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতিত যি বিদ্যালয় মণ্ডল গঠনৰ প্ৰস্তাৱ কৰা হৈছে, সেয়া কাৰ্যকৰী হোৱাৰ লগে লগে বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিসমূহৰ কৰ্মৰ পৰিসৰ অধিক হ'ব। তেওঁ কয় যে বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ বিষয়ববীয়াসকল বেতনভোগী নহয়। তেওঁলোকে সেৱাৰ মনোভাৱেৰেহে কাম কৰিব লাগিব। এয়া ত্যাগৰ মনোভাৱেৰে কৰা এক সমাজ সেৱাহে। দুদিনীয়াকৈ অনুষ্ঠিত কৰা প্ৰশিক্ষণ কৰ্মশালাত হাজো শিক্ষা খণ্ডৰ খণ্ড সমল ব্যক্তিদ্বয় ক্ৰমে অঞ্জনা ডেকা আৰু দুলুমণি কলিতাই প্ৰশিক্ষক হিচাপে অংশগ্ৰহণ কৰে। প্ৰশিক্ষণৰ সামৰণি অনুষ্ঠানত ভাগ লৈ শুৱালকুছিৰ বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ উপাধ্যক্ষা ড° বন্তি বৰা, সমগ্ৰ শিক্ষা কামৰূপৰ জিলা আঁচনি বিষয়া ক্ৰমে ছুইটি বেজবৰুৱা আৰু ফুলপাহি নাথে প্ৰশিক্ষণৰ সামৰণিত সন্তোষ প্ৰকাশ কৰে। প্ৰশিক্ষণৰ প্ৰথম দিনা হাজোৰ চক্ৰ বিষয়া স্নিগ্ধা ভৰালী আৰু হাজো শিক্ষা খণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া পৰিণীতা দাস উপস্থিত থাকে।



*হৰ ঘৰ ত্ৰিৰংগা কাৰ্যসূচীৰ অন্তৰ্গত যোৰহাট পূব ৰাজহ চক্ৰত অনুষ্ঠিত চিত্ৰাংকন প্ৰতিযোগিতা।*

## 'অমৃত মহোৎসৱ'ত বক ফুলৰ পুলি ৰোপণ



অগ্ৰদূত বাৰ্তা

**চিনামৰা, ১১ আগষ্ট ঃ** ৭৫ বছৰীয়া স্বাধীনতাৰ অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি যোৰহাট জলসিঞ্চন উপ-সংমণ্ডলৰ অধীনৰ বিভাগৰ সহ-কাৰ্যবাহী অভিযন্তাৰ তৎপৰতাত কালি মুঠ পাঁচখন আঁচনিত সৌন্দৰ্যবৰ্ধনৰ বাবে দুটাকৈ 'বক ফুলৰ' পুলি ৰোপণ কৰে। উল্লেখ্য যে বিভাগৰ কৰ্মচাৰীসকলে উক্ত দিনা বিয়লি প্ৰথমেই চৰাইবাহী সম্প্ৰসাৰণ এক নম্বৰ কঁহাৰ গাঁৱৰ বৰ্ধিত গভীৰ নলীনাদ আঁচনিত পুলি ৰোপণ কৰাৰ লগতে ক্ৰমে সাত নম্বৰ কৰঙা গন্ধীয়া আঁচনি, দুই নম্বৰ চাউদাং গাঁৱৰ আঁচনি, ছয় নম্বৰ দক্ষিণ হাতীচুঙী আৰু দুই নম্বৰ বৰ্ধিত চৰাইবাহী নলীনাদ আঁচনিত দুটাকৈ বক ফুলৰ পুলি ৰোপণ কাৰ্যসূচী অনুষ্ঠানত সাংবাদিক পৱিত্ৰ মহন্তই অংশগ্ৰহণ কৰে।

## ভাৰত বিকাশ পৰিষদৰ ছাত্ৰীলৈ আৰ্থিক অনুদান

অগ্ৰদূত বাৰ্তা

**যোৰহাট, ১১ আগষ্ট ঃ** ভাৰত বিকাশ পৰিষদৰ যোৰহাট জিলাৰ সদস্যসকলৰ বৰঙণিৰে গঠন কৰা সাহায্য পুঁজিৰ পৰা সোণালী জয়ন্তী বৰ্ষ পালন কৰা পকামূৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ আৰ্থিকভাৱে দুৰ্বল পৰিয়ালৰ দুগৰাকী ছাত্ৰীক আৰ্থিক সাহায্য প্ৰদান কৰে। শিখামণি বৰশইকীয়া আৰু পুনম শইকীয়া নামৰ ছাত্ৰী দুগৰাকীক শৈক্ষিক দিশত সহায়ৰ বাবে ভাৰত বিকাশ পৰিষদৰ হৈ ডাঃ মৃনাক্ষী পাঠক আৰু ড° দিপ্তী গোস্বামীয়ে ধনাদেশ প্ৰদান কৰে। তদুপলক্ষে দিলীপ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সভাত বিদ্যালয়খনৰ অধ্যক্ষ জয়ন্ত হাজৰিকাই অনুষ্ঠানৰ বদান্যতাৰ শলাগ লয়। বিকাশ পৰিষদৰ সম্পাদক অৰনী কুমাৰ চেতিয়াই উদ্দেশ্য ব্যাখ্যা কৰা সভাত শিক্ষাৰ্থীৰ উপৰি বিভিন্নজনে অংশগ্ৰহণ কৰে।

## ৰঙাপৰা মহাবিদ্যালয়ত এমজি এনৰেগা আঁচনিৰ অধীনত বৃক্ষৰোপণ

বিশেষ সংবাদদাতা

**ৰঙাপৰা, ১১ আগষ্ট ঃ** ৰঙাপৰা বিধানসভা সমষ্টিৰ অগ্ৰণী শিক্ষানুষ্ঠান ৰঙাপৰা মহাবিদ্যালয়ত কালি মহাবিদ্যালয় চৌহদত এক বৃক্ষৰোপণ আঁচনিৰ আৰম্ভ কৰা হয়। দেশৰ গৌৰৱোজ্জ্বল ৭৫ বছৰ স্বাধীনতা দিৱসৰ 'আজাদী কা অমৃত মহোৎসৱ'ৰ লগত সংগতি ৰাখি মহাবিদ্যালয়খনৰ চৌহদত বৃক্ষৰোপণ আঁচনিৰ শোণিতপুৰ জিলাৰ জিলা উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰই উদ্বোধন কৰে। নাহৰণি গাঁও পঞ্চায়ত কাৰ্যালয়ৰ ৰূপায়ণ কৰা এম জি এনৰেগা আঁচনিৰ ২০২২/২৩ৰ অধীনত ছয়লাখ ১৬ হেজাৰ ছয় টকা ব্যয়ৰে চাৰিশজোপা ৰঙা চন্দন গছৰ পুলি ৰোপণ কৰিব। ইয়াৰে একলাখ ৮৪ হেজাৰ ৮৭৫ টকা কামৰ বাবে আৰু চাৰিলাখ ৩১ হেজাৰ ১৩১ টকা মজুৰিৰ বাবদ ধাৰ্য কৰা হৈছে। ইফালে, কালি প্ৰথম পৰ্যায়ত জিলা উপায়ুক্তৰ লগতে শোণিতপুৰ জিলা পৰিষদৰ কাৰ্যবাহী বিষয়া কৰবী শইকীয়া কৰন, ৰঙাপৰা উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া নিশিনাথ শৰ্মা, ৰঙাপৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জন কলিতা, মহাবিদ্যালয়ৰ উপাধ্যক্ষ ৰনেন্দ্ৰ ডেকা, খণ্ড প্ৰকল্প বিষয়া ৰাজীৱ সোৰেন, নাহৰণি গাঁও পঞ্চায়তৰ সভাপতি শিৱেশ্বৰ গোৱালা, সচিব যোগেন শইকীয়া, সহকাৰী অভিযন্তা মদন ভূঞা, স্বীকৃতিপ্ৰাপ্ত অভিযন্তা দিগন্ত বড়োকে ধৰি ছাত্ৰ-ছাত্ৰীসকলে একেটা সময়তে ১০৪টা গছপুলি ৰোপণ কৰে। ৰঙাপৰা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° অশ্বিনী কুমাৰ ডেকাই আঁত ধৰা সভাত অংশগ্ৰহণ কৰি জিলা উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰই কয় যে মুখ্যমন্ত্ৰীৰ প্ৰতিষ্ঠানমূলক বৃক্ষৰোপণ কাৰ্যসূচীৰ অধীনত জিলাখনৰ প্ৰতিখন শিক্ষা অনুষ্ঠানত বৃক্ষৰোপণৰ কাৰ্যসূচী হাতত লোৱা হৈছে। গছৰোপণ কৰাটো আৰু ইয়াৰ প্ৰতিপালন কৰাটো সমাজৰ প্ৰতিজন ব্যক্তিৰে দায়িত্ব আৰু কৰ্তব্য হ'ব লাগে বুলি তেওঁ মন্তব্য কৰে।

## হাজোত বিজেপিৰ মটৰ চাইকেল ৰেলীত অংশ ল'লে বিধায়িকা সুমন হৰিপ্ৰিয়াই

অগ্ৰদূত বাৰ্তা

**হাজো, ১১ আগষ্ট ঃ** সমগ্ৰ দেশ তথা ৰাজ্যৰ সমান্তৰালকৈ হাজো বিধানসভা সমষ্টিতো কালি বিধায়িকা সুমন হৰিপ্ৰিয়াৰ নেতৃত্বত জিলা যুৱ মৰ্চা আৰু হাজো-উত্তৰ হাজো মণ্ডল যুৱ মৰ্চাৰ সহযোগত মটৰ চাইকেল ৰেলী উলিওৱা হয়। হাজোৰ চেঁচামুখৰ পৰা হাজো বিজেপিৰ মুখ্য কাৰ্যালয়লৈ উলিওৱা ৰেলীত সহস্ৰাধিক দলীয় কৰ্মী, পঞ্চায়ত প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰি ত্ৰিৰংগা যাত্ৰাৰে গৌৰৱোজ্জ্বল সময় উদ্‌যাপন কৰে। আগন্তুক স্বাধীনতা দিৱসৰ লগতে 'আজাদী কা অমৃত মহোৎসৱ'ৰ লগত সংগতি ৰাখি তিনিদিনীয়াকৈ ঘৰে ঘৰে ত্ৰিৰংগা উত্তোলনৰ সংকল্পৰে হাজো সমষ্টিৰ অন্তৰ্গত প্ৰতিটো পৰিয়াল, শিক্ষানুষ্ঠান, ব্যৱসায়িক প্ৰতিষ্ঠান, চৰকাৰী অনুষ্ঠান সকলোতে জাতীয় পতাকা উত্তোলন কৰিবলৈ আহ্বান জনায় বিধায়িকাগৰাকীয়ে। তদুপৰি হাতত জাতীয় পতাকা, অন্তৰত স্বদেশপ্ৰেমৰে শ শ জনতা কালি ৰাজপথত ওলাই আহি স্বাধীনতাৰ উৎসৱ পালন কৰিছে বুলি উল্লেখ কৰে।

## কলিয়াবৰ মহকুমাত মটৰ চাইকেল ৰেলী

অগ্ৰদূত বাৰ্তা

**চামগুৰি, ১১ আগষ্ট ঃ** ৭৫ সংখ্যক স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি কালি সমগ্ৰ ভাৰতবৰ্ষৰ লগতে নগাঁও জিলাৰ কলিয়াবৰ মহকুমাত মহকুমা প্ৰশাসন, আৰক্ষী বিভাগ আৰু ৰাইজৰ সহযোগত এটা মটৰ চাইকেল ৰেলী উলিওৱা হয়। উক্ত মটৰ চাইকেল ৰেলী আৰম্ভ কৰে কলিয়াবৰ মহকুমাৰ মহকুমাধিপতি পৱিত্ৰ কুমাৰ দাসে। স্বাধীনতাৰ ৭৫ বৰ্ষপূৰ্তি উপলক্ষে ওলোৱা মটৰ চাইকেল ৰেলী মিছা, আমবাগান, চুলুং, শিলঘাট, জখলাবন্ধা আৰু কুঁৱৰীটোল হৈ কলিয়াবৰ মহকুমা কাৰ্যালয়ৰ প্ৰাংগণত সমাপ্তি ঘটে। প্ৰায় দুই শতাধিক লোকে ৰেলীত অংশগ্ৰহণ কৰে।

## তেজপুৰ বিশ্ববিদ্যালয়লৈ নাকৰ 'এ' প্লাছ গ্ৰেড

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ১১ আগষ্ট ঃ** দেশৰ এক অগ্ৰণী উচ্চ শিক্ষাৰ অনুষ্ঠান তেজপুৰ বিশ্ববিদ্যালয়ক ৰাষ্ট্ৰীয় মূল্যায়ন আৰু স্বীকৃতি পৰিষদে (নাক) এ প্লাছ গ্ৰেড প্ৰদান কৰিছে। ইয়াৰ ফলত বিশ্ববিদ্যালয়খনে দেশৰ শীৰ্ষ সাত শতাংশ উচ্চ শিক্ষানুষ্ঠানৰ ভিতৰত স্থান লাভ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে এইবাৰ মূল্যায়নত তেজপুৰ বিশ্ববিদ্যালয়ে চাৰি পইন্টৰ মাত্ৰাৰ ভিতৰত ৩.৪১ পইন্ট অৰ্জন কৰে, যিটো বিশ্ববিদ্যালয়খনে পূৰ্বে লাভ কৰা পইন্টতকৈ অধিক। স্মৰ্তব্য যে যোৱা পহিলাৰ পৰা তিনি আগষ্টত নাকৰ ছজনীয়া দলে কেন্দ্ৰীয় বিশ্ববিদ্যালয়খনৰ সকলো দিশ পৰ্যবেক্ষণ কৰিছিল।

## কঠিয়াতলিত বন বিভাগৰ ত্ৰিৰংগা বিতৰণ

অগ্ৰদূত বাৰ্তা

**পুৰণিগুদাম, ১১ আগষ্ট ঃ** আজাদী কা অমৃত মহোৎসৱ উপলক্ষে ৰাষ্ট্ৰজুৰি আয়োজিত হৰ ঘৰ ত্ৰিৰংগা কাৰ্যসূচীৰ লগত সংগতি ৰাখি কালি নগাঁও জিলা বন বিভাগৰ দ্বাৰা ৰাইজৰ মাজত ত্ৰিৰংগা বিতৰণ কৰা হয়। বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত কঠিয়াতলি আঞ্চলিক বন বিষয়া কাৰ্যালয়ৰ উদ্যোগতো বন বিভাগৰ বিষয়া তথা বনকৰ্মী সকলে কঠিয়াতলি অঞ্চলত ত্ৰিৰংগা বিতৰণ কৰি ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ প্ৰয়াস চলায়।

## ঘগ্ৰাপাৰ নিম্ন বুনিয়াদী প্ৰাথমিক বিদ্যালয়ত 'আমাৰ জিলা নলবাৰী' উন্মোচন



অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ১১ আগষ্ট ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰস্থিত বড়িগোগ বনভাগ প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত ঘগ্ৰাপাৰ নিম্ন বুনিয়াদী প্ৰাথমিক বিদ্যালয়ক কালি দুপৰীয়া 'আমাৰ জিলা নলবাৰী' শীৰ্ষক হাতেলিখা আলোচনীখনৰ তত্ত্বাৱধায়ক দীপাজ্যোতি দাস আৰু বিদ্যালয়খনৰ ছাত্ৰী কৃষ্ণ মণি শৰ্মাই সম্পাদনা কৰা আলোচনীখন উন্মোচন কৰে বড়িগোগ-বনভাগ শিক্ষাখণ্ডৰ সমল ব্যক্তি ৰমেন দাসে। বিদ্যালয়খনৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত উন্মোচনী সভাত যথেষ্ট সংখ্যক স্থানীয় ৰাইজৰ লগতে বিদ্যালয় পৰিচালনা সমিতিৰ বিষয়ববীয়, মাতৃগোটৰ পদাধিকাৰী উপস্থিত থাকে। নলবাৰীৰ শিক্ষা বিভাগৰ নিৰ্দেশ অনুসৰি প্ৰস্তুত কৰি উলিওৱা আলোচনীখন উন্মোচন কৰি ৰমেন দাসে নলবাৰীৰ ঐতিহ্য, সাংস্কৃতিক পৰম্পৰা, কুটীৰ শিল্প, ঐতিহাসিক স্মৃতি-চিহ্ন, নলবাৰীৰ লোক পৰম্পৰা, সাহিত্য-সাংস্কৃতিক ক্ষেত্ৰলৈ নলবাৰীৰ অৱদান আদি বিষয় সামৰি নিজৰ বক্তব্য উপস্থাপন কৰে। বিদ্যালয়খনৰ প্ৰধান শিক্ষক স্বপন চক্ৰৱৰ্তীৰ সভাপতিত্বত অনুষ্ঠিত উন্মোচনী সভা পৰিচালনাত সহায় কৰে সহ-শিক্ষক জিতুমণি নাথ, নিৰোদ শৰ্মা, শিৱানী নাথ, জোনমণি শইকীয়া, জয়েদ শ্বাহ হুছেইন, বিদ্যালয় পৰিচালনা-উন্নয়ন সমিতিৰ সভাপতি প্ৰতুল শৰ্মা আদিয়ে।

## হাজোত বৰ্ণি আছুৰ অভিনন্দন অনুষ্ঠান-বাৰ্ষিক অধিবেশন

অগ্ৰদূত বাৰ্তা

**হাজো, ১১ আগষ্ট ঃ** হাজো আঞ্চলিক ছাত্ৰ সন্থাৰ অন্তৰ্গত বৰ্ণি শাখা ছাত্ৰ সন্থাৰ বাৰ্ষিক অধিৱেশন আৰু বিশেষ অভিনন্দন অনুষ্ঠান কালি অনুষ্ঠিত হয়। সেই অনুসৰি, সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলন কৰে শাখাৰ সভাপতি জেনিউল ইছলামে। ছহিদ তৰ্পণ কৰে সাধাৰণ সম্পাদক ইমদাদ আহমেদে। বৰ্ণি হাইস্কুলৰ খেলপথাৰত জেনিউল ইছলামৰ সভাপতিত্ব অনুষ্ঠিত মুকলি সভাত আছুৰ উপদেষ্টা প্ৰকাশ চন্দ্ৰ দাসে কয় যে অসমীয়া বিদ্যালয়ৰসমূহত আন্তঃগাঁথনি আৰু প্ৰতিটো বিষয়ত শিক্ষক নিযুক্তি দি অসমীয়া মাধ্যমত বিদ্যালয়সমূহ শৈক্ষিক দিশ আগুৱাই নিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। যিসমূহ অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ এশ বছৰ, ৭০ বছৰ আৰু ৫০ বছৰ অতিক্ৰম কৰিছে তেনে অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহত শিক্ষক নিযুক্তি দি অসমীয়া মাধ্যমৰ বিদ্যালয় সমূহত অসমীয়া ভাষাত শিক্ষাদান কৰিবলৈ দাবী জনায় আছুৰ উপদেষ্টা প্ৰকাশ চন্দ্ৰ দাসে। তদুপৰি অসমীয়া মাধ্যমৰ বিদ্যালয়ত অসমীয়া মাধ্যমত পাঠদান হ'বলৈ চৰকাৰক দাবী জনায়। অনুষ্ঠানত উপস্থিত থাকে সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি দিবাকৰ কলিতা, সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পংকজ কলিতা, কামৰূপ জিলা ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক ইমদাদুৰ ৰহমান, হাজো আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি নৱজ্যোতি দাস, সাধাৰণ সম্পাদক তপন দাসৰ লগতে হাজো আঞ্চলিক ছাত্ৰৰ বিষয়ববীয়াসকল উপস্থিত থাকে। সভাত বৰ্ণি শাখা ছাত্ৰৰ তৰফৰ পৰা ২৬ গৰাকী ষ্টাৰ আৰু ডিষ্টিংচন পোৱা ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জ্ঞাপন কৰে। অভিনন্দন অনুষ্ঠান আৰু ছাত্ৰ সন্থাৰ অধিবেশনত উপস্থিত থাকে জনপ্ৰিয় শিল্পী নেকিব হুছেইন, সোণ ৰাজ আৰু নাজিয়া হাছানে। উপস্থিত থকা সকলোকে জনপ্ৰিয় কণ্ঠশিল্পী নেকিব, সোণৰাজ আৰু নাজিযা হাছানে গীত পৰিৱেশন কৰি ৰাইজক আমোদ দিয়ে। সভাত বৰ্ণি শাখা ছাত্ৰ সন্থাৰ ২০২২-২৩ৰ বাবে ইমদাদ আহমেদক সভাপতি আৰু ৰাহুল আলীক লৈ ২১ জনীয়া সমিতি গঠন কৰে।

## বঙাইগাঁৱত 'আজাদী কা অমৃত মহোৎসৱ' উপলক্ষে মটৰ চাইকেল ৰেলী



অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ১১ আগষ্ট ঃ** দেশৰ স্বাধীনতাৰ ৭৫ বৰ্ষ উপলক্ষে কেন্দ্ৰীয় চৰকাৰে পালন কৰি অহা 'আজাদী কা অমৃত মহোৎসৱ উপলক্ষে আৰু হৰ ঘৰ ত্ৰিৰংগা উত্তোলনৰ সজাগতাৰ প্ৰতি লক্ষ্য ৰাখি কালি বৃহত্তৰ বঙাইগাঁও চেম্বাৰ্চ অৱ কমাৰ্চৰ উদ্যোগত বঙাইগাঁও চহৰত উলিওৱা হয় এক মটৰ চাইকেল ৰেলী। বঙাইগাঁও চহৰৰ বীৰ চিলাৰায় উৰণীয়া সেতুৰ কাষৰ পৰা উলিওৱা এই সমদলে চহৰখনৰ মূল পথসমূহ পৰিক্ৰমা কৰি উত্তৰ বঙাইগাঁওস্থিত হোটেল জাহ্নবীত সামৰণি পৰে। ৰেলীত বঙাইগাঁও জিলা উপায়ুক্ত নৱদ্বীপ পাঠক, আৰক্ষী অধীক্ষক স্বপ্নীল ডেকা বৃহত্তৰ বঙাইগাঁও চেম্বাৰ্চ অৱ কমাৰ্চৰ বিষয়ববীয়া তথা সস্যসকলে অংশগ্ৰহণ কৰে। অহা ১৩ৰ পৰা ১৫ আগষ্টলৈকে প্ৰতি ঘৰত জাতীয় পতাকা উত্তোলন কৰাৰ বাবে বৃহত্তৰ বঙাইগাঁও চেম্বাৰ অৱ কমাৰ্চৰ সভাপতি নিৰ্মল কুমাৰ বৈদ আৰু সাধাৰণ সম্পাদক ধীৰাজ চক্ৰৱৰ্তীয়ে বঙাইগাঁওবাসীলৈ আহ্বান জনায়। আজিৰ ৰেলী বৃহত্তৰ বঙাইগাঁও চেম্বাৰ্চ অৱ কমাৰ্চৰ উদ্যোগত আৰু বঙাইগাঁও জিলা প্ৰশাসনৰ সহযোগত অনুষ্ঠিত হয়। ইপিনে, চিৰাং জিলাৰ ঢালিগাঁও থানাৰ অন্তৰ্গত কুকুৰমাৰীত থকা চিআৰপিএফ বাহিনী ১৫৬ নম্বৰ বেটেলিয়নৰ উদ্যোগত এক ত্ৰিৰংগা চাইকেল সমদল উলিওৱা হয়।

## লংকা শিক্ষাখণ্ডত দৰমহাৰ বাবে হাৰাশাস্তি

### ■ শিক্ষাখণ্ডটোৰ হেমাহিৰ বাবে মাহেকৰ দৰমহা সময়মতে নোপোৱাৰ অভিযোগ

অগ্ৰদূত বাৰ্তা

**কাকী, ১১ আগষ্ট ঃ** হোজাই জিলাৰ লংকা প্ৰাথমিক শিক্ষাখণ্ডৰ অন্তৰ্গত বিদ্যালয়সমূহত কৰ্মৰত শিক্ষক আৰু অনা শিক্ষক কৰ্মচাৰীসকল বিগত দীৰ্ঘদিনৰ পৰা মাহেকৰ দৰমহা পোৱাত বিলম্ব হোৱাৰ অভিযোগ উত্থাপন হৈছে। উল্লেখ্য যে চৰকাৰী নিৰ্দেশমতে শিক্ষক-কৰ্মচাৰীসকলে মাহেকৰ ১০ তাৰিখৰ ভিতৰতে তেওঁলোকৰ প্ৰাপ্য দৰমহা পাব লাগে। কিন্তু হোজাই জিলাৰ লংকা প্ৰাথমিক শিক্ষাখণ্ডৰ চৰম হেমাহিৰ বাবে বিদ্যালয়সমূহৰ শিক্ষক-কৰ্মচাৰীসকলে সময়মতে প্ৰাপ্য দৰমহাকেইটা পাবলৈ সক্ষম নহয়। বিদ্যালয়সমূহৰ প্ৰধান শিক্ষকসকলে দৰমহাৰ বিল বনাই মাহৰ ২৫ তাৰিখৰ ভিতৰতে খণ্ড প্ৰাথমিক কাৰ্যালয়ত জমা দিয়ে যদিও খণ্ড কাৰ্যালয়ে বিলসমূহ কোষাগাৰত নিৰ্দিষ্ট সময়ত নিদিয়াৰ ফলতেই হাৰাশাস্তি ভোগ কৰি আহিছে কে'বা হাজাৰৰো অধিক শিক্ষক-কৰ্মচাৰীয়ে। বিশেষকৈ, বহুজন শিক্ষক-কৰ্মচাৰীয়ে দৰমহাৰ টকা কেইটাৰেই পৰিয়ালৰ ভৰণ-পোষণৰ লগতে প্ৰয়োজনীয় কাম কৰাৰ, পৰিকল্পনা কৰি থয়। ইপিনে, বহুজন শিক্ষকৰে বেংকত থকা ঋণৰ সময়মতে কিস্তি পৰিশোধ নকৰিলে অতিৰিক্ত ধন ভৰিবলগাত পৰে। যাৰ বাবে যথেষ্ট সমস্যাৰ সন্মুখীন হোৱাৰ অভিযোগ উঠিছে। এই ক্ষেত্ৰত, শিক্ষাখণ্ডটোৰ খণ্ড প্ৰাথমিক বিষয়াগৰাকীৰ লগতে দৰমহাৰ লগত জড়িত সংশ্লিষ্ট কৰ্মচাৰী পুনৰ চূড়ান্ত অমনোযোগিতা আৰু হেমাহিৰ অভিযোগ তুলি জিলা উপায়ুক্তৰ হস্তক্ষেপ দাবী কৰিছে শিক্ষক সমাজে।

## আজাদী কা অমৃত মহোৎসৱ উপলক্ষে ৰাইজ-আৰক্ষীৰ চাফাই অভিযান



অগ্ৰদূত বাৰ্তা

**হোজাই/যমুনামুখ ১১ আগষ্ট ঃ** স্বাধীনতাৰ 'অমৃত মহোৎসৱ' উপলক্ষে হোজাই জিলা প্ৰশাসনে ব্যাপক কাৰ্যসূচী হাতত লৈছে। সমান্তৰালভাৱে প্ৰশাসনৰ সহযোগত স্থানীয় বিভিন্ন দল-সংগঠনেও আয়োজন কৰিছে বিভিন্ন সজাগতামূলক কাৰ্যসূচী। কালিৰে পৰা হোজাই মোৱাঝাৰৰ সংযুক্ত যুৱ সচেতন মঞ্চই পাঁচদিনীয়াকৈ অমৃত মহোৎসৱ কাৰ্যসূচী হাতত লৈছে। প্ৰথমদিনাৰ কাৰ্যসূচী হিচাপে মোৱাঝাৰ বজাৰৰ লগতে ৰাজহুৱা স্থানত চাফাই অভিযান চলায়। সংগঠনটোৰ সভাপতি বিলালউদ্দিন, কাৰ্যকৰী সভাপতি মিনহাজউদ্দিন আৰু সাধাৰণ সম্পাদক নুৰউদ্দিনৰ তৎপৰতাত মোৱাঝাৰ থানাৰ আৰক্ষী বিষয়া থমাচ দলে স্থানীয় বিশিষ্ট সমাজ সেৱক, ব্যৱসায়ী আৰু স্কুলীয়া ছাত্ৰ-ছাত্ৰীয়ে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। হোজাই জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিষয়াদ্বয় চন্দনজ্যোতি বৰা আৰু দীপ বসুমতাৰী, মোৱাঝাৰ জাতীয় একাডেমী, জ্ঞানজ্যোতি একাডেমী আৰু গাইডেন্স ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলকে ধৰি কে'বাখনো স্কুলৰ ছাত্ৰই এই কাৰ্যসূচীত অংশ লয়। সজাগতামূলক ৰেলীৰ জৰিয়তে মোৱাঝাৰ বজাৰত প্লাষ্টিক বৰ্জনৰ আহ্বান জনায় ব্যৱসায়ীসকলক। ইফালে মানৱ অধিকাৰ সন্থাই মোৱাঝাৰ থানাত বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে।

## বিশ্বনাথ জিলাত 'স্বাস্থ্যবান শিশু বঁটা, ২০২২' বিতৰণী অনুষ্ঠান সম্পন্ন

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ১১ আগষ্ট ঃ** বিশ্বনাথ জিলা সমাজ কল্যাণ বিভাগৰ লগতে বিশ্বনাথ জিলা প্ৰশাসনৰ উদ্যোগত আজি 'স্বাস্থ্যবান শিশু বঁটা' বিতৰণী অনুষ্ঠান আয়োজন কৰা হয়। বিশ্বনাথ জিলাৰ সমাজ কল্যাণ বিভাগৰ অতিৰিক্ত উপায়ুক্তই বন্তি প্ৰজ্বলন কাৰ্যসূচীৰে আজিৰ এই অনুষ্ঠানটিৰ শুভাৰম্ভ কৰে। ইয়াৰ পাছতে তেওঁ সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি কয় যে সংহত শিশু উন্নয়ন প্ৰকল্পৰ মূল লক্ষ্য হৈছে— শিশুৰ পুষ্টিৰ উন্নতি জৰিয়তে সামাজিক সচেতনতা বৃদ্ধি কৰা আৰু গাঁওবাসীক অনুপ্ৰাণিত কৰা। এই সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনত হিতাধিকাৰ স্বাস্থ্যৰ অৱস্থা উন্নত কৰাৰ বাবেই মহিলা আৰু শিশু বিকাশ তথা সমাজ কল্যাণ বিভাগে ১৯৭৫ৰ পৰা জন্মৰ পৰা ছয় বছৰ বয়সৰ শিশু, গৰ্ভৱতী মহিলা আৰু স্তন্যদাত্ৰী মাতৃৰ বাবে ভিন্ন ধৰণৰ কাম কৰি আহিছে। সেয়েহে, সংহত শিশু বিকাশ আঁচনিৰ অন্তৰ্গত পোষণ অভিযানৰ জৰিয়তে 'স্বাস্থ্যবান শিশু বঁটা' প্ৰদানৰ দৰে এক ব্যতিক্ৰমী প্ৰয়াস হাতত লৈছে। যাৰ জৰিয়তে শিশু তথা প্ৰতিগৰাকী পিতৃ-মাতৃক অথবা অভিভাৱকক নিজৰ শিশুটি সুস্বাস্থ্যৰ অধিকাৰী কৰাবলৈ উৎসাহিত কৰা কিয়নো এই শিশুসকলেই হৈছে দেশৰ ভৱিষ্যৎ নাগৰিক। চলিত বৰ্ষৰ পৰা ৰাজ্য চৰকাৰে প্ৰতিটো লোকসভা সমষ্টিৰ পৰা অংগনৱাড়ী কেন্দ্ৰৰ জৰিয়তে মুঠ ২০ জনকৈ স্বাস্থ্যবান শিশু নিৰ্বাচিত কৰিছে। আজি তাৰেই অংশস্বৰূপ, বিশ্বনাথ জিলাৰ পৰা নিৰ্বাচন কৰা শিশু ক্ৰমে, অমৃতা খান্দোৱাল, মৌচুমী মুৰাৰি, অনিৰ্বাণ ফুকন, সঞ্জু প্ৰজা, আলিনা বৰা, নিখিল বাচোৱাৰ, বিদিশা বৰা, ভাগ্যবান ঘটোৱাৰ, লক্ষ্য প্ৰতিম বৰুৱা, জোনাক নন্দিনী শইকীয়া, নমিতা মুণ্ডা, আদৰীতি কলিতা আৰু বিশাল শৰ্মা আদি মুঠ ১৩ জনকৈ শিশুক এই স্বাস্থ্যবান শিশু বঁটা প্ৰদান কৰা হয়। ইয়াৰ উপৰি বিশ্বনাথ জিলাৰ ভাৰপ্ৰাপ্ত জিলা সমাজ কল্যাণ বিষয়াগৰাকীয়েও কয় যে শিশুসকল হ'ল আমাৰ দেশৰ ভৱিষ্যৎ সেয়েহে তেওঁলোকক স্বাস্থ্যবান কৰি ডাঙৰ-দীঘল কৰাটো আমাৰ প্ৰতিজন পিতৃ-মাতৃৰে দায়িত্ব। সভাখন আঁত ধৰে পোষণ অভিযানৰ জিলা সমন্বয়ক পৰীস্মিতা দত্তই। আজিৰ এই সভাত উপস্থিত আছিল বিশ্বনাথ জিলাৰ সমাজ কল্যাণ বিভাগৰ অতিৰিক্ত উপায়ুক্ত, জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক, ভাৰপ্ৰাপ্ত জিলা সমাজ কল্যাণ বিষয়া, চতিয়া, বাঘমাৰা, বিশ্বনাথ আৰু বিহালী শিশু উন্নয়ন প্ৰকল্প বিষয়া, মুখ্য সেৱিকাবৃন্দ, পোষণ অভিযান আৰু প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনাৰ কৰ্মচাৰী প্ৰমুখ্যে ভালেসংখ্যক অংগনৱাড়ী কৰ্মী আৰু শিশুৰ অভিভাৱকসকল।

## নাহৰকটীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ অধিবেশনৰ লাইখুঁটা স্থাপন



অগ্ৰদূত বাৰ্তা

**নাহৰকটীয়া, ১১ আগষ্ট ঃ** অহা ২২ আৰু ২৩ আগষ্টত বৰ্ণাঢ্য কাৰ্যসূচীৰে নাহৰকটীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ ত্ৰয়োবিংশতিতম সাধাৰণ অধিবেশন নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাংগণত অনুষ্ঠিত হ'ব। সেই উদ্দেশ্যে কালি নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত সম্পূৰ্ণ বৈষ্ণৱ পৰম্পৰাৰ মাজেদি 'অসমীয়া গাঁৱ'ৰ গায়ন-বায়নৰ দলে ঘাট মাৰি মেধিৰ আশীৰ্বাদেৰে অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি তথা নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ৰমেশ নাহৰ ডেকাৰ দ্বাৰা অধিৱেশনৰ লাইখুঁটা স্থাপন কৰা হয়। উল্লেখ্য যে জাতীয় অস্তিত্ব ৰক্ষা, আৰ্থ-সামাজিক তথা সাংস্কৃতিক ক্ষেত্ৰৰ অতন্দ্ৰ প্ৰহৰী স্বৰূপ সদৌ অসম ছাত্ৰ সন্থাৰ এক বলিষ্ঠ আৰু অন্যতম সক্ৰিয় গোটৰূপে পৰিগণিত নাহৰকটীয়া আঞ্চলিক ছাত্ৰ সন্থা। নাহৰকটীয়া আঞ্চলিক ছাত্ৰ সন্থাই জন্মলগ্নৰ পৰাই অসম আৰু অসমীয়াৰ জাতীয় জীৱনত উদ্ভৱ হোৱা জ্বলন্ত সমস্যাৰ পৰা সংকট মোচন, জাতীয় স্বাৰ্থ ৰক্ষা আৰু জাতীয় জীৱনৰ সৰ্বাংগীণ উন্নতিকল্পে আপোচবিহীনভাৱে সংগ্ৰাম চলাই দেশমাতৃৰ প্ৰতি সেৱা আগবঢ়াই আহিছে। গতিকে এই প্ৰচেষ্টাৰ ধাৰাবাহিকতা বৰ্তাই ৰাখিবলৈ অনুষ্ঠিত হ'বলগীয়া আছুৰ নাহৰকটীয়া আঞ্চলিকৰ এই অধিবেশনখন সাফল্যমণ্ডিত কৰিবলৈ আজিৰ এই লাইখুঁটা স্থাপন কাৰ্যসূচীত নাহৰকটীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক প্ৰাঞ্জল প্ৰতীম গগৈ, সদৌ অসম ছাত্ৰ সন্থাৰ সাংস্কৃতিক সম্পাদক তচেন ডেকা, সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ মুখ্য সাংগঠনিক সম্পাদক বিতোপন গগৈ, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ নাহৰকটীয়া আঞ্চলিকৰ সভাপতি নেপ'লিয়ন বৰুৱা, সদৌ ডিব্ৰুগড় জিলা গোৰ্খা ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক পুষ্কৰ শৰ্মা, তাই আহোম যুৱ পৰিষদৰ চিন্তামণি কোঁৱৰ, আদিবাসী ছাত্ৰ সন্থাৰ মিখেল পুৰ্তী, আটছাৰ গোবিন কুমাৰ, সমাজকৰ্মী মৃদুল গায়ন, নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষাগুৰু নাহৰকটীয়া নতুন উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বিশ্বমোহন চুতীয়াকে ধৰি আছুৰ বিষয়ববীয়া সদস্য আৰু বিভিন্ন দল-সংগঠনৰ বিষয়ববীয়া, জ্যেষ্ঠ সাংবাদিক সীমান্ত ভাগৱতী আদি উপস্থিত থাকে।

## এতিয়াও নাই খাদ্য সুৰক্ষা-প্ৰধানমন্ত্ৰী গৰিৱ কল্যাণ আঁচনিৰ পৰিবহণ-কমিছনৰ ধন

**■ অতি শীঘ্ৰে মোকলাই দিবলৈ চৰকাৰৰ ওচৰত দাবী বিটিচি সমবায় সন্থাৰ**

অগ্ৰদূত বাৰ্তা

**টংলা, ১১ আগষ্ট ঃ** 'চৰকাৰৰ দুমুখীয়া নীতিৰ বাবে ওদালগুৰি জিলা সমবায় সন্থাৰ অন্তৰ্ভুক্ত গাঁও পঞ্চায়ত পৰ্যায়ৰ সমবায়সমূহৰ এতিয়া পানীত হাঁহ নচৰা অৱস্থা হৈছে। ৰাজ্য চৰকাৰে সমবায় সমূহলৈ প্ৰতিদিনে নতুন নতুন নিৰ্দেশনা দি সমবায় সবলীকৰণৰ প্ৰচেষ্টা হাতত লৈ জনসাধাৰণৰ মাজত ঢাক-ঢোল বজাই বাহ বাহ লৈছে আৰু ইয়াৰ বিপৰীতে সমবায়সমূহে বছৰ বছৰ ধৰি খাদ্য সুৰক্ষা আৰু প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ আঁচনিৰ নামত পাবলগীয়া কোটি কোটি টকা মোকলাই নিদি সমবায়সমূহক মৃত্যুৰ মুখলৈ আগবঢ়াই দিছে।' ১০ আগষ্টত ওদালগুৰি জিলাৰ মাজবাট পশু চিকিৎসালয়ৰ চৌহদত থকা অতিথিশালাত অনুষ্ঠিত কৰা সংবাদমেলত এইদৰে চৰকাৰৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ উজাৰে বিটিচি সমবায় সন্থাৰ সভাপতি ভূমিধৰ ৰাভাই। তেওঁ আৰু কয় যে পূৰ্বতে সমবায় সমূহে খাদ্য সুৰক্ষা আৰু প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ আঁচনিৰ নামত ভাৰতীয় খাদ্য নিগমৰ পৰা চাউলসমূহ আনি বিতৰণ কৰাৰ বাবে চৰকাৰে পৰিবহণ আৰু কমিচনৰ বাবদ ১৩৬ টকাকৈ সমবায়সমূহক দিছিল যদিও। পৰিতাপৰ কথা যে সম্প্ৰতি সেয়া কৰ্তন কৰি মাত্ৰ ১২৬ আৰু ১০০ টকা কৰিছে। দুৰ্ভাগ্যবশতঃ সেই নিম্নমানৰ পৰিবহণ আৰু কমিচনৰ বাবদ পাবলগীয়া টকা কেইটাও সময়মতে চৰকাৰে সমবায়সমূহক পৰিশোধ নকৰে। যাৰ ফলত ওদালগুৰি জিলাৰ অন্তৰ্গত সমবায়সমূহে অস্থায়ী ঋণ লৈ লৈ এতিয়া পানীত হাঁহ নচৰা অৱস্থা হৈছে।

ইফালে, বিটিচিৰ পাঁচখন জিলাৰ ভিতৰত কোকৰাঝাৰ, চিৰাং, বাগ্‌সা আৰু তামুলপুৰ জিলাৰ অন্তৰ্গত সমবায়সমূহক পৰিবহণ আৰু কমিচনৰ বাবদ পাবলগীয়া টকাসমূহ কোনোধৰণৰ জিএছটি পৰিশোধ নকৰাকৈ মোকলাই দিয়াৰ পৰিৱৰ্তে মাত্ৰ ওদালগুৰি জিলাৰ অন্তৰ্গত সমবায় সমূহৰ পৰা পৰিবহণ আৰু কমিচনৰ বাবদ পাবলগীয়া টকা কেইটাৰ পৰা জিএছটি কৰ্তন কৰা হ'ব বুলি জানিব পাৰি সংবাদমেলত তীব্ৰ ক্ষোভ প্ৰকাশ কৰে সভাপতিজনে। এই ক্ষেত্ৰত অসম চৰকাৰৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু বিটিআৰ প্ৰধান প্ৰমোদ বড়োৰ ওচৰত সমবায় সমূহৰ পৰিবহণ আৰু কমিচনৰ বাবদ পাবলগীয়া টকা কেইটাৰ ওপৰত যাতে কোনোধৰণৰ জিএছটি কৰ্তন কৰা নহয় তাৰ বাবেও অনুৰোধ জনায়।

## ভৱানীপুৰ সমষ্টিত বিজেপিৰ যুৱ মৰ্চাৰ ত্ৰিৰংগা যাত্ৰা

**পাঠশালা, ১১ আগষ্ট ঃ** ভাৰতবৰ্ষৰ ৭৫ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে দেশজুৰি পালন হৈ থকা আজাদী কা অমৃত মহোৎসৱৰ স'তে সংগতি ৰাখি পৰহি বিজেপিৰ যুৱ মৰ্চাৰ ভৱানীপুৰ মণ্ডল আৰু উত্তৰ ভৱানীপুৰ মণ্ডল সমিতিৰ উদ্যোগত ভৱানীপুৰৰ পৰা শালবাৰীলৈ উলিওৱা হয় ত্ৰিৰংগা যাত্ৰা কাৰ্যসূচী। উক্ত কাৰ্যসূচীত অংশগ্ৰহণ কৰে ভৱানীপুৰ মণ্ডল যুৱ মৰ্চাৰ সভাপতি গৌতম কলিতা, উত্তৰ ভৱানীপুৰ মণ্ডলৰ সভাপতি হিমাংশু কলিতা, বিজেপিৰ ভৱানীপুৰ মণ্ডল সমিতিৰ সভাপতি মামণি পাটগিৰি, উত্তৰ ভৱানীপুৰ মণ্ডল সমিতিৰ সভাপতি সঞ্জীৱ নাথ, ভৱানীপুৰ আঞ্চলিক পঞ্চায়তৰ সভাপতি বুদ্ধদেৱ পাটগিৰিৰ লগতে যুৱ মৰ্চাৰ সকলো স্তৰৰ কাৰ্যকৰ্তা সকলে। বিজেপিৰ ভৱানীপুৰ মণ্ডল কাৰ্যালয়ৰ পৰা শালবাৰীলৈকে কৰা এই তিৰংগা যাত্ৰাত মটৰ চাইকেলেৰে বিজেপিৰ বহুসংখ্যক নেতা-কৰ্মীয়ে সমদল কৰে।

## ফুতুৰীপাৰাত সজাগতা সমদল

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১১ আগষ্ট ঃ** আজাদী কা অমৃত মহোৎসৱ উপলক্ষে 'ঘৰে ঘৰে ত্ৰিৰংগা'ক সফল কৰাৰ লক্ষ্যৰে কালি গোৱালপাৰা চহৰৰ নিকটৱৰ্তী ফুতুৰীপাৰাত সজাগতা সমদল উলিওৱা হয়। অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনস্থ তথা মাটিয়া খণ্ড গ্ৰামীণ জীৱিকা অভিযানৰ অন্তৰ্গত হাৰিমূৰা গাঁও পঞ্চায়তৰ ফুটুৰীপাৰাত 'কনকলতা মহিলা গ্ৰাম্য সংগঠন'ৰ অধীনস্থ মহিলা আত্মসহায়ক গোটৰ সদস্যাসকলে হাতে হাতে ৰাষ্ট্ৰীয় পতাকা লৈ গাঁওখনত এক সজাগতা সমদল উলিয়ায়। 'স্বাধীনতা দিৱস পালন কৰক, হৰ ঘৰ ত্ৰিৰংগা সফল কৰক' আদি শ্ল'গান দি গাঁওখনত সজাগতা সৃষ্টি কৰা দেখা পোৱা যায়। সজাগতা সমদলটোৰ নেতৃত্ব দিয়ে জীৱিকা সখী মৰমী সূত্ৰধৰে আৰু পশু সখী ললিতা সূত্ৰধৰ।

## হোজাইত ১৩ আগষ্টত ৰাষ্ট্ৰীয় লোক আদালত

অগ্ৰদূত বাৰ্তা

**যমুনামুখ ১১ আগষ্ট ঃ** অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণ, গুৱাহাটীৰ নিৰ্দেশত হোজাই জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত হোজাই জিলাৰ শংকৰদেৱ নগৰত অহা ১৩ আগষ্টত ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন কৰা হৈছে। উক্ত ৰাষ্ট্ৰীয় লোক আদালতৰ জৰিয়তে ন্যায়িক আদালতত আপোচযোগ্য বিভিন্ন গোচৰ যেনে ফৌজদাৰী গোচৰ, দেৱানী গোচৰ, পাৰিবাৰিক গোচৰ, মটৰ দুৰ্ঘটনা দাবী ন্যায়াধিকৰণৰ গোচৰ, চেক বাউন্স গোচৰ, ৰাজহ সংক্ৰান্তীয় গোচৰ আদিৰ ব্যয়হীন খৰতকীয়া নিষ্পত্তিৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ উপৰি বেংকৰ লেনদেন, ঋণ সম্বন্ধীয় গোচৰ, টেলিফোন বিল, বিজুলী মাচুল, আদালত সম্বন্ধীয় বিবাদসমূহ নিষ্পত্তিকৰণৰ ব্যৱস্থা কৰা হৈছে। ৰাইজৰ সুবিধাৰ্থে উক্ত গোচৰসমূহৰ আগতীয়া শুনানিকৰণৰ ব্যৱস্থা কৰা হৈছে। সেয়েহে ১৩ আগষ্ট, ২০২২ শনিবাৰে অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় লোক আদালতত ৰাইজৰ সহযোগিতা কামনা কৰিছে জিলা আইন সেৱা প্ৰাধিকৰণে।



বৰভাগৰ পাণ্ডুলাত হৰ ঘৰ ত্ৰিৰংগা কাৰ্যসূচীৰ সজাগতামূলক সমদল।

## কোকৰাঝাৰৰ জীয়ৰীৰ আইআইটি গান্ধীনগৰত স্থান লাভ ঃ উৎফুল্লিত পিতৃ-মাতৃ

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ১১ আগষ্ট ঃ** কোকৰাঝাৰ ন নম্বৰ ৱাৰ্ডৰ নিবাসী তথা কোকৰাঝাৰ লোকনিৰ্মাণ বিভাগৰ বিল্ডিং ডিভিজনৰ সহকাৰী কাৰ্যবাহী অভিযন্তা শৈকেট দত্ত আৰু তপতী দত্তৰ জীয়ৰী শ্ৰেতা দত্তই গুজৰাট গান্ধীনগৰৰ ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানত আইআইটি এমটেকৰ সহ ইন্টিগ্ৰেটেড পিএইছডি কৰিবলৈ নিৰ্বাচিত হোৱাত শ্ৰেতাৰ গৃহত আনন্দৰ বন্যা বৈছে। যোৱা কালি কোকৰাঝাৰত শ্ৰেতা দত্তৰ পিতৃ তথা কাৰ্যবাহী অভিযন্তা শৈকেট দত্তই জীয়ৰীৰ সফলতাৰ বিষয়ে সংবাদমাধ্যমৰ আগত অৱগত কৰে। তেওঁলোকৰ দুহিতা হাইস্কুলীয়া শিক্ষা কোকৰাঝাৰৰ বিপিচিএমত, উচ্চতৰ মাধ্যমিক গুৱাহাটীৰ এনপিএছত আৰু অসম ইঞ্জিনিয়াৰিং কলেজৰ পৰা চিভিল ইঞ্জিনিয়াৰিং উত্তীৰ্ণ হয়। চিভিল ইঞ্জিনিয়াৰিং বিষয়ত বিশ্ববিদ্যালয়ৰ ভিতৰতে শীৰ্ষস্থান দখল কৰা বুলি সদৰী কৰিছে শৈকেট দত্তই। ইয়াৰ পিছতে শ্ৰেতা দত্তই গুজৰাট গান্ধীনগৰৰ ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানত আইআইটিত ইন্টিগ্ৰেটেড পিএইছডি আৰু এমটেক কৰিবলৈ সুযোগ লাভ কৰাত সম্প্ৰতি প্ৰতিষ্ঠানখনত নামভৰ্তি কৰিছে আৰু বৰ্তমান তাতেই অধ্যয়নৰত বুলি সদৰী কৰিছে

## সম্বৰ্ধনা অনুষ্ঠান কাৰ্যসূচী সম্পন্ন

অগ্ৰদূত বাৰ্তা


**হাজো, ১১ আগষ্ট ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত ধোপৰগুৰিত এক নম্বৰ হাজো সমবায় সমিতি লিমিটেডৰ উদ্যোগত স্বাধীনতাৰ ৭৫ সংখ্যক বৰ্ষপূতি উপলক্ষে এখন সজাগতা সভা সম্পন্ন কৰা হৈছে। সভাত স্বাধীনতাৰ ৭৫ টা বছৰ উপলক্ষে এক স্বদেশপ্ৰেমমূলক বিষয়ৰ ওপৰত আলোকপাত কৰা হয়। তদুপৰি এইবেলি স্বাধীনতা দিৱসত তিনিদিনীয়াকৈ ঘৰে ঘৰে ত্ৰিৰংগা পতাকা উত্তোলনৰ সংকল্পৰে সমগ্ৰ হাজো সমষ্টিৰে প্ৰতিটো পৰিয়াল, শিক্ষানুষ্ঠান, চৰকাৰী-বেচৰকাৰী কাৰ্যালয়কে ধৰি সকলো অনুষ্ঠানতে জাতীয় পতাকা উত্তোলন কৰিবলৈ পৰহিৰ সভাতেই আহ্বান জনায়। লগতে পৰহিৰ সভাত সমবায় এজেণ্টসকলৰ মাজত বুজন পৰিমাণৰ পতাকা উচিত মূল্যত প্ৰদান কৰা হয়। পৰৱৰ্তী পৰ্যায়ত আকৌ এজেণ্টসকলে গ্ৰাহকৰ মাজত পতাকাসমূহ বিক্ৰীৰ ব্যৱস্থা কৰিব বুলিওঁ কালিৰ সভাৰ জৰিয়তে জানিবলৈ দিয়ে। সমান্তৰালভাৱে আজিৰ সভাত এক নম্বৰ হাজো গাঁও পঞ্চায়ত সমবায় সমিতি লিমিটেডৰ নৱনিৰ্বাচিত সভাপতি ৰণেন কুমাৰ দাস আৰু উপ-সভাপতি নন্দেশ্বৰ মালাকৰক সম্বৰ্ধনা জনোৱা হয়। আৰু আগন্তুক কাৰ্যাকালত নিজৰ দায়িত্ব সুচাৰুৰূপে পালন কৰি যাব বুলিওঁ উল্লেখ কৰে নৱ-নিৰ্বাচিত সভাপতি ৰণেন কুমাৰ দাস, আৰু উপ-সভাপতি নন্দেশ্বৰ মালাকৰে।

## মৰাণৰ বিধায়ক গগৈয়ে কৰিলে আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ উদ্বোধন

অগ্ৰদূত বাৰ্তা

**মৰাণ, ১১ আগষ্ট ঃ** ডিব্ৰুগড় জিলাৰ মৰাণ সমষ্টিৰ অন্তৰ্গত তিলৈজানত অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগৰ দ্বাৰা নিৰ্মাণ কৰা প্ৰায় ২৫ লাখ টকাৰ ব্যয়ৰে সাজি উলিওৱা তিলৈজান মুণ্ডালাইন আদৰ্শ অংগনৱাড়ী কেন্দ্ৰটো কালি উদ্বোধন কৰে মৰাণ বিধানসভা সমষ্টিৰ বিধায়ক চক্ৰধৰ গগৈয়ে। উদ্বোধন কাৰ্যসূচীত খণ্ড উন্নয়ন বিষয়া, পঞ্চায়তৰ সভানেত্ৰীৰ লগতে কে'বাগৰাকী বিষয়া উপস্থিত থাকে। এই আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ উদ্বোধন কৰি বিধায়কজনে এই কেন্দ্ৰৰ যোগেদি অঞ্চলটোৰ শিশুসকল সু-নাগৰিক হোৱাত সহায় কৰিব বুলি আশা প্ৰকাশ কৰে।

## আজাদী কা অমৃত মহোৎসৱ উপলক্ষে গোৱালপাৰাত আৰক্ষী-চিআৰপিএফৰ সজাগতা সমদল



অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১১ আগষ্ট ঃ** আজাদী কা অমৃত মহোৎসৱ উপলক্ষে গোৱালপাৰাত কালি আৰক্ষী প্ৰশাসনে সজাগতা পদযাত্ৰা উলিয়ায়। গোৱালপাৰা চহৰৰ বেলতলাস্থিত আৰক্ষী ছাউনীৰ পৰা বিঅ'চিলৈ উলিওৱা বিশাল পদযাত্ৰাৰ পতাকা জোকাৰি শুভ উদ্বোধন কৰে অতিৰিক্ত উপায়ুক্ত ৰঞ্জিত কোঁৱৰ আৰু অতিৰিক্ত আৰক্ষী অধীক্ষক পাহাৰী কোঁৱৰে। পদযাত্ৰাৰ জৰিয়তে আজাদী কা অমৃত মহোৎসৱ উপলক্ষে অহা ১৩ৰ পৰা ১৫ আগষ্ট লৈ ঘৰে ঘৰে ত্ৰিৰংগা উৰুৱাবলৈ আহ্বান জনায়। ইপিনে গোৱালপাৰাৰ শাস্ত্ৰীনগৰস্থিত ১৫২ নম্বৰ চিআৰপিএফৰ উদ্যোগত সজাগতা সমদল উলিওৱা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই গোৱালপাৰাত আজি ত্ৰিৰংগা পতাকা চিআৰপিএফৰ ১৫২ নম্বৰ বেটেলিয়নে এক সমদল উলিয়ায়। হাতে হাতে ত্ৰিৰংগা লৈ দেশ-প্ৰেমমূলক গীতেৰে উলিওৱা সমদলে সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। শাস্ত্ৰীনগৰৰ পৰা উলিওৱা বিশাল সমদলৰ উদ্বোধন কৰে চিআৰপিএফৰ কমাণ্ডেণ্ট দেৱ শংকৰ মিশ্ৰই। চিআৰপিএফৰ জোৱানসকলে অংশগ্ৰহণ কৰা সজাগতা সমদলৰ জৰিয়তে অহা ১৩ৰ পৰা ১৫আগষ্ট লৈ প্ৰতি ঘৰত ত্ৰিৰংগা উৰুৱাবলৈ আহ্বান জনায়।

## পৰ্বতঝোৰাত স্বাধীনতা দিৱসৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**বগৰীবাৰী, ১১ আগষ্ট ঃ** কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ মহকুমাধিপতি কাৰ্যালয়ত কালি সমাগত স্বাধীনতা দিৱস উদ্‌যাপন সম্পৰ্কীয় এখন সভা অনুষ্ঠিত হয়। কোকৰাঝাৰ জিলাৰ অতিৰিক্ত উপায়ুক্ত তথা পৰ্বতঝোৰা মহকুমাৰ ভাৰপ্ৰাপ্ত মহকুমাধিপতি অনছুলা বসুমতাৰীৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত স্বাধীনতা দিৱস যাতে সুকলমে অনুষ্ঠিত হয়, সেই সম্পৰ্কে আলোচনা কৰা হয়। প্ৰতিটো বিভাগৰ বিষয়া-কৰ্মচাৰীসকলক নিজা নিজা দায়িত্ব সুকলমে পালন কৰিবলৈ তেওঁ আহ্বান জনায়। উল্লেখ্য যে বিগত বছৰবোৰত কাজিগাঁও এম ভি স্কুল খেলপথাৰত এই অনুষ্ঠান অনুষ্ঠিত হৈছিল যদিও এইবাৰ কাজিগাঁও গাৰোপাৰা ইউথ স্প'ৰ্ট ক্লাব খেলপথাৰত অনুষ্ঠিত হ'ব। অনুষ্ঠানত বড়ো, ৰাভা, গাৰো, আদিবাসী আদি জনগোষ্ঠীৰ সাংস্কৃতিক দলে অংশগ্ৰহণ কৰাৰ উপৰি বিহুদলেও নিজা কাৰ্যসূচী পৰিবেশন কৰিব। ইয়াৰ উপৰি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন আৰু ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। 'ক' শাখাত ষষ্ঠৰ পৰা অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত 'মোৰ দৃষ্টিত স্বাধীনতা দিৱস' (১০০ৰ পৰা ১৫০ শব্দৰ ভিতৰত) আৰু 'খ' শাখাত নৱমৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত 'ভাৰতৰ স্বাধীনতা সংগ্ৰামীৰ অৱদান' (২০০ৰ পৰা ২৫০ শব্দৰ ভিতৰত) বিষয়বস্তু নিৰ্ধাৰণ কৰা হৈছে। ঠিক তেনেদৰে চিত্ৰাংকন প্ৰতিযোগিতাও দুটা শাখাত অনুষ্ঠিত হ'ব। 'ক' শাখা (ষষ্ঠৰ পৰা অষ্টম মান)ৰ বিষয়বস্তু 'ভাৰতৰ জাতীয় পতাকা' আৰু 'খ' শাখা (নৱমৰ পৰা দ্বাদশ)ৰ বিষয়বস্তু 'ভাৰতৰ এগৰাকী স্বাধীনতা সংগ্ৰামী'। লগতে মহকুমাটোৰ ভিতৰত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত সৰ্বোচ্চ নম্বৰ লাভ কৰা তিনিগৰাকীকৈ মুঠ ছয়গৰাকী ছাত্ৰ-ছাত্ৰীক পুৰস্কৃত কৰা হ'ব।

## বিদায় সম্বৰ্ধনা সভাত শিক্ষক সুনীল কুমাৰ শইকীয়াৰ ব্যতিক্ৰমী গ্ৰন্থ উন্মোচন

অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ১১ আগষ্ট ঃ** নিজৰ বিদায় সভাত এখন ব্যতিক্ৰমী কাব্যগ্ৰন্থ উন্মোচন কৰিলে যোৰহাটৰ শিশু সাহিত্যিক তথা শিক্ষক সুনীল কুমাৰ শইকীয়াই। 'বিয়লি বেলাৰ বতৰা' নামৰ গ্ৰন্থখনত সন্নিৱিষ্ট ৬০ টা কবিতাৰ প্ৰতিটো শব্দক গঢ়া হৈছে তিনিটা আখৰেই। ৩৭ নম্বৰ ৰাজহাউলী গাঁও পঞ্চায়তৰ সভানেত্ৰী যমুনা দাসৰ সভাপতিত্বত যোৰহাটৰ জানখনা মধ্য ইংৰাজী বিদ্যালয়ত ছয় আগষ্টত অনুষ্ঠিত সভাত গ্ৰন্থখন উন্মোচন কৰে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ লগতে উপস্থিত লোকসকলে। বিদ্যালয়ৰ প্ৰধান শিক্ষক তৰুণ চন্দ্ৰ দাসে আঁত ধৰা সভাত ভাষাবিদ ড° বসন্ত কুমাৰ গোস্বামী, অতিৰিক্ত আয়ুক্ত হৰেকৃষ্ণ ডেকা, ভাৰপ্ৰাপ্ত খণ্ড প্ৰাথমিক শিক্ষা বিষয়া বিজুমণি নেওগ, জিলা আঁচনি বিষয়া পৰশ গোস্বামী, উচ্চ গাণনিক বিষয়া ৰুবুল বৰা প্ৰমুখ্যে বিভিন্নজনে অংশগ্ৰহণ কৰে। অনুষ্ঠানত বিদায়ী শিক্ষকজনক ফুলাম গামোচা, ফুলৰ থোপা, সঁফুৰা, চন্দন পুলি, সম্বৰ্ধন পত্ৰৰে ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, মাতৃ গোটৰ লগতে বিভিন্ন অনুষ্ঠান আৰু ব্যক্তিয়ে সম্বৰ্ধনা জনায়। অনুষ্ঠানত সদৌ অসম মধ্য ইংৰাজী শিক্ষক সন্থাৰ সভাপতি ৰণজিৎ কুমাৰ বৰা, যোৰহাট জিলা কৰ্মচাৰী সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি জীৱকান্ত বৰা, উপ-সভাপতি প্ৰশান্ত শইকীয়া, যোৰহাট জিলা মধ্য ইংৰাজী শিক্ষক সন্থাৰ সভাপতি বিপুল হাজৰিকা, সম্পাদক হেমন্ত বৰুৱা, শিশু বন্ধু দেবেন বৰা, তৰুণ দাস, গুণেশ্বৰ দাস, জুবিন দাস, প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক মাধৱ দত্তৰ সহধৰ্মিণী প্ৰমুখ্যে বিভিন্নজনে অংশগ্ৰহণ কৰে।

**■ নিশা অত্যধিক প্ৰদূষিত গেছ এৰাৰ ফলত নিদ্ৰাহৰণ কচুপথাৰবাসীৰ**

## খুমটাই-কচুপথাৰত এনআৰএলৰ প্ৰদূষিত বায়ুৰ বাবে মানৱ জীৱনলৈ আহিছে ভাবুকি

অগ্ৰদূত বাৰ্তা

**খুমটাই, ১১ আগষ্ট ঃ** গোলাঘাট জিলাৰ নুমলীগড়ত ৮৫৫জন ছহিদৰ ত্যাগৰ বিনিময়ত লাভ কৰা অসমৰ চতুৰ্থটো তেল শোধনাগাৰ হৈছে নুমলীগড় তেল শোধনাগাৰ। এই তেল শোধনাগাৰটোৰ কতৃপক্ষই সম্প্ৰতি প্ৰদূষিত গেছ বায়ুমণ্ডলত বেছিকৈ এৰি দিয়াত শোধনাগাৰটোৰ পশ্চিম দিশত থকা খুমটাই, কচুপথাৰ, ঠেঙাল, গেলেকীয়াল, কমাৰগাঁও, বৰুৱাগাঁও আদি অঞ্চলকে ধৰি বহু কেইটা অঞ্চলৰ ৰাইজে জীয়াতু ভুগি আহিছে। উল্লেখ যে বিগত এটা সপ্তাহ ধৰি নিশা ১২ বজাৰ পাছত শোধনাগাৰ কৰ্তৃপক্ষই অত্যধিক প্ৰদূষিত গেছ বায়ুমণ্ডলত এৰি দিয়াৰ ফলত উক্ত অঞ্চলকেইটাৰ



শিশুৰ পৰা বৃদ্ধলৈকে শ্বাস প্ৰশ্বাসৰ সমস্যাত পৰে। উক্ত গেছৰ উৎকট গোন্ধত বহু লোকৰ মূৰৰ বিষ, বমি, কাহ আদি পৰ্যন্ত হৈছে। তাৎপৰ্যপূৰ্ণ বিষয় যে বৰ্তমানে খুমটাই, কচুপথাৰকে আদি কৰি অঞ্চল সমূহত নুমলীগড় শোধনাগাৰৰ প্ৰদূষিত গেছ বায়ুমণ্ডলত মিহলি হৈ যোৱাৰ ফলত কৃষকসকলে কোনো ধৰণৰ খেতি-বাটি কৰি সফল হ'ব পৰা নাই। খুমটাইকে আদি কৰি ইয়াৰ দাঁতিকাষৰীয়া অঞ্চল সমূহত মুগা পালন, এৰি পালনৰ এটা সময়ত উভৈনদী আছিল যদিও সম্প্ৰতি একাংশ কৃষকে মুগা পালনৰ বাবে চোম গছ ৰোপণ কৰি মুগা, এড়ি পালন কৰি আছিল যদিও শোধনাগাৰৰ পৰা নিৰ্গত হোৱা দুৰ্গন্ধময় বায়ুৰ প্ৰভাৱত মুগাৰ লগতে চোম গছ সমূহ নিঃশেষ হৈছে। ইয়াৰ উপৰি প্ৰতিদিনাই পুৱা আৰু নিশাৰ ভাগত শোধনাগাৰটোৰ পৰা নিৰ্গত হোৱা প্ৰদূষিত গেছ বায়ুমণ্ডলত মিহলি হৈ মানৱ দেহত ক্ৰিয়া কৰাত অঞ্চলটোৰ ৰাইজে জীয়াতু ভুগিছে। আনহাতে শীঘ্ৰেই যদিহে নুমলীগড় তেল শোধনাগাৰ কৰ্তৃপক্ষই শোধনাগাৰটোৰ পশ্চিম দিশত থকা খুমটাই, কচুপথাৰ আদি কৰি অঞ্চলসমূহত প্ৰদূষিত গেছ বায়ুমণ্ডলত এৰি দিয়াৰ বন্ধ নকৰে, তেনেহ'লে উক্ত অঞ্চলসমূহৰ ৰাইজে একত্ৰিত হৈ গণতান্ত্ৰিক আন্দোলন কৰাৰ হুংকাৰ দিছে।

## অলিম্পিকত কৃতিত্ব দেখুওৱা খেলুৱৈক মুছলপুৰত সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ১১ আগষ্ট ঃ** বাগ্‌সা জিলাৰ স্বেচ্ছাসেৱী সংগঠন নিজৰা ফাউণ্ডেছন আৰু বাগ্‌সা জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত বাথৌপুৰি ক্ৰীড়া প্ৰকল্পত অলপতে গুৱাহাটীত অনুষ্ঠিত অসম যুৱ অলিম্পিকত অংশ লৈ কৃতিত্ব অৰ্জন কৰা খেলুৱৈসকলক কালি সম্বৰ্ধনা জনোৱা হয়। নিজৰা ফাউণ্ডেছনৰ সভাপতি সুনীল বাণ্ডো আৰু সম্পাদক ৰিংকুমণি ৰয়ে জনোৱা মতে সম্বৰ্ধনা অনুষ্ঠানত অলিম্পিকত কাবাদীত সোণৰ মেডেল পোৱা নগৰাকী ছোৱালীক, আৰ্চাৰীত সোণৰ মেডেল পোৱা এগৰাকীক, উচুত সোণৰ মেডেল পোৱা এগৰাকী ছোৱালীক, হেণ্ডবলত সোণৰ মেডেল পোৱা ১২ জন ল'ৰাক, আৰ্চাৰীত ব্ৰঞ্জৰ মেডেল পোৱা এজন ল'ৰাক, উচুত ব্ৰঞ্জৰ মেডেল পোৱা সাত ল'ৰা-ছোৱালীক সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা অনুষ্ঠানত নিজৰা ফাউণ্ডেছনৰ সভাপতি-সম্পাদকৰ লগতে জিলা উপায়ুক্ত, আৰক্ষী অধীক্ষক, বাগ্‌সা জিলা ক্ৰীড়া বিষয়াৰ লগতে অন্যান্য বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## ‘হৰ ঘৰ ত্ৰিৰংগা’ কাৰ্যসূচীৰ সজাগতাৰ বাবে কামৰূপ

১২ পৃষ্ঠাৰ পৰা জিলাখনৰ বহুসংখ্যক আৰক্ষীৰ লোকে ভাগ লোৱাৰ উপৰি জিলা উপায়ুক্ত কীৰ্তি জল্লী, আৰক্ষী অধীক্ষক হিতেশ চন্দ্ৰ ৰায়, অতিৰিক্ত আৰক্ষী অধীক্ষক আচিফ আহমেদ, ৰঙিয়া মহকুমাৰ মহকুমাধিপতি জাৱীৰ ৰাহুল সুৰেশেও অংশগ্ৰহণ কৰি জনসাধাৰণক কাৰ্যসূচীত স্বতঃস্ফূৰ্তভাৱে অংশগ্ৰহণ কৰি সফল কৰি তোলাৰ বাবে আহ্বান জনায়।

## স্বাধীনতা দিৱসৰ প্ৰাক্‌মুহূৰ্তত

১২ পৃষ্ঠাৰ পৰা ঘৰে ঘৰে জাতীয় পতাকা উত্তোলন কৰাৰ আহ্বান জনোৱা হৈছে। স্বাধীনতা দিৱসৰ আগে-পাছে যাতে কোনো কূটাঘাতকাৰীয়ে কোনো দুষ্কৰ্ম কৰিব নোৱাৰে তাৰ বাবে কৃষ্ণাই আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া পল লাল হিমচনৰ নেতৃত্বত এদল আৰক্ষীয়ে অসম-মেঘালয় সীমান্তৱৰ্তী অঞ্চলত দিনে-নিশাই চোকা দৃষ্টি ৰাখিছে। ৰাষ্ট্ৰীয় পথসমূহত যানবাহন ৰখাই তীক্ষ্ণভাৱে তালাচী চলোৱা হৈছে।

## মাজুলী জিলা প্ৰশাসনৰ তৰফৰ

১২ পৃষ্ঠাৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰে। সম্বৰ্ধনা কালত মাজুলী খণ্ড প্ৰাথমিক শিক্ষা বিষয়া সৌৰভ ফুকন উপস্থিত থাকে। স্বাধীনতা দিৱসৰ প্ৰাকক্ষণত চৰকাৰ তথা জিলা প্ৰশাসনে এনে ধৰণে ঘৰে ঘৰে মুক্তিযোদ্ধা/মুক্তিযোদ্ধা পৰিয়ালক সম্বৰ্ধনা জনোৱা কাৰ্যক পৰিয়ালসমূহে সন্তোষ প্ৰকাশ কৰে। উল্লেখ্য যে মুক্তিযোদ্ধা প্ৰয়াত দেউৰাম দত্তৰ ভাৰ্যা, জ্যেষ্ঠ পুত্ৰ আৰু কনিষ্ঠ পুত্ৰ যোৰহাটত থকাৰ লগতে মাজুলী দক্ষিণপাটত থকা শালমৰা মৌজাৰ মৌজাদাৰ মাজুপুত্ৰ ফণীধৰ দত্তৰ হৈ তেওঁৰ কনিষ্ঠ পুত্ৰ বোৱাৰীক এই সম্বৰ্ধনা জনোৱা হয়। স্বাস্থ্যজনিত কাৰণত মৌজাদাৰ পত্নীসহ ৰাজ্যৰ বাহিৰত আছে বুলি সদৰী কৰে।

## জুৰীয়াত আটক চাৰি ড্ৰাগছ সৰবৰাহকাৰী

অগ্ৰদূত বাৰ্তা

**জুৰীয়া, ১১ আগষ্ট ঃ** জুৰীয়া আৰক্ষী থানাৰ অন্তৰ্গত খৰণ্ডী গাঁও ৰিজাৰ্ভত আজি বিয়লি জুৰীয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অদিথ বড়ো আৰু কাতিমাৰীস্থিত ৩৪ নম্বৰ চি আৰ পি এফে যৌথভাৱে ড্ৰাগছৰ বিৰুদ্ধে চলোৱা অভিযানত আটক হয় চাৰিজনকৈ ড্ৰাগছ সৰবৰাহকাৰী। সৰবৰাহকাৰী কেইজনৰ পৰা ৩০ টাকৈ হেৰ’ইন ভৰ্তি কণ্টেইনাৰ জব্দ কৰিবলৈ সক্ষম হয়। ড্ৰাগছখিনিৰ ওজন ৪.২২ গ্ৰাম। উল্লেখ্য যে খৰণ্ডী গাঁৱৰ ৰিজাৰ্ভত জনবসতি পাতলীয়া হোৱা হেতুকে ড্ৰাগছ সৰবৰাহৰ বাবে দীৰ্ঘদিন ধৰি বাছি লৈছিল এই ঠাইডোখৰ। সৰবৰাহকাৰী কেইজন ক্ৰমে জহিৰুল ইছলাম, আব্দুল হামিদ, ৰাব্বুল ইছলাম আৰু আনাৰুল ইছলাম। সৰবৰাহকাৰীকেইজনে ব্যৱহাৰ কৰা দুখন মটৰ চাইকেল আৰু চাৰিটা ম’বাইল জব্দ কৰে।

## শুৱালকুছিত ঘৰে ঘৰে ত্ৰিৰংগা সজাগতা

১২ পৃষ্ঠাৰ পৰা স্বাধীনতা দিৱসত ৰাজ্যবাসীৰ লগতে শুৱালকুছি উন্নয়ন খণ্ডৰ অঞ্চলত প্ৰতি ঘৰতে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি স্বাধীনতা দিৱস উদ্‌যাপনৰ বাবে এই সজাগতা বুলি কয়। যিসকল ছহিদৰ ত্যাগৰ বিনিময়ত ভাৰতে স্বাধীনতা লাভ কৰিছিল ৰাজ্যৰ প্ৰতি ঘৰত ৰাষ্ট্ৰীয় পতাকা উত্তোলনেৰে ছহিদসকলকো শ্ৰদ্ধাৰে সোঁৱৰণ কৰা হ’ব বুলি মালাকৰে কয়। সমদলত প্ৰায় তিনি শতাধিক মহিলাই হাতে হাতে পতাকা লৈ ভাৰত মাতা কি জয়, বন্দে মাতৰম আদি ধ্বনিৰে শুৱালকুছিৰ প্ৰধান পথেৰে সমদল কৰি গান্ধী আশ্ৰমত শেষ কৰে। সমদলত অসম ৰাজ্যিক জীৱিকা অভিযান শুৱালকুছি খণ্ডৰ আইমাতৃ মণ্ডল সংগঠন, বীৰাংগনা মণ্ডল সংগঠন আৰু আশাদ্বীপ মণ্ডল সংগঠনে অংশগ্ৰহণ কৰে। সমদলত শুৱালকুছি খণ্ড উন্নয়ন বিষয়া অৰ্চনা দাস, গ্ৰামীণ জীৱিকা অভিযান শুৱালকুছি খণ্ডৰ প্ৰকল্প বিষয়া সংগীতা বড়া, ৰতন কুমাৰ ভৰালীয়ে পূব পঞ্চায়তৰ সভাপতি দিগন্ত দাস আৰু দদৰা পঞ্চায়তৰ সভাপতি মনেশ্বৰ বৈশ্য উপস্থিত থাকে।

## প্ৰাক্তন মুখ্যমন্ত্ৰী ডাঃ ভূমিধৰ বৰ্মনলৈ

১২ পৃষ্ঠাৰ পৰা অটল থাকি কংগ্ৰেছ দলৰ এগৰাকী সফল অভিভাৱকৰূপে জড়িত হৈ ৰাজনৈতিক ক্ষেত্ৰখনৰ উত্তৰণ ঘটাইছিল। তেনে এগৰাকী সুদক্ষ ৰাজনীতিবিদ, সমাজহিতৈষী ডাঃ ভূমিধৰ বৰ্মনে নলবাৰী জিলাখনৰ উন্নয়নৰ ক্ষেত্ৰতো আগভাগ লৈছিল। বিশেষকৈ নলবাৰী অসামৰিক চিকিৎসালয়খন ছহিদ মুকুন্দ কাকতিৰ নামত নামকৰণ কৰাত বিশেষভাৱে নেতৃত্ব বহন কৰিছিল ডাঃ বৰ্মনে। নলবাৰীৰ বাছ আস্থানটোও ছহিদ মুকুন্দ কাকতিৰ নামতে উছৰ্গা কৰিছিল। ইয়াৰ উপৰি ৰাস্তা-ঘাট আদি নিৰ্মাণৰ ক্ষেত্ৰতো তেওঁৰ কাৰ্য মনকৰিবলগীয়া আছিল। সমন্বয়ৰ বাৰ্তা বিলোৱা প্ৰয়াত মুখ্যমন্ত্ৰী ডাঃ বৰ্মনক যোৱা ৩১ জুলাইত বিহগী মিডিয়া গ্ৰুপ, অসমে মৰণোত্তৰভাৱে ৰামধেনু বঁটা প্ৰদান কৰে। বঁটাটো গ্ৰহণ কৰে বৰ্মনৰ সুযোগ্য পুত্ৰ তথা বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক দিগন্ত বৰ্মনে। বিহগী মিডিয়া গ্ৰুপ, অসমৰ সঞ্চালক কনক কলিতা আৰু সম্পাদক দিলীপ বৰ্মনে বঁটা প্ৰদান কৰে। বঁটাটো গ্ৰহণ কৰি ডাঃ বৰ্মনৰ পুত্ৰ দিগন্ত বৰ্মনে নিজৰ অনুভৱ ব্যক্ত কৰি কয় যে বিহগী মিডিয়া গ্ৰুপৰ এই পদক্ষেপক ধন্যবাদ জনাইছো। বিশেষকৈ বিহগী মিডিয়া গ্ৰুপৰ সঞ্চালক কনক কলিতা আৰু সম্পাদক দিলীপ বৰ্মন ধন্যবাদৰ পাত্ৰ। এওঁলোকে যোগ্যজনক যথোচিত সন্মান দিব জানে। বিহগী মিডিয়া গ্ৰুপৰ উত্তৰোত্তৰ কামনা কৰিলো।

## যোৰহাট পূব ৰাজহ চক্ৰত ব্যাপক

১২ পৃষ্ঠাৰ পৰা বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰিছে। ইয়াৰে চেকনীধৰা গাঁৱৰ গাঁওপ্ৰধান দিগন্ত বৰুৱাই ছয় আগষ্টত নআলি, কমলাবৰীয়াস্থিত ক্ৰিয়েটিভ আৰ্ট এণ্ড মিউজিক স্কুলত নিজা উদ্যোগত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰে। সমান্তৰালভাৱে গাঁওপ্ৰধানজনে কালি পুনৰ এক ব্যতিক্ৰমী কাৰ্যসূচী ৰূপায়ণেৰে ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। চেকনীধৰা গাঁৱৰ অন্তৰ্গত ৰজাবাৰীস্থিত জ্ঞানজ্যোতি এম ই স্কুলত সজাগতা সভাৰ লগতে যাদুকৰ বি কি সিঙৰ সহযোগত যাদু খেলৰ মাধ্যমেৰে ত্ৰিৰংগা পতাকাৰ মহত্ত্ব প্ৰকাশৰ চেষ্টা চলায়। সভাত যোৰহাট পূব ৰাজহ চক্ৰৰ চক্ৰ বিষয়া দেৱাহুতি ডেকা, লাট মণ্ডল সুভাকৰ গগৈ, যুৱ সমাজকৰ্মী সমৰ বাৰিক, অঞ্জন দত্ত, পঞ্চায়ত সদস্যা ইন্দিৰা দাস প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে গাঁও প্ৰধানজনে হাতত লোৱা প্ৰতিটো কাৰ্যসূচীতে জনসাধাৰণে ব্যাপক সহযোগিতা আগবঢ়াই অহা পৰিলক্ষিত হৈছে।

## কাইলৈ বিকালী মহাবিদ্যালয়ত অসম

১২ পৃষ্ঠাৰ পৰা বিষয়ৰ ওপৰত মূল বক্তৃতা প্ৰদান কৰিব গুৱাহাটী বিশ্ববিদ্যালয়ৰ নৃতত্ত্ব বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° বিৰিঞ্চি কুমাৰ মেধিয়ে। উদ্বোধনী অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰিব বিকালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মনোজ গগৈয়ে। আনহাতে, অনুষ্ঠানৰ লগত সংগতি ৰাখি বিকালী অঞ্চলৰ দুজন লোকসংস্কৃতিৰ ধাৰক আৰু বাহকক সম্বৰ্ধনা জনোৱা হ’ব। কাৰ্যসূচী অনুসৰি, আলোচনাচক্ৰৰ প্ৰাক্‌ক্ষণত অসম জনকৃষ্টি সমাজ আৰু বিকালী মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰিব ক্ৰমে অসম জনকৃষ্টি সমাজৰ সভাপতি ড° প্ৰবীণ চন্দ্ৰ দাস আৰু বিকালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ মনোজ গগৈয়ে। ইয়াৰ পাছতে স্মৃতি তৰ্পণ আৰু সমবেত সংগীতেৰে আলোচনাচক্ৰৰ আৰম্ভণি কৰা হ’ব। আবেলি সামৰণি অনুষ্ঠানত আলোচনা চক্ৰত অংশগ্ৰহণকাৰীসকলক প্ৰমাণপত্ৰ প্ৰদান কৰা হ’ব। উক্ত অনুষ্ঠানৰ সকলো কাৰ্যসূচীতে ৰাইজৰ উপস্থিতি উদ্যোক্তাসকলে কামনা কৰিছে।

## টিহুত গাৰ্হস্থ্য হিংসাৰ বলি বোৱাৰী

১২ পৃষ্ঠাৰ পৰা আছিল। এনে সময়তে ৰূপাৰ মাতৃ গৃহৰ পৰা লোক আহি উপস্থিত হোৱাত কথা-বতৰা, চাহপৰ্ব আদি চলে। অৱশ্যে কথাৰ মাজতে কিবা বিষয়ক লৈ দীপক আৰু আত্মীয়সকলৰ মাজত কথা কটাকটি হয়। এনে সময়তে দীপকে খঙৰ ভমকত হাতত থকা চোকা দাখনেৰে ৰূপাৰ ডিঙিত প্ৰচণ্ড ঘাপ মাৰে আৰু হাতৰ আঙুলি আদিও কাটি পেলায়। ঘটনাক লৈ হুৱাদুৱা লগাত স্থানীয় ৰাইজ আহি ততাতৈয়াকৈ টিহু আৰক্ষীক খবৰ দিয়ে। টিহু আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ ৰূপাক উদ্ধাৰ কৰি প্ৰথমে টিহু চিকিৎসালয়লৈ নি প্ৰাথমিক চিকিৎসা কৰাৰ পাছতে নলবাৰীলৈ প্ৰেৰণ কৰে। পাছত নলবাৰীৰ পৰা জিএমচি হাস্পতাললৈ প্ৰেৰণ কৰা বুলি চিকিৎসালয়ৰ সূত্ৰই জনায়। ইফালে, টিহু আৰক্ষীয়ে হত্যাকাৰী স্বামী কলিতাক গ্ৰেপ্তাৰ কৰি টিহু থানালৈ আনে। কলিতাই পত্নীৰ চৰিত্ৰৰ ক্ষেত্ৰত সন্দেহৰ আঙুলি টোঁৱাই যদিও আৰক্ষীৰ তদন্ততহে ঘটনাৰ প্ৰকৃত ৰহস্য পোহৰলৈ আহিব। স্থানীয় ৰাইজে দীপক কলিতাক কঠোৰ শাস্তি বিহিবলৈ দাবী তুলিছে।

## উৎকোচ ল’লে জেললৈ যাব লাগিব

১২ পৃষ্ঠাৰ পৰা জীৱিকা সখীসকলে আয়োজন কৰা স্কুটী ৰেলী মুকলি কৰে। উক্ত কাৰ্যসূচীৰ অন্তত তেওঁ কচুগাঁও উন্নয়ন খণ্ডৰ কাম-কাজৰ ওপৰত অনুষ্ঠিত আলোচনা সভাত অংশগ্ৰহণ কৰে। কচুগাঁও উন্নয়ন খণ্ডৰ ১২খন ভিচিডিচিৰ কামৰ বুজ ল’বলৈ গৈ তেওঁ একাধিক ত্ৰুটি ধৰা পেলায়। কচুগাঁও উন্নয়ন খণ্ড বিষয়াক সকলো কাম-কাজৰ তথ্য সঠিকভাৱে উপস্থাপন কৰাৰ নিৰ্দেশ দিয়ে। বিটিচি প্ৰধান বড়োৱে পিএমএৱাই গৃহসমূহৰ কাম কিমানদূৰ সম্পন্ন হৈছে তাৰ হিচাপ লয়। বিডিঅ’জনে দিয়া কামৰ খতিয়ান লাভ কৰি মুহূৰ্তৰ বাবে তেওঁ প্ৰচণ্ড ক্ষুব্ধ হোৱাৰ লগতে একাংশ ভিচিডিচিৰ সভাপতি, জি আৰ এছক দুৰ্নীতি নকৰিবলৈ সকীয়নি দিয়ে। প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ নিৰ্মাণৰ ক্ষেত্ৰত দুৰ্নীতি হৈছে নে নাই তাৰ তদন্ত কৰিবলৈ সংশ্লিষ্ট বিষয়াক নিৰ্দেশ দিয়ে। তদুপৰি উন্নয়নমূলক অন্যান্য কামৰ লগতে পি এম এ ৱাই গৃহৰ ক্ষেত্ৰত যদি কোনোবাই ধন সংগ্ৰহ কৰে, তেন্তে জেললৈ যাব লাগিব বুলি সকীয়াই দি তেওঁ কয়, ‘এতিয়া আগৰ দিন নাই। আগত উন্নয়ন খণ্ডসমূহ সোণৰ কণী পৰা হাঁহৰ দৰে আছিল, কিন্তু সেই অপ- সংস্কৃতিৰ অৱসান ঘটাব লাগিব। ৰাইজৰ উন্নয়নমূলক কামত দুৰ্নীতি বন্ধ হ’বই লাগিব।’ দুৰ্নীতিক কোনোপধ্যেই প্ৰশ্ৰয় দিয়া নহ’ব বুলি পুনৰ সকীয়াই দিয়াৰ লগতে দুৰ্নীতি সন্দৰ্ভত অভিযোগ কৰিবলৈ তেওঁ নিজৰ ফোন নম্বৰ দি ৰাইজক দুৰ্নীতিৰ বিৰুদ্ধে নিৰ্ভয়ে আগবাঢ়ি আহিবলৈ জনায়। বিটিচি প্ৰধানজনৰ লগত গোসাঁইগাঁৱৰ বিধায়ক জিৰণ বসুমতাৰী, বিটিচিৰ কাৰ্যবাহী সদস্য উকীল মুছাহাৰী, উইলছন হাছদা, পৰিষদীয় সদস্য সজল কুমাৰ সিংহৰ লগতে গ্ৰামোন্নয়ন বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

## তাই আহোম ছাত্ৰ সন্থাৰ মুখপাত্ৰ যাদৱ

১২ পৃষ্ঠাৰ পৰা মুখপাত্ৰ যাদৱ কোঁৱৰে বিজেপি নেত্ৰী আঙুৰলতা ডেকাক আক্ৰমণ কৰিবলৈ গৈ কলিতা জনগোষ্ঠীক আক্ৰমণ কৰা কাৰ্যক গৰিহণা দিয়ে। লগতে কোঁৱৰক ৰাজহুৱা ক্ষমা খোজাৰ দাবী জনায়। পূৰ্বতেও জনগোষ্ঠীটোৱে কোঁৱৰৰ বিৰুদ্ধে বিভিন্ন আৰক্ষী থানাত এজাহাৰ দিয়াৰ লগতে সময়সীমা বান্ধি নেতাজনক ক্ষমা খোজাৰ দাবী জনাইছিল। তাৰ পৰিৱৰ্তী সময়ত মুখপাত্ৰজনে এটি ভিডিঅ’যোগে ক্ষমা খুজিছিল যদিও তাত কলিতা জনগোষ্ঠীটো সন্তুষ্ট হ’ব পৰা নাই বুলি উল্লেখ কৰি পুনৰ তেওঁ কৰা মন্তব্য উঠাই লৈ ৰাজহুৱা ক্ষমা বিচাৰৰ দাবী তোলে সংবাদমেলখনত। কালি এই সংবাদমেলত কলিতা জনগোষ্ঠী সন্মিলনৰ সভাপতি ড° কাকতিয়ে উল্লেখ্য কৰি কয় যে যোৱা পাঁচ আগষ্টত সংবাদ মাধ্যমযোগে তাই আহোম ছাত্ৰ সন্থাৰ মুখপাত্ৰ বুলি চিনাকি দিয়া যাদৱ কোঁৱৰ নামৰ লোকজনে কলিতা জনগোষ্ঠীক ৰাজহুৱাভাৱে অসন্মান কৰাৰ পাছত, পুনৰবাৰ বিগত আঠ আগষ্টত সামাজিক মাধ্যমত প্ৰকাশ কৰা ভিডিঅ’যোগে নিজৰ স্থিতিক সমৰ্থন কৰি পুনৰবাৰ কলিতা জনগোষ্ঠীক অপমানিত কৰিছে। এই ক্ষেত্ৰত সদৌ অসম কলিতা আলপাইন সন্মিলনে ৰাজ্য চৰকাৰক আহ্বান জনায়, যাদৱ কোঁৱৰৰ এনে পৰিকল্পিত বাক্যৰ আঁৰত এনে কোনো বহিঃশক্তিৰ হাত আছে নেকি যিয়ে অসম তথা ভাৰতক অশান্ত কৰি, অসমীয়া তথা ভাৰতীয় জাতীয়তাবোধক দুৰ্বল কৰি নিজৰ স্বাৰ্থ সিদ্ধি কৰিব বিচাৰে, ৰাষ্ট্ৰীয় সুৰক্ষা আইনৰ অধীনত ইয়াৰ ক্ষিপ্ৰ তদন্ত কৰক, বহিঃশক্তি, বহিঃৰাষ্ট্ৰৰ ভাবুকি আমাৰ বাবে কেৱল পাকিস্তান, বাংলাদেশ বা মুছলমান জেহাদৰ পৰা অহা নাই, বৰঞ্চ শত্ৰু ৰাষ্ট্ৰ চীনৰ ক্ৰমবৰ্ধমান আগ্ৰাসনবাদৰ পৰাও আহিছে, যিয়ে অসম বা উত্তৰ-পূৰ্বাঞ্চললৈ বিশেষকৈ ভয়াৱহ ভৱিষ্যৎ আঙুলিয়াই দিয়ে। লগতে সদৌ অসম আলপাইন জনগোষ্ঠী সন্মিলনৰ সভাপতিজনে ইয়াকো কয় যে যাদৱ কোঁৱৰ মানুহজন আৰু তেওঁ প্ৰতিনিধিত্ব কৰা সংগঠনৰ ধন-সম্পত্তিৰ উৎস, বহিঃ আৰু আভ্যন্তৰীণ কৰ্মতালিকা, সংযোগ আদি তন্ন তন্নকৈ পৰীক্ষা কৰিবলৈ চৰকাৰ প্ৰশাসনক আহ্বান জনায়।

### এনটিপিচিৰ উদ্যোগত বালিকা সবলীকৰণ অভিযান (জেম) ২০২২ ৰ সামৰণি

## স্থানীয় ছাত্ৰী সকলক স্বনিৰ্ভৰশীল কৰি তোলাৰ পদক্ষেপ এনটিপিচিৰ

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ১১আগষ্টঃ** কোকৰাঝাৰ জিলাৰ বিদ্যুতনগৰী ছালাকাটিস্থিত এনটিপিচি বঙাইগাওঁৰ উদ্যোগত যোৱা ১২ জুলাইৰ পৰা আৰম্ভ হোৱা মাহজোৰা কাৰ্যসূচীৰে বালিকা সবলীকৰন অভিযান (জেম) ২০২২ৰ আজি সামৰণি পৰে। আজি বিয়লি এনটিপিচিৰ কৰ্মচাৰী কল্যাণ সন্থাৰ যোগাভ্যাস প্ৰেক্ষাগৃহত সামৰণি পৰা অনুষ্ঠানত বিটিচি সচিবালয়ৰ সচিব প্ৰধান অনুৰাগ আগৰৱালাই বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে। উল্লেখ্য যে বালিকা সবলীকৰণ অভিযানৰ জৰিয়তে এনটিপিচিৰ উদ্যোগত এনটিপিচিৰ দাঁতিকাষৰীয়া গাওঁৰ স্থানীয় ২৩ খন বিদ্যালয়ৰ ৪০ গৰাকীকৈ ছাত্ৰীক বিভিন্ন বিষয়ৰ ওপৰত আৱাসিক প্ৰশিক্ষণ প্ৰদান কৰা হয়। এমাহযোৱা আৱাসিক প্ৰশিক্ষণ কাৰ্যসূচীৰ সময়ছোৱাত ছাত্ৰীসকলোক আত্মনিৰ্ভৰশীল হোৱাৰ উদ্দেশ্যে যোগা ক্ৰীড়া,কম্পিউটাৰ শিক্ষা, বিভিন্ন বিষয়ৰ ওপৰত শিক্ষা দিয়া হয়। এমাহৰ সময়ছোৱাত ছাত্ৰী সকলোক ক্ৰীড়া প্ৰাধিকৰণ অৰ্থাৎ ছাইত লৈ গৈ কিছুমান খেলৰ প্ৰশিক্ষণ দিয়া হয়। ইয়াৰোপৰি বড়োলেণ্ড বিশ্ববিদ্যালয়, বড়োলেণ্ড সচিবালয়কে ধৰি বিভিন্ন ঠাই পৰিদৰ্শন কৰোৱাই কিছু জ্ঞান আৰোহণ কৰিবলৈ সক্ষম হয়। আজি বন্তি প্ৰজ্বলনৰে সামৰণি অনুষ্ঠানত বিটিচিৰ সচিব প্ৰধান অনুৰাগ গোৱেলে এনটিপিচিয়ে লোৱা এনে পদক্ষেপক ভূয়সী প্ৰশংসা কৰে। ওডিছা ভুৱনেশ্বৰৰ এনটিপিচিৰ ৰিজিয়নেল ডাইৰেক্টৰ অসীম গোস্বামীয়ে চালেকাটি এনটিপিচিয়ে প্ৰথমবাৰৰ বাবে লোৱা এনে কাৰ্যসূচী সঁচাকৈ প্ৰশংসনীয় বুলি মন্তব্য কৰে। সামৰণি অনুষ্ঠানত কে’বাজনো বিশিষ্ট ব্যক্তি অংশগ্ৰহণ কৰে।

## কৃষ্ণাইত কংগ্ৰেছৰ স্বাধীনতাৰ গৌৰৱময় যাত্ৰা

**কৃষ্ণাই, ১১ আগষ্ট ঃ** দেশে স্বাধীনতা লাভৰ ৭৫ সংখ্যক বৰ্ষপুৰ্তি উপলক্ষে আজি কৃষ্ণাইত কংগ্ৰেছে এক বিশাল শোভাযাত্ৰা উলিয়ায়। আজি দিনৰ ১১ বজাত কৃষ্ণাই ব্লক কংগ্ৰেছ কমিটীৰ উদ্যোগত কৃষ্ণাই বজাৰস্থিত ব্লক কাৰ্যালয়ৰ পৰা ধাইগাঁওলৈ উলিওৱা হয় এই বিশাল শোভাযাত্ৰা। স্বাধীনতাৰ গৌৰৱময় যাত্ৰা শীৰ্ষক এই শোভাযাত্ৰাত শতাধিক দলীয় নেতা কৰ্মীৰ লগত উপস্থিত থাকে দুধনৈ বিধানসভা সমষ্টিৰ বিধায়ক যাদৱ স্বৰ্গীয়াৰী।

## বৰভাগৰ সাংবাদিকক ৰাখী পিন্ধালে অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ সদস্যাই

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ১১ আগষ্ট ঃ** নলবাৰী জিলাৰ বৰভাগ মহাবিদ্যালয়ৰ অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ গোটৰ সদস্য-সদস্যাসকলে ৰাখী বন্ধন কাৰ্যসূচী ৰূপায়ণ কৰে। এই উপলক্ষে আজি কালাগ গাঁওস্থিত কাৰ্যালয়ত বৰভাগৰ সাংবাদিক ক্ৰমে দণ্ডী ৰাম দাস, কৰেন কলিতা, কাদেৰ আহমেদ, পংকজ লহকৰ, গণেশ নমঃশূদ্ৰ, পংকজ কলিতা, বৈদ্যুতিন মাধ্যমৰ সাংবাদিক কৈলাশ ডেকা আৰু বনজিৎ দাসক নীতি নিয়মেৰে ভ্ৰাতৃত্ব বন্ধনৰ প্ৰতীক ৰাখী পিন্ধায়। পৰিষদৰ সম্পাদক বেদান্ত শৰ্মাই আঁতধৰা আনুষ্ঠানটোত প্ৰতিগৰাকী সাংবাদিকে ৰাখী বন্ধনৰ তাৎপৰ্য ব্যাখ্যা কৰি বক্তব্য প্ৰদান কৰে আৰু এই ভ্ৰাতৃত্ববোধ যাতে চিৰদিন অটুট থাকে তাৰ প্ৰতি সকলোকে আহ্বান জনায়। অনুষ্ঠানত উপস্থিত থাকে ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ সদস্য-সদস্যা ক্ৰমে বৰভাগ শাখাৰ সম্পাদক বেদান্ত শৰ্মা, যুটীয়া সম্পাদক ভাস্কৰজ্যোতি তালুকদাৰ, মধুস্মিতা কলিতা আৰু বৰভাগ শাখাৰ কাৰ্যকৰ্তাসকল ক্ৰমে চিন্ময় শৰ্মা, গৌতম দাস, লিপিকা কলিতা, কৰিশ্মা ডেকা আৰু বৰভাগ শাখাৰ কাৰ্যকৰ্তাসকল।

## কলগাছিয়া আৰক্ষী থানাৰ উদ্যোগত ‘হৰ ঘৰ ত্ৰিৰংগা’ৰ সন্দৰ্ভত প্ৰভাত ফেৰী



অগ্ৰদূত বাৰ্তা

**কলগাছিয়া, ১১ আগষ্ট ঃ** বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষী থানাৰ উদ্যোগত আজি কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত অঞ্চলত ‘হৰ ঘৰ ত্ৰিৰংগা’ কাৰ্যসূচী ৰূপায়ণৰ বাবে হাতে হাতে ত্ৰিৰংগা লৈ এক সজাগতামূলক প্ৰভাত ফেৰী উলিওৱা হয়। ‘হৰ ঘৰ ত্ৰিৰংগা’ কাৰ্যসূচী কেনেকৈ সফল হয় আৰু সাধাৰণ ৰাইজে কিদৰে পতাকা উত্তোলন কৰিব সেই সন্দৰ্ভত ৰাইজৰ মাজত সজাগতা বৃদ্ধিৰ বাবেই এই প্ৰভাত ফেৰী উলিওৱা হয়। উল্লেখ্য যে ১৩ৰ পৰা ১৫ আগষ্টলৈ প্ৰত্যেকৰে বাসগৃহ আৰু চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানত জাতীয় পতাকা উত্তোলনেৰে দেশৰ স্বাধীনতাৰ ৭৫ বছৰ উদ্‌যাপন কৰিবলৈ আহ্বান জনায়। কলগাছিয়া আৰক্ষী থানাৰ পৰা প্ৰভাত ফেৰী উলিয়াই কলগাছিয়া পাট বজাৰ হৈ কলগাছিয়াৰ বালাৰপাথাৰ অঞ্চলেদি প্ৰভাত ফেৰী কৰি কলগাছিয়া আৰক্ষী থানাত উপস্থিত হয়। হৰ ঘৰ ত্ৰিৰংগা প্ৰচাৰ কাৰ্যসূচী ৰূপায়ণেৰে কলগাছিয়াৰ আকাশ-বতাহ মুখৰিত কৰি তোলে। সেইদৰে জনীয়া সমষ্টিৰ বিভিন্ন প্ৰান্তৰৰ লগতে কলগাছিয়াৰ ৰূপসী শিক্ষাখণ্ডৰ অন্তৰ্গত হালধীয়া ৰিৰ্জভ ছোৱালী এলপি স্কুলৰ ছাত্ৰ-ছাত্ৰীয়ে হৰ ঘৰ ত্ৰিৰংগাৰ এক সজাগতামূলক পদযাত্ৰা উলিওৱা দেখা যায়। কণ কণ ছাত্ৰ-ছাত্ৰীৰ অতি আকৰ্ষণীয় পদযাত্ৰাই সকলো স্তৰৰ ৰাইজক আপ্লুত কৰি তোলে।

## কাইলৈ বাগ্‌সাত অনুষ্ঠিত হ’ব ৰাষ্ট্ৰীয় লোক আদালত

অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ১১ আগষ্ট ঃ** ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণৰ নিৰ্দেশ মৰ্মে তথা বাগ্‌সা জিলা আইন সেৱা প্ৰাধিকৰণৰ সৌজন্যত বাগ্‌সা আৰু তামুলপুৰ জিলাৰ বাবে অহা ১৩ আগষ্টত বাগ্‌সা জিলাৰ মুছলপুৰত অৱস্থিত জিলা আৰু সত্ৰ ন্যায়াধীশ আদালতৰ চৌহদত ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন কৰা হৈছে। এই ৰাষ্ট্ৰীয় লোক আদালতত বিজুলী বিভাগ, বেংক তথা আদালতত থকা আপোচ কৰিব পৰা গোচৰ (যেনে ভাৰতীয় দণ্ড বিধি আইনৰ ধাৰা ৩২৩, ৩৪১, ৩৪২, ৪৪৮, ৫০৬, ৩৫২ ইত্যাদিৰ লগতে পাৰিবাৰিক কন্দলজনিত গোচৰ, দেৱানী গোচৰ, চেক বাউঞ্চৰ গোচৰ ইত্যাদি) ক্ষিপ্ৰ, ব্যয়হীন আৰু সৌহাৰ্দ্যপূৰ্ণ নিষ্পত্তি কৰিব পৰা যাব। ইতিমধ্যে বেংক, বিজুলী বিভাগ তথা আদালতসমূহত চলি থকা প্ৰাক-লোক আদালতৰ সুবিধা যথেষ্ট সংখ্যক লোকে গ্ৰহণ কৰিছে। সেয়ে আগন্তুক ৰাষ্ট্ৰীয় লোক আদালতত অংশগ্ৰহণ কৰি ন্যায় ব্যৱস্থাক অধিক ত্বৰান্বিত কৰিবলৈ বাগ্‌সা জিলা আইন সেৱা প্ৰাধিকৰণৰ সচিব মনশ্ৰীপৰ্ণা খাউণ্ডে জিলাবাসীক আহ্বান জনাইছে। অধিক তথ্যৰ বাবে বাগ্‌সা জিলা আইন সেৱা প্ৰাধিকৰণৰ কাৰ্যালয়ৰ ফোন নম্বৰ ৬৯০১২৮১৬১৯ত অথবা ই-মেইল secretarydlsabaksa@gmail.com ৰ জৰিয়তে যোগাযোগ কৰিব পাৰিব বুলি জনাইছে।

**১২ বজাৰ লগে লগে দিয়ে ছুটী ঃ পাঠগ্ৰহণৰ পৰা বঞ্চিত শিক্ষাৰ্থী ঃ কাণসাৰ নাই খণ্ড শিক্ষা বিষয়াৰ ঃ প্ৰধান শিক্ষকৰ বিৰুদ্ধে অভিযোগ পৰিচালনা সমিতিৰ সভাপতিৰ**

## মাত্ৰ দুঘণ্টাৰ বাবে খোলা হয় গোসাঁইগাঁৱৰ এখন চৰকাৰী স্কুল

অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ১১ আগষ্ট ঃ** প্ৰাথমিক শিক্ষা ব্যৱস্থাৰ উন্নয়নৰ হকে বিভাগে যিমানে পদক্ষেপ গ্ৰহণ নকৰক কিয় প্ৰকৃত পক্ষে বিভাগীয় একাংশ বিষয়া আৰু শিক্ষকৰ চৰম অৱহেলা আৰু গাফিলতিৰ বাবে কণ কণ ছাত্ৰ-ছাত্ৰী উপযুক্ত পাঠ আহৰণৰ পৰা বঞ্চিত হোৱাৰ লগতে মধ্যাহ্ন ভোজনৰ পৰা সম্পূৰ্ণৰূপে বঞ্চিত হৈ আহিছে। দুৰ্গম অঞ্চলৰ অধিকাংশ বিদ্যালয়ৰ শিক্ষকসকলে সঠিকভাৱে স্কুলত উপস্থিত নোহোৱাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। তেনে এখন বিদ্যালয় হৈছে গোসাঁইগাঁও মহকুমাৰ কচুগাঁও শিক্ষা খণ্ডৰ অধীনস্থ এখন চৰকাৰী এম ভি স্কুল। স্কুলখন হৈছে বৰঘোপা টাপু বাতাবাৰী এম ভি স্কুল। স্কুলখনত দুজন শিক্ষকৰ বিপৰীতে ছাত্ৰ-ছাত্ৰী হ’ল ৫২জন। অভিযোগ অনুসৰি শিক্ষক দুজনে পুৱা ১০ৰ পৰা ১০-৩০ বজাৰ ভিতৰত আহে আৰু ১২ বজাৰ আগে-পিছে ছুটী দি ঘৰলৈ গুচি যায়। স্কুলত নাই কোনো মধ্যাহ্ন ভোজন। নাই শৈক্ষিক পৰিৱেশ। প্ৰধান শিক্ষক ফুল কুমাৰ ৰায়ে কাকো নকৰে কেৰেপ। দিনত ডেৰ-দুঘণ্টাৰ বাবে খোলা হয় স্কুল। ডেৰ-দুঘণ্টা স্কুলত থাকি কি শিক্ষা দিছে শিক্ষকে সেয়া সকলোৱে জানে। বিশেষকৈ প্ৰধান শিক্ষকজনৰ ঘৰ স্কুলৰ কাষতে যদিও বিদ্যালয়ৰ ওপৰত নাই কোনো দায়িত্ব। কণ কণ ছাত্ৰ-ছাত্ৰীবোৰে স্কুলত আহি খেল-ধেমালি কৰি উভতি যায় ঘৰলৈ। ছাত্ৰ-ছাত্ৰীৰ মধ্যাহ্ন ভোজনৰ বাবে শিক্ষা বিভাগে লাখ লাখ টকা আবণ্টন দিয়ে যদিও এইজন শিক্ষকে মধ্যাহ্ন ভোজন নিদিয়াকৈ চলাই আছে স্কুল। স্কুলখনৰ শ্ৰেণী কাৰ্য চলোৱাটো দূৰৰে কথা, নিজৰ খেয়াল-খুচি মতে শিক্ষকসকল স্কুলখনত উপস্থিত হৈ যেতিয়া মন কৰে তেতিয়াই ছুটী দি ঘৰলৈ গুচি যায় বুলি অভিযোগ কৰিছে স্বয়ং স্কুল পৰিচালনা সমিতিৰ সভাপতিয়ে। প্ৰধান শিক্ষকজনৰ এনে অকৰ্মণ্যতাৰ বাবে এইখন স্কুলত অধ্যয়ন কৰা শিক্ষাৰ্থীসকলে উপযুক্ত শিক্ষা আহৰণৰ পৰা বঞ্চিত হৈ আছে বুলি স্কুল পৰিচালনা সমিতিৰ সভাপতি আব্ৰাহাম ৰাভাই অভিযোগ উত্থাপন কৰে। তেওঁকো প্ৰধান শিক্ষকজনে কেৰেপ নকৰে বুলি আক্ষেপ কৰে ৰাভাই। স্কুলখন নিয়মীয়াকৈ চলোৱাৰ লগতে ছাত্ৰ-ছাত্ৰীক পাঠদান দিয়া আৰু মধ্যাহ্ন ভোজন নিয়মিত দিবলৈ অভিভাৱকৰ লগতে সদৌ চাওতাল ছাত্ৰ সন্থাৰ কাশিয়াবাৰী আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক বুদ্ধি নাথ টুডুৱে বাৰম্বাৰ কোৱাৰ পাছতো কোনো গুৰুত্ব দিয়া নাই প্ৰধান শিক্ষকজনে। প্ৰধান শিক্ষকজনৰ এনে অশিক্ষকসুলভ কাম-কাজৰ বিষয়ে কচুগাঁও খণ্ড শিক্ষা বিষয়াক অৱগত কৰাৰ পাছতো তেওঁৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। এই ক্ষেত্ৰত বিটিচিৰ শিক্ষা বিভাগৰ দায়িত্বত থকা বিটিচি প্ৰধান প্ৰমোদ বড়োৰ হস্তক্ষেপ বিচাৰিছে স্থানীয় ৰাইজ আৰু সদৌ চাওতাল ছাত্ৰ সন্থাই।

## ধুবুৰীত সীমান্ত চেতনা মঞ্চ পূৰ্বোত্তৰৰ ৰাখী বন্ধন কাৰ্যসূচী

**ধুবুৰী, ১১ আগষ্ট ঃ** সমগ্ৰ ভাৰতবৰ্ষৰ লগতে ধুবুৰীতো বিভিন্ন ঠাইত ৰাখী পূৰ্ণিমা উপলক্ষে ৰাখী বন্ধন পালন কৰা দেখা যায়। আজি ধুবুৰীত সীমান্ত চেতনা মঞ্চ পূৰ্বোত্তৰ ধুবুৰী নগৰৰ উদ্যোগত পৃথকে কে’বা ঠাইতো ৰাখী বন্ধন কাৰ্যসূচী পালন কৰে। প্ৰথমে ধুবুৰীত থকা বিএছএফৰ জলস্কন্ধত সীমান্ত চেতনা মঞ্চৰ সদস্যাসকলে বিএছএফ জোৱানসকলক ৰাখী পিন্ধায়। তাৰ পাছতে ধুবুৰী আৰক্ষী ছাউনীতো একে কাৰ্যসূচী পালন কৰে। বিএছএফৰ বিষয়া এজনে ৰাখী পৰিধান কৰাৰ পাছত কয় যে বিএছএফৰ জোৱানসকল বহু দূৰ-দূৰণিৰ পৰা ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত চৰকাৰী কৰ্মসূত্ৰে থাকিবলগীয়া হয়। বাহিৰত থকা বাবে নিজৰ ঘৰৰ মানুহবোৰক আমি বহুদিন পাছত দেখা পাওঁ আৰু যিকোনো ধৰ্মীয় অনুষ্ঠান হ’লে আমি ইচ্ছা কৰিলেও ঘৰলৈ যাব নোৱাৰো। আজি এই পৱিত্ৰ ৰাখী পূৰ্ণিমাৰ সময়ত আমি ইয়াতে থাকি যি সন্মান আৰু ঘৰতে থকাৰ দৰে পালো তাৰবাবে সীমান্ত চেতনা মঞ্চ পূৰ্বোত্তৰ ধুবুৰী নগৰৰ সদস্যাসকলক ধন্যবাদ জ্ঞাপন কৰে বিষয়াজনে। আনপিনে ধুবুৰী আৰক্ষী ছাউনীতো সেই একে কাৰ্যসূচীৰে ধুবুৰী জিলা আৰক্ষী অধীক্ষক, উপ-আৰক্ষী অধীক্ষকৰ লগতে আৰক্ষী বিষয়াসকলকো ৰাখী পিন্ধোৱা পৰিলক্ষিত হয়। ধুবুৰী জিলা আৰক্ষী অধীক্ষকজনেও আজিৰ এই পৱিত্ৰ ৰাখী পূৰ্ণিমাৰ কাৰ্যসূচীত সেই একে ৰখাই দোহাৰে।

## দুধনৈ মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভা

অগ্ৰদূত বাৰ্তা

**দুধনৈ, ১১ আগষ্ট ঃ** সোণালী জয়ন্তী বৰ্ষ গৰকা গোৱালপাৰা জিলাৰ অন্যতম উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান দুধনৈ মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভা কালি অনুষ্ঠিত হয়। সভাৰ কাৰ্যসূচী অনুসৰি, মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে অধ্যক্ষ ড° ললিত চন্দ্ৰ ৰাভাই। ইয়াৰ পাছতে ছহিদ তৰ্পণ কৰে মহাবিদ্যালয়খনৰ প্ৰাক্তন সভাপতি সুজিপ্ত ৰাভাই। প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে মহাবিদ্যালয়খনৰ উপাধ্যক্ষ বীৰবল বড়োৱে। দিনৰ ১০-৩০ৰ পৰা অনুষ্ঠিত ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ প্ৰীতি চ’ৰা অনুষ্ঠান পৰিচালনা কৰে ক্ৰমে বিনোদ ছেত্ৰী, সূপ্ৰাং খুংগৰ দৈমাৰী, সমৰ মেধি, দিনতো টিমুংপি আৰু অংকিতা জৈনে। অধ্যক্ষ ললিত চন্দ্ৰ ৰাভাৰ সভাপতিত্বত অনুষ্ঠিত হয় মুকলি সভা। সভাত মুখ্য অতিথিৰূপে হাব্ৰাঘাট মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মণ্টু কুমাৰ দাস আৰু আমন্ত্ৰিত অতিথিৰূপে কামৰূপ জিলাৰ ছয়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱ কুমাৰ কলিতা উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশি সাৰুৱা ভাষণ ৰাখে। এই মুকলি সভাত ছয়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক উপেন ডেকাও উপস্থিত থাকে।

**তেজপুৰত বিশ্ব খিলঞ্জীয়া দিৱস পালন**

## খিলঞ্জীয়া জনগোষ্ঠীসমূহে ৰাষ্ট্ৰসংঘৰ নীতিৰ আধাৰত শুদ্ধ পথেৰে গ’লে অধিকাৰ প্ৰতিষ্ঠা হ’ব

ষ্টাফ ৰিপ’ৰ্টাৰ

**তেজপুৰ, ১১ আগষ্ট ঃ** ৰাষ্ট্ৰসংঘৰ নিৰ্দেশ মৰ্মে সমগ্ৰ পৃথিৱীৰ লগতে অসমতো কালি বিশ্বখিলঞ্জীয়া দিৱস উদযাপন কৰে অসম সন্মিলিত মহাসংঘই। তেজপুৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ কন্যা মহাবিদ্যালয়ৰ বুৰঞ্জী আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ সহযোগত অধ্যক্ষ তপন কুমাৰ কলিতাৰ সভাপতিত্বত অনুষ্ঠিত খিলঞ্জীয়াৰ সজাগতা সভাত মুখ্য বক্তা হিচাপে দিয়া ভাষণত মহাসংঘৰ কাৰ্যকৰী সভাপতি মতিউৰ ৰহমানে খিলঞ্জীয়া লোকৰ অধিকাৰ চনদ (২০০৭)ৰ আধাৰতেই খিলঞ্জীয়াসকলৰ অধিকাৰ প্ৰতিষ্ঠা হ’ব বুলি দৃঢ়তাৰে কয়। ৰাষ্ট্ৰসংঘৰ নীতিৰ আধাৰতে অসমৰ খিলঞ্জীয়াৰ ভিত্তি বছৰ ১৮২৬ বুলি ৰহমানে স্পষ্টভাৱে ব্যাখ্যা কৰি কয় যে খিলঞ্জীয়া জনগণে শুদ্ধ পথেৰে গ’লে জয় নিশ্চিত। সভাত বিশিষ্ট অতিথিৰূপে ভাষণ দিয়ে মহাসংঘৰ মহা সচিব পূৰ্ণানন্দ ৰাভা, তেজপুৰ মহাসংঘৰ সম্পাদক দীপক নাথ, দৰং মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ গ্ৰহণ চন্দ্ৰ মহন্ত আৰু ইতিহাস বিভাগৰ মুৰব্বী অধ্যাপিকা চন্দনা দেৱীয়ে। সভাৰ আঁত ধৰে অধ্যাপক পল্লৱ ভট্টাচাৰ্যই। সভাৰ আৰম্ভণিতে মহাৰাজ মহীৰংগ দানৱৰ পৰা শেষ ৰজা গমধৰ সিংহ প্ৰমুখ্যে সকলো বীৰ-বীৰাংগনা আৰু জাতীয় পুৰোধাসকলৰ স্মৃতিত এক মিনিট সময় মৌন প্ৰাৰ্থনা জনাই সংকল্প গ্ৰহণ কৰে।

## বহলপুৰত ‘হৰ ঘৰ ত্ৰিৰংগা’ শীৰ্ষক শোভাযাত্ৰা



অগ্ৰদূত বাৰ্তা

**বহলপুৰ, ১১আগষ্ট ঃ** সমাগত স্বাধীনতা দিৱস তথা “আজাদী কা অমৃত মহোৎসৱ” উপলক্ষে আজি ধুবুৰী জিলাৰ চাপৰ শালকোচা শিক্ষা খণ্ডৰ অন্তৰ্গত ৩০ নম্বৰ বহলপুৰ জে বি স্কুলৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক শিক্ষয়িত্ৰীসকলে এক শোভাযাত্ৰা উলিয়ায়। পুৱা ৯ বজাত বিদ্যালয়ৰ প্ৰধান শিক্ষক তিলক চন্দ্ৰ ৰায়ে উদ্বোধন কৰা এই শোভাযাত্ৰা উপলক্ষে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক শিক্ষয়িত্ৰীসকলে বহলপুৰৰ তটপাৰা আৰু কাচাৰীভিঠা গাঁৱৰ মাজেৰে বিভিন্ন শ্ল’গান দি ৰাইজৰ মাজত স্বাধীনতা দিৱসৰ সজাগতা বৃদ্ধি কৰে। এই শোভাযাত্ৰাত স্থানীয় অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীৰ পিতৃ মাতৃসকলেও অংশগ্ৰহণ কৰে।

## লক্ষীপুৰত হৰ ঘৰ ত্ৰিৰংগা অভিযানৰ এক সজাগতামূলক পদযাত্ৰা

অগ্ৰদূত বাৰ্তা

**লক্ষীপুৰ, ১১ আগষ্ট :** দেশৰ ৭৫ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে সমগ্ৰ দেশজুৰি চলি থকা আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি চলিছে হৰ ঘৰ ত্ৰিৰংগা অভিযানৰ কাৰ্যসূচী। স্বাধীনতাৰ এই অমৃত মহোৎসৱৰ প্ৰাকক্ষণত হৰ ঘৰ ত্ৰিৰংগা কাৰ্যসূচী সফল ৰূপায়ণৰ উদ্দেশ্যে আজি গোৱালপাৰাৰ লক্ষীপুৰত উলিয়ালে এক বিশাল সজাগতামূলক পদযাত্ৰা। লক্ষীপুৰ পৌৰসভাৰ নেতৃত্বত আৰু স্থানীয় প্ৰশাসনৰ পূৰ্ণ সহযোগত উলিওৱা এই সজাগতামূলক পদযাত্ৰা কাৰ্যসূচীত ৰাজহ চক্ৰ বিষয়া ৰাজীৱ গগৈ, আৰক্ষী বিষয়া ভীমকান্ত পেগু, পৌৰসভাৰ কাৰ্যবাহী বিষয়া, পৌৰপতি ৰাজেশ প্ৰসাদ গুপ্তা, ৱাৰ্ড আয়ুক্ত, শিশু উন্নয়ন বিভাগ আৰু আৰক্ষী জোৱানৰ লগতে তিনি সহস্ৰাধিক ৰাইজ অংশ গ্ৰহণ কৰে। অংশগ্ৰহণকাৰীয়ে হাতে-হাতে ৰাষ্ট্ৰীয় পতাকা লৈ নগৰৰ চৌদিশে পৰিভ্ৰমণ কৰে। প্ৰশাসনে এই পদযাত্ৰা কাৰ্যসূচীৰ জৰিয়তে প্ৰতিটো পৰিয়াল তথা নাগৰিকে ৱৰ পৰা ৰপ্ত আগষ্ট লৈকে ঘৰে-ঘৰে ৰাষ্ট্ৰীয় পতাকা উৰুৱাই স্বাধীনতা দিৱস পালন সম্পৰ্কে ৰাইজক সজাগ কৰাৰ প্ৰয়াস কৰে।

## কাকৈজানাত অংগনৱাড়ী কৰ্মীৰ বিৰুদ্ধে প্ৰতিবাদ ক্ষুব্ধ মহিলাৰ



অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ১১ আগষ্ট ঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনস্থ কাকৈজানাৰ ফৌজদাৰপাৰা অংগনবাদী কেন্দ্ৰৰ কৰ্মীগৰাকীৰ বিৰুদ্ধে ব্যাপক অনিয়ম সংঘটিত কৰাৰ অভিযোগ তুলি মহিলাসকলে আজি প্ৰতিবাদমুখৰ হৈ পৰে। অভিযোগ মতে, অংগনবাড়ী কেন্দ্ৰটোৰ কৰ্মী সুমিত্ৰা শৰ্মাই দীৰ্ঘদিন ধৰি কণ-কণ শিশুৰ বাবে অহা সামগ্ৰী হৰলুকি কৰাৰ বিপৰীতে ছাত্ৰ-ছাত্ৰীক দিয়া ইউনিফৰ্ম ওভোতাই বিচৰাৰ লগতে ছাত্ৰ-ছাত্ৰীক কোনো পাঠদান নিদিয়ে আৰু কৰ্মীগৰাকীয়েও নিয়মিত উপস্থিত নাথাকে। সেয়ে কৰ্মীগৰাকীক আঁতৰ কৰি আন এগৰাকী কৰ্মীক কেন্দ্ৰটোত নিয়োগ কৰিবলৈ মহিলাসকলে দাবী জনায়।

## 'আজাদী কা অমৃত মহোৎসৱ'ৰ লগত সংগতি ৰাখি বেজেৰাত অনুষ্ঠিত হ'ল 'প্ৰভাত ফেৰী'

অগ্ৰদূত বাৰ্তা

**হাজো, ১১ আগষ্ট ঃ** স্বাধীনতাৰ অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি আজি কামৰূপ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক তথা জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত বৃহত্তৰ বেজেৰা অঞ্চলৰ তিনিখন বিদ্যালয়ক সামৰি এক 'প্ৰভাত ফেৰী' অনুষ্ঠানৰ আয়োজন কৰা হয়। বেজেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়, বেজেৰা ছিনিয়ৰ ছেকেণ্ডাৰী বিদ্যালয় আৰু ১৫ নম্বৰ বেজেৰা প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক তথা স্থানীয় ৰাইজৰ প্ৰায় ১৫শ লোকে অংশগ্ৰহণ কৰা এই প্ৰভাত ফেৰীয়ে বৃহত্তৰ বেজেৰা অঞ্চল পৰিভ্ৰমণ কৰি 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচী সম্পৰ্কত সজাগতাৰ সৃষ্টি কৰে। প্ৰভাত ফেৰী অনুষ্ঠানত স্বতঃস্ফূৰ্তভাৱে অংশগ্ৰহণ কৰাৰ বাবে কামৰূপ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়াই ছাত্ৰ-ছাত্ৰী সমন্বিতে সকলোকে বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰে। এই প্ৰসংগত তেওঁ কয় যে এই কাৰ্যসূচীয়ে ছাত্ৰ-ছাত্ৰীসকলৰ মনত শৈশৱৰ পৰাই দেশাত্মবোধৰ সৃষ্টি কৰি দেশ মাতৃৰ হকে সেৱা আগবঢ়োৱাৰ বাবে উদ্বুদ্ধ কৰিব। কামৰূপ জিলাৰ বিদ্যালয়সমূহত 'আজাদী কা অমৃত মহোৎসৱ'ৰ লগত সংগতি ৰাখি 'মোৰ তুলিকাত জাতীয় পতাকা'কে ধৰি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে বুলিও তেওঁ কয়।

## ১৩শ শিক্ষাৰ্থীৰ হাতে হাতে জাতীয় পতাকা লৈ ৰাজপথত শোভাযাত্ৰা

অগ্ৰদূত বাৰ্তা

**টংলা, ১১ আগষ্ট ঃ** ভাৰতৰ স্বাধীনতাৰ গৌৰৱোজ্জ্বল ৭৫ বছৰ পূৰ্তি উপলক্ষে আজাদী কা অমৃত মহোৎসৱ উদ্‌যাপনৰ লগত সংগতি ৰাখি অহা ১৩ৰ পৰা ১৫ আগষ্টলৈকে 'ঘৰে ঘৰে জাতীয় পতাকা' কাৰ্যসূচী সফল ৰূপায়ণ কৰিবলৈ ৰাজ্যজুৰি প্ৰস্তুতি তুংগত উঠাৰ সময়তে আজি ওদালগুৰি জিলাৰ অন্যতম শৈক্ষিক, বাণিজ্যিক, বৌদ্ধিক নগৰ টংলাতো বিপুল হৰ্ষধ্বনিৰে বাজি উঠিল হৰ ঘৰ ত্ৰিৰংগা কাৰ্যসূচী। পুৱা আঠ বজাত টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ড° দিলীপ কুমাৰ বৰুৱাই উদ্বোধন কৰি কয় যে ঘৰে ঘৰে জাতীয় পতাকা শীৰ্ষক কাৰ্যসূচী সফল ৰূপায়ণ কৰিবলৈ হ'লে ৰাইজৰ সহযোগিতা লাগিব। স্বাধীনতা দিৱসৰ প্ৰাক্‌ক্ষণত ভাৰত চৰকাৰে আয়োজন কৰা 'ঘৰে ঘৰে জাতীয় পতাকা' শীৰ্ষক সজাগতা অভিযানত আহকচোন আমিও অংশগ্ৰহণ কৰো। তাৰে ফলশ্ৰুতিত আজি আমি টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, প্ৰায় ১৩শ ল'ৰা-ছোৱালীয়ে অংশগ্ৰহণ কৰা সজাগতা সমদলৰে চৰকাৰৰ আহ্বানক সঁহাৰি জনালো বুলি জানিবলৈ দিয়ে। প্ৰখৰ ৰ'দকো নেওচি শ শ ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰীয়ে 'হৰ ঘৰ ত্ৰিৰংগা, বন্দে মাতৰম, ভাৰত মাতা কী জয়, মহান' শ্ল'গানেৰে টংলাৰ আকাশ-বতাহ মুখৰিত কৰি পদব্ৰজে কৰা সজাগতা সমদলৰে সফল সামৰণি পৰা কাৰ্যসূচীত প্ৰাক্তন উপাধ্যক্ষ তৰুণ বৰুৱা, শিক্ষক দিগন্ত কলিতা, দেবাশিস ঘোষ, কনক কছাৰী আৰু শিক্ষয়িত্ৰী স্বপ্না কাকতিয়ে নেতৃত্ব বহন কৰে।

## আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত কুন্দৰগাঁৱৰ শিক্ষানুষ্ঠানত 'হৰ ঘৰ ত্ৰিৰংগা' সজাগতামূলক শোভাযাত্ৰা



অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ১১ আগষ্ট ঃ** আগন্তুক ৭৫ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, ঘগ্ৰাপাৰৰ বড়িগোগ বনভাগ উন্নয়ন খণ্ডৰ উদ্যোগত তথা ঘগ্ৰাপাৰ কুন্দৰগাঁৱৰ দুখন শিক্ষানুষ্ঠানৰ সহযোগত 'হৰ ঘৰ ত্ৰিৰংগা' সজাগতামূলক শোভাযাত্ৰ উলিওৱা হয়। আজি পুৱা কুন্দৰগাঁৱৰ দুখন শিক্ষানুষ্ঠান ক্ৰমে পূব নলবাৰী হাইস্কুল আৰু ৮৭২ নম্বৰ কুন্দৰগাঁও প্ৰাথমিক বিদ্যালয়ৰ পৰা প্ৰায় দুই কিলোমিটাৰ পদযাত্ৰা উলিয়ায় দেশপ্ৰেমমূলক বন্দনাৰে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলে। ইয়াৰ পাছত পূব নলবাৰী হাইস্কুলৰ চৌহত শ্যামলী আঁচনিৰ অধীনত এলানি বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। লগতে দুপৰীয়াত উক্ত খণ্ডটোৰ অন্তৰ্গত বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ খণ্ড সমন্বয়ক সঞ্জয় দাসে আঁতধৰা অনুষ্ঠানকেইটাত উপস্থিত থাকে ক্ৰমে পূব নলবাৰী হাইস্কুলৰ প্ৰধান শিক্ষক মজাম্মিল হুছেইন, ৮৭২ নম্বৰ কুন্দৰ গাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক দিগন্ত শৰ্মাসহ শিক্ষক-শিক্ষয়িত্ৰী তথা স্থানীয় ৰাইজে।

## সৰ্প দংশনত মৃত্যু

**বৰমা, ১১ আগষ্ট ঃ** আজি দিনৰ ভাগত বৰমাৰ ওচৰৰ পূব বৰঝাৰত সংঘটিত হ'ল এক কৰুণ ঘটনা। পূব বৰঝাৰৰ বৰাখাট চুবুৰীৰ কণমণি স্বৰ্গিয়াৰীৰ পাঁচ বছৰীয়া কন্যা ধৃষা স্বৰ্গিয়াৰীক বিষাক্ত সাপে দংশন কৰে। কিছু সময় পাছতে শিশুটিক নলবাৰীৰ ছহিদ মুকুন্দ কাকতি অসামৰিক চিকিৎসালয়লৈ নিয়া হৈছিল যদিও আধা বাটতে মৃত্যু ঘটে। এই কৰুণ ঘটনাই অঞ্চলজুৰি শোকৰ ছাঁ পেলাইছে।

## দৰঙত স্বাস্থ্যবান শিশুক বঁটা প্ৰদান সাংসদ শইকীয়াৰ

বিশেষ সংবাদদাতা

**মঙলদৈ, ১১ আগষ্ট ঃ**- দৰং জিলা সমাজ কল্যাণ বিভাগৰ সৌজন্যত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ সভাত মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই মঙলদৈ লোকসভা সমষ্টিভিত্তিত নিৰ্বাচিত ১১ গৰাকী শিশুক স্বাস্থ্যবান শিশুৰ বঁটা প্ৰদান কৰে। এই উপলক্ষে জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মা পৌৰোহিত্যত অনুষ্ঠিত সভাত নিজৰ ভাষণ প্ৰসংগত সাংসদজনে কয় যে শিশুসকল হ'ল আমাৰ দেশৰ ভৱিষ্যৎ। তেওঁলোকক স্বাস্থ্যবান কৰি ডাঙৰ-দীঘল কৰাটো প্ৰতিজন পিতৃ-মাতৃৰে দায়িত্ব। এইক্ষেত্ৰত মহিলা আৰু শিশু কল্যাণ বিভাগে স্বাস্থ্যবান শিশুৰ বঁটা প্ৰদানেৰে শিশু তথা পিতৃ-মাতৃসকলক উৎসাহিত কৰাটো এক ইতিবাচক পদক্ষেপ। সভাৰ আৰম্ভণিতে জিলা সমাজ কল্যাণ বিষয়া ৰাজলক্ষ্মী দেউৰীয়ে আদৰণি ভাষণ প্ৰদান কৰে আৰু সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে অতিৰিক্ত উপায়ুক্ত পল্লৱী কছাৰীয়ে। জিলা পোষণ অভিযানৰ সমন্বয়ক পাৰভেজ মেহদি আলমে আঁতধৰা সভাত দৰং জিলাৰপৰা এইবৰ্ষত স্বাস্থ্যবান শিশুৰ বঁটাৰ বাবে নিৰ্বাচিত শিশুসকলক একোখনকৈ মানপত্ৰ, শুকান ফল-মূল, ৰং পেঞ্চিল, বহী, আৰু একোখন জাতীয় পতাকাৰে সম্বৰ্ধনা জনোৱা হয়। মঙলদৈ সমষ্টিৰ বিধায়ক মাননীয় বসন্ত দাসে শিশুসকলৰ ভবিষ্যত উজ্জ্বল কামনা কৰি এই বঁটা প্ৰদান কৰে। দৰং জিলাৰ উপায়ুক্ত প্ৰনৱ কুমাৰ শৰ্মাই পুষ্টিহীনতাত ভোগা শিশুসকলৰ চিনাক্তকৰণ কৰি তেওঁলোকক সমাজ ব্যৱস্থাপনাৰে আৰোগ্য কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি অনাগত দিনত পোষণ মুক্ত জিলা গঢ়ি তুলিবলৈ প্ৰয়াস কৰিব লাগে বুলি মতপোষণ কৰে। সভাত জিলা উন্নয়ন আয়ুক্ত শুভলক্ষ্মী ডেকা, অতিৰিক্ত উপায়ুক্ত জিন্টী ডেকা, জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক হৰপাল সিঙ সুৰী, জিলা তথ্য আৰু জনসংযোগ বিষয়া স্বাক্ষৰ ডেকা, দৰঙৰ ছজন সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া, মুখ্য সেৱিকাবৃন্দ, পোষণ অভিযানৰ খণ্ড সমন্বয়ক, খণ্ড প্ৰকল্প সহায়ক প্ৰমুখ্যে ভালেসংখ্যক অংগনৱাড়ী কৰ্মী আৰু শিশুৰ অভিভাৱকসকল উপস্থিত থাকে ।

## বঢ়মপুৰত কংগ্ৰেছৰ স্বাধীনতাৰ গৌৰৱময় যাত্ৰাৰ আৰম্ভ অনুষ্ঠান

## আৰএছএছ-বিজেপিৰ জন্মদাতাসকলে ৰাষ্ট্ৰীয় পতাকাক সন্মান কৰিব জনা নাছিল ঃ ভূপেন বৰা

অগ্ৰদূত বাৰ্তা

**পুৰণিগুদাম, ১১ আগষ্ট ঃ** নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ অধীনৰ বঢ়মপুৰ ছহিদ উদ্যানত আজি অসম প্ৰদেশ কংগ্ৰেছৰ নিৰ্দেশত অনুষ্ঠিত হয় স্বাধীনতাৰ ৭৫ সংখ্যক বৰ্ষপূৰ্তি উপলক্ষে স্বাধীনতাৰ গৌৰৱময় যাত্ৰাৰ আৰম্ভ অনুষ্ঠান। নগাঁও জিলা কংগ্ৰেছ কমিটীৰ উদ্যোগত আৰু বঢ়মপুৰ সমষ্টিৰ কংগ্ৰেছ কৰ্মীৰ সহযোগত অনুষ্ঠিত এই আৰম্ভ অনুষ্ঠানৰ আঁত ধৰে নগাঁও জিলা কংগ্ৰেছৰ সভাপতি তথা বঢ়মপুৰ সমষ্টিৰ কংগ্ৰেছ নেতা সুৰেশ বৰাই। এই উপলক্ষে অনুষ্ঠিত এক সভাত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা উপস্থিত থাকি কয়, বঢ়মপুৰৰ এই ভূমিত স্বাধীনতা আন্দোলনত ছহিদ হৈছিল থগী সূত, বলো সূত, লক্ষী হাজৰিকা আৰু ভোগেশ্বৰী ফুকননী। আজি এই চাৰিগৰাকী মহান ছহিদৰ পুণ্য বীৰ ভূমিত উপস্থিত হৈ তেওঁলোকক সন্মান কৰিবলৈ পাই গৌৰৱবোধ কৰিছো বুলি উল্লেখ কৰি বৰাই কয় যে গান্ধীজীৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই বঢ়মপুৰবাসী ৰাইজ আন্দোলনত জঁপিয়াই পৰিছিল। গান্ধীজীৰ আহ্বানক সন্মান জনাই '৪২ৰ ১৮ ছেপ্টেম্বৰত হেজাৰ হেজাৰ লোক বঢ়মপুৰৰ এই পুণ্য ভূমিত মিলিত হৈছিল। এই স্থানতেই সেই দিনটোত এই চাৰিগৰাকী বীৰ ছহিদে প্ৰাণ আহুতি দিছিল। এনে



মহান বীৰ ভূমিত উপস্থিত হৈ কংগ্ৰেছ সভাপতি ভূপেন বৰাই কয় যে আৰ এছ এছৰ মুখ্য কাৰ্যালয় নাগপুৰত ২০০১ লৈকে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰা হোৱা নাছিল। এই কাৰ্যালয়টোত ২৬ জানুৱাৰীত ৰাষ্ট্ৰীয় পতাকা উত্তোলনৰ বাবে যোৱা দুজন যুৱকক নাগপুৰ আৰক্ষীক গতাই দিয়া হৈছিল। বৰ্তমান নাগপুৰ থানাত এতিয়াও ১৭৪ নম্বৰৰ গোচৰ চলি আছে বুলি মন্তব্য কৰে বৰাই। ভাষণ প্ৰসংগত বৰাই কয় যে দীনদয়াল উপাধ্যায়কে ধৰি আৰএছএছ বিজেপিৰ জন্মদাতাসকলে ৰাষ্ট্ৰীয় পতাকাক সন্মান কৰিব জনা নাছিল। কিন্তু প্ৰথম প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে লালকিল্লাত প্ৰথম ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিছিল। উল্লেখ্য যে যোৱা ন আগষ্টৰ পৰা ১৫ আগষ্টলৈকে ৭৫ বছৰীয়া স্বাধীনতাৰ গৌৰৱময় যাত্ৰাৰ অংশৰূপে বঢ়মপুৰৰ বীৰ ভূমিত উপস্থিত হৈ প্ৰথমে চাৰিজন ছহিদৰ স্মৃতি সৌধত শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে ছহিদ উদ্যানত থকা চাৰিগৰাকী ছহিদৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰে কংগ্ৰেছৰ নেতাসকলে। ৰাজ্যৰ প্ৰতিখন জিলা সদৰ, ব্লকত ৰূপায়ণ হ'ব লগা এই কাৰ্যসূচীত আজি বঢ়মপুৰ বীৰ ভূমিত কংগ্ৰেছৰ সভাপতি বৰাৰ উপৰি প্ৰাক্তন মন্ত্ৰী কংগ্ৰেছৰ উপ-দলপতি ৰকিবুল হুছেইন, ৰূপহীহাটৰ বিধায়ক নুৰুল হুদা, বটদ্ৰৱাৰ বিধায়িকা শিৱামণি বৰা, অসম প্ৰদেশ মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰকে ধৰি অসম প্ৰদেশ কংগ্ৰেছ আৰু নগাঁও জিলা কংগ্ৰেছৰ বিষয়ববীয়া আৰু প্ৰায় তিনিশতাধিক কংগ্ৰেছ কৰ্মী উপস্থিত থাকে। দলটোৱে বঢ়মপুৰত এক শোভাযাত্ৰা কৰি ছহিদ উদ্যানলৈ আহে। ছহিদ উদ্যানত বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰাৰ লগতে উপস্থিত প্ৰায় ২৫ গৰাকী সাংবাদিকক ৰাষ্ট্ৰীয় পতাকা বিতৰণ কৰে সভাপতি বৰাই।

## শালবাৰী মহকুমাৰ ভিন্ন প্ৰান্তত আৰক্ষীৰ তালাচী

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ১১ আগষ্ট ঃ** সমাগত স্বাধীনতা দিৱস। দেশৰ ৭৫ সংখ্যক স্বাধীনতা দিৱসলৈ মাজত চাৰিটা দিন বাকী থকা অৱস্থাত স্বাধীনতা দিৱসক লৈ তৎপৰ হৈ উঠিছে অসম আৰক্ষী। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে বাগসাৰ শালবাৰী মহকুমাতো আৰক্ষীয়ে কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তুলিছে। মহকুমাটোৰ অন্তৰ্গত শালবাৰী আৰক্ষী থানা, শিমলা আৰক্ষী থানা, গোবৰ্ধনা আৰক্ষী থানা, আনন্দ বজাৰ আৰক্ষী চকী, বাঁহবাৰী উপ-আৰক্ষী চকী, শিমলাগুৰি উপ-আৰক্ষী চকী, লাৱদাংগুৰি উপ-আৰক্ষী চকী, জালাহ আৰক্ষী চকী আদিৰ ভাৰপ্ৰাপ্ত বিষয়াসকলে অৰ্ধসামৰিক বাহিনীৰ সহযোগত সৰু-বৰ সকলো গাড়ীতে তালাচী চলায়। স্বাধীনতা দিৱসৰ সময়ছোৱাত কোনো দুষ্কৃতিকাৰীয়ে যাতে কূটাঘাতমূলক কাৰ্য সংঘটিত কৰিব নোৱাৰে তাৰ বাবে তীক্ষ্ণ দৃষ্টি ৰাখিছে আৰক্ষীয়ে।

## গোৱালপাৰাত স্বাধীনতা দিৱসৰ প্ৰস্তুতি প্ৰশাসনৰ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১১ আগষ্ট ঃ** ৭৬ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপনৰ বাবে গোৱালপাৰা জিলা প্ৰশাসনে ব্যাপক প্ৰস্তুতি চলাইছে। গোৱালপাৰা চহৰৰ জে টি এছ খেলপথাৰত অনুষ্ঠিত হ'বলগীয়া স্বাধীনতা দিৱসৰ কাৰ্যসূচী অনুসৰি ১৫ আগষ্টৰ পুৱা পাঁচ বজাত দেশপ্ৰেমমূলক গীত সম্প্ৰচাৰ, সাত বজাত নিজ নিজ বাসগৃহত ৰাষ্ট্ৰীয় পতাকা উত্তোলন, ৭-৩০ বজাত চৰকাৰী-বেচৰকাৰী কাৰ্যালয়, শিক্ষানুষ্ঠান, অনুষ্ঠান-প্ৰতিষ্ঠান আদিত মুৰব্বী বিষয়াৰ দ্বাৰা ৰাষ্ট্ৰীয় পতাকা উত্তোলন, ৮-৩০ বজাত স্থানীয় গান্ধী ময়দানৰ স্তম্ভত ছহিদ তৰ্পণ, ৮-৪৫ বজাত বলদমাৰী বি অ' চিত অৱস্থিত মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত মাল্য প্ৰদান আৰু ছহিদ তৰ্পণ, ন বজাত বিশিষ্ট অতিথিৰ দ্বাৰা ৰাষ্ট্ৰীয় পতাকা উত্তোলন, ১০ বজাত ছাত্ৰ-ছাত্ৰী আৰু সাংস্কৃতিক দলৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন আৰু সন্ধিয়া ছয় বজাত নিজ নিজ বাসস্থান, কাৰ্যালয় আৰু অনুষ্ঠান আদিত বন্তি প্ৰজ্বলন কৰা হ'ব।

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ১১ আগষ্ট ঃ** বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰাৰ খগৰপুৰত আজি পুৱতি নিশা যুৱক এজনে ডেগাৰেৰে হানি-খুঁচি নিজৰ বন্ধুক হত্যা কৰা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে অঞ্চলটোত। অভিযোগ মতে, অভয়াপুৰী আৰক্ষী থানাৰ অন্তৰ্গত খগৰপুৰ ধুলাউৰাৰ অজিত নাথ নামৰ যুৱক এজনে কালি সন্ধিয়া ঘৰৰ পৰা ওলাই গৈছিল। যুৱকজনৰ পৰিয়ালৰ ভাষ্যমতে, আনদিনাও এনেদৰে ওলাই যায় অজিতে। কিন্তু দোভাগ ৰাতিলৈকে এনেদৰে উভতি নহাত স্বাভাৱিকতে পৰিয়ালৰ লোকসকল চিন্তিত হৈ পৰে। এনে সময়তে আজি পুৱতি নিশা প্ৰায় তিনি বজাত অজিতক কোনোবাই কটা বুলি জনোৱাত পৰিয়ালৰ লোকে বিচাৰি যোৱাত উত্তৰ শালমাৰাৰ নিকটৱৰ্তী ধুলাউৰাৰে এঘৰ লোকৰ বাৰাণ্ডাত তেওঁক ছট্‌ফটাই থকা অৱস্থাত প্ৰত্যক্ষ কৰে। এনে অৱস্থাত ওচৰতে

## খগৰপুৰত বন্ধুৱে হানি-খুঁচি হত্যা কৰিলে বন্ধুক



থকা মুকুন্দ সূত্ৰধৰ নামৰ আন এজন যুৱকৰ ভাষ্যত যুৱকজনক হত্যা কৰা কথাটো ওলাই পৰে। এনে সময়তে গুৰুতৰভাৱে আহত অজিতক বঙাইগাঁও চিকিৎসালয়লৈ নিয়ে যদিও আদবাটতে মৃত্যু হয় অজিতৰ। মৃত অজিতৰ পৰিয়ালৰ আন এক ভাষ্য মতে ১০ৰ পৰা ১০-৩০ বজাত অজিতে মটৰ চাইকেলেৰে ঘৰলৈ উভতাৰ সময়তে ধুলাউৰাৰ মুকুন্দই তেওঁক ৰখাই মটৰ চাইকেল বিচাৰে। অজিতে ঘৰলৈ যাব বুলি কোৱাৰ পাছতো মুকুন্দই জোৰকৈ মটৰ চাইকেলখন চলোৱাৰ লগতে বাহনখন তেল উলিয়াই দিয়ে। ইয়াৰ প্ৰতিবাদ কৰাত লগত নিয়া ডেগাৰেৰে মুকুন্দই অজিতক আঘাত কৰে। ইপিনে, স্থানীয় একাংশ লোকে অনুমান কৰা মতে, দুই বন্ধুৱে পুৱতি নিশালৈকে সুৰাপান কৰি কিবা কথাত মতবিৰোধ ঘটি উক্ত ঘটনাটো সংঘটিত হয়। এই সন্দৰ্ভত আৰক্ষীয়ে মুকুন্দক আটক কৰি তদন্ত আৰম্ভ কৰিছে।

## বোনমাঝাত অমৃত মহোৎসৱৰ সমদলত অঘটন

### বৰলৰ আক্ৰমণত চিকিৎসাধীন ছাত্ৰ-ছাত্ৰী

অগ্ৰদূত বাৰ্তা

**দুমুনিচকী, ১১ আগষ্ট ঃ** স্বাধীনতাৰ ৭৫ বছৰ পূৰ্ণ উপলক্ষে অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি আজি দৰং জিলাৰ প্ৰান্তে প্ৰান্তে অনুষ্ঠিত হয় সমদল। জিলাখনৰ বৰমপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত স্বাধীনতা দিৱসৰ সমদলত অংশগ্ৰহণ কৰা প্ৰায় সাত গৰাকী ছাত্ৰ-ছাত্ৰীক বৰলে কামোৰাৰ ফলত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। আটাইকেইগৰাকী ছাত্ৰ-ছাত্ৰীক পাথৰিঘাট স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰা হয়। আনহাতে, বিষ্ণুপুৰস্থ বোনমাঝা উচ্চ মাধ্যমিক মাদ্ৰাছাৰ পৰা উন্নীত হোৱা বোনমাঝা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত চিত্ৰাংকন, সমদল আদি কৰা হয়। একেদৰে বুঢ়া লোকপ্ৰিয় বৰদলৈ উচ্চ মাধ্যমিক বিদ্যালয়, বিষ্ণুপুৰস্থ বাপুজী বালিকা উচ্চ মাধ্যমিক বিদ্যালয় আদিয়ে পৃথকে ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি সমন্বিতে সমদল আৰু এক চাইকেল মটৰ চাইকেল ৰেলী উলিয়ায়।

## ধুবুৰীত আৰক্ষীৰ চাইকেল ৰেলী

**ধুবুৰী, ১১ আগষ্ট ঃ** ধুবুৰী জিলাৰ আৰক্ষী প্ৰশাসনৰ উদ্যোগত স্বাধীনতাৰ ৭৫ সংখ্যক আজাদী কা অমৃত মহোৎসৱ উপলক্ষে ধুবুৰী আৰক্ষীয়ে ত্ৰিৰংগা পতাকা লৈ চাইকেল ৰেলী উলিয়ায়। ভাৰতৰ জাতীয় ত্ৰিৰংগা পতাকা লৈ চহৰখনৰ বিভিন্ন অঞ্চলেদি চাইকেল ৰেলীৰে 'হৰ ঘৰ ত্ৰিৰংগা' ১৩ৰ পৰা ১৫ আগষ্টলৈকে সকলোকে পতাকা উৰুৱাই ৰখাৰ বাবে সজাগ কৰাৰ উদ্দেশ্যে আজি এই চাইকেল ৰেলী উলিওৱা হয়। কাইলৈ ১২ আগষ্টত বাইক ৰেলী আৰু ১৩ আগষ্টত চৰ অঞ্চলত বসবাস কৰা লোকসকলকো সজাগ কৰাৰ উদ্দেশ্যে ৭৫ খন নাওৰে ৰেলী উলিয়াই প্ৰচাৰ চলোৱা হ'ব বুলি জানিবলৈ দিয়ে। ধুবুৰী জিলা আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ৰ পৰা আৰম্ভ হোৱা আজিৰ এই চাইকেল ৰেলী পুলিচ ৰিজাৰ্ভত অন্ত পৰে। উক্ত ৰেলীত অসম আৰক্ষী, চিআৰপিএফ বাহিনী, বিএছএফৰ জোৱান আৰু জিলা উপায়ুক্তৰ লগতে বিভিন্ন এনজিঅ'ৰ লোকেও অংশগ্ৰহণ কৰে।

## 'হৰ ঘৰ ত্ৰিৰংগা'ৰ প্ৰচাৰ অভিযানে সকলোৰে দৃষ্টি কাঢ়িলে দলগাঁৱত




অগ্ৰদূত বাৰ্তা

**দলগাঁও, ১১ আগষ্ট ঃ** অহা ১৫ আগষ্টত ভাৰতে স্বাধীনতাৰ ৭৫ বছৰ সম্পূৰ্ণ কৰিব। সেয়ে স্বাধীনতাৰ হীৰক জয়ন্তী সমগ্ৰ দেশতে 'আজাদী কা অমৃত মহোৎসৱ' নামেৰে পালন কৰা হৈ আছে। তাৰে অংশ হিচাপে এইবেলি 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচী অনুসৰি অহা ১৩-১৫ আগষ্টত দেশৰ প্ৰতিগৰাকী নাগৰিকৰ গৃহত ৰাষ্ট্ৰীয় পতাকা উত্তোলনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। চৰকাৰৰ এই কাৰ্যসূচী প্ৰচাৰৰ বাবে আজি পুৱা আঠ বজাত দৰঙৰ দলগাঁও বালিকা মধ্য ইংৰাজী বিদ্যালয়ে বিশাল সমদল উলিয়ায়। এই সমদলত বিদ্যালয়খনৰ ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, পৰিচালনা সমিতিৰ সভাপতি প্ৰমুখ্যে সদস্যবৃন্দ, চিআৰচিচি আন্নাছ আলী, জিলা প্ৰ'গ্ৰেম মেনেজাৰ ৰিফাদ নাহিদ, ওচৰৰ কে'বাখনো প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক খবিৰুদ্দিন আহমেদ, গাজীউল হক চৌধুৰী, জুলহাশ আলী, স্থানীয় নাগৰিক ধীৰেণ শইকীয়ায়ো অংশগ্ৰহণ কৰে। দলগাঁও টাউনৰ মাজেৰে উলিওৱা এই সমদলটোত দলগাঁও বালিকা উচ্চ ইংৰাজী বিদ্যালয়ৰ ছাত্ৰী, শিক্ষকসকলেও অংশগ্ৰহণ কৰে। ছাত্ৰীসকলে হাতে হাতে ৰাষ্ট্ৰীয় পতাকা লৈ গাড়ীত ছাউণ্ড বক্স বান্ধি 'হৰ ঘৰ ত্ৰিৰংগাৰ' গান বজাই চলোৱা প্ৰচাৰ অভিযানে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়।

## হাজোৰ মনাহকুছিত সাংস্কৃতিক সমাৰোহ

অগ্ৰদূত বাৰ্তা

**হাজো, ১১ আগষ্ট ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত মনাহকুছি মিলিজুলি সাংস্কৃতিক সংঘ আৰু বিষ্ণু জ্যোতি ক্ৰীড়া আৰু সাংস্কৃতিক সংঘৰ উদ্যোগত অনুষ্ঠিত কৰা হ'ব সাংস্কৃতিক সমাৰোহ। অহা ১৩ আগষ্ট শনিবাৰে মনাহকুছি কৃষ্টি বিকাশ সংঘৰ বাকৰিত বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হ'ব সাংস্কৃতিক সমাৰোহ। পুৱাৰ ভাগত স্বচ্ছ অভিযান, পতাকা উত্তোলন, অনুষ্ঠানৰ দ্বাৰ মুকলিৰ লগতে দিহানাম প্ৰতিযোগিতাৰ লগতে সন্ধিয়া ভাগত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, নৃত্য প্ৰতিযোগিতা আৰু কে'বাগৰাকীও বিশেষ ব্যক্তিক সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। নিশা অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী হিয়া মেধিয়ে কণ্ঠদান কৰিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে। সাংস্কৃতিক সমাৰোহ পৰিচালনা সমিতিৰ সভাপতি মদন ডেকা সম্পাদকদ্বয় ভবেশ ডেকা, শৈলেন্দ্ৰ দাস, বিষ্ণু জ্যোতি ক্ৰীড়া আৰু সাংস্কৃতিক সংঘৰ মুখ্য সভাপতি ৰাতুল শৰ্মা, সম্পাদক জগদীশ শৰ্মা, সাংস্কৃতিক সভাপতি প্ৰদীপ কুমাৰ বৰা আৰু সম্পাদক গোপাল দাসে সমূহ সাংস্কৃতিকপ্ৰেমী ৰাইজৰ সহযোগিতা তথা উপস্থিতি শ্ৰদ্ধাৰে কামনা কৰিছে।



### বাৰ্মিংহামৰ ব্যৰ্থতাৰ পাছত এছিয়ান গেমছৰ বাবে সাজু হৈছে ধিং এক্সপ্ৰেছ

# মই খেল এতিয়াহে বুজিছো ঃ হিমা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১১ আগষ্ট ঃ** '২০১৮ ত গ'ল্ডকষ্ট কমনৱেলথ গেমছত মই প্ৰথমবাৰৰ বাবে অংশ লৈছিলো। সেই বছৰে এছিয়ান গেমছত পদক লাভ কৰাৰ সফলতাও পাইছিলো। বিশ্ব জুনিয়ৰ এথলেটিকছত পদক জয় কৰি অভিলেখো গঢ়িছিলো। এনেবোৰ সফলতাই মোৰ মন-মগজুত এক অন্য ধৰণৰ প্ৰভাৱ পেলাইছিল। কিন্তু আজি চাৰি বছৰ পাছত মই অনুভৱ কৰিছো আচলতে খেল আৰু খেলুৱৈ কি? সেয়া এতিয়াহে মই বুজি পাইছো।' এই মন্তব্য ভাৰত গৌৰৱ অসমৰ মহিলা দৌৰবিদ হিমা দাসৰ। উল্লেখ্য যে আঘাতৰ বাবে প্ৰায় দুবছৰৰ বিৰতিৰ পাছত পুনৰ দেশৰ হৈ খেলি এইবাৰ বাৰ্মিংহাম কমনৱেলথ গেমছত অংশ লোৱা হিমাই পদক জয় কৰাত সফল নহ'ল যদিও নিজৰ সফল প্ৰত্যাবৰ্তনক লৈ আশাবাদী। কঠিন সময়ত আত্মবিশ্লেষণ কৰি কেৰিয়াৰ তথা জীৱনত



বধোদয় হোৱাৰ কথাও দৃঢ়তাৰে আজি সংবাদ মাধ্যমৰ ওচৰত স্বীকাৰ কৰে হিমাই। সফলতাৰ নতুন দিগন্ত এই ধাৰাণাই দিব বুলিও বিশ্বাসী ধিং এক্সপ্ৰেছ। অৰ্জুন বঁটা বিজয়ী হিমাই লগতে কয় যে, ভাৰতৰ মহিলাৰ ৰীলে দলে কমনৱেলথ গেমছত পদক জয় কৰাত সফল নহ'লেও অহা বৰ্ষৰ এছিয়ান গেমছত সফল হোৱাটো নিশ্চিত। হিমাই নিজেও চীনত পদক জয়ৰ বাবে শ্ৰেষ্ঠত্ব অৰ্জন কৰাৰ লক্ষ্যৰে কঠোৰ প্ৰশিক্ষণ ব্যস্ত হ'ব। সদ্য সমাপ্ত কমনৱেলথ গেমছৰ অভিজ্ঞতাৰ বিষয়ে সদৰি কৰি হিমাই কয়, 'আশা কৰাৰ দৰে যদিও মই ঘৰলৈ পদক আনিব নোৱাৰিলোঁ, কিন্তু এগৰাকী খেলুৱৈ হিচাপে মই মোৰ প্ৰদৰ্শনক লৈ সুখী। আঘাতৰ পিছত এইখন মোৰ বাবে প্ৰথম বৃহৎ আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতা আছিল। যিহেতু মই আঘাতৰ প্ৰত্যাহবান নেওচি কমনৱেলথ গেমছত কঠোৰ যুঁজ দিছিলোঁ, এয়াই অপৰিসীম মানসিক শক্তি প্ৰদান কৰিছে আনাগত সকলো প্ৰতিযোগিতাৰ বাবে। আনহাতে, মই সময়ৰ মূল্য আৰু গভীৰভাৱে হৃদয়ংগম কৰিব পাৰিছোঁ।' ইফালে, সংবাদমেলত উপস্থিত থাকি অসম এথলেটিকছ সন্থাৰ সভাপতি লক্ষ্য কোঁৱৰে কয়, 'আমি সুখী আৰু গৌৰৱান্বিত যে, অসমৰ গৌৰৱ হিমা দাসে শেহতীয়াকৈ এক গুৰুতৰ আঘাতৰপৰা সুস্থ হৈ বাৰ্মিংহামৰ কমনৱেলথ গেমছত সুন্দৰ প্ৰদৰ্শন আগবঢ়াইছে। অৱশ্যে মাত্ৰ নগণ্য সময়ৰ ব্যৱধানত তেওঁ দুৰ্ভাগ্যজনকভাৱে ফাইনেলৰ বাবে যোগ্যতা অৰ্জন কৰিব নোৱাৰিলে। কিন্তু সকলোৰে বাবে অনুপ্ৰেৰণাদায়ক কথাটো হ'ল হিমাই এই প্ৰতিযোগিতাখনত প্ৰত্যাশিতভাৱে সফল প্ৰত্যাৱৰ্তন কৰিছে। হিমাই নিশ্চিতভাৱে এই প্ৰতিযোগিতাৰ পৰা যথেষ্ট অভিজ্ঞতা বুটলিছে, যিয়ে তেওঁক আগন্তুক এছিয়ান গেমছত যথেষ্ট সহায় কৰিব। আমি হিমাক সকলোধৰণে সহযোগিতা আগবঢ়াবলৈ প্ৰতিশ্ৰুতিবদ্ধ যাতে হিমাই এছিয়ান গেমছকে ধৰি তেওঁৰ আগন্তুক সকলো প্ৰতিযোগিতাত একাগ্ৰতাৰে মনোনিৱেশ কৰিব পাৰে আৰু নিজৰ শ্ৰেষ্ঠত্ব উজাৰি দিব পাৰে।'



### গুৰুক স্বৰ্ণ পদকটো পিন্ধাই দিলে বিশ্ব চেম্পিয়নে

## নিখাত-নিতুৰ পদক জয়ৰ আঁৰত অসমৰ প্ৰণামিকা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১১ আগষ্ট ঃ** বিশ্ব মহিলা বক্সিঙত সোণ লাভ কৰাৰ পাছত সদ্য সমাপ্ত কমনৱেলথ গেমছতো স্বৰ্ণ জয় কৰি ভাৰতীয় বক্সিঙৰ নতুন তাৰকাৰূপে নিজকে প্ৰতিষ্ঠা কৰিছে নিখাত জাৰিনে। শেহতীয়াকৈ নিখাতে এই সফলতা এগৰাকী অসম কন্যাৰ সহায়ৰ বাবে পোৱা বুলি অগবত কৰিছে। কমনৱেলথ গেমছত স্বৰ্ণ জয় কৰাৰ পাছতে নিখাতে পদকটো পিন্ধাই দিছিল তেওঁ গুৰুৰূপে শ্ৰদ্ধা কৰা অসম কন্যা তথা প্ৰাক্তন আন্তৰাষ্ট্ৰীয় মহিলা বক্সাৰ প্ৰণামিকা বৰাক। উল্লেখ্য যে বাৰ্মিংহামত ভাৰতীয় মহিলা বক্সিং দলৰ সফলতাৰ আঁৰত আছিল অসমৰ প্ৰণামিকা। স্বৰ্ণজয়ী নিখাত আৰু নিতুৰ প্ৰশিক্ষক হিচাপে দায়িত্বত আছিল অসম কন্যা প্ৰণামিকা। কমনৱেলথ গেমছ আৰু ইয়াৰপূৰ্বে বিশ্ব বক্সিং চেম্পিয়নশ্বিপত স্বৰ্ণ মুকুট পিন্ধা নিখাতৰ সফলতাত ভাৰতীয় দলৰ প্ৰশিক্ষকৰূপে অসমৰ প্ৰণামিকাৰ আছে বিশেষ অৱদান। নিখাতৰ লগত অনুশীলনৰ লগতে পদে পদে সহায় কৰিছে প্ৰণামিকাই। বাৰ্মিংহামত লাভলীনাক বাদ দি বাকী মহিলা বক্সাৰসকলৰ লগতে সোণ লাভ কৰাৰ নিখাত আৰু নিতুক গাইড কৰিছিল প্ৰণামিকাই। উল্লেখ্য যে, এগৰাকী সফল প্ৰশিক্ষক হোৱা পূৰ্বে প্ৰণামিকা আছিল দেশৰ এগৰাকী আগশাৰীৰ মহিলা বক্সাৰ। ২০০৫ ত এছিয়ান বক্সিং চেম্পিয়নশ্বিপত ৰূপ আৰু বিশ্ব বক্সিং চেম্পিয়নশ্বিপত ব্ৰঞ্জ দখলৰে বক্সিং ক্ষেত্ৰত দপদপাই আছিল যোৰহাটৰ প্ৰণামিকা। ইতিমধ্যে লাভলীনাৰ জড়িয়তে অসমে খেলৰত্ন লাভ কৰিছে। কিন্তু নিখাত, নিতুৰ সফলতাই তথা আসন্ন পেৰিছ অলিম্পিকলৈ ভাৰতীয় মহিলা বক্সাৰৰ প্ৰত্যাশিত গৌৰৱে প্ৰণামিকাৰ জড়িয়তে অসমলৈ প্ৰথমবাৰৰ বাবে দ্ৰোণাচাৰ্য সন্মানো লৈ আনিব পাৰে।

## কমনৱেলথ ফেঞ্চিঙত ভাৰতৰ ভৱানীৰ সোণ লাভ



**নতুন দিল্লী, ১১ আগষ্ট ঃ** লণ্ডনত চলি থকা কমনৱেলথ ফেঞ্চিং চেম্পিয়নশ্বিপত স্বৰ্ণ পদক অৰ্জন কৰিছে ভাৰতৰ তাৰকা খেলুৱৈ ভৱানী দেৱী। উল্লেখ্য যে ভাৰতত ফেঞ্চিং ক্ৰীড়াৰ ধ্বজাবাহক হিচাপে পৰিচিত তাৰকাগৰাকীয়ে এইবাৰো প্ৰতিযোগিতাখনত নিজৰ খিতাপ অক্ষুণ্ণ ৰাখে। ফাইনেলত অষ্ট্ৰেলিয়াৰ ভেৰোনিকা ভাচিলেভাক ১৫-১০ ব্যৱধানত পৰাস্ত কৰি প্ৰতিযোগিতাখনৰ ক্ৰমাগত দ্বিতীয়টো স্বৰ্ণ হস্তগত কৰে ভৱানীয়ে। ইয়াৰ পূৰ্বে ২০১৮ ত কেনবেৰাত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাখনত স্বৰ্ণ অৰ্জন কৰি প্ৰথমগৰাকী ভাৰতীয় খেলুৱৈ হিচাপে ইতিহাস ৰচনা কৰিছিল ভৱানীয়ে। উল্লেখ্য যে যোৱা বৰ্ষত অনুষ্ঠিত হোৱা টকিঅ' অলিম্পিকলৈ যোগ্যতা অৰ্জন কৰি খেলুৱৈগৰাকীয়ে প্ৰথম ভাৰতীয় ফেঞ্চাৰ হিচাপেও আন এক ইতিহাস নিজৰ নামত সন্নিৱিষ্ট কৰিছিল। চলিত বৰ্ষত ইস্তানবুলত অনুষ্ঠিত হোৱা ফেঞ্চিং বিশ্বকাপত প্ৰত্যাশিত প্ৰদৰ্শন দাঙি ধৰাত ব্যৰ্থ হোৱা খেলুৱৈ গৰাকীয়ে জুলাইত কায়ৰোত অনুষ্ঠিত বিশ্ব চেম্পিয়নশ্বিপতো দ্বিতীয় ৰাউণ্ডতে অভিযান সামৰিছিল। এই ব্যৰ্থতাৰ পিছত কমনৱেলথ ফেঞ্চিং চেম্পিয়নশ্বিপত লাভ কৰা সফলতা ভৱানীৰ বাবে যথেষ্ট গুৰুত্বপূৰ্ণ বিবেচিত হৈছে। কমনৱেলথ চেম্পিয়নশ্বিপত স্বৰ্ণ জয়ৰ পিছতে ভাৱানীয়ে কয় যে দেশৰ বাবে আন এটা সোণৰ পদক জয় কৰি তেওঁ আনন্দিত হৈ পৰিছে। আগন্তুক প্ৰতিযোগিতাসমূহৰ বাবেও এই গতি অব্যাহত ৰাখিব বিচাৰে বুলি ভৱানীয়ে লগতে কয়।



গৃহভূমিত কমনৱেলথ গেমছত স্বৰ্ণজয়ী নয়নমণি শইকীয়াক অসম লন বল সন্থাৰ সম্বৰ্ধনা।

## নগেন বৰা ফুটবল লীগত উদয়ন কোৱাৰ্টাৰ ফাইনেলত

**অগ্ৰদূত বাৰ্তা, মৰিয়নি, ১১ আগষ্ট ঃ** মৰিয়নি ক্ৰীড়া সন্থাৰ উদ্যোগত ইয়াৰ বাপুজী ষ্টেডিয়ামত চলি থকা নগেন বৰা ফুটবল লীগৰ আজিৰ খেলত জয়ী হৈ উদয়ন সংঘই কোৱাৰ্টাৰ ফাইনেল খেলাৰ যোগ্যতা অৰ্জন কৰিছে। আজি গ্ৰুপ লীগৰ অন্তিমখন খেলত উদয়ন সংঘই হাতীজুৰি চাহ বাগিচা ফুটবল দলক ৩-০ গ'লত পৰাজিত কৰি লীগৰ সম্পূৰ্ণ পইন্ট অৰ্জন কৰাৰ লগতে অন্তিম দল হিচাপে নকআউটত প্ৰৱেশ কৰে । বিজয়ী দলৰ হৈ অমল ডিম্বুৱে দুটা গ'ল দি দলৰ বিজয়ত মুখ ভূমিকা লয়। ইফালে, বিধিনিষিদ্ধ খেলৰ বাবে হাতীজুৰিৰ কৃষ্ণ কেওটক ৰেফাৰীয়ে ৰঙা কাৰ্ড দি খেলপথাৰৰ পৰা বাহিৰ কৰি দিয়ে। খেলখন পৰিচালনা কৰে নিত্যৰঞ্জন ফুকন, ৰাজীৱ কৰ্মকাৰ, দেবু গোৱালা আৰু মিকু পাওগামে। লীগৰ খেল হ'ব অহা ১৬ আগষ্টত। সিদিনা প্ৰথমখন কোৱাৰ্টাৰত হোনোৱাল চাহ বাগিচা ফুটবল দলে কঠালগুৰি চাহ বাগিচা ফুটবল দলৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

## মুকলি দবা প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা, বিহপুৰীয়া, ১১ আগষ্ট ঃ** লখিমপুৰ জিলা দবা সন্থাৰ উদ্যোগত আৰু বিহপুৰীয়া মহাবিদ্যালয়ৰ সহযোগত অহা ২০ আৰু ২১আগষ্টত দুদিনীয়াকৈ বিহপুৰীয়া মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত লখিমপুৰ জিলা ভিত্তিত মুকলি দবা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে । এই প্ৰতিযোগিতাতে মুকলি শাখাৰ লগতে ১৯ বছৰ অনূৰ্ধ্ব , ১৭ বছৰ অনূৰ্ধ্ব, ১৫ বছৰ অনূৰ্ধ্ব , ১৩ বছৰ অনূৰ্ধ্ব, ১১ বছৰ অনূৰ্ধ্ব আৰু ৭ বছৰ অনূৰ্ধ্ব শাখাৰ খেলুৱৈ ৰাজ্যিক দবা প্ৰতিযোগিতাৰ বাবে বাচনি কৰা হ'ব। ইচ্ছুক খেলুৱৈ সকলে ১৮ আগষ্টৰ পূৰ্বে নামভৰ্তি কৰিব লাগিব । প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে যোগাযোগৰ নম্বৰ হ'ল ঃ ৮৬৩৮২-৩৩২০৪ আৰু ৯৮৫৪৩২৮১৯০ঙ্গ

## দৰং ক্ৰীড়া বাৰ্তা উন্মোচন

**অগ্ৰদূত বাৰ্তা**

**ছিপাঝাৰ, ১১ আগষ্ট ঃ** দৰং ক্ৰীড়া বাৰ্তা নামৰ তিনিমহীয়া বাতৰি কাকত খনৰ দ্বিতীয় সংখ্যাটো মাৰৈত উন্মোচন কৰা হয় । শাৰীৰিক নিৰ্দেশক,ক্ৰীড়া সংগঠক তথা সাহিত্যিক এম, মোবাৰক হুছেইনৰ সম্পাদিত কাকতখন মাৰৈ - বিজুলীবাৰী সাহিত্য সভাৰ উদ্যোগত মাৰৈ জনশিক্ষা পুথিভড়ালত শাখা সভাৰ সভাপতি চাহজামাল হকৰ লগতে শিক্ষক সাহিত্যিক এম হাফিজ আলি, অৱসৰী শিক্ষক নৌচাদ আলি আদিয়ে উন্মোচন কৰে। মাৰৈ-বিজুলীবাৰী শাখা সাহিত্য সভাৰ সম্পাদক বিজুফুকন বৰুৱাই আতধৰা সভাখনত কাকতখনৰ মুখ্য সম্পাদক মোবাৰক হুছেইন,সহযোগী সম্পাদক জ্যোতিৰ্ময় শইকীয়া, সাংবাদিক মনোজ আলি, এম হাফিজ আলি, অৱসৰী কৰ্মচাৰী অৰুণ দাস ,শাৰীৰিক নিৰ্দেশক মৃণাল কলিতা আদিয়ে বক্তব্য ৰাখি কাকতখনৰ উত্তৰোত্তৰ কামনা কৰে।

## দবা অলিম্পিয়াডত ভাৰতৰ পদক



**চেন্নাই, ১১ আগষ্ট ঃ** চেন্নাইত অনুষ্ঠিত হোৱা দবা অলিম্পিয়াডত আয়োজক ভাৰতে লাভ কৰিছে অনন্য সফলতা। উল্লেখ্য যে ভাৰতে আঠ বছৰৰ পিছত এই আগশাৰীৰ প্ৰতিযোগিতাখনত পুনৰ পদক অৰ্জন কৰিবলৈ সক্ষম হৈছে। চূড়ান্ত ৰাউণ্ডৰ খেলৰ সামৰণিৰ অন্তত ভাৰতে অপেন শাখাত আৰু মহিলাৰ শাখাত ব্ৰঞ্জৰ পদক জয়েৰে দেশক পুনৰ এবাৰ দবা অলিম্পিয়াডৰ পদক উপহাৰ দিছে। ভাৰতৰ 'বি' দল আৰু মহিলা 'এ' দলে এই পদক লাভ কৰে। ভাৰতৰ যুৱ গ্ৰেণ্ডমাষ্টাৰ তথা দবা বিশ্বৰ নতুন চাঞ্চল্য প্ৰাগনানন্ধা, ৰৌনক, গুকেশ, নিহাল আৰু অধিবনেৰে গঠিত ভাৰতীয় 'বি' দলটোৱে অন্তিম ৰাউণ্ডত জাৰ্মানীক পৰাস্ত কৰি ব্ৰঞ্জৰ পদক অৰ্জন কৰে। আনহাতে বৈশালী, কোনেৰু হাম্পি, তানিয়া শচদেৱ আৰু ভক্তি কুলকাৰ্নীৰে গঠিত ভাৰতৰ মহিলা 'এ' দলটোৱে অন্তিম ৰাউণ্ডত আমেৰিকা যুক্তৰাষ্ট্ৰৰ হাতত পৰাজয়ৰ সন্মুখীন হয় যদিও তৃতীয় স্থান লাভেৰে ব্ৰঞ্জ পদক জয় কৰিবলৈ সক্ষম হয়। প্ৰতিযোগিতাখনত মহিলাৰ শাখাত ইউক্ৰেইনে শ্ৰেষ্ঠত্ব অৰ্জন কৰিবলৈ সক্ষম হয়। আনহাতে উজবেকিস্তান দলটোৱে পুৰুষ শাখাত সোণৰ পদক লাভ কৰাৰ বিপৰীতে আৰ্মেনিয়াৰ দখললৈ যায় ৰূপৰ পদক। উল্লেখ্য যে ভাৰতত এইবাৰেই প্ৰথমবাৰৰ বাবে দবা অলিম্পিয়াড প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। তামিলনাডুৰ মামল্লাপুৰমত আয়োজিত এই প্ৰতিযোগিতাখনত মুঠ ১৮৭ খন দেশৰ প্ৰায় ৩৫০ টা দলে অংশগ্ৰহণ কৰে।

## হকী-বেডমিন্টনৰ প্ৰশিক্ষণ শিবিৰ সমাপ্ত

**অগ্ৰদূত বাৰ্তা, মৰিগাঁও, ১১ আগষ্ট ঃ** মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত হোৱা হকী আৰু বেডমিন্টনৰ প্ৰশিক্ষণ শিবিৰটোৰ সামৰণি পৰিছে। সামৰণি অনুষ্ঠানত ল'ৰা-ছোৱালীৰ মাজত এক প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতাৰ অন্তত সন্ধিয়া বঁটা প্ৰদান আৰু সামৰণি অনুষ্ঠান অনুষ্ঠিত হয়। মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ বেডমিন্টনৰ সম্পাদক মুক্তাৰ হুছেইনে আঁত ধৰা অনুষ্ঠানটোত জিলা ক্ৰীড়া সন্থাৰ উপ-সভাপতি ৰমেন নাথ,সম্পাদক জিতু বৰদলৈ,যুটীয়া সম্পাদক নাচিৰুদ্দিন আহমেদ,মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সম্পাদক জিতুমনি নাথ, মৰিগাঁও উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ অধ্যক্ষ দিব্যজ্যোতি তামুলী,চিমল দেউৰী,যোগল কিশোৰ চৌধুৰী,বলদেব নাথ,ভৰত নাথ,মানিক নাথ,ৰূপৰাম বৰদলৈ,পূৰ্ণ কান্ত নাথ,বিশ্বজিৎ ডেকা আদি উপস্থিত থাকে। অনুষ্ঠানত হকীৰ প্ৰশিক্ষক বিক্ৰম সিংনা,বেডমিন্টনৰ প্ৰশিক্ষক অৰূপ নন্দী,অনুপ নাথক সম্বৰ্ধনা জনোৱা হয়।



ৰাজ্যিক ট্ৰাইথলন প্ৰতিযোগিতাত পদক লাভ কৰা খেলুৱৈসকল।

## গুৱাহাটী টাউন ক্লাবৰ বিৰুদ্ধে নৱজ্যোতিৰ জয়

**গুৱাহাটী, ১১ আগষ্ট ঃ** নেহৰু ষ্টেডিয়ামত গুৱাহাটী ক্ৰীড়া সন্থাৰ উদ্যোগত চলি থকা এন এন ভট্টাচাৰ্য প্ৰাইজমানি নকআউট ফুটবল টুৰ্ণামেণ্টৰ আজিৰ খেলত নৱজ্যোতি ক্লাবে গুৱাহাটী টাউন ক্লাবক ২-১ গ'লত পৰাস্ত কৰে । প্ৰথমাৰ্ধত খেল গ'লশূন্য হৈ থকাৰ পাছত নৱজ্যোতিৰ মিন্টু মেচে ৫০ মিনিটত গ'ল দি দলক অগ্ৰগতি দিয়ে । ইয়াৰ পাছত নৱজ্যোতিৰ বালানষ্টাৰ টাৰোৱে ৬২ মিনিটত গ'ল দি ব্যৱধান বৃদ্ধি কৰে । ৭৫ মিনিটত ডি বসুমতাৰীয়ে টাউন ক্লাবৰ হৈ গ'লটো দিয়ে । কাইলৈ মহাৰাণা এচিয়ে এফচি গ্ৰীণভেলীৰ বিৰুদ্ধে অংশ ল'ব।

## যোৰহাট কাৰাটে চেম্পিয়নশ্বিপত মৰিয়নি দলৰ সফলতা অৰ্জন

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ১১ আগষ্ট ঃ** যোৰহাট জিলা কাৰাটে সন্থাৰ উদ্যোগত যোৰহাট কেন্দুগুৰিত অনুষ্ঠিত দ্বিতীয় যোৰহাট জিলা কাৰাটে চেম্পিয়নশ্বিপত মৰিয়নি মাৰ্চিয়েল আৰ্ট এচ'চিয়েছনে আশাপ্ৰদ সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে । প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰি মৰিয়নি মাৰ্চিয়েল আৰ্ট এচ'চিয়েছনে দ্বিতীয় শ্ৰেষ্ঠ দলৰ সন্মান দখল কৰিবলৈ সক্ষম হয় । দলটোৱে ১৩ টা সোণ, ছটা ৰূপ আৰু ১২ টা ব্ৰঞ্জৰ পদক সহ মুঠ ৩১ টা পদক লাভ কৰে । দলটোৰ হৈ অনংগ শইকীয়া, তানিশ গগৈ, আস্থা বৰা, অখিল তাঁতী, কেশৰাজ সিনহা, ভাব্যালীনা বৰা, দিক্ষীতা কৰ্মকাৰ, পঞ্চিমিতা বৰদলৈ, ৰিম্পী বৰা, প্ৰত্যাশা বৰা, সুনয়না গগৈ আৰু মৌমন প্ৰিয়ম বৰাই সোণৰ পদক অৰ্জন কৰে । তন্নভ গগৈ, যুৱৰাজ কুৰ্মী, সগুপ্ত হাজৰিকা, ঈশিতা ফুকন আৰু স্বেতা হাজৰিকাই ৰূপৰ পদক লাভ কৰাৰ বিপৰীতে ফাৰদিশ ছামাদি, নিবিঞ্জ জ্যোতি বৰা, আত্ৰেয়ী কাশ্যপ,



নয়নদ্বীপ হাজৰিকা, অভিজ্ঞান হাজৰিকা, দেৱাশীষ বৰা, তাজলিন আৰু অংগৰাজ গগৈয়ে ব্ৰঞ্জৰ পদক অৰ্জন কৰে। আনহাতে, কাটা শাখাত স্বেতা হাজৰিকাই সোণৰ পদক অৰ্জন কৰে । দলটোৰ ভাব্যালীনা বৰা, প্ৰত্যাশা বৰা, তানিশ গগৈ আৰু পঞ্চিমিতা বৰদলৈয়ে ৰূপৰ পদক অৰ্জন কৰাৰ বিপৰীতে সগুপ্ত হাজৰিকা আৰু যুৱৰাজ কুৰ্মীয়ে ব্ৰঞ্জৰ পদক অৰ্জন কৰে। মৰিয়নি মাৰ্চিয়েল আৰ্ট এচ'চিয়েছনৰ মূখ্য প্ৰশিক্ষক হিচাপে জ্যেষ্ঠ সমৰকলাবিদ ত্ৰিদ্বীপ গগৈয়ে প্ৰশিক্ষণ প্ৰদান কৰি আহিছে । আনহাতে, প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ যোৱা দলটোৰ প্ৰশিক্ষক আৰু পৰুচালক হিচাপে সৌৰভ হাজৰিকা আৰু বিভূতি বেৰিয়াই সহযোগ আগবঢ়াইছিল।

### গ্ল'বেল এডভেঞ্চাৰ এছ'চিয়েচনৰ উদ্যোগত-অসম চৰকাৰৰ ক্ৰীড়া বিভাগৰ সহযোগিতা

## হিমালয়ৰ চন্দ্ৰভাগা শৃংগলৈ অসমৰ পৰ্বতাৰোহী

**গুৱাহাটী, ১১ আগষ্ট ঃ** হিমালয়ৰ চন্দ্ৰভাগা ৰেঞ্জৰ দুটাকৈ পৰ্বত শৃংগ আৰোহণৰ বাবে সাজু হৈছে অসমৰ এটা পৰ্বতাৰোহীৰ দল। হিমালয় পৰ্বতমালাৰ বিশাল উচ্চতাত অসমৰ বিজয়ধ্বজা উৰুৱাবলৈ সাজু অসমীয়া। উল্লেখ্য যে দলটোৰ নেতৃত্ব দিব অভিজ্ঞ পৰ্বাতাৰোহী বিক্ৰম বড়োৱে। গ্ল'বেল এডভেঞ্চাৰ এছচিয়েচনৰ উদ্যোগত তথা অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যান বিভাগৰ সহযোগত হিমালয়ৰ চন্দ্ৰভাগা ৰেঞ্জত অৱস্থিত দুটাকৈ পৰ্বত শৃংগ আৰোহণৰ বাবে আগবাঢ়িছে বিশেষ দলটো। স্মৰ্তব্য যে গ্ল'বেল এডভেঞ্চাৰ এছচিয়েচনৰ উদ্যোগত বিভিন্ন সময়ত পূৰ্বে দুঃসাহসিক ক্ৰীড়া অভিযান কৰি আহিছে। তদুপৰি এই ক্ষেত্ৰত লাভ কৰিছে কেইবাটাও সফলতাও। এইবাৰ অভিযানৰ বাবে অভিযান বাবে গুৱাহাটীৰ পৰা ৰাওনা হ'ব। প্ৰায় এমাহ জুৰি চলিব এই অভিযান। উল্লেখ্য যে ফ্লেগ অফ কাৰ্যসূচীত উপস্থিত থাকে ক্ৰীড়া বিভাগৰ যুটীয়া সঞ্চালক অন্তৰা গগৈ, সহকাৰী সঞ্চালক সত্যব্ৰত গগৈ, ৱাৰ্ড কমিছনাৰ অৰূপ ডেকা, গ্ল'বেল এডভেঞ্চাৰ এছচিয়েচনৰ সভাপতি অতুল মহন্ত, অসমৰ প্ৰথম এভাৰেষ্ট আৰোহণকাৰী তৰুণ শইকীয়া, প্ৰশিক্ষক অজিত কলিতা আদি। অসমৰ পৰা যাবলগীয়া দলটোৰ সদস্যসকল হল ঃ বিক্ৰম বড়ো, ধিৰাজ বড়ো, জুন্টি দাস, বুলেন বৰ্মন, আছীফ শেখ, পল্লৱী দাস, মিনাক্ষী দাস, হাফিজুল খান, বৰ্ণালী পাটোৱাৰী আৰু অমিত দাস।



১০ গৰাকী পৰ্বাতাৰোহীক বাছনি কৰি উলিয়াইছে গ্ল'বেল এডভেঞ্চাৰ এছচিয়েচনে। ভোগেশ্বৰী ফুকননী ইনড'ৰ ষ্টেডিয়ামৰ প্ৰেক্ষাগৃহত এই অভিযানৰ ফ্লেগ অফ কৰিছে অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ সঞ্চালক নিবেদন দাস পাটোৱাৰীয়ে। অহা ১৪ আগষ্টত দলটোৱে এই



# চীন দেশীয় মংগোলীয় পিতৃৰ সন্তান, ভাৰতৰ স্বাধীনতা সংগ্ৰামী মিনিমাতাৰ ৫০ সংখ্যক মৃত্যু দিৱস পালন কলিয়াবৰত

■ ১৯১৩ত কলিয়াবৰত জন্মগ্ৰহণ কৰি কালক্ৰমত হৈছিলগৈ চত্তিছড়ৰ সাংসদ ■ কলিয়াবৰৰ পৰা গৈ দেশৰ বহুকেইখন আইন প্ৰণয়নত লৈছিল গুৰুত্বপূৰ্ণ ভুমিকা ■ চত্তিছগড় চৰকাৰে কলিয়াবৰত মিনিমাতা ভৱন নিৰ্মাণৰ বাবে দিছে ২০ লাখ

জয়ন্ত কুমাৰ শৰ্মা

কলিয়াবৰ, ১১ আগষ্ট ঃ মিনিমাতা। সম্পূৰ্ণ নাম মিনাক্ষী মিনিমাতা। পিতৃ তেওঁৰ চীন দেশীয় মংগোলীয়। মাতৃ ভাৰতীয়। অথচ এইগৰাকী নাৰী ভাৰতৰ ইতিহাসত এক স্বৰ্ণীল নাম। চত্তিছগড় ৰাজ্যৰ প্ৰথম মহিলা সাংসদ তথা মহাত্মা গান্ধী নেতৃত্বাধীন ব্ৰিটিছ বিৰোধী অসহযোগ আন্দোলনৰ সক্ৰিয় কৰ্মী আছিল এই মিনাক্ষী মিনিমাতা। এইগৰাকী সংগ্ৰামীৰে এক অসমৰ যোগসূত্ৰ পোহৰলৈ আহিছে এই স্বাধীনতা দিৱসৰ প্ৰাক্‌ক্ষণত। এইখন অসমৰে নগাঁও জিলাৰ কলিয়াবৰত জন্মগ্ৰহণ কৰি বহু ঘাত-প্ৰতিঘাট নেওচি এইগৰাকী সংগ্ৰামী মহীয়সীয়ে খোজ পেলাইছিল দেশৰ সংসদভৱনৰ দৰে সন্মানীয় স্থানত। যুৱক-যুৱতীৰ বিবাহৰ বয়স যথাক্ৰমে ২১ আৰু ১৮ বছৰ কৰাৰ ব্যৱস্থা কৰোৱাৰ লগতে অস্পৃশ্যতা নিবাৰণ আইন প্ৰণয়ন, যৌতুক প্ৰথা বন্ধ কৰা আদি আইন প্ৰণয়নৰ মূল কাণ্ডাৰী মিনাক্ষী মিনিমাতাৰ জন্ম হৈছিল অসমৰ নগাঁও জিলাৰ কলিয়াবৰৰ দলগাঁও বামুণভেটিত ১৯১৩ৰ ১৩ মাৰ্চত। যিটো সময়ত কলিয়াবৰৰ আত্মাৰাম শৰ্মাই অসমীয়া ভাষালৈ বাইবেল অনুবাদ কৰিছিল, সেই সময়তেই এইখন কলিয়াবৰতে জন্মগ্ৰহণ কৰিছিল মিনিমাতাই। আজি এইগৰাকী মহীয়সীৰ ৫০ সংখ্যক মৃত্যু দিৱস। কলিয়াবৰৰ চিকনীত সৎনামী সমাজে আজি বিশেষভাৱে পালন কৰিছে এইগৰাকী নাৰীৰ আজিৰ মৃত্যু দিৱসটি। এইগৰাকী মহীয়ান মিনিমাতাৰ জন্মতো আছে এক সুকীয়া কাহিনী। মিনিমাতাৰ পিতৃ অজেংগ চীন দেশৰ মংগোলীয় গোষ্ঠীৰ লোক আছিল। বানপানীৰ কবলত পৰি তেওঁ ব্ৰহ্মপুত্ৰইদি আহি বিধিৰ পাকচক্ৰত কলিয়াবৰত ইংৰাজে স্থাপন কৰা চিকনী চাহ বাগিচা পাইছিলহি। মিনিমাতাৰ মাতৃ পূৰ্বপুৰুষ চত্তিছগড় ৰাজ্যৰ বাসিন্দা আছিল। সেই সময়ত ১৮৫৩, ১৮৫৬, ১৮৬৬ আৰু ১৮৬৭ত চত্তিছগড়ত অকাল-দুৰ্ভিক্ষই দেখা দিছিল। ফলস্বৰূপে মিনিমাতাৰ ককাক আধাৰী সৎনামী আৰু আইতাক বুধিয়াৰীনে তিনিগৰাকী কণ কণ সন্তানসহ বাগানৰ ঠিকাদাৰ এজনৰ তলত কৰ্মসূত্ৰে অসমত উপস্থিত হয়হি। তেওঁলোকৰে এগৰাকী কন্যাৰ নাম মতিবাই। কিছুদিনৰ পাছত মিনামাতাৰ মাতৃ মতিবাইৰ সেই চীনামূলীয় অজেংগৰ লগত বিয়া হয় আৰু তিনিগৰাকী সন্তানৰ জন্ম হয়। কিন্তু তিনিগৰাকী সন্তান



পাৰিবাৰিক কন্দলৰ বলি হৈ মৃত্যুক সাৱটিব লগা হোৱাত মতিবাই দুখত ভাগি পৰে। পুনৰ চতুৰ্থবাৰ গৰ্ভৱতী হোৱাত তেওঁ পাৰিবাৰিক অশান্তিৰ ফলত চিকনী বাগানৰ পৰা পোনে পোনে বাগিচাৰ পূৱ দিশত থকা দলগাঁও বামুণভেটিলৈ আহি সম্বন্ধীয় মাহীয়েকৰ ঘৰত আশ্ৰয় লয় আৰু তাতেই মিনিমাতাৰ জন্ম হয়। এই মিনিমাতায়ে পৰৱৰ্তী সময়ত বিভিন্ন ঘটনা প্ৰৱাহৰ মাজেদি পুনৰ চত্তিছগড়লৈ ঘূৰি গৈ সাংসদত অৱস্থিত হয়। ইয়াৰো আছে এক সুকীয়া কাহিনী। ১৯৩০ত সৎনাম ধৰ্মৰ জগত গুৰু অগৰমনদাস চাহাবে অসমৰ সৎনামীসকলৰ পৰিস্থিতিৰ বিষয়ে বুজ ল'বলৈ চত্তিছগড়ৰ পৰা অসমলৈ আহিছিল। তেতিয়াই গুৰুৱে অসমত মিনিমাতা আৰু মাকৰ দুখ-দুৰ্গতিৰ বিষয়ে গম পাই তেওঁলোকক চত্তিছগড়লৈ লৈ গৈছিল। পাছত চত্তিছগড়ৰ সৎনাম গুৰু ঘাসীদাসৰ পুত্ৰ অগমদাস চাহাবৰ লগত মিনিমাতাৰ বিবাহ হয় আৰু সেইদিনাৰ পৰাই গুৰুমাতাৰ পদত অধিষ্ঠিত হৈ মিনাক্ষী মিনিমাতা নামেৰে জনাজাত হৈ পৰে। স্বামী অগমদাসৰ মৃত্যুৰ পাছত মিনিমাতা চত্তিছগড়ৰ লোকসভাৰ প্ৰথমগৰাকী মহিলা সাংসদ নিৰ্বাচিত হয়। ইয়াৰ পাছতে তেওঁ একেৰাহে ১৯৫২ৰ পৰা ১৯৭২লৈকে লোকসভাৰ সাংসদ হিচাপে কাৰ্যনিৰ্বাহ কৰে। তেওঁ দৰিদ্ৰ, অসহায় আৰু অনাথসকলৰ কাৰণে চিন্তা-চৰ্চা কৰিছিল। সত্য, অহিংসা, পৰোপকাৰ আৰু ৰাষ্ট্ৰীয় একতা তেওঁৰ জীৱনৰ মূল উদ্দেশ্য আছিল। ১৯৫৬ত তেওঁ সদনত মিনিমাতা অস্পৃশ্যতা নিবাৰণ আইন প্ৰণয়ন কৰালে। অনাথ শিশুসকলৰ সুব্যৱস্থা কৰা, নাৰী শিক্ষা, বাল্য বিবাহ বন্ধ কৰা, যৌতুক প্ৰথা বন্ধ কৰা আদি ব্যৱস্থা কৰিছিল মিনিমাতাই। ছোৱালীৰ বয়স ১৮ বছৰ আৰু ল'ৰাৰ বয়স ২১ বছৰত বিয়া কৰোৱাৰ ব্যৱস্থা কৰিলে, যিটো যৌতুক প্ৰথা অধিনিয়ম, ১৯৬১ৰ প্ৰস্তাৱ ১৯৮৭ত গ্ৰহণ কৰা হয়। সৎনামী সমাজক শিক্ষিত কৰিবৰ কাৰণে ৰায়পুৰ আৰু বিলাসপুৰত সৎনামী আশ্ৰম স্থাপন, চত্তিছগড় মজদুৰ সংঘ আদি স্থাপন কৰিছিল। তেওঁ ভাৰতীয় ৰেলৰে ব'ৰ্ডৰ সদস্য হিচাপে নিৰ্বাচিত হৈছিল। ১৯৭২ৰ ১১ আগষ্টত অৰ্ধৰাত্ৰি নতুন দিল্লীৰ পালম বিমান বন্দৰৰ পৰা তিনি কিলোমিটাৰ নিলগত এক বিমান দুৰ্ঘটনাত মিনিমাতাৰ মৃত্যু হয়। কলিয়াবৰত এতিয়াও সজীৱ হৈ আছে মিনিমাতাৰ স্মৃতি। সৎনামী সমাজে মিনিমাতাৰ স্মৃতি সজীৱ কৰি ৰখাৰ লগতে কলিয়াবৰৰ হাটবৰৰ সমীপৰ দলগাঁও বামুণভেটিত এটা পুথিভঁড়াল স্থাপন কৰিছে। আনহাতে, চিকনী চাহ বাগিচাৰ সমীপতে এটা মিনিমাতা ভৱন নিৰ্মাণৰ কাৰণে চত্তিছগড় চৰকাৰে ২০ লাখ টকা প্ৰদান কৰিছে। শীঘ্ৰেই এই ভৱন নিৰ্মাণৰ কাম সম্পূৰ্ণ হ'ব বুলি জানিবলৈ দিয়ে সৎনামী সমাজে। ইফালে, মিনাক্ষী মিনিমাতাৰ এনে কলিয়াবৰৰ সম্পৰ্কৰ বাতৰিয়ে সকলোকে এক নতুন তথ্যৰ খোৰাক যোগাইছে। স্বাধীনতা দিৱসৰ প্ৰাক্‌ক্ষণত নিতান্তই ই এক ইতিবাচক খবৰ।



# ভাৰতীয় মহাকাশ গৱেষণা কেন্দ্ৰৰ ফটো প্ৰতিযোগিতাত মঙলদৈৰ আলোকচিত্ৰ শিল্পীৰ প্ৰথম পুৰস্কাৰ লাভ



অগ্ৰদূত বাৰ্তা

মঙলদৈ, ১১ আগষ্ট ঃ ১৯৬৯ৰ ২০ জুলাইৰ দিনা চন্দ্ৰত মানুহে অৱতৰণ কৰা ঐতিহাসিক দিনটোৰ স্মৃতিচাৰণ হিচাবে ভাৰতীয় মহাকাশ গৱেষণা কেন্দ্ৰই আয়োজন কৰা আন্তৰ্জাতিক চন্দ্ৰ শীৰ্ষক আলোকচিত্ৰ প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰি অসমৰ লগতে দৰং জিলালৈ বিৰল সন্মান কঢ়িয়াই আনিলে মঙলদৈৰ কলিতাপাৰা নিবাসী আলোকচিত্ৰ শিল্পী গৌতম ডেকাই। ২০ জুলাইৰ দিনা আয়োজিত এই প্ৰতিযোগিতাত যোগদান কৰা গৌতম ডেকাই দেশ বিদেশৰ আলোকচিত্ৰ শিল্পীসকলৰ ভিতৰত উজলি উঠিবলৈ সক্ষম হয় মঙলদৈৰ সমীপৰ চেৰেং চাপৰিত গুৰু পূৰ্ণিমাৰ নিশা তোলা চন্দ্ৰৰ এখন আকৰ্ষণীয় আলোকচিত্ৰৰে। ১০ আগষ্টৰ দিনা ভাৰতীয় মহাকাশ গৱেষণা কেন্দ্ৰৰ ৱেবছাইটত এই প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰি উৎফুল্লিত হৈছে ডেকা। ২০১৬ত স্থাপত্যবিদ্যাত স্নাতক সন্মান লাভ কৰা উদীয়মান আলোকচিত্ৰ শিল্পীজনে ২০১২ত আলোকচিত্ৰ শিল্পী হিচাবে আত্মপ্ৰকাশ কৰি ২০১৩ৰ পৰা এষ্ট্ৰ ফটোগ্ৰাফীত বিশেষভাৱে মনোনিৱেশ কৰে। ২০১৫ত অসম পৰ্যটনে আয়োজন কৰা 'মেগনিফিচেন্ট অসম' শীৰ্ষ আলোকচিত্ৰ প্ৰতিযোগিতাত প্ৰথম আৰু 'পৰম্পৰাগত অসম' শীৰ্ষ প্ৰতিযোগিতাত দ্বিতীয় স্থান লাভ কৰা গৌতম ডেকাই সম্প্ৰতি বিবাহ আলোকচিত্ৰ শিল্পীৰূপে পেছাগতভাৱে কাম কৰাৰ উপৰি চখ হিচাবে বাছি লৈছে 'এষ্ট্ৰ ফটোগ্ৰাফী'। দৰং ফটোগ্ৰাফী এছ'চিয়েছনৰ অন্যতম প্ৰতিষ্ঠাপক গৌতম ডেকাৰ এই সাফল্যত অভিনন্দন জনাইছে মঙলদৈ মিডিয়া চাৰ্কল, সেউজী অসম আদি সংগঠনৰ লগতে বিভিন্ন অনুষ্ঠানে।

# বাগানপাৰাত চৰকাৰী খণ্ডৰ বিদ্যালয়ৰ দুৰৱস্থা

## একেটা শ্ৰেণীকোঠাত ছটাকৈ শ্ৰেণীৰ পাঠদান

চানক্য বৈশ্য

বাগানপাৰা, ১১ আগষ্ট ঃ বাগছাৰ মুছলপুৰ শিক্ষা খণ্ডৰ অন্তৰ্গত একাংশ চৰকাৰী বিদ্যালয়ৰ দুৰৱস্থাই চিন্তিত কৰি তুলিছে দৰিদ্ৰ অভিভাৱকক। নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে ঢুকি নোপোৱা তেনে এখন বিদ্যালয় হৈছে বাগানপাৰা ৰাজহ চক্ৰৰ অন্তৰ্গত কদমতলা জোনাকী প্ৰাথমিক বিদ্যালয়। উক্ত বিদ্যালয়ত মাত্ৰ এটা শ্ৰেণীকোঠাতে ছটাকৈ শ্ৰেণীৰ পাঠদান কৰা হয়। এজনীয়া শিক্ষকেৰে চলা বিদ্যালয়খনৰ প্ৰধান শিক্ষকজনৰ ব্যক্তিগত অনুৰোধত পাঠদানত সহায় কৰি দিয়ে অংগনৱাড়ী কেন্দ্ৰৰ শিক্ষয়িত্ৰীগৰাকীয়ে। বিদ্যালয়খনৰ আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰতো পদক্ষেপ গ্ৰহণ কৰা নাই ৰাজ্য চৰকাৰ অথবা বিটিআৰ পৰিষদৰ বিভাগীয় কতৃপক্ষই। এই ক্ষেত্ৰত বিদ্যালয়খনৰ একমাত্ৰ শিক্ষকজনে জনোৱা মতে আন্তঃগাঁথনি উন্নয়নৰ লগতে কমেও এগৰাকী শিক্ষক নিযুক্তি দিবলৈ বিভাগীয় কৰ্তৃপক্ষক বাৰম্বাৰ অনুৰোধ জনাই অহা হৈছে যদিও কোনো ফল ধৰা নাই। সেয়ে এই ক্ষেত্ৰত শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰি অঞ্চলটোৰ দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰ-ছত্ৰীসকলৰ শিক্ষাৰ অধিকাৰ নিশ্চিত কৰিবলৈ আহ্বান জনায় শিক্ষকজনে।



পবিত্ৰ ৰাক্ষী বন্ধনত দিছপুৰৰ সহকাৰী আৰক্ষী আয়ুক্ত হিমাংশু দাসক ৰাক্ষী পিন্ধাই বিজেপি মহিলা মৰ্চাৰ সভানেত্ৰী আংগুৰলতা ডেকাই।

# তেজপুৰ বিশ্ববিদ্যালয়ৰ গৱেষকৰ আন এক সাফল্য

## খাদ্য আৱৰ্জনাৰে কম খৰচী জৈৱিক ইন্ধন উৎপাদন ঃ পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰত এক আশাব্যঞ্জক উদ্ভাৱন

ষ্টাফ ৰিপ'ৰ্টাৰ

তেজপুৰ, ১১ আগষ্ট ঃ জৈৱিক ইন্ধনৰ উৎপাদন তথা ইয়াৰ উৎপাদন ব্যয় হ্ৰাস কৰাৰ বাবে বিশ্বজুৰি গৱেষণা অব্যাহত থকাৰ সময়তে তেজপুৰ বিশ্ববিদ্যালয়ৰ এগৰাকী আন্তঃৰাষ্ট্ৰীয় গৱেষক তথা ইজিপ্তৰ আলেকজেণ্ডাড্ৰিয়াৰ নিবাসী খলিফা চৈয়দে ৰন্ধন এইক্ষেত্ৰত সফলতা লাভ কৰিছে। গৱেষকজনে তেলৰ আৱৰ্জনা তথা পেলনীয়া খাদ্য সামগ্ৰী, মূলা আৰু মিঠা আলুৰ পাতৰ পৰা জৈৱীক ইন্ধনৰ উৎপাদন সফলতাৰে সম্পন্ন কৰিছে। এই নতুন আৰু উদ্ভাৱনীমূলক ৰাসায়নিক প্ৰক্ৰিয়াই জৈৱ-ইন্ধন উৎপাদনৰ ব্যয় বহু পৰিমাণে হ্ৰাস কৰিব। উল্লেখযোগ্য যে তেজপুৰ বিশ্ববিদ্যালয়ৰ এমবিবিটি বিভাগৰ অধ্যাপক মানবেন্দ্ৰ মণ্ডলৰ তত্বাৱধানত আৰু বিশ্ববিদ্যালয়খনৰ শক্তি বিভাগৰ অধ্যাপক ধনপতি ডেকাৰ সহ-তত্বাৱধানত ছৈয়দে এই প্ৰক্ৰিয়াৰ ওপৰত গৱেষণামূলক প্ৰখ্যাত বিজ্ঞান আলোচনীত গৱেষণা পত্ৰ প্ৰকাশ কৰে। তেওঁ এই উদ্ভাৱনৰ সন্দৰ্ভত কয়, 'আমাৰ প্ৰধান উদ্দেশ্য হৈছে জলবায়ুৰ পৰিৱৰ্তন বন্ধ কৰা। ঘৰ আৰু ৰেষ্টুৰেণ্টে আৱৰ্জনা হিচাপে পেলাই দিয়া ব্যৱহৃত ৰন্ধন তেলৰ দৰে দৈনন্দিন খাদ্য সামগ্ৰীক বহু কম খৰচত জৈৱ ইন্ধন উৎপাদনৰ বাবে উপাদান হিচাপে ব্যৱহাৰ কৰিব পাৰি। আনহাতে, তত্বাবধায়ক অধ্যাপক মণ্ডলে কয়, 'কৃষি আৱৰ্জনা নবীকৰণযোগ্য আৰু বহনক্ষম স্বচ্ছ শক্তি উৎপাদনৰ বাবে আশাব্যঞ্জক উৎস।' সাধাৰণতে ট্ৰাইগ্লিচাৰাইড ফিডষ্টক আৰু এলকহলৰ মাজত অনুঘটকৰ উপস্থিতিত বিক্ৰিয়া কৰি ফেটি এচিড মিথাইল এষ্টাৰ আৰু গ্লিচাৰল গঠন কৰা হয়। খলিফা ছৈয়দে ৰাসায়নিক প্ৰক্ৰিয়াত পেলনীয়া তেল আৰু অনুঘটক সলনি কৰি জৈৱিক ইন্ধন উৎপাদনৰ ব্যয় হ্ৰাস কৰে। তেওঁ অৱশিষ্ট ৰন্ধন তেল আৰু শেলাই তেল শোধন কৰিছিল, যিবোৰ তাৰ পাছত অৱশিষ্ট তেল হিচাপে ব্যৱহাৰ কৰা হয়। মাইক্ৰ'এলগা সেউজ গৃহ গেছ হ্ৰাসৰ এক বৃহৎ সমৰ্থক আৰু বৰঞ্জ্য পানীতো ইয়াৰ খেতি কৰিব পাৰি। পটাছিয়ামযুক্ত মূলা আৰু মিঠা আলুৰ পাতবোৰ কেলচিনেট কৰিলে আকাংক্ষিত অনুঘটক পোৱা যায় বুলিও গৱেষণাত নিশ্চিত হয়। সহ তত্বাবধায়ক অধ্যাপক ডেকাই কয়, 'ৰসায়নিক পদাৰ্থ আৰু শক্তি উৎপাদনৰ বাবে জৈৱভিত্তিক ব্যৱস্থাই গতানুগতিক উৎসৰ বিকল্প ল'ব পাৰে। এইদৰেই জলবায়ু পৰিৱৰ্তনৰ সম্ভাৱনা হ্ৰাস কৰাত সহায় কৰিব পাৰে।' তেজপুৰ বিশ্ববিদ্যালয়ৰ পিএইচডি ছাত্ৰ তথা প্ৰকাশিত গৱেষণা পত্ৰসমূহৰ সহ-লেখক নিৰন দৈমাৰীয়ে এই বিষয়ে কয় যে এই অধ্যয়নত স্থানীয়ভাৱে উপলব্ধ জৈৱ আৱৰ্জনা ব্যৱহাৰ কৰি বহনক্ষম শক্তি উৎপাদনৰ বাবে আৱৰ্জনা মূল্যায়নৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। তেজপুৰ বিশ্ববিদ্যালয়ৰ পিএইচডি ছাত্ৰ আৰু আন এগৰাকী সহ লেখক ডলিজিৎ বৰাই এই বিষয়ে কয় যে মাইক্ৰ'এলগেই পেট্ৰলিয়ামৰ ঠাইত জলবায়ু পৰিৱৰ্তন হ্ৰাস কৰাত সহায় কৰাৰ সম্ভাৱনা আছে। অৱশ্যে মাইক্ৰ'এলগে প্ৰযুক্তিক বাণিজ্যিকভাৱে কাৰ্যক্ষম কৰি তুলিবলৈ ইয়াক বহুবিষয়ক গৱেষণাৰ ওপৰত গুৰুত্ব দিয়াৰ প্ৰয়োজন। ২০১৯ৰ অক্টোবৰত মাহত খলিফা ছৈয়দে এই প্ৰকল্পৰ কাম আৰম্ভ কৰিছিল যদিও কৰ'না মহামাৰীৰ ফলত তেওঁৰ কামতো প্ৰভাৱ পৰিছিল আৰু লেহেমীয়া হৈছিল। তেওঁ তেজপুৰ বিশ্ববিদ্যালয়ৰ শক্তি বিভাগৰ সুবিধাসমূহ ব্যৱহাৰ কৰিছিল। তেওঁৰ পৰীক্ষা-নিৰীক্ষাৰ বাবে তেজপুৰ বিশ্ববিদ্যালয় আৰু বিশ্লেষণৰ বাবে অত্যাধুনিক বিশ্লেষণাত্মক যন্ত্ৰপাতি কেন্দ্ৰ, এছ এ আই চি, তেজপুৰ বিশ্ববিদ্যালয় আৰু যোৰহাটৰ নৰ্থ-ইষ্ট ইনষ্টিটিউট অৱ চাইন্স এণ্ড টেকন'লজিৰ সহায় লাভ কৰিছিল। আজি বিয়লি এই বিষয়ে তেজপুৰ বিশ্ববিদ্যালয়ৰ তৰফৰ পৰা সবিশেষ সংবাদমাধ্যমক জনোৱা হয়।

# চাৰে তিনিবছৰে সন্ধানহীন গোলাঘাটৰ উচ্চ শিক্ষিতা যুৱতী বাইহাটাৰ গাছবাৰীত উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

গোৰেশ্বৰ, ১০ আগষ্ট ঃ বিগত চাৰে তিনি বছৰে সন্ধানহীন হৈ থকা গোলাঘাটৰ এগৰাকী উচ্চ শিক্ষিতা মানসিকভাৱে অসুষ্ঠ যুৱতী কালি ১০ আগষ্টত বাইহাটা চাৰিআলি আৰক্ষীৰ সহযোগত পিতৃৰ লগতে পৰিয়ালে গোৰেশ্বৰৰ সমীপৰ গাছবাৰীৰ এটা প্ৰেক্ষাগৃহৰ পৰা উদ্ধাৰ কৰি চিকিৎসাৰ ব্যৱস্থা কৰাৰ বাবে নিজা ঘৰলৈ লৈ যায়। ৰাজনীতি আৰু অৰ্থনীতি বিষয়ত স্নাতকোত্তৰ ডিগ্ৰীধাৰী উচ্চশিক্ষিতা তথা ক্ৰিকেট আৰু কেৰম খেলুৱে হিচাপে সুখ্যাতি থকা কোঁৱৰ উপাধিৰ যুৱতীগৰাকীয়ে উজনিৰ এখন মহাবিদ্যালয়ত অধ্যাপনাও কৰিছিল। প্ৰায় চাৰে তিনিবছৰ পূৰ্বে পিতৃৰ লগত বজাৰ কৰিবলৈ ওলাই যোৱাৰ পাছৰে পৰা সন্ধানহীন হৈ পৰিছিল। মাতৃহীনা যুৱতীগৰাকীৰ সন্ধানত স্থানীয় আৰক্ষী থানাত পিতৃয়ে এজাহাৰ দিয়াৰ উপৰি পৰিয়ালে বিচাৰ খোচাৰ কৰি চলাথ কৰিছিল যদিও কোনো সন্ধান পোৱা নাছিল। ইফালে আজিৰ পৰা প্ৰায় ছমাহ পূৰ্বৰ পৰা কামৰূপৰ গাছবাৰীৰ এটা প্ৰেক্ষাগৃহত এগৰাকী যুৱতীয়ে আশ্ৰয় লৈ থাকে। স্থানীয়লোকে যুৱতী গৰাকীৰ সন্দৰ্ভত গোৰেশ্বৰৰ সাংবাদিক আব্দুল লতিফ চৌধুৰীক অৱগত কৰাৰ লগতে তেওঁক উদ্ধাৰ কৰি চিকিৎসা ব্যৱস্থা পদক্ষেপ ল'বলৈ আহবান জনায়। সাংবাদিক চৌধুৰীয়ে যুৱতীগৰাকীৰ বিষয়ে কিছু অনুসন্ধান কৰি দুৰ্বিষহভাৱে জীৱন ধাৰণ কৰা যুৱতীগৰাকী শিক্ষিতা বুলি ধাৰণা কৰাৰ লগতে উচ্চ শিক্ষিতা বুলি জানিব পাৰে। এই সন্দৰ্ভত বাতৰিও পূৰ্বে প্ৰকাশিত হয়। গোৰেশ্বৰ সাংবাদিকজনে পৰিৱেশন কৰা বাতৰিটো যুৱতীগৰাকীৰ পিতৃৰ চকুত পৰে আৰু তেওঁৰেই কন্যা বুলি ধাৰণা কৰি যোৱা সপ্তাহত পিতৃ এজন বন্ধুৰ স'তে গাছবাৰীত আহি উপস্থিত হয় আৰু তেওঁ কন্যা হয় নে নহয় পৰ্যবেক্ষণ কৰে। প্ৰথম অৱস্থাত চেহেৰাৰ কিছু অমিল পোৱাত অহা বাটে পিতৃ গৰাকী উভতি যায় যদিও পাছত প্ৰায় এসপ্তাহ সাংবাদিক চৌধুৰী আৰু গোলাঘাটৰ সেই নিৰুদ্দিষ্ট যুৱতীগৰাকীৰ পৰিয়ালৰ লগত যোগাযোগ চলি থাকে। পৰিয়ালে দিয়া বিভিন্ন তথ্যৰ লগত সাংবাদিকগৰাকীয়ে চলোৱা অনুসন্ধান তথ্য সম্পূৰ্ণ মিলি যোৱাত কালি পৰিয়ালৰ স'তে পিতৃয়ে গাছবাৰীত উপস্থিত হয় আৰু তেওঁৰেই কন্যা বুলি নিশ্চিত কৰে। পাছতে আৰক্ষীৰ সহায়ত কালি বিয়লি উচ্চ শিক্ষিতা যুৱতীগৰাকীক উদ্ধাৰ কৰি নিজ ঘৰলৈকে লৈ যায়। উল্লেখ্য যে উক্ত যুৱতীগৰাকী প্ৰায় এবছৰ কাল গোৰেশ্বৰ মহৰিপাৰাৰ বজাৰ গৃহতো আশ্ৰয় লৈ আছিল। মানসিক অসুষ্ঠ যুৱতীগৰাকীক কালি পৰিয়ালে উদ্ধাৰ কৰি নিয়াৰ পূৰ্বে স্থানীয় লোকে ফুলাম গামোছাৰে বিদায় সম্ভাষণ জনায়।

ইপিনে যুৱতীগৰাকীৰ পৰিয়ালে গাছবাৰীবাসীৰ লগতে সাংবাদিক আব্দুল লতিফ চৌধুৰীয়ে লোৱা ভমিকা ভূয়সী প্ৰশাংসা কৰে।

# মাজুলী মহাবিদ্যালয়ৰ উদ্যোগত পণ্ডিত-সত্ৰাধিকাৰ নাৰায়ণ চন্দ্ৰ গোস্বামী দ্বিতীয় স্মাৰক বক্তৃতানুষ্ঠান

অগ্ৰদূত বাৰ্তা

কমলাবাৰী, ১১ আগষ্ট ঃ সত্ৰীয়া-সংস্কৃতিৰ দিগ্গজ পুৰুষ, পণ্ডিত-সত্ৰাধিকাৰ, 'সত্ৰীয়া সংস্কৃতিৰ স্বৰ্ণৰেখা'ৰ দৰে একাধিক প্ৰামাণ্য গ্ৰন্থৰ ৰচয়িতা, শংকৰদেৱ বঁটা-সাহিত্য একাডেমীকে আদি কৰি ভালেমান বঁটাপ্ৰাপক মাজুলী কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ নাৰায়ণ চন্দ্ৰ গোস্বামীৰ দ্বিতীয় স্মৃতিদিৱস উপলক্ষে আজি মাজুলী মহাবিদ্যালয়ৰ উদ্যোগত এখন অনলাইন স্মাৰক বক্তৃতানুষ্ঠান অনুষ্ঠিত কৰা হয়। আজি দিনৰ ১২ বজাৰপৰা গুগল মীট যোগে আয়োজিত 'সাম্প্ৰতিক অসমীয়া নাটক ঃ পৰিৱৰ্তন আৰু প্ৰত্যাহ্বান' শীৰ্ষক বিষয়ত স্মাৰক বক্তৃতানুষ্ঠান মহাবিদ্যালয়ৰত উদ্বোধনী ভাষণ প্ৰদান কৰি মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই কয়, 'বৈদগ্ধৰ বিভূতিৰে প্ৰোজ্জ্বল, বৈষ্ণৱ কৃষ্টি, সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনৰ গুৰি ধৰোঁতা পণ্ডিত-সত্ৰাধিকাৰ নাৰায়ণ চন্দ্ৰ গোস্বামী প্ৰভুৱে ভালেকেইখন নাটক লিখি, অভিনয় কৰোৱাই, 'অংকীয়া নাট্যাৱলী'-'ফৌজীয়া নাটকাৱলী' সম্পাদনা কৰাৰ বাহিৰেও তিনিবাৰকৈ অংকীয়া ভাওনা সমাৰোহ অনুষ্ঠিত কৰি অসমীয়া নাট্য-সাহিত্যৰ পৰিপুষ্টি সাধনত উল্লেখনীয় ভূমিকা গ্ৰহণ কৰি থৈ গৈছে।'

সত্ৰাধিকাৰগৰাকীৰ উত্তৰসুৰী তথা নতুন কমলাবাৰী সত্ৰৰ ডেকাধিকাৰ সত্যজিৎ মহন্তই অনুষ্ঠানৰ আৰম্ভণিতে সকলোকে সম্ভাষণ জনোৱাৰ পাছত মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক তথা প্ৰকাশন সচিব অপূৰ্বজ্যোতি হাজৰিকাই সত্ৰাধিকাৰ গোস্বামীৰ বিষয়ে এক চমু পৰিচয়জ্ঞাপক বক্তব্য দাঙি ধৰে। মহাবিদ্যালয়ৰ অধ্যাপক ড° দুলাল হাজৰিকাই আঁত ধৰা অনুষ্ঠানটি সঞ্চালনা কৰে শৈক্ষিক সমন্বয়ক অৱনী কুমাৰ দত্তই। বক্তৃতানুষ্ঠানত মূল ভাষণ প্ৰদান কৰে যোৰহাটৰ দেৱীচৰণ বৰুৱা ছাত্ৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড° ৰঞ্জন ভট্টাচাৰ্যই। এক অন্তৰ্দৃষ্টিসম্পন্ন আৰু তত্ত্বগধুৰ ভাষণ আগবঢ়াই ড° ভট্টাচাৰ্যই কয়, 'জ্যোতিপ্ৰসাদ আগৰৱালাৰ হাতত বিকশিত হোৱা বাস্তৱবাদী নাটকৰ হাত ধৰিয়েই বিভিন্ন নাটকৰ ধাৰা গঢ়ি উঠিল। সমাজৰ প্ৰাথমিক সমস্যাসমূহে নাট্যকাৰসকলক নাটক লিখাৰ প্ৰেৰণা দিছিল। বিভিন্ন সমস্যাৰ উপৰিও তিনিটা সাম্প্ৰতিক সমস্যা যেনে সন্ত্ৰাসবাদীৰ সমস্যা, নাৰীসকলৰ ওপৰত অৱদমন আৰু নিঃসংগতাৰ সমস্যাই নাট্যকাৰসকলক বিশেষ প্ৰভাৱিত কৰিছে।'

শতাধিক লোকে অংশগ্ৰহণ কৰা বক্তৃতানুষ্ঠানত মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, লখিমপুৰৰ এলটিকে মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° হামিদুৰ ৰহমান, যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয়ৰ অধ্যাপক বিষ্ণুৰাম নাথ, বিহপুৰীয়া মহাবিদ্যালয়ৰ অধ্যাপিকা ড° চিত্ৰলেখা ফুকন, আঁহতগুৰিৰ শিক্ষক দুগ্ধচন্দ্ৰ মহন্ত, যোৰহাট দেৱীচৰণ বৰুৱা মহাবিদ্যালয়ৰ অধ্যাপিকা ড° সুস্মিতা প্ৰিয়দৰ্শিনী, জোনাই বালিকা মহাবিদ্যালয়ৰ অধ্যাপক ৰাজু ৰেগন, অধ্যাপিকা প্ৰীতিৰেখা দত্ত চলিহা প্ৰভৃতি বহুকেইজন বিশিষ্ট লোকে ভাগ লয়।

বক্তৃতানুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় অধ্যাপক তুলসী ৰাজখোৱাই।



আগন্তুক স্বাধীনতা দিৱসৰ পূৰ্বে খানাপাৰৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত নিৰাপত্তাৰক্ষীৰ তালাচী, বৃহস্পতিবাৰে।

**PHYSIOTHERAPY CENTRE**
H.No-51, Basisthapur Bye lane 4,
Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720

**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com